বালিঘৰ

ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য

বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড
গুৱাহাটী পাঠশালা কলিকতা

প্ৰকাশক
বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড্
পাণ বজাৰ, গুৱাহাটী-৭৮১০০১

শাখা ঃ
পাঠশালা ৭৮১৬২৫
বৰপেটা
১০ কৈলাশ বোস ষ্ট্ৰীট
কলিকাতা-৭০০ ০০৬

অলংকৰণ ঃ
ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য
হিলচাইড, চেনীকুঠি
গুৱাহাটী ৭৮১০০৩

প্ৰথম প্ৰকাশ, জানুৱাৰী ২০০৩

বেচ ঃ ৭০ টকা মাত্ৰ

ডি. টি. পি. কম্পোজিং
এল ডোৰাডো পাব্লিকেশ্বনচ্
শ্ৰীমন্তপুৰ, গুৱাহাটী - ৩২

ছপা ঃ
কালাৰ আছাম
৩১ উদ্যোগ পাম, গুৱাহাটী ৭৮১০২১

শ্ৰীমতী বিভাৰাণী ভট্টাচাৰ্য্যৰ হাতত

এই **বালিঘৰ** অৰ্পণ কৰা হ'ল।

— *লেখক*

বালিঘৰ

এক

যোৱাকালি ৰাতি এটা সপোন দেখিছিলো—

সেইটোনো আকৌ কি ডাঙৰ কথা? মানুহে টোপনিত সপোন দেখেই। মইও এটা সপোন দেখিছিলো যোৱাকালি—

কি বা দেখিলি?

শ্মশানৰ ফালে সাঙি কৰি কেইজনমান মানুহে মোক লৈ গৈছে। তেনেকৈ লৈ যোৱা দেখি মোৰ বৰ ভয় লাগিছিল—

কিয়?

মই চিতাত উঠিম; অথচ তইঁত থাকি যাবি? আমাৰ ওজা-পালিৰ পাৰ্টিটোৰ তেতিয়া কি হ'ব? শুনিছো, এইবাৰ খৰাং-বতৰ হ'লে গএগাই 'ভেকুলী বিয়া' পাতিব। তেতিয়া বোলে আমাৰ পাৰ্টিটোকে বিয়াত ওজা-পালি গাবলৈ মাতিব। কিন্তু মাতিলেইবা হ'ব কি? মইতো নাথাকিম—

এইবোৰ সপোন হৈছে বয়সৰ সপোন। বা বয়সৰ দোষ বুলিয়েই একপ্ৰকাৰ ক'ব পাৰি। আমাৰ বয়স বাৰু এতিয়া কিমান হ'ল? মই আৰু সদানন্দ কিন্তু একেদিনাই জন্মিছো; সদানন্দই কৈছে— তাৰ বয়স বোলে তিনিকুৰি পাৰ হৈ পাঁচ বছৰত ভৰি দিছে। গতিকে এই বলোৰামৰো বয়স সদানন্দৰ সমানেই হ'ব। উমাৰ বয়স বাৰু কিমান হৈছে?

এই ধৰ, — তিনিকুৰি সাতৰ ওচৰা-ওচৰি।

দশৰথ আৰু ৰাখালৰ?

সিমানেই হ'ব কিজানি—

ঠিকেই আছে তেনেহ'লে ঃ এনে বয়সত তেনেকুৱা সপোন নেদেখি আৰু আমি কি দেখিম? গছৰ তলত থিয় হৈ পাউদাৰ, স্নো বা গোন্ধ-তেলৰ বটল লৈ কাৰোবাৰ কাৰণে অপেক্ষা কৰি থকা সপোন আৰু নেদেখো— সেই সময় আমাৰ উকলি গ'ল। যোৱাকালি মই কি সপোন দেখিছো জান? বিলৰ পাৰৰ আলিৰে নাঙল-যুঁৱলি লৈ গৈ আছো- হঠাৎ দেখিলো গৰুহাল পাৰৰ আলিৰে বিলৰ ফালে নামি গৈ আছে। মই হুঁ হুঁ চঁ চঁ কৈ হেকেলিয়াই হেকেলিয়াই সেই হালক ফিৰাই আনিবলৈ গৈ পানী-জিয়লিত পিছল খাই পৰিছো। তাৰ পাছত দেখিলো বগা ভেঁট ফুলবোৰৰ পাহিবোৰ পানীত সৰি পৰিছে আৰু মোৰ জীউটো সঁচাৰৰ পৰা ওলাই গৈছে। তেতিয়া মই মনে মনে ভাবিছো— এতিয়া আমাৰ ওজা-পালিৰ দলটোৰ কি হ'ব?

ভাবি ভাবি মনৰ দুখতে কান্দি আছো—

নহয় অ'। তহঁতৰ সপোনবোৰ হৈছে নিজক লৈ ঃ মোৰ সপোনটো কিন্তু নিজক লৈ নহয়—

নিজক লৈ নহয়? তেন্তে কাক লৈ?

মানে আমাৰ সদানন্দক লৈ। মই সদানন্দক ৰজা হোৱা দেখিছো-

ৰজা হোৱা দেখিছ?

অ' সি ৰজা হৈ ৰাজপাটত বহিছে—

ৰজা হৈছে? কিনো ক'ৱ? আজিকালিতো ৰজা-ৰাণীৰ দিন নাই। সি কেনেকৈ ৰজা হ'ল?

অ' সদানন্দ ৰজাই দঁতাল-হাতীৰ হাওদাত বহি হাতৰ গোলাপ ফুল শুঙি শুঙি পথাৰত হালবাই থকা আমাৰ ফালে চাই চাই তাচ্ছিল্যৰ হাঁহি মাৰি গৈ আছে। কাষত সদানন্দৰ ঘৈণীয়েক আৰু পিছফালে আছে তাৰ অফিচাৰ পুতেকজন আৰু জীয়েক, মানে অনিমেষ আৰু নীলাৰ কথা কৈছো। হাতীৰ আগে আগে বাজনা বজোৱা দল— ঢুলীয়া, কালিয়া আৰু তাল বজোৱা মানুহকেইজন। তাৰ পাছে পাছে এটা হাতীৰ দল— ঝম-ঝমাই গৈছে।

তাৰ পাছত?

তাৰ পাছত আৰু কি হ'ব? একো নেদেখা হ'লো। মানে সাৰ পাই গ'লো।

অৱশ্যে অৱশ্যে তই ঠিক সপোনটোকেই দেখিছ। আজিকালি তাক মোটামুটি ৰজা বুলিয়েই ক'ব লাগিব। কাৰণ সিটো ৰজাৰ দৰেই থাকে। চলন-ফুৰণ, শোৱা, থকা, খোৱা-লোৱা, সকলোতেই। গতিকে, সদানন্দৰ লগত আমি আৰু এতিয়া নিজক তুলনা কৰিলে নচলিব। অৱশ্যে, বৰ্তমান তাৰ উন্নতি দেখি মোৰ হ'লে ভালেই লাগিছে। যি নহওক, এসময়ত একেলগে চহ কৰি খোৱা মানুহ এজনে যে অন্ততঃ দুসাজ ভালদৰে খাব পৰা হৈছে— নহলেতো আজিৰ তাৰিখত আমাৰ দৰেই পেটফলা খাই পৰি থাকিবলগীয়া হ'লহেঁতেন। এতিয়া অন্ততঃ বিপদে আপদে-তাৰ পৰা দুপইচা আনিব পাৰিম।

অ' মাজে মাজে মোৰো অৱশ্যে সেই কথাবোৰ মনত পৰে—

কি কথা?

আমি যে একেলগে কঠীয়া পাৰিছিলো, ভূঁই ৰুবলৈ গৈছিলো, কাতি মাহৰ দোমাহীত পথাৰলৈ চাকি জ্বলাবলৈ গৈছিলো—

এৰা, সি আৰু এতিয়া আমাৰ লগত পথাৰলৈ নাযায়। কেতিয়াবা কথাবোৰ ভাবিলে মনটো বেয়াই লাগে।

বেয়াতো লাগেই; পিছে আমাৰ এতিয়া কি হ'ব? সদানন্দৰ পুতেক এম-এ

পাছ। তাতে আকৌ এজন মস্ত ডাঙৰ অফিচাৰ। কোট-টাই মাৰি চিগাৰেট হুপি হুপি গাড়ীত উঠি অফিচলৈ যায়- বাটৰ মানুহে তাক দেখি ঘূৰি ঘূৰি চায়। ভাগ্যবান, বৰ ভাগ্যবান সি। যাৰ ভাল, সৰ্বতিকালেই ভাল আৰু যাৰ বেয়া সদায় বেয়া—

নাপায় নাপায়। বেলেগৰ ভাল দেখি হাঁ-হুমুনিয়াহ কাঢ়িব নাপায়। আমি সদানন্দৰ পুতেকক ভালহে পাব লাগে—

ঠিকেই, বেলেগৰ উন্নতি দেখি ভাল পালেহে আমাৰো ভাল হ'ব—

মইতো তাৰ উন্নতিত বেয়া পোৱা নাই; কেৱল কথাটোহে কৈছো। ক'লেই হিংসা কৰা হয়নে? আমাৰ জীৱনবোৰলৈ চা। জীৱনটো যেনেকৈ আৰম্ভ হৈছিল-তেনেকৈ শেষো হ'ব। ডেকা বয়সত, শৰীৰত যেতিয়া অলপ বল-শক্তি আছিল তেতিয়া নিজকে অলপ মানুহ যেন লগা হৈছিলেই, তেতিয়া নিজৰ ওপৰতো অলপ আস্থা আছিল- ভাবিছিলো, ভৱিষ্যতে কিবা এটা হ'ব; কিবা এটা হ'ব। এতিয়া বুঢ়া হলো; নিজৰ ওপৰত আস্থা হেৰাল। মানে, যিডাল গছৰ ছাঁত এসময়ত জিৰণি লৈছিলো, এতিয়া সেইডাল গছৰ পাত এটাও নাই— ছাঁ লবেই বা কেনেকৈ? সদানন্দৰ সৈতে আমি চাৰিজনে স্ফূৰ্তি-তামচাৰ মাজত থকা বাবে তেতিয়া আমাৰ স্বাস্থ্যপাতিও ভালে আছিল। পথাৰত দেহা মাৰি কাম কৰিও কাম কৰা যেনেই অনুভৱ কৰা নাছিলো। আচল স্ফূৰ্তি-তামচা কৰা মানুহজনেই যোৱা সাত-আঠ বছৰে আমাৰ মাজৰপৰা গুচি গৈছে যেতিয়া— আৰু এতিয়া আমাৰ দেহা পৰিও আহিছে। সদানন্দৰ দৰে,— ল'ৰা-ছোৱালীৰ মুখলৈ চাইও যে অলপ মনটো কিবাকৈ থিতাপি লগাবি সিও তথৈবচ- সিহঁত একেবাৰে ৰসাতলে গৈছে। অথচ, একেইতো হাল বাই চহ কৰি খোৱা সদানন্দৰ ল'ৰাই দোপতদোপে উন্নতি কৰি গৈ আছে— মানুহ হৈছে-- গতিকে অৱস্থা ৰজাৰ দৰে হ'বই। সেইকাৰণেই এতিয়া তাৰ খেতি-বাতি নকৰিলেও চলে। বতৰলৈ বাট চাই চাই আমাৰ দৰে হাঁ-হুমুনিয়াহ নাকাৰিলেও হয়। তাক আমি হিংসাই কৰিলো, হ'বই বা কি? আৰু কেইবছৰমান যাওক ৰ'বি ঃ দেখিবি নহয়; আলিৰে নাঙল-যুঁৱলি লৈ গৈ থকা অৱস্থাতে কাউৰী-শগুণে খাই নেফা-নেফ কৰিলেও কোনো চাওঁতা নোলাব। যিহে আমাৰ ল'ৰা-ছোৱালীৰ নমুনা- বাপেকটো মৰিলো নে আছো কোনো খবৰেই নাই। বিশ্বাস কৰ, যোৱাৰাতি এক চিকুটো টোপনি মৰা নাই। কাঁহি-কাঁহি থৰ হৈ বিছনাত বহি বহি সেহাই সেহাই কলো— বোলো, কোনোবাই উঠি মোক এটোপা পানী তপত কৰি দে। তথাপিও মাক-জীয়েক-পুতেক কোনোৱে আহি তপত পানী এটোপা কৰি হাতত তুলি নিদিলে। চপা-বাতি চুটি চুটি উশাহ লৈ বিছনাত পৰি পৰি ৰাতিপুৱা কোনোমতে সেহাই সেহাই বিছনাৰ পৰা উঠি নিজে তুঁহ জুই জ্বলাই পানী এটেকেলি গৰম কৰি কেইঢোকমান খোৱাৰ পাছতহে কোনোমতে দীঘল দীঘল উশাহ ল'ব পৰা হলো। তাৰ পাছতো মাক আৰু ল'ৰাৰ যিহে জেঙেৰা-আঁচোৰা। মই বোলে সিহঁতৰ টোপনি ভাঙিলো। ধেৎতেৰি বাহানচোট্- ইয়াকো বাৰু সংসাৰ বুলি কয়নে? মাত্ৰ এইখিনি পাবৰ বাবেহেনো

পৃথিৱীত জন্ম লৈছিলোনে? ইয়াৰ কাৰণেহে ল'ৰা-ছোৱালী জন্ম দিলোনে? ধেৎতেৰি, কাউৰীৰ বাহতো তাতকৈ বেছি শান্তি আছে। ৰাতিপুৱা শুই উঠি মাক, ল'ৰা দুজন আৰু ছোৱালীজনীৰ আকৌ মোৰ ওপৰতে দপদপনি। সিহঁতে তিৰস্কাৰ কৰি কৰি মোক কয়— 'সদানন্দই চাৰিচলীয়া পকীঘৰ সাজিলে, মই ৰুৱা-কামি এটাকে গোটাব পৰা নাই'— চাচোন ল'ৰা-তিৰোতাৰ কথা? তাৰোপৰি দৈনিক ফৰ্মাচখন আছেই। অমুক লাগে তমুক লাগে— সেই কাৰণে মনৰ বিকাৰত আজি ৰাতিপুৱাৰপৰা ঘৰলৈকেই যোৱা নাই। নাযাওঁ ঘৰলৈ—

তথাপিও, তোৰতো অলপ ভালেই। ল'ৰা দুজনে পঢ়াশুনা কৰিব নোৱাৰিলেও খেতি-খোলাত নামিছে; সিহঁত কৰ্মঠ; কামত অন্ততঃ ফাঁকি নিদিয়ে— দেখিছো নহয় সিহঁত দুয়োজনকে পথাৰত। হাল বোৱা শেষ কৰি তৎক্ষণাৎ ঘৰলৈ উভতি নাযায়। দুপৰীয়া শুদা-ভাত খাব লাগিব বুলি বিলত শৰালিৰ কণী বিচাৰে। চবিয়াই চবিয়াই হ'লেও মাছ-পুঠি চাৰিটা ঘৰলৈ লৈ যায়। বেয়াখিনিৰ লগত কিন্তু ভালখিনিও ক'ব লাগে। সেই কাৰণেই কৈছো- তোৰ ল'ৰা দুজন ভাল। কিন্তু ভাই! কৈছো নহয়!! মোৰ দুজন কিন্তু এক নম্বৰ ধোদ। ছোৱালীজনীয়ে কিবাকৈ কলেজ পাইছিল— যদিও তাইকো শেষত তপত ভাতৰ ধোঁৱাই খালে। নৈৰ সিপাৰৰ ল'ৰা এজনৰ লগত দিন নাই, দুপৰ নাই, গছৰ তলে, বাঁহৰ তলে ঘূৰি ফুৰে। ল'ৰাজন কিবা বোলে কলেজৰ 'চেক্ৰেটালি' নে কি? ল'ৰাজনকতো তহঁত সকলোৱেই জান— সি সম্পূৰ্ণ জহান্নামে গৈছে। পাঁচবাৰ দিও কোনোমতে মেট্ৰিকটো উধাব নোৱাৰিলে। সিদিনাখন আলফাৰ নামত চান্দা তুলিও ধৰা পৰিছে। বস্তি এটা আছিল; তাকো বিক্ৰী কৰিবলগীয়া হ'ল তাক পুলিচৰ হাতৰপৰা মোকোলাই আনিবৰ বাবে। শুনিছো, ভুৱা আলফাগিৰি কৰা বাবে এতিয়া আচল আলফাৰ ল'ৰাবোৰে তাক হেনো ঠিক সুবিধাত পালে গুলীয়াই মাৰিব। তাক গুলীয়াই মাৰিবৰ বাবে আচল আলফাৰ ল'ৰা এজনে হাতত বন্দুক লৈ ঘূৰি ফুৰিছেও বোলে। ক'ব নোৱাৰোঁ, সঁচা নে মিছা? মই কিন্তু গুলীয়াই মাৰিলেই ভাল পাওঁ। এনে কুপুত্ৰ কুলাংগাৰ থকাতকৈ নথকাই ভাল— এইমাত্ৰ যদি মই মৰি যাওঁ, মোক খৰি দিবলৈকে তাৰ হাতত কিজানি এপইছাও নোলাব। মৰি গ'লে ভালেই হয়; অইন নহ'লেও থকা-ঘৰটোকে ভাঙি নি মোৰ সৈতে জুইত জাপি দিলেই লেঠা চিগি থাকিব— সেইটো নকৰি জানো সিহঁতৰ কিবা উপায় আছে? ক তহঁতেই ক—

তথাপিও, তহঁতৰতো ক'বলৈ কিবাকিবি আছেই; মোৰ ক'বলৈয়ো একো নাই। ?সোৰ নকৰিলো। ইফালে দাল-দৰিদ্ৰও। মোকনো এতিয়া চাব কোনে?

এহ্ থ থ এইবোৰ। তেতিয়াৰে পৰা এইবোৰ শুনি শুনি বিৰক্তি লাগি গৈছে। সদায় সদায় গৰুৱে ঘাঁহ পাগুলিয়াই থকাৰ দৰে একেখিনি কথাকে আৰু কিমান পাগুলিয়াই থাক? তহঁত গৰু নেকি? তহঁতে কেৱল সদানন্দৰ সুখখিনিহে দেখ। কেতিয়াবা জানো সুধিছ— সি কেনে আছে? সি যে মনৰ বেজাৰত ক'লা পৰি গৈছে—

সেই খবৰটো জানো লৈছ? ঘৰটো বন্ধাৰ পাছত তাৰ মনটো অশান্তিৰে ভৰি পৰিছে। যেনেকৈ যোৱা বছৰ খৰাং বতৰে আমাৰ খেতি পথাৰ ফটাই চিৰিলা-চিৰিলি কৰি তুলিছিল, তে নেকৈ তাৰ অন্তৰখনতো এক খৰাং বতৰ চলিছে—

কিনো হ'ল— নকৱ কিয়? নাজানিলে আমি বা জানিম কেনেকৈ?

আজি নকও ঃ কোৱাৰ ইচ্ছাও নাই; গতিকে অইন এদিন কম। মুঠৰ ওপৰত এইবোৰ কথা আলোচনা কৰি কাৰো একো লাভ নহয়; বৰঞ্চ অভ্যাসটো এৰিব পাৰিলেই আমাৰ সকলোৰে কাৰণেই মংগল।

তই সঁচাকৈয়ে কৈছনে বলোৰাম?

অ, বলোৰামে কেতিয়াও মিছা কথা নকয়। সদানন্দৰ অৱস্থা দেখি মোৰ এনেকুৱা লাগিছে— সঁচাকৈয়ে পৃথিৱী কেতিয়াও সুখৰ ঠাই হ'ব নোৱাৰে।

জানো, ইহঁত চাৰিওজন লগ লাগিলেই আজিকালি কেৱল মোৰ কথাকেই আলোচনা কৰে। অৱশ্যে কৰিবই। তাৰ বাহিৰেনো সিহঁতৰ আলোচনাৰ বিষয়েই বা আছে কি-টো? কেৱল হিংসা, হিংসা, হিংসা। হ'বই। সিহঁতৰ অৱস্থাত থাকিলে হয়তো মইও তাকেই কৰিলোহেঁতেন। কিন্তু বেয়া লাগে এই কাৰণেই,— সিহঁতে কেৱল মোৰ বাহিৰখনহে দেখিছে; ভিতৰখন দেখা নাই। মই যে কি দুখত দহি দহি মৰিব লাগিছো— সেইটো কেৱল মইহে জানো। অৱশ্যে মোৰ ক্ষেত্ৰত হোৱা হ'লে হয়তো মইয়ো একো নুবুজিলোহেঁতেন। যোৱা ৰাতি, চাৰিজন অচিনাকি ল'ৰাই মুখত ক'লা কাপোৰৰ মুখা পিন্ধি আহি বন্দুক টোৱাই ভয় দেখুৱাই মোক দহ হেজাৰ টকা খুজিলে। পিছে মইনো পইছা-পাতি দিম ক'ৰপৰা? ল'ৰাও বাহিৰৰ পৰা আহি

পোৱাহি নাই। শেষত ক'তো একো বিচাৰি নাপায় সাজ-বাচন সোপাকে উঠাই লৈ গৈছে। যোৱাৰ সময়ত আকৌ সিহঁতে ভয় দেখুৱাই গৈছে— "আমি আকৌ আহিম; টকা বেডি কৰি থৈ দিব।" আহ— আহিবি, তহঁতক কিবা অমুকাই ভয় কৰিছোনে? বন্দুকেৰে গুলীয়াই মাৰিবিতো? মাৰ, তহঁতৰ হাতত মৰিব পাৰিলেতো ভালেই আছিল। তহঁতে এনেকৈ দাবি ধম্‌কি মাৰি নাথায়নো খাবি কেনেকৈ? মোৰ এটা ধাৰণা, সেই চাৰিজনৰ এজন বোধহয় মোৰ লগৰ দশৰথৰ পুতেকেই হ'ব। ভুৱা আলফাগিৰি কৰোঁতে তাক সিদিনাখন পুলিছে ধৰি নিছে। সেইফালে দশৰথে পুতেকক থানাৰপৰা আনিবলৈ গৈ পৈত্রিক সম্পত্তিৰ বস্তিটোৰ আধাখিনি বেচি দিবলগীয়া হ'ল।.... সঁচাকৈয়ে, মই নিৰুপায়। মই য'ৰ মানুহ তাতেই থাকিব লাগিছিল। হাল বাই চহ কৰি খোৱা মানুহ— আগৰ দৰেই ভুঁই ৰুই ধান কাটি খাই থকাই ভাল আছিল। তেতিয়াহ'লে হয়তো মনটো আজিৰ দৰে ইমান বিষাক্ত নহ'লহেঁতেন। আগতে ঘৰটোৰ মুধচৰে কাউৰী সোমাই আহিবপৰা আছিল, এতিয়া জানিবা অনিমেষে চাকৰি কৰাৰ পাছত ঘৰটো পকী হ'ল। ঘৰটোহে পকী হ'ল— মইতো পকী হোৱা নাই। মইতো কেঁচা হৈয়েই আছো। তথাপি মোৰ ঘৰটোৱে যেন সিহঁতক পুৰি মাৰিবলৈ ধৰিছে। সঁচাকৈয়ে, চলা-ফুৰাত মোৰ বৰ কষ্ট হৈছে। কিন্তু, এনেকৈ আৰু কিমানদিন চলিম। এনেকৈ জীৱন ধৰি থকাতকৈ মৰি যোৱাই ভাল। ভাবোহে মৰিম বুলি, কিন্তু মৰাটো ইমান সহজ নহয়। সেই কাৰণেই আছো। যদি নাথাকিলোহেঁতেন? নহয়, পৃথিৱীত জন্মিছিলো কাৰণেইতো আজি এনেকৈ ভাবিব পাৰিছো। মৃত্যুৰ পাছত কলৈ যাব কোনোৱে নাজানে, মইও নাজানো। যদি জানিলোহেঁতেন? কেনেকৈ জানিম? পৃথিৱীত বাচি থকাটোৱো কিন্তু কম আনন্দৰ কথা নহয়। সেই কাৰণেই আজি ইমানবোৰ কথা এটাৰ পাছত এটাকৈ ভাবি যাব পাৰিছো। এসময়ত পথাৰৰ ফালে কান্ধত নাঙল-যুঁৱলি লৈ চহ কৰিবলৈ গৈছিলোঁ, ৰুঠীয়া পাৰিছিলো, ভুঁই ৰুইছিলো; কাতি বিহুৰ দিনা ধান খেতিৰ মাজত বাঁহৰ ঠেকেনা সাজি তাৰ ওপৰত চাকি জ্বলাবলৈ গৈছিলোঁ; কাঁচিৰে ন-ধান কাটি সেই ধান আগলতি কলপাতেৰে মেৰিয়াই লৈ ঘৰলৈ উভতিছিলো। পুহ মাহত সন্ধিয়া চোতালত বলধৰ মুখত মুখ-খাৰা পিন্ধাই মৰণা মাৰিছিলো। ঘৰৰ মানুহজনী (বেউলাই) খেৰবোৰ গুচাই গুচাই ধানবোৰ ৰণীয়াৰে কোঁচাই কোঁচাই আনি পাচিত ভৰাই ভঁৰালত সুমুৱাই থৈ শেষ কৰোঁতে ৰাতি দোভাগ হৈছিল। বিছনাত তেতিয়া সৰু অনিমেষ আৰু ছোৱালীজনী নীলাই লালকাল দি টোপনি যায়। আমি দুয়ো নীলা আৰু অনিমেষক মাজত লৈ শুই শুই ক'ত যে সপোন দেখিছিলো। ডাঙৰ হ'লে সিহঁত দুয়ো অমুক হ'ব, তমুক হ'ব। আমাৰ সুখ হ'ব, শান্তি হ'ব। সঁচাকৈয়ে, পৃথিৱীলৈ আহিলেহে এইবোৰ ভাবি ভাবি আনন্দ পাব পাৰি, দুখ পাব পাৰি। দুখ পাব পৰাটোও কিন্তু কম আনন্দৰ কথা নহয়।

মই এতিয়া পথাৰলৈ যাব নালাগে। হাল বাব নালাগে, চহ কৰিব নালাগে।

একোকে কৰিব নালাগে। তাকেইতো ভাবো— আগৰ দিনকেইটাই মোৰ বাবে আটাইতকৈ ভাল আছিল। শোৱা, শুই উঠা আৰু খোৱাৰ বাহিৰে যেন এতিয়া আৰু মোৰ কৰিবলৈ একো নাই।

অলপ পাছত ঘৰলৈ যাম। বেউলাই হয়তো ইতিমধ্যে ৰান্ধনি ঘৰত সোমাই অমিতাৰে পাৰৰ মাংসৰ আঞ্জা ৰন্ধাত লাগি গৈছে। মাজে মাজে বাহিৰলৈ ওলাই আহি হয়তো মই উভতি আহিছোনে নাই চাইছে। এনেকৈ চাই চাই শেষত হঠাৎ এদিন হয়তো আৰু চিৰকালৰ বাবে বাট চাব নলগা হ'ব। মোৰ শ'টোৰ ওচৰত বেউলাই বহি বহি হিয়া ধাকুৰি কান্দিব— যি কান্দোন আৰু মই নুশুনিম। ঠিক তেনেকৈ নীলা আৰু অনিমেষেও কান্দিব। মুখৰ আগৰ এই বিশাল মৰণা মৰা চোতাল, ধানৰ ভড়াল, গোহালি, ঢেকীশাল, ঘৰৰ পাছৰ মিঠা-কৰ্দৈ, তামোল-পাণ, ৰবাব-টেঙা আৰু পনিযলৰ শাৰী, তাৰ পাছৰ মঁকাল-বাঁহৰ চোপ, সমুখৰ মাছৰ পুখুৰীৰ পাৰে পাৰে জকমকাই ফুলি থকা তেজ-গেন্ধাই ফুলৰ শাৰী বা নাৰিকল গছ একেবাৰেই নেদেখা হ'ম। বুঢ়াকালত অকণমান সুখৰ আশাত আজীৱন হাড়-ভঙা শ্ৰম কৰি কৰি বিহাল ল'ৰা-ছোৱালীক মই মানুহ কৰিলো সেই মৰমৰ বস্তুটোকো ইয়াতে এৰি থৈ যাব লাগিব। অনিমেষে হয়তো পিতাকৰ অনুপস্থিতি বৰকৈ উপলব্ধি কৰিব-- কিন্তু কিমান দিন ? মোৰ স্মৃতি তাৰ কাৰণে লাহে লাহে পুৰণি হৈ যাব। যেনেকৈ মই নিজেও আজি পাহৰি পেলাইছো মোৰ পিতাক।

নাথাকিলেও কিন্তু, বেউলাই মই ৰোৱা ৰঙা কৰবী জোপাৰ পৰা ভাঁহি অহা সৌগন্ধ পাই থাকিব। তেতিয়া হয়তো এটা কথা হ'বও পাৰে। কৰবী ফুলৰ গোন্ধ পাই পাই হয়তো চকুপানী টুকি টুকি ঘৰলৈ ফুৰিবলৈ অহা আলহী-অতিথিক গছত ওলমি থকা বাঁহৰ সৰু দৈৰে সাজি দিয়া বাহটো দেখুৱাই দেখুৱাই ক'ব— "মানুহজন যে আৰু! তেওঁ ৰঙা কৰবীৰ গোন্ধ ইমান ভাল পাইছিল। এদিনাখন যেতিয়া তাত কপৌ এহালে বাহ বান্ধিবলৈ ধৰিছিল.... মানুহজনৰ যে কি স্ফূৰ্তি লাগিছিল। আমাক দেখুৱাই দেখুৱাই কৈছিল— 'চোৱা, কপৌহালে বাহটো বান্ধিবলৈ বৰ কষ্ট কৰিছে; ৰ'বা মই সিহঁতক গছৰ ওপৰতে বাঁহৰ বাহ এটা বান্ধি দি আহো'। সঁচাকৈয়ে, এদিন তেওঁ বাহ এটা সাজি কৰবী জোপাত বান্ধি থৈ আহিল।" মইও যে আৰু ? কি ধৰণে যে কথাবোৰ নাভাবো ? এনেকৈ ভাবি কিন্তু ভাল লাগে। এনেকৈ ভাবি ভাবি আনন্দ পোৱাৰ মূলতে হৈছে 'মই আছো।' সেই কাৰণেই, পৃথিৱীত থাকিব পৰাটো সঁচাকৈয়ে এক আনন্দৰ কথা। যদি মই পৃথিৱীত নাথাকিলোহেঁতেন ? এই ভাৱনা, এই চিন্তা একেবাৰেই নাথাকিলেহেঁতেন। এই পৃথিৱীত এদিন জন্মিছিলো কাৰণেই এইবোৰ ভাবনা, এইবোৰ অভিজ্ঞতা, এইবোৰ আনন্দ, এইবোৰ দুখ-যন্ত্ৰণা। মাজে মাজে হাঁহো, মাজে মাজে কান্দো। আৰু সেই যে দশৰথ, ৰাখাল, উমা আৰু বলোৰামৰ লগত পথাৰলৈ যাওঁতে ধোপ, ভঠা-গুটি, বাঘবল খেলি ভাগৰি পৰিছিলো ? তাৰ মাজৰ আনন্দখিনি ? সেই আনন্দ পিছে এতিয়া আৰু নাই। বাৰিষা

কঁকালত খালৈটো বান্ধি চহুৰা, চেপা আৰু দলঙাত মাছ বিচৰাৰ আনন্দ? সেই আনন্দ বলোৰাম, দশৰথ, উমা আৰু ৰাখালে কিন্তু এতিয়াও ঠিকেই লৈ আছে। মোৰ মনৰ ইচ্ছা মতে আজিকালি কাম নহয়— অনিমেষৰ ইচ্ছামতেহে মই চলিবলগীয়া হৈছে। সেই কাৰণেই এই বুঢ়াকালত আকৌ মই সিহঁতৰ সংগ নোপোৱা হ'লো। সংগ দিলেও সহজভাৱে নলয়। অথচ, সিদিনালৈকে মইও সিহঁতৰ দৰেই হালোৱা-হজুৱা কৃষক আছিলো। মাত্র আজি কেইবছৰমানৰ পৰাহে অনিমেষে অফিচাৰৰ চাকৰি পোৱাৰ পাছৰে পৰা দুই বেলা ভালদৰে খাব পৰা হৈছো। ঠাণ্ডাৰ দিনত জোতা-মোজা পিন্ধি কাণেৰে নিয়ৰ সোমাব নোৱাৰাকৈ টুপী এটা পিন্ধিব পৰা হৈছো। কিন্তু কেইবছৰমান আগলৈকেতো মইও সিহঁতৰ দৰেই জাৰত কঁপি কঁপি আলিত ঘূৰি ফুৰিছিলো। খেতি-খোলা শেষ কৰি আজৰি পৰত আমি ওজা-পালিৰ ৰিহাৰ্চেল কৰিছিলো। বছৰি পূজা-ভঠেলিৰ খলাত আমি পাঁচজন কম আকৰ্ষণ আছিলোনে? আমাৰ ওজা-পালিৰ অভিনয় চাবলৈ দূৰৈৰ গাওঁ-ভূঁইৰপৰা মানুহ আহি খলাখন ঠাহ খাই পৰিছিল।

এতিয়া অনিমেষে মোক ওজা-পালি এৰালে। আচলতে মই এৰিব নালাগিছিল। মই অনিমেষৰ সকলো কথা মানি চলা অনুচিত। মই তাৰ বাপেক, নিয়মমতে মইহে তাক চলাব লাগে; কিন্তু এতিয়া সিহে মোক চলোৱা হৈছে। দশৰথহঁতে প্রথম বেয়া পালে যোৱা বছৰ পূজাত যেতিয়া ওজা-পালিত মই যোগ নিদিলো। বেয়াতো পাবই। তেনেকুৱা কাৰণত মইও সিহঁতক বেয়া পালোহেঁতেন। সেই কাৰণে আজিকালি আলিৰে খোজকাঢ়ি গৈ থাকোতে কেতিয়াবা লগ পালেও সিহঁত চাৰিওজনে এনেকৈ খোঁচ মাৰি কথাবোৰ কয় যেন— মই বৰ সুখেৰে দিনবোৰ পাৰ কৰিছোঁ আৰু সিহঁতৰ দিনবোৰ বৰ দুখেৰে পাৰ হৈ গৈছে। কিন্তু মইহে জানো-- মোৰ কি হৈছে? অৱশ্যে আজিকালি মই আগৰ দৰে খোৱা-লোৱাত কষ্ট নাপাওঁ। উৰুখা চালেৰে আৰু বৰষুণ নপৰে। কিন্তু মানসিক শান্তি? সংগসুখ? কিবা আছে জানো? যোৱাকালিও আজিৰ দৰেই মই ইচ্ছাকৃতভাৱে সিহঁতেনো কি আলোচনা কৰে তাকেই এই ঔ গছৰ পিছফালে শুনি আছিলো। গা-গাৰিয়ে শকত এই ঔ জোপাৰ আগফালে গঞা মানুহে বাঁহৰ চাংখন সাজিছে যাতে এইফালে অহা মানুহে প্রয়োজন অনুসৰি বহিব পাৰে। চাংখনৰ ঠিক পিছফালৰ এই ঔ-জোপাৰ আঁৰত আজিও থিয় হৈ আছো— অথচ সিহঁতে মোক দেখা নাই।

ইয়াত এনেকৈ থকাতো উচিত নহয়। সেইফালে জোনাকী পৰুৱাও ওলাইছে। জাৰণিৰপৰা ওলাই অহা বলিয়া শিয়াল-চিয়ালে ক'ৰবাত কামুৰিব লাগিলে হৈছে আৰু। মোৰ বিষয়ে সিহঁতে যি খুচি তাকেই আলোচনা কৰক। কি হ'ব এইবোৰ শুনি? মইতো সিহঁতৰ কাৰো একো অপকাৰ কৰা নাই। যি পাৰিছো উপকাৰেই কৰিছো। বিপদে-আপদে সহায় কৰিও আছো মাজে মাজে।

উমা, দশৰথ আৰু ৰাখালে বাৰু ইমানকৈ হাঁহিছে কিয়? নিশ্চয়, মোৰ কথাকে

কৈ হাঁহিছে। বুজিছো, হৰিমন্দিৰত ডবাৰ কোব পৰিছেতো সেইকাৰণেই তৎক্ষণাৎ হাঁহি বন্ধ কৰি দি সেইফালে মূৰ দোৱাইছে। এতিয়া ডবাৰ কোব বন্ধ হ'লেই বোধহয় আকৌ হাঁহিব। নাহাঁহিলে। তাৰ সলনি দেখোন দশৰথে বিড়িৰ পেকেটটো উলিযাই আনিলে। বোধহয়, এতিয়া জুইশলা বাহটো পকেটৰপৰা উলিযাই তাৰ শলা আছে নে নাই বজাই বজাই চাই এডাল কাঠি ঘঁহাই ঘঁহাই নিজৰ মুখৰ বিড়িটো জ্বলাই বাকীবোৰৰ বিড়িকেইটাও জ্বলাবলৈ মুখবোৰৰ সম্মুখে সম্মুখে ঘূৰাই যাব।

নুমোৱা শলাডাল পিছফালে মাৰি পঠিয়ালে। মোৰ মূৰৰ ওপৰেৰে পাৰ হৈ গ'ল। মই অলপ চাপৰি দিলো ভযতে।



"সেইজন দেখিছ? মোৰ সেই কু-পুত্ৰক চা। সি জানে, মই বাপেকজন ইয়াত বহি আছো- তথাপিও অলপো কেৰেপ নকৰি চিগাৰেট টানি টানি কেনেকৈ পিথ্থুৰ পুতেকৰ মটৰ চাইকেলত বহি আছে? দেখিছ নহয়, চাই ল। লাইটৰ পোহৰো আছে। মই'না এনেযে তাক তপত ভাতৰ ধোঁৱাই খোৱা বুলি কওঁনে?"

"একেবাৰে ৰহ-ৰহীযা আমৰ তলে তলে। এনেকুৱা বৰাই নোখোৱা কচু খাই ফুৰা ল'ৰা আৰু ক'ত সৎ পথত আহিব? যি গৈছে, গৈছে আৰু। কুবংশ-কুলটি। পিছে, মটৰ চাইকেলখন কিন্তু পিথ্থুৰ পুতেকৰ নহয়। সেইখন হৈছে ৰজতৰ পুতেকৰ"—

"ৰজতৰ পুতেকৰ? হয় নেকি? তই কেনেকৈ জানিলি?"

"জানো"—

"হ'ব পাৰে। সেই কাৰণেইতো আজিকালি তাক চৰিশ ঘণ্টাই ৰজতৰ

পুতেকৰ মটৰ চাইকেলৰ পিছফালে উঠি ফুৰা দেখা পাওঁ অনবৰত। আনকি ঘৰত ভাত-পানী খাবলৈও নাহে। ক'ত কি খায় নাজানো। ৰাতি বাৰটামান বজাত ঘৰলৈ উভতি আহিব ধলংপলংকৈ। তাৰ পাছত ধম-ধমাই মাকক দুৱাৰ খুলি দিব ক'ব—'অ মা দুৱাৰ খুলি দে; ইমান সোনকালে শুলিয়েইনে? খোল দুৱাৰ খোল— সাজ লগাই নাই।' তাৰ কথা শুনি মোৰ মূৰ-চূৰ গৰম হৈ যায়—

—সি কুলাংগাৰে সকলো পুৰি খাইছে। শুনিছো, আজিকালি ৰজতৰ পুতেকৰ মটৰ চাইকেলত উঠি বাটে বাটে ছোৱালী জোকাই ফুৰে— মানে, সি ৰজতৰ পুতেকৰ লেম্। এতিয়া সিহঁতৰ ঘৰখনেই তাৰ ভাত-ঘৰ হৈ গৈছে। চাহভাতো তাতেই খায়। আৰু তাৰ লেম্‌টো হৈ থকা বাবে সি এৰি যোৱা লং পেন্ট, চোলা, জোতা-মোজা সকলো পায়। তাতেই যেতিয়া সকলোখিনি পাইছে, মোৰ দৰে খাব নোপোৱা বাপেক এজনৰ কথা ভাবিবৰ সময় ক'ত? আৰু সেইফালেতো মটৰ চাইকেলত গা-ঘেলাই ফুৰা চখটো আছেই। গতিকে তহল দিয়াৰ আশাত ৰজতৰ পুতেকৰ গাত লেপেট খাই ধৰিছে। বুৰ্বকটোৱে হয়তো ভাবে— 'মই ইয়াৰ লগত এনেকৈ ফুৰিলে মোৰো সন্মান বাঢ়িব। মোকো ধনী মানুহৰ ল'ৰা বুলি ক'ব— ঘান্টাটো ক'ব। আৰে আক্কেল নোহোৱা, তই নাজান নেকি যে কাউৰী সদায় কাউৰী, ম'ৰা সদায় ম'ৰা। বুজিছ এনেকুৱা শঠমূৰ্খ পো থকাতকৈ গজমূৰা হোৱাই ভাল। বেটা-পো-নোহোৱা মানুহ বুলি খুজিলেও ক'ৰবাত একমুঠি ভিক্ষা পাম। সঁচাই ভাই, সি যদি এই মাত্ৰ মটৰৰ আগত পৰি মৰি যায়— মই হাঁহি হাঁহি তাক শ্মশানত নি পুৰি আহিম। কোনো দুখ নাথাকিব। গৰিবৰো এটা ইজ্জত থকা উচিত। নে কি কৱ? ধনীৰ চুৱা খাই থকাতকৈ নথকাই ভাল। মইও উদ্ধাৰ হ'ম; অন্ততঃ অন্তিম দিনকেইটা শান্তিৰে কটাব পাৰিম। তাৰ দৰে কুলাংগাৰে মোৰ দেহা সংকাৰ নকৰিলেও হ'ব। মৰাৰ পাছত দেহাটো কাউৰী, শগুণ, শিয়াল যিহে খায় খাব। মৰি গলেতো আৰু চাবলৈ নাহো। জীৱনটোৰ প্ৰতি আৰু একেবাৰে ঘৃণা আহি গৈছে। মই নিজেও একো নাপালো আৰু কাকো একো দিবও নোৱাৰিলো যেতিয়া মোৰ জীৱনডালৰ কি ঘান্টা মূল্য আছে? নিজৰ পো; কোনোবাই তাৰ বিষয়ে দুষাৰ ভাল কথা ক'লে ভাল পাওঁ আৰু বেয়াকৈ ক'লে মৰি যাবৰ ইচ্ছা হয়। বুকুত শগুণ পৰাৰ আনকি মই কিনি আনি থোৱা বিড়ি কেইটাতো চকু। গাৰুৰ তলত সদায় মোৰ এমুঠি বিড়ি আৰু দিয়াচলাই এটা থাকে। ৰাতি কেতিয়াবা ঘুমটি মাৰি মাৰি হঠাৎ সাৰ পাই উঠো। আধা ৰাতিতে টোপনি ভাঙিলে নানান দুঃচিন্তা হয়। তেতিয়া দুঃচিন্তা আঁতৰ কৰিবলৈ দুই-এটা বিড়িকে হুপো। এতিয়া সেই কুকুৰটোৱে তাৰপৰা বিড়ি কেইটাও লৈ যায়—'

—"সেই কাৰণে, মই কৈছোৱেই দেখোন, ল'ৰা-ছোৱালী হ'ব লাগে সদানন্দৰ পুতেকৰ দৰে।

—"হওক, হওক, হ'ব লাগে। ভালেই হৈছে আমাৰ একে লগৰ হালোৱা মানুহ এজনৰ পুতেকে এজন যে গুণৰ মাণিক হৈ ওলাইছে। ভাবি চাছোন, এসময়ত সি আমাতকৈও বেছি কষ্ট কৰিব লাগিছিল। অনিমেষৰ বোধ আছে। গৰমৰ বন্ধত সি বাপেকক পথাৰত কম সহায় কৰিছিলনে? মই কোৱা নাই যে সকলো মানুহৰ সকলো পুতেকে ডাঙৰ ডাঙৰ অফিচাৰ হওক, ডাক্তৰ হওক বা ইঞ্জিনিয়াৰ হওক। আমি বিচাৰিছো কি? আমি বাপেকবোৰে সিহঁতৰ বাবে দুই বেলা ভাতৰ ব্যৱস্থা কেনেকৈ কৰিছোঁ সেইটো এবাৰ ভাবি চাওক আৰু ভাবি চাই আমাক অন্ততঃ অলপ পথাৰত সহায় কৰক। সকলোৱে যদি অফিচাৰ হয় তেনেহ'লে হাল বাব কোনে, খেতি কৰিব কোনে? আৰে, গাড়ী মটৰত তহঁতেও উঠিবি— তাৰ কাৰণে কষ্ট কৰ। একোনকৰি বেলেগৰ চুৰা খাই ফুৰিলে কেনেকৈ চলিবি?"

—"সি আজিকালি অনিমেষৰ কথা বৰকৈ কয়; অনিমেষে যদি পথাৰলৈ নোযোৱাকৈ থাকিব পাৰে; সি কয় নোৱাৰে?"

—"দকৈ কথাটো ভাবি নাচায়"—

—"মনত আছে? কলেজত পঢ়ি থাকোতে অনিমেষে কেনেকৈ পানীত ডুবি ডুবি হাতত কাঁচি লৈ পানীত ডুব মাৰি আহুধান কাটিছিল? সেইবোৰ ধান মুঠা মাৰি লৈ তাৰ পাছত বামত উঠে; আকৌ নামে; আকৌ বামত উঠে; তাৰ পাছত সেইবোৰ ডাঙৰি কৰি তমালেৰে বান্ধে; শেষত নেকনেকীয়া ডাঙৰি এটা লৈ ঘৰলৈ যায়। আমাৰবোৰক কেতিয়াবা পথাৰলৈ অহা দেখিছ? আৰে বাপা দুখ কৰ। দুখ কৰিলেহে মুখ ভৰে। এনেয়েনো মুখ ভৰিবনে? অনিমেষে জানিছিল যে মানুহ হৈ জন্মিছে যেতিয়া খাব লাগিব আৰু নিজৰ খোৱাখিনি নিজেই যতনাই ল'ব লাগিব। সেইকাৰণে এতিয়া সিহঁতে গাড়ী মটৰত উঠিছে; সুখত বহি খাইছে। কিন্তু আমাৰবোৰে এনেয়ে আৰামত বহি খাব বিচাৰে; আৰু তাকে ঠিকমতে খাব নাপালে গালি——গালাজ; খুৱাবই যদি নোৱাৰ, জন্ম দিছিলি কেলেই? সুবিধা পালে মাৰিবও খোজে।"

—"অনিমেষে আজিকালি সদানন্দক কষ্ট কৰিব নিদিয়ে; দূৰ ঠাইলৈ যাবলগীয়া হ'লে তাক নিজেই গাড়ীৰে লৈ যায়। সিদিনাখন বালিলেচাৰ সোণৰ গোসাঁই চাবলৈ নিজৰ গাড়ীৰেই লৈ গৈছে।"

—"সি আহিবৰ হৈছেই; এইফালেই আহিব ঔৰ তলেদি। পুতেকৰ কাৰণে বাতৰিকাকত নিবলৈ আহে।"

—"অলপ পাছত দেখিবি; এইফালেদি গপগপীয়াটো হৈ আহিব। আমাৰ পিছে

একা? পুহৰমাহ পৰক ৰ'বি। ঠাগুাত কাঁথিৰ কাণৰ কুকুৰ হৈ থাকিব লাগিব। খুব বেছি ধান খেৰ কেইডালমান লৈ জুই পুওবাৰ বাহিৰে একো উপায় নাথাকিব।"

—"পুতেকে হেনো আজিকালি সদানন্দক পথাৰলৈ অহাটো সম্পূর্ণ বন্ধ কৰি দিছে?"

—"নহয় অ'। তাৰ বাতৰ বিষ হৈছে; সেইকাৰণে নিজেই হেনো খেতি-খোলা এৰিছে"—

—"মিছা কথা; বাতৰ বিষ-চিষ্ একো হোৱা নাই। অনিমেষ ডাঙৰ অফিচাৰ, গতিকে বাপেকে এতিয়া আৰু হালবোৱাতো নিবিচাৰে। অফিচাৰৰ বাপেকে হাল বাবনে?"

—"নহয় অ', তই ভুল বুজিছ।"

—"একো ভুল বুজা নাই;"

—"নহয় নহয়; বাপেকে পুতেকৰ বাবে বৰ কষ্ট কৰিলেতো; গতিকে এতিয়া জিৰণি ল'ব দিছে।"

—"কিন্তু, মাটিবোৰ চন পেলাই ৰাখিছে কিয়? তাতকৈ আধিয়াৰক নিদিয় কিয়? বা আমাকেই আধিত নিদিয়ে কিয়? একে লগৰ মানুহ; আমাৰো উপকাৰ হ'ব, তাৰো উপকাৰ হ'ব।

—"তেতিয়া বন্ধুত্বৰ সুবিধা লৈ আমি তাক নঠগিম জানো? ধান হ'লেও নোহোৱা বুলি ক'ম। দিব লাগিছিল যদি পঞ্চাশ মোন দিম দহ মোন। গৰুৱে খালে, ছাগলীয়ে খালে ইত্যাদি। যিখিনি দিম সেইখিনিও ভালদৰে নিদিও; ধানে-তুঁহে-ধূলিয়ে মিহলাইহে দিম। সি কিবা আমাক নাজানে নে?"

—"কিন্তু সি গৰুহাল বেচি দিলে কিয়?"

—"হালোৱা গৰুক এনেয়ে ঘাঁহ-পানী খুৱাই ৰাখি কি লাভ? হালোৱা গৰুৰ কাম হৈছে হালবোৱা, মৈ টনা, নহ'লে মৰণা মৰা। খেতি নকৰিলেতো এইবোৰ নহয়। গতিকে গোহালিঘৰ শুৱাই ৰাখিবৰ বাবে কিয় বলধহাল পুহি ৰাখিব?"

—"বিড়ি-চিৰি কিবা আছে নেকি? আছে যদি কিবা এটা দে।"

— " শেষ হ'ল; আনিব লাগিব। অ লপ বহ, মই লৈ আহিছো।"

—"সদানন্দই তাৰমানে আৰু পথাৰলৈ নাহিবই।"

—" প্ৰয়োজন নাই।"

··"অবশ্যে; প্ৰয়োজনো নাই। প্ৰয়োজন থাকিলে জানো খেতিৰ মাটি খান্দি-কুৰি নি ঘৰৰ ভেটি সাজে?"

—"তোৰ কথাবোৰ অমূলক। কাৰণ সদানন্দ তোৰ-মোৰ দৰে ইমান মূৰ্খ নহয়। মনত আছে ইস্কুলত সি কেনেকুৱা আছিল? আমি চাৰিজনে কিন্তু পাঠশালাতেই পঢ়া শুনা শেষ কৰিলো। সি কিন্তু নাইনলৈকে পঢ়া। টেন পাওঁতেই বাপেক ঢুকায়। নহ'লে আৰু দুই বছৰমান থকা হ'লে আমাৰ পবিন্দ্ৰ হেডক্লেৰাণীৰ দৰেই কিবা এটা

হ'লহেঁতেন। সেই কাৰণেই কৈছো— সি কিন্তু চোকাবুদ্ধিৰ মানুহ।"

—"ইয়াতনো কি চোকাবুদ্ধিৰ কথা আছে?"

—"আছে; যিখন খেতি পথাৰৰ মাটি খান্দিছে সেই খেতিপথাৰ বাম। এতিয়া, ঘৰৰ ভেটি সাজিবৰ বাবে মাটি খান্দি নিয়াৰ ফলত মাটিডোখৰ দ' হ'ল। বাওধান পিছে তাত খুব ভাল হ'ব— সদানন্দই মোক নিজেই কৈছে।"

—"তইনো বাৰু কেতিয়াৰপৰা সদানন্দৰ লেম্‌টো হলি?"

—"চুপ, ঠাট্টা নকৰিলেও হ'ব। মোক কোনোৱে কাৰো লেম্ কৰিব নোৱাৰে। মাত্ৰ মই আজিকালি হকে-নহকে আনৰ কুৎসা ৰটনা নকৰোঁ। নকৰিব পাৰিলে নিজৰ শৰীৰৰ কাৰণে ভাল বুলি ভাবো। সদানন্দৰ ঠাইত যদি তই বা মই হলোহেঁতেন তেনেহ'লে মোকো তেনেকৈ কোনোবাই হোৱাই নোহোৱাই কিবাকিবি ক'লেহেঁতেন— তেনেকৈ ভাবিলেই দেখোন কথাটো সহজ হৈ পৰে।"

—"নহয় অ, মোৰ বৰ আক্ষেপ হৈছে। সদানন্দক পথাৰত একেবাৰে নেদেখো। আগতে, সি-মই পথাৰলৈ হাল মেলিবলৈ আহিলে নাঙলৰ লগতে জালখন আৰু কৰ্কালত খালৈটোৱো লৈ আহো আৰু হাল এৰাৰ সময়ত জাল বাই মাছ ধৰো। কেৱল মাছেই নহয়, শেলুক আৰু পানীশিঙৰিও— অথচ এতিয়া তাক মই পথাৰত নেদেখো। মোৰ কি বেয়া নালাগে নেকি?"

ভাল নালাগে এইবোৰ কথা। অন্ততঃ দশৰথ বা উমাৰ মুখত। সিহঁতৰ দুখ ক'ত, মই কি বুজি নাপাও? বেয়াও লাগে; কিন্তু বেয়া লাগিলেও যে মই সিহঁতৰ মনৰ যন্ত্ৰণাখিনি মচি পেলাব নোৱাৰো। আৰু মচিমনো কেনেকৈ? মোৰ দৰে বুঢ়া মানুহ এজনৰ হাতত সিহঁতৰ দুখ মোচনৰ বাবে কি উপায়নো থাকিব পাৰে? সিহঁতৰ ঠাইত যদি আজি মই হলোহেঁতেন— একেই কথা হ'লহেঁতেন। একেই দুখ, একেই যন্ত্ৰণা। আৰু মই? বৰ্তমান মই সুখত আছো যদিও, সিহঁতক দেখিলে বা সিহঁতৰ কথা মনলৈ আহিলেই মনত থকা আনন্দ বা সুখ সকলো হেৰাই যাব খোজে।

— অনিমেষে ভালদৰে পঢ়াশুনা কৰি যোৱাৰ বাবে আজি অফিচাৰৰ চাকৰিটো পালে। ভাবিছিলো, এতিয়া উমা, দশৰথ আৰু ৰাখালহঁতে মোক সমীহ কৰি চলিব; সম্মান কৰি চলিব; বিপদত পৰিলে, অনিমেষৰ পৰা কিবা পৰামৰ্শ ল'বলৈ আহিব। কিন্তু বাস্তৱত আজিলৈ তেনে একো হোৱা দেখা নাপালো; হয়তো সেইবোৰ মোৰেই ভিতৰৰ আকাঙ্ক্ষা আছিল। এনেকুৱা হ'বও পাৰে, হয়তো লোকে মোক সমীহ কৰি চলা বা সম্মান কৰি চলাটো এক মোহেই আছিল। সেই কাৰণেই, তেনেকৈ নিজে নিজে কিবা এটা কল্পনা কৰি লৈছিলো; পিছে এতিয়া ভালদৰে চকু মুকলি হৈছে। এই যে মই ঠাণ্ডাত জোতামোজা পিন্ধো বা কোট-মাফলাৰ পিন্ধি গপ্‌গপীয়া হৈ আলিৰে আহি থাকো, সেই দৃশ্য সিহঁতৰ কাৰণে কিন্তু এতিয়া হিংসাৰ কাৰণ; এইবোৰ দেখি-শুনি সিহঁতৰ হা-হুমুনিয়াহ। হ'বই, স্বাভাৱিক। নোহোৱাটোহে কিজানি বেছি অস্বাভাৱিক।

"সি আগতে খেতিয়ক আছিল, এতিয়া কোট-মাফলাৰ পিন্ধি মিনিষ্টাৰ মিনিষ্টাৰ ভাবত ফুৰে। ফুৰক দে ভাই; তাৰেই ভাগ্য"— আলিত বাছৰ বাবে ৰৈ থকা দুই-একে মোক এনে মন্তব্যও কৰে। কিন্তু, মইতো মিনিষ্টাৰ নহয়— অৰ্থাৎ সিহঁতে মোক তেনেকৈ কৈ বিদ্ৰূপ কৰে কিয় ?

যোৱাকালি ৰাতি শিমলুজোপাৰ তলেদি যাওঁতে কোনোবাই ক'লে— "ঐ সদানন্দ নীলা শিয়াল।" নীলা শিয়াল মানে বা কি ? নাজানো; কওক কি কৈ থাকে। ক'লে মই মৰি নাযাও। কিন্তু জোকালে কোনে ? কিয় জোকালে ? উমা, ৰাখাল বা দশৰথৰ পুতেক হ'ব পাৰে। কেৱল ৰাতিয়েই নহয়; দিনতো কেতিয়াবা। বুধবৰীয়া হাটৰ ফালে যাওঁ— তাতো। কিমানে যে বিদ্ৰূপ কৰি কৰি মোৰ ফালে চাই সুহুঁৰি বজাই-- সিহঁতে ভাৱে, মই যেন কাহ মৰাৰ অৰ্থ বা সুহুৰি বজোৱাৰ অৰ্থ বুজিহে নাপাওঁ-- যেন মই সিহঁতৰ কাৰণে নেদেখা জন্তুহে। কিন্তু মানুহে মানুহৰ ফালে নাচাব জানো ? বা মানুহে মানুহৰ ফালে চাই কাহ নামাৰিব জানো ? মাৰিব। কিয় নামাৰিব। বোধহয়, মই নিজেই কিছুমান কথা ভাবি লওঁ নেকি ?

কিন্তু, যেতিয়া মই হাল লৈ পথাৰলৈ গৈছিলো, তেতিয়া কিন্তু এইবোৰ হোৱা নাছিল। সঁচাকৈয়ে, তাতকৈ মোৰ সেই জীৱন বহু ভাল আছিল। কিতাপৰ দোকানখনত প্ৰথমে খবৰ লৈ যাওঁ। বাতৰিকাকত খন আহি পালেনে নে নাই ? যদি অহা নাই, কিয় অহা নাই ?

নাই, অহা নাই এতিয়া; আহিবৰ হৈছেহে। সচৰাচৰ পেচেঞ্জাৰ নামৰ বাছখনতহে আহে— কিন্তু আজি বা ক'ত আহে নাজানো।

তেতিয়াহ'লে এইখিনি সময় ক'ৰবাত বহি চাহ একাপকে খাই লওঁ। সেইখন দোকানতহে ভাল গৰম গৰম ভজা জিলাপি পায়। বাতৰিকাকত আহে মানে তাতেই বহো-- কি ঠিক, কাৰোবাক লগপাই যাবও পাৰো। সমবয়সীয়া দুই-এজনক লগ পালে ভাল লাগে। অন্ততঃ দুই-এষাৰ কথা-বতৰা পাতিবপৰা যাব। বুঢ়া হৈ আহিছোৱেই, কোনোবা দিনা হয়তো মৰি যাম। অৱশ্যে দশৰথ বা উমাহঁতৰ মুখৰ বেজীৰ মুখৰ দৰে ঠুহুঠুহীয়া জোঙা কথাবোৰ ভাল নালাগে।

ভাবিছিলো, মোৰ সুখত সকলোৱেই সুখী হৈছে। অনিমেষৰ উন্নতিত সকলোৱে আনন্দ পাইছে। কিন্তু নহয়, কথাটো ওলোটাহে। মোৰ ঘৰৰ মানুহজনী বা ল'ৰাজনৰ বাহিৰে আন কোনো সুখী হোৱা নাই— চুবুৰীয়াৰ হিংসা, দ্বেষ আৰু কুচ্ছাটি দিনক দিনে কমক চাৰি বাঢ়িহে যাবলৈ ধৰিছে।

সেইয়া বাহিৰত দেখোন গণ্ডগোল আৰম্ভ হৈছে। বোধহয়, বাতৰিকাকত কঢ়িয়াই অনা পেচেঞ্জাৰখন আহিছে; আগতে মই মোৰ কপিটো লৈ আহো; তাৰপাছত ধীৰে-সুস্থিৰে চাহ কাপ খাম।

হয়, যিটো ভাবিছিলো, সেইটোৱেই। আহিছে। কিতাপ-সমলয়ৰ মালিকে

বাতৰিকাকতৰ টোপোলাটো লৈ দুৱাৰখন মাৰি ভিতৰলৈ সোমাই গৈছে। সোনকালে যোৱা ভাল। অৱশ্যে নগলেও কথা নাই। অনিমেষৰ নামত থকা কাগজ দুখন যেনে তেনেই পামেই।

চাহ দোকানতো বৰ ভিৰ। বাতৰিকাকত নিবলৈ অহা মানুহ এইবোৰ।

"আপোনাক কি দিম?"

"মোক এক প্লেট জিলাপি আৰু চাহ একাপ- দেৰি নকৰিবি। পোনে পোনে ভজাৰ পৰাহে দিবি; ঠাণ্ডা জিলাপি খাই ভাল নালাগে অ। অ সেই কেইজন কোন? উমা, বাখাল, দশৰথ আৰু বলোৰাম দেখোন। সিহঁতেৰো কি ইয়াত সোমাব? সোমাই বাৰু আজি সিহঁতে মোক মাতিবনে নে নাই? মই ইয়াত বহি থকা বাৰু সিহঁতে দেখা নাই নেকি? নাই দেখা, কেনেকৈ দেখিব? ঔ গছৰ পিছফালে থিয় হৈ সিহঁতৰ কথা শুনিলেও কিন্তু সিহঁতৰ কাষেৰে যে মই অহা নাই।

"গৰম চাহ দিবি; যদি গৰম নাই অলপ সময় ৰওঁ। ভাজি দে।"

"ঠাণ্ডা জিলাপি খাবলৈনো ভাল পাই কোনে? আমিও নাখাওঁ।"

"কিন্তু তইঁত?"

"কি তইঁত? অকলে অকলে জিলাপি ভজা খাবলৈ সোমালি যে? আমাকো লগত লৈ আহিব পাৰ। ইমান সোনকালেনো আমাক পাহৰি গলিনে?"

"মিছা কথা নকওঁ, আচলতে তইঁতক মই দেখাই নাই।"

"ঠিক আছে, এতিয়া দেখিছ নহয়, দে অৰ্দাৰ দে; চাৰি প্লেট জিলাপি আৰু চাৰি কাপ চাহ"—

"তইঁতে দেখোন খালিয়েই—"

"তাকো জানো জিলাপি খোৱা বুলি কয়? এখন জিলাপি চাৰিজনে ভগাই খাইছো আৰু দুকাপ চাহ— তাকেই চাৰিজনে। তই যেনেকৈ খাইছ— এক পোৱা জিলাপি আৰু একাপ চাহ— তাকেহে খোৱা বুলি কয়—। পুতেৰ অফিচাৰ মানুহ। গাড়ীৰে থৈ যায়, গাড়ীৰে লৈ যায়।"

সিহঁতৰ মুখত প্ৰশংসা শুনি মোৰ খঙহে উঠিল। এইমাত্ৰ, সিহঁতে মোৰ আৰু মোৰ পৰিয়াল সম্পৰ্কে যিবোৰ আলোচনা কৰিছে— সেইবোৰ শুনি শুনি এনেয়ে তিতা-কেহা লাগি আছে। তথাপিও সিহঁত মোৰ বন্ধু; ইহঁতৰ লগত মই ডাঙৰ হৈ হৈ এতিয়া বুঢ়া হলো। সেই কাৰণেই সিহঁতক যে মই এৰিবই নোৱাৰো।

চাহ জিলাপি খাই মোৰ ফালে যি ধৰণে চাই আছে, দেখিয়েই বুজিছো; ইয়াৰ উপৰিও সিহঁতক আচলতে আৰু কি লাগে?

"জীৱনটো চিলিমৰ কটি চুহোতেই আৰু বিড়ি হুপোতেই গ'ল; তইতো আজিকালি বিড়ি-চিৰি এৰি দিলিয়েই বোধহয়—?"

"নাই মানে, বিড়ি খালে বৰ কাহ হয়তো— সেই কাৰণেই।"

"বুজিছো, বুজিছো; বাকীখিনি নকলেও হ'ব। আগতে বিড়ি খাওঁতে বোধহয়

কাহ হোৱা নাছিল?”

“আগৰ কথাটো বেলেগ আছিল; আৰু ডেকা আছিলো। এতিয়া বয়স পৰি আহিছেতো।”

“বুজিছো; তেনেহ'লে, এতিয়া তামোল আৰু চিগাৰেট আনিবলৈ দে; তোৰ যহতে ধপাতৰ সৈতে দামী চিগাৰেট এটা হুপো।”

“আনিব নালাগে; সকলো লগতে আছে। তামোল কেইখনমান ধপাতৰ সৈতে ঘৰৰ মানুহজনীয়ে কাটি-বান্ধি কোটৰ মোনাত সোমাই দিয়া বুলি কৈছিল— আহিছেনে নাই বা?”

“নহ'ব কিয়? আছে দে, ভালদৰে চা—”

“অ' পাইছোঃ এই ল তামোল। এই চিগাৰেট-”

উমা (সদানন্দৰ কোটৰ কলাৰত ধৰি) ঃ বাহাৰে! বাহ! কি কোট— এইটো কোট পিন্ধিলে চাগৈ কেতিয়াও জাৰ নালাগিব?

দশৰথ ঃ কেৱল কোটেই নে? তাৰ মাফ্‌লাৰখন লাৰি নাচায় কিয়? যেন তুলাৰহে পটি এটা মেৰিয়াই লৈছে। (বৈ) এই বলোৰাম আমাৰ কাষৰপৰা গুচি গ'ল দেখোন?

ৰাখাল ঃ যাওক দে; তাৰ ঘৰতো কোনো নাই নহয়। গোহালিত গৰুকেইটা বোধহয় এনেয়ে সোমাই সোমাই আছে। সি গৈ এতিয়া গৰু বান্ধিব; জাগনি জ্বলাব; গাই খীৰাব। [illegible]ৰু হালোৱা বলধহালক দানাও খুৱাব লাগিব নহয়।

উমা ঃ তোৰ কোটটো বাৰু মোক এবাৰ পিন্ধি চাব নিদিয় নেকি?

সদানন্দ ঃ হয় নেকি? তেনেহ'লে চা পিন্ধি চা। এইয়া ল মই খুলি দিছো।

উমা [illegible] (কোটটো পিন্ধি) মোক কেনেকুৱা লাগিছে অ' দশৰথ?

দশৰথ ঃ ঠিক ভদ্ৰলোক ভদ্ৰলোক—। মিনিষ্টাৰ যেনো লাগে—

উমা ঃ জানো মোক ভদ্ৰলোক যেনেই লাগিব। মোৰোতো ভদ্ৰলোক, নহ'লে মিনিষ্টাৰ হোৱাবেই ইচ্ছা আছিল। পিছে, ল'ৰা-ছোৱালী মানুহ নহ'ল কাৰণেহে—

দশৰথ ঃ সদানন্দ।

সদানন্দ ঃ হু?

দশৰথ ঃ তোৰ তাত বাৰু পুৰণি কোট-চোট নাই নেকি? মানে পিন্ধি এৰা—

সদানন্দ ঃ মোৰতো কোট এটাই; অনিমেষে পিন্ধি এৰা আছে— তিনি-চাৰিটামান। সি বছৰে প্ৰতি এটা কোট সলায়।

দশৰথ ঃ সেই কেইটানো সাঁচি থৈ কি কৰিবি?

সদানন্দ ঃ কোনো দুখীয়া মানুহক বিলাই দিম।

উমা ঃ আমাকে নিদিয় কিয়? আমিওতো গৰিব মানুহ। আমাক দিলে ধৰ্ম হ'ব।

সদানন্দ ঃ দিব পাৰো; কিন্তু বাহিৰত মই তহঁতক পুৰণি কোট দিয়া বুলি বদনাম কৰিব নোৱাৰিবি।

উমা ঃ তইনো আমাক কিয় ইমান অশলাগী বুলি ভাবিছ?

দশৰথ ঃ যদি তিনিটামান আছে, তাৰে এটা মোক নিদিয় কিয়?

ৰাখাল ঃ উমা আৰু দশৰথক যদি দিয় বাকীটো মোকেই দিবি। অন্ততঃ ঠাণ্ডাৰ দিন কেইটা যদি......

সদানন্দ ঃ তইঁতে যদি পিন্ধ, তেনেহ'লে দিয়াত মোৰ কিন্তু কোনো আপত্তি-চাপত্তি নাই।

উমা ঃ এতিয়াই আমি যদি তোৰ লগত যাওঁ, তেনেহ'লে কোট-ছোলা কেইটা- সকলোৱে পামনে?

সদানন্দ ঃ যদি যাব, তেনেহ'লে—

দশৰথ ঃ সঁচা?

সদানন্দ ঃ সঁচা-মিছা কি আছে? লাগে যদি দিম—

উমা ঃ সঁচা?

সদানন্দ ঃ ধেৎতেৰি, কিনো বাৰে বাৰে পেঘেনিয়াই থাক অ'? কৈছোৱেই দেখোন, লাগে যদি দিম—। সেইবোৰ এৰ। এতিয়া যাওঁগে ব'ল। আৰু চিগাৰেট হুপাৰ ইচ্ছা আছে নেকি? হুপাৰ ইচ্ছা আছে যদি আৰু এটা এটা ল। মই আৰু নাখাওঁ। মোক এখন তামোল দে। পাণখিনি বৰ সোৱাদ; ব'ল এতিয়া, আৰু পলম নকৰোঁ।

উমা ঃ পিছে এতিয়া দেখোন ভাত খোৱাৰেই সময় হ'ল।

সদানন্দ ঃ সেইটোনো কি কথা? ইচ্ছা হ'লে, তইঁতে মোৰ তাতেই খাব পাৰিবি-

দশৰথ ঃ তোৰ ঘৰত যে এদিন পুৰঠ অমিতাৰে ৰন্ধা পাৰচৰাইৰ আঞ্জা খাইছিলো- উস্ সঁচাই কি সোৱাদ। তোৰ গিৰিহঁতনীয়ে বৰ ভাল ৰান্ধে দেই—

ৰাখাল ঃ চমৎকাৰ। চমৎকাৰ। তেনেকুৱা আঞ্জা বৰ কমেই ৰান্ধিব পাৰে এই গাওঁত-

উমা ঃ ক'ব লাগিছেনে? সেই কথা সকলোৱে জানে—

কথাবোৰৰ পৰাই বুজা যায়— ইহঁত তিনিওজনৰে আজি মোৰ ঘৰত এসাজ ভালদৰে খোৱাৰেই ইচ্ছা। মাংসৰ আঞ্জা কম হ'ব নেকি? এযোৰহে পাৰ চৰাই। হ'ব তাৰেই। ঘৰৰ মানুহ তিনিটাই আজি বাৰু নাখালোৱেই; কিনো হ'ব? বেলেগক খুৱাই যি তৃপ্তি পোৱা যাব, নিজে খোৱাতকৈ সি বহু ওপৰত।

আগেয়ে খবৰ নোকোৱাকৈ ইহঁতক মাতি লৈ গ'লে বেউলাই বেয়া পাব নেকি? নাই নাপায়; বৰঞ্চ ইহঁতক লৈ ঘৰ পালে ভালহে পাব। তাই চাগৈ এতিয়া মাংসৰ শেষ উতলটো কাঢ়িছে। বা ডালচেনি-ইলাচী পতাগুটিৰে অলপ পানীত ভিজাই পতাত শিহিব ধৰিছে। বতাহত সেই গোন্ধ ভাহি আহিছে।

উমা ঃ ঐ ভাইহঁত; শুঙি পাইছনে গোন্ধটো ইয়াৰপৰা? এই পাৰচৰাইৰ

মাংসৰ আঞ্জাৰ গোন্ধটো।

দশৰথ ঃ এৰা অ' হয়তো। ক'লা জহাধানৰ ভাত আৰু অমিতাৰে ৰন্ধা পাৰ চৰাইৰ গৰম মচলা দিয়া ৰস খাবলৈ পাহৰাৰ দৰেই হ'ল। সৰুতে মেজিঘৰ সাজি ৰাতি লগভাতু খাওঁতে এবাৰ সেই বস্তু দুটা একেলগে খাবলৈ পাইছিলো। বিশ্বাস কৰ, সেই সোৱাদ আজিও মুখৰ পৰা যোৱাই নাই। এতিয়া সেই কথাবোৰ কিবা সপোন সপোন লাগে অ'?

সদানন্দ ঃ আস। তহঁত তিনিও বৰ অধীৰ হৈ পৰিছ অ'। অলপ আশা ৰাখ। আজি সেই দুয়োটা বস্তু একেলগে খাবলৈ পাবি। ই অনিমেষে ক'ৰবাৰ পৰা ক'লা জহাধানৰ চাউল আনিছে।

মই আগেয়ে এটা ধাৰণা কৰিছিলো, কোটকেইটা পোৱাৰ পাছত তিনিওৰে গা উমলি উঠিব। তাৰপাছত পিন্ধি বুটাম মাৰি মাৰি আনন্দেৰে তিনিও নিজৰ অজ্ঞাতে হাঁহি দিব। প্ৰথম যিদিনা মই কোট পিন্ধিছিলো, সেইদিনা মোৰো তেনেকুৱা হৈছিল। কোনোদিনেই তেনেকুৱা কাপোৰ পিন্ধি পোৱা নাই বাবেই তেনেকুৱা গা মন ইচাট্‌বিচাট লাগিছিল নেকি ?

সিহঁতৰ মুখ ইমান উৎফুল্লিত হৈ উঠা মই কোনোদিনেই দেখা নাই। কোটকেইটা পাই সিহঁত তিনিওজনে চোতাললৈ ওলাই গ'ল। তাৰপাছত, প্ৰতিজনে এটাটাকৈ পিন্ধি ললে, বুটাম মাৰিলে আৰু শেষত মোনাত হাত ভৰাই-- খোজকাঢ়ি খোজকাঢ়ি ইফালৰপৰা সিফাললৈ অহা-যোৱা কৰিলে আৰু শেষত আহি মোৰ কাষত বহিল। মই সিহঁতৰ মুখবোৰলৈ চালো? সিহঁতৰ মুখবোৰ ইমান উজ্বল হৈ উঠিছে যেন প্ৰতিজনে মোৰপৰা একোবিঘা মাটিহে দান হিছাপে পাইছে। সিহঁতৰ স্ফূৰ্তি দেখি মোৰ চকুৰে দুধাৰি আনন্দৰ চকুপানী বৈ আহিল। সিহঁতৰ অজ্ঞাতে মই মোৰ চকুপানী মচি পেলালো। কিয় জানো, মোৰ মনটো হঠাৎ পৱিত্ৰ পৱিত্ৰ লাগিল।

পাৰৰ আঞ্জাৰে ক'লা জহা-ধানৰ ভাত খাই সিহঁতে তামোল-পাণৰ কথা সুধিলে। ছোৱালীজনীয়ে বটাত তামোল-পাণ আনি দিলে। তামোল চোবাই সিহঁতে-- 'এচিলিম ধপাত খাই যাব পৰা হ'লে ভাল আছিল'-- বুলি ক'লে। হোকাটো এৰি চিলিমটো লৈ জুহাললৈ গ'লো আৰু চিমটাৰে জ্বলি থকা অঙঠা কেইটামান মলা ধপাতৰ ওপৰত খুপি দিলো। চিলিমটো হোকাৰ ওপৰত দিলো আৰু নিজে কেইহোপামান মাৰি সিহঁতৰ ওচৰত বহিলো। তিনিওজনে হোকাৰ মুখৰপৰা চিলিমটো নিজৰ নিজৰ দুই হাতেৰে শংকু একোটা কৰি ধপাত খাই তৃপ্তিত চকুদুটা মুদি দিলে।

চিলিমৰ ধপাত পুৰি তিকিৰা পালেগৈ। আঙঠাবোৰো পানীছাই হৈ তুলাৰ নিচিনা হ'ল। ৰাতি গহীন হৈ আহিল। তাৰ পাছত সিহঁতে কোটৰ-বুটামবোৰ মাৰি জেপত হাত ভৰাই মোৰ মুখৰ আগৰ নঙলা এৰিলে। মই নঙলাৰ শলখা কেইডাল

খুটাত সোমাই দি ঘৰলৈ উভতি আহি নীলাক বাৰান্দাৰ খুটাত আউজি আমন-জিমনকৈ থকা দেখি মনটো বেয়া লাগিল। মোৰ ল'ৰা-ছোৱালী এহালেই। অনিমেষৰ কিবাকৈ গতি এটা লাগিছে, এতিয়া সমস্যা হৈছে এইক লৈ। এম-এ পাছ কৰি দুবছৰে ঘৰত বহিল। ককাযেকে কেবাজনো উপযুক্ত ল'ৰা আনিলে। কিন্তু তাই বিযাত নবহে। এই লৈ দুযো ভায়েক-ভনীয়েকৰ কাজিয়া। ইজনে সিজনক নামাতে। তাই হেনো চিৰকুমাৰী হৈ থাকিব। আজিকালিৰ ল'ৰা-ছোৱালীবোৰ যে আৰু? সিহঁতে ভাবে কি, কৰিব কি ধৰিবই নোৱাৰি। অৱশ্যে তাইৰ দুখ কোনখিনিত মই ঠিক নজনা নহয়। কলেজত পাবলগীয়া চাকৰিটো নোপোৱাৰ পিছৰে পৰাই তাই আজিকালি এনেকৈ থাকে।

মোৰ খোজৰ শব্দত তাই পিছফালৰপৰা বাৰান্দাত বহিলগৈ। মাকে বাৰে বাৰে তাইক ভাত খাবলৈ মাতিছে; তথাপিও তাই নির্বিকাৰ। মাত্র অন্ধকাৰ বাৰীখনৰ ওপৰেদি দেখা পোৱা এঠেঙীয়া বগলীৰ দৰে তামোলৰ গছবোৰৰ ফালে চাই কিবা এটা ভাবিছে।

এতিয়া মই যদি তাইক গাত হাতফুৰাই আইজনী কি হ'ল বুলি সোধো তাই তৎক্ষণাৎ কান্দি দিব। এনেকুৱা ঘটনা কেবাদিনো হৈছে, গতিকে একো সুধিবৰেই মন নাযায়। সুধিলে শেষত মনটোহে বেয়া লাগে। তথাপিও তাই মোৰ নিজৰ সন্তান-- মই নিজে ভাত খালো, অথচ মাকে তাইলৈ বাট চাই চাই এতিয়াও ভাতৰ কাঁহীলৈ যোৱাই নাই। ককায়েকেও চাগে ভাত খাই শুলেগৈ। কথাটো ভাবি মনটো বেয়া লাগিল। গতিকে তাইৰ ওচৰলৈ গ'লো আৰু মৰম লগাকৈ সুধিলো— "সঁচাকৈয়ে কচোন আইজনী, তোৰ বাৰু কি হৈছে?"

"হৈছে হৈছে, সেই কেইজন তোৰ নামতহে বন্ধু; আচলতে তোক এজনেও ভাল নাপায়। তাৰ মাজত মাত্র বলোৰাম খুড়াহে আমাৰ অলপ শুভকাঙ্ক্ষী।"

সেইটো কথা মই কি নাজানো? তথাপিও সিহঁতো মানুহ; আজীৱন সিহঁতৰ লগতেই উঠা-বহা কৰিলো। অন্ততঃ সেইকাৰণতেই মই সিহঁতক এৰিব নোৱাৰোঁ। যদি মই সিহঁতৰ সংগ এৰি দিওঁ, তেনেহ'লে সিহঁতৰ লগত মোৰ পাৰ্থক্য কি? মোৰ কথা এইটোৱেই— হিংসাক হিংসা বা ঘৃণাৰে শেষ নকৰি মৰমেৰে শেষ কৰা ভাল হ'ব নেকি?

"সমাজত এঘৰ মানুহ সুখী হ'লেই নহ'ব; সকলোৱে সুখী হ'ব লাগিব। নহ'লে যিজন সুখী হৈ সমাজত আছে, তাৰ নিচিনা ডাঙৰ অসুখী এজনো নাই।"

"তই পিছে কথাটো পলমকৈ বুজিছ। মই আগেয়েই কথাটো বুজি উঠিছিলো বাবেই দাদাৰক ঘৰদুৱাৰ একো বান্ধিব নালাগে বুলি কৈছিলো। এতিয়া ঘৰটো বন্ধাৰ পাছত আমি সকলোৰে চকুৰকুটা হ'লো। হৈছোনে নাই?"

"আমাৰ চৰুত মাংসৰ গোন্ধে আমাক আনন্দ দিলেও কাষত থকা অভাৱী মানুহক মনোকষ্ট দিয়ে। উমা, দশৰথ বা ৰাখাল খুড়াহঁতে যদিও ইয়াত মাংস-ভাত খাই গ'ল তথাপিও নিজৰ ঘৰ পোৱাৰ লগে লগে নিজক তোৰ লগত তুলনা কৰি হা-হুমুনিয়াহ কাঢ়িব। তাৰপাছত তেওঁলোকৰ মন হতাশাই খুলি খুলি খাব।"

"হিংসাত মানুহবোৰে দেই পুৰি মৰিছে; আমিতো কাৰো একো অপকাৰ কৰা নাই"— মই তাইক কলো। তাই ক'লে— "বৰ বেছি ভাবিব নালাগে; এইবোৰ সমস্যাৰ আদিও নাই অন্তও নাই। যেতিয়ালৈকে, সকলোৱে সমানভাৱে খাবলৈ বা থাকিবলৈ নাপায় তেতিয়ালৈকে এনেকুৱাই হ'ব। তই আজি দাদাই এৰিথোৱা কাপোৰখিনি বিলাই দিলি; আৰু দিয়াৰ পাছত তোৰ মনটো হয়তো এতিয়া কিবা ডাঙৰ কাম কৰা যেন লাগিছে বা কাৰোবাৰ উপকাৰ কৰা যেন লাগিছে— কিন্তু তাৰ পৰা একো সমস্যা সমাধানতো নহয়েই বৰঞ্চ সমস্যা বাঢ়িবহে।"

মই সুধিলো— "কিয়?" তাই ক'লে— "কাৰণ সিহঁতে ঘৰ গৈ পোৱাৰ লগে লগে কোটটো ক'ৰপৰা আনিছে বুলি ঘৰৰ মানুহবোৰে সুধিব। সিহঁতে হয়তো তোকেই প্ৰশংসা কৰি কৰি বা দাদাকেই শলাগি শলাগি সেইটো ক'ৰপৰা আনিছে ক'ব। কিন্তু ঘৰৰ মানুহে বিদ্ৰূপ কৰি ক'ব— হৈছে হৈছে; বৰ চেনেহ দেখুৱাইছে; যদি আপোনাক সদানন্দৰ পুতেকে ভালেই পায় তেনেহ'লে নতুনকৈ এটা কিনি নিদিলে কিয়? পৰৰ চুৰা খাই, পৰৰ এৰা ওকলিওৱা খাই জীৱন ধৰিবলৈকেতো আমাৰ জন্ম হৈছে।"

"কিন্তু তথাপিও যে মই সিহঁতক এৰি থাকিব নোৱাৰোঁ। আৰু মইতো সিহঁতক উপযাচি পুৰণি কোট কেইটা দিয়া নাই। সিহঁতে মোৰ তাত পুৰণি চোলা আছে নে নাই সুধিছিল। খুজিছে, দিছো। তাৰ কাৰণে যদি সিহঁতে মোক বেয়া পাই থাকে থাকিব; মই কিন্তু সদায় ভাল পাই থাকিম। সিহঁতক সদায় মোক লাগিব। অন্ততঃ বিপদ-আপদত। অন্ততঃ মই মৰিলেওতো শ্মশানলৈ সাঙ্গী কৰি নিবলৈ কমেও চাৰিজন মানুহ লাগিল। শ্মশানলৈতো তই মোক লৈ যাব নোৱাৰ। দাদাৰৰ ওপৰত

আজিকালি মোৰ বিশ্বাস নাই। তাৰ খবৰ মই পোৱা নাই বুলি ভাব নেকি? সি ক'ত কি কৰি ফুৰে মই কি নাজানো? এচ ডি চি জীয়েক আৰু সি দেখোন নদীৰ পাৰে পাৰে ঘূৰি ফুৰে। আৰু তই? ডাক্তৰৰ পুতেকৰ লগত তোৰ সম্পৰ্কৰ কথা কি মই নাজানো? গতিকে মইনো কাক লৈ থাকো? মোক সিহঁতক লাগিবই।"

মই ক'বহে পালো; তাই মোৰ ফালে চকু ঘোপাকৈ চালে যেন তাই মোক কোবাইহে মাৰিব। দুৱাৰগৰিয়াত অনিমেষেও থিয় হৈ মোৰ কথা শুনি আছিল। কিন্তু কোনোদিনে নেদেখা মোৰ খং দেখি লাহেকৈ দুৱাৰখন জপাই দিলে। তাৰ পাছত বা কি কৰিলে নাজানো।

নীলাইও মোৰ কাষৰপৰা উচাট মাৰি গুচি গ'ল। যাওক, মৰম কৰোতে কৰোতে সিহঁতে এতিয়া মোৰ মূৰত উঠি বহিছে। পাৰিলে যেন সিহঁতেই মোক শাসন কৰিব। ইহঁত দুয়োকে মই ভাল বুলি ভাবিছিলো— কিন্তু নহয়; এতিয়া দুয়োকেই বুজা টান হৈ গৈছে। সিহঁত দুয়ো বিচাৰে— মই যেন উমা, দশৰথহঁতৰ সংগ এৰিদিওঁ আৰু সিহঁতৰ দুয়োৰে এই আদেশ পালন কৰি কৰি গদগদ হৈ ঘৰৰ ভিতৰত চকী পাৰি বহি থাকো। কিয় থাকিম? মানে সিহঁতে মোক অফিচাৰৰ বাপেক সাজি ভুচুংপহু কৰিব খুজিছে।... বাপ্‌কালত নাই গাই, চালনি লৈ ডুবলৈ যায়। মোৰোতো মন যায় কাৰোবাৰ লগত কথা এষাৰ পাতিবলৈ— নাযায় নেকি কিবা? যাবই। আৰু অন্যায়? হিংসা? বিদ্বেষ? সিহঁতে মোক যি কৰে কৰি থাকক। মই কিন্তু কাকো অন্যায় বা হিংসা নকৰোঁ। তেতিয়া এদিন নহয় এদিন, সিহঁতে মোক বুজি পাব। মোৰ লাভ সেইটোৱেই।

মাক আৰু জীয়েকে ভাত-পানী খাই উঠি মোৰপৰা অলপ আঁতৰত থকা পালেংখনত শুবলৈ গ'ল। শুই শুই মই লক্ষ্য কৰিলো— অনিমেষে দোৱাত-কলম লৈ কিবা লিখিছে। লিখক যি লিখে। মোৰ কিন্তু টোপনি অহা নাই এতিয়াও; তথাপিও চকু জলক্‌টপক্ লাগিছে।

মোৰ পিছত শুইও সিহঁত তিনিও টোপনি গ'ল। মোৰো টোপনি আহিব খোজে কিন্তু ঠিক সেই সময়তে বাৰীৰ পিছফালে গছ গছনিৰ মাজত কিবা খচমচনি শুনো। কোনোবা অহা যেন লাগে। মাজে মাজে এনেকুৱাও লাগে যেন তামোলগছৰ পৰা পকা তামোলহে সৰি পৰিছে।

শেষত টোপনি আহিল। মই এক প্ৰকাৰ অচেতন হৈ থকাৰ দৰে হৈ থাকিলো।

ষষ্ঠপ্ৰহৰ ৰাতিৰ শেষত বিছনাত মাকৰ সৈতে শুই থকা নীলাৰ চিৎকাৰ শুনি ভয়তে সাৰ পাই গ'লো। তাই কিবা এক যন্ত্ৰণাত উস্ উস্ আস্ আস্‌কৈ বিছনাত উঠি বহিছে। মাকে তৎপৰ হৈ সুধিছে—

—"কি হ'ল?"

"দেখা নাই, তই মোৰ হাতখন আঁচুৰি কেনেকৈ তেজ উলিয়াই দিলি?"

একে জাপে মই বিছনাৰপৰা উঠি লাইটটো জ্বলাই দিলোঁ আৰু নীলা আৰু মাক শুই থকা বিছনাৰ কাষ পালোঁ।

মই সুধিলো— "কি হ'ল ? ইমানকৈ চিঞৰিছ কিয় ?"

"চিঞৰিছ মানে ? এইয়া চা মোৰ বাউসীৰপৰা কেনেকৈ তেজ ওলাব ধৰিছে; বিষত মই তৎ পোৱা নাই"—

"কিহে আঁচুৰিলে ?"

"আয়ে"—

"আয়ে আঁচুৰিলে, কিয় ?"— কাষৰ কোঠাটোৰপৰা ধহ্মহ্কৈ উঠি আহিল অনিমেষ।

"আজি ৰাতিপুৱাৰে পৰাই মোৰ মনটো বেয়া লাগি আছে; মনটোৱেই কৈ আছিল- আজি কিবা এটা দুৰ্ঘটনা হ'বই হ'ব"— মাকে ক'লে।

"এই বাজে কথাবোৰ মোৰ আগত নকবি; এই ঘৰৰ মানুহমখা বৰ দুৰ্বল; তহঁতক লৈ আৰু মই নোৱাৰিছোঁ। তহঁতৰতো কামবন নায়েই; যাৰ কামবন আছে সিও তহঁতৰ লগত থাকি থাকি শেষ হ'ব ধৰিছে।"— ল'ৰাজনে ক'লে।

"আইৰতো আজিকালি ৰাতিপুৱা কাম এটাই; চাউল এমুঠি আনি চোতালত দিব আৰু দূৰৈত বৈ থাকিব। মাজে মাজে মোক ক'ব— 'আইজনী আজি কাউৰীবোৰ জানো ক'ত মৰিল নাহাই হ'ল দেখোন।' হঠাৎ দেখিম, ক'ৰবাবপৰা কাউৰী এজনী আহি কোনোবাটো ভাগ ঠোঁটেৰে খুচৰিছে— তাৰ পাছত আহি মোক ক'ব— 'আজি অমুকটো হ'ব; কাউৰীয়ে চাউলৰ অমুকটো ভাগ খাইছে নহয়। আজিকালিৰ দিনতো মানুহে সেইবোৰ কৰাতে আছেনে ? মোৰ হ'লে এইবোৰ কৰিলে কিবা হাঁহি উঠি যায়। মই হ'লে আজিৰপৰা আৰু কাউৰী-চাউৰী এইবোৰ চাবলৈ নাযাওঁ।" —নীলাই মাকক ব্যংগ কৰিলে।

"তইতো নুশুনিবিয়েই। জানো নহয়, দুপৰীয়া দুপৰীয়া বাৰীৰতলত গৈ কাৰ লগত কথা পাতি থাক ? দহমাহ দহদিন পেটত ৰাখি গু-মূত ধুই ধুই ডাঙৰ দীঘল কৰি এতিয়া এইবোৰ চাবলৈহেনো জীয়াই আছোনে ? আৰু তই ? তোকো মই জানো। অফিচাৰ হৈছ, ডাঙৰ মানুহ হৈছ— কিন্তু তাৰ পাছৰ চোৱা মই নাজানো বুলি ভাবিছ নেকি ? দেউতাৰে জানিও নজনাৰ ভাও ধৰি চুপচাপ থাকে বুলিয়েই মাৰেও চুপচাপ থাকিম বুলি ভাবিছ নেকি ? ঘৰৰপৰা গাড়ীখনত উঠি অফিচলৈ যাওঁতে বাটত কাক উঠাই লৈ যাব ? মইহে জানো, ঘৰখনত অকলশৰে থাকি থাকি সেইবোৰ দুঃচিন্তাত থাকি থাকি কেনেকুৱা লাগে ? তই যাব অফিচলৈ, সেইজনীয়ে লগৰ কাৰোবাৰ ঘৰলৈ যাম বুলি ক'ত মৰে নাজানো, দেউতাৰে ৰাতিপুৱাই বজাৰলৈ যাম বুলি গৈ উভতি আহে দুটা বজাত, সেইফালে চাৰিটা বাজিলেই তোৰ বাতৰিকাকত আনিবলৈ চ'কলৈ যাম বুলি গৈ উভতি আহিব ৰাতি ন'টা বজাত।

...এযাৰ কথা পাতিবলৈও লগ এটা নাই; নঙলা মুখত বৈ বৈ বাটৰ মানুহ চাওঁ। দাংকোপ মাৰি এই প্ৰকাণ্ড বৰঘৰটো সাজিলিহে সাজিলি—, ইফালে নিজকো ডাঙৰ মানুহ সাজিলি— পিছে এতিয়া? কোনো মানুহেই দেখোন আমাৰ ঘৰ বুলি নহা হ'ল। ঘৰ বন্ধাৰ পাছত পেহীয়েৰহঁত আহিছেনে— নাই অহা। মাহীয়েৰাহঁত? — নাই। জেঠায়েৰা? ওহো কোনো নাই; ইয়ালৈ আৰু কোনোৱে নাহে। অইন নালাগে, উমা, দশৰথ, ৰাখাল এই তিনিজন মানুহ আগেয়ে ইয়াৰপৰা নলৰিছিলেই। কিন্তু এতিয়া? একমাত্ৰ সেই বলোৰামটোৰ বাহিৰে কোনোৱে মাহতো এবাৰ নহা হ'ল— আজি বা সিহঁতে কি ভাবি আহিছিল নাজানো। আলিৰে সিহঁতে আমাৰ ঘৰটোৰ ফালে চাই চাই যায়; মোক চোতালত বহি থকাও দেখে— অথচ ভুলতে এবাৰ বৌ বুলি নামাতে— মোৰ কি বেয়া নালাগে? তইঁতক যেনেকৈ এখন ভদ্ৰলোকী সমাজ লাগে, আমাকো এখন সমাজ লাগে। সেই সমাজখন বাৰু অ-ভদ্ৰলোকীয়েই হ'ল তাতে ক্ষতি কি?"

"তই কি সেইকাৰণেই নীলাক আঁচুৰিলি নেকি?"

"নহয় অ' বোপাই, আচলতে মই এটা খুব বেয়া সপোন দেখিছিলো; সেই সপোনৰ আথামাখাতেই বোধহয় নীলাই মোৰ হাতৰ আঁচোৰ খালে।"

"সপোন? কি সপোন?"

'অ' সপোনত . লো, আমাৰ ৰান্ধনিঘৰৰ ধোঁৱাচাঙৰ ওপৰত তিনিজন মানুহে কিবা কথা পাতিছে। তাৰ পাছত দেখিলো মানুহ তিনিজন উলংগ আৰু সেই অৱস্থাত থাকিয়েই ধোঁৱাচাঙৰ ওপৰত তুলি থোৱা ঢুকুলিটোৰপৰা চিৰা সান্দহ, গুৰি সান্দহ আৰু তিলপিঠাবোৰ মোকোৰামোকোৰ মুখত ভৰাইছে। মাজে মাজে সিহঁতে

মোৰ ফালে চাই ঢেক্‌ঢেকাই হাঁহি হাঁহি 'বৌ আমি সান্দহ খালো'— বুলি কৈছে। মানুহ তিনিজনৰ হাতভৰিবোৰ তামোল গছৰ দৰে লেংলেংকৈ বাঢ়ি যোৱা। ভৰি হাতবোৰ ইমান দীঘল যে সেইবোৰ মাটিত চুঁচৰি যোৱা। সিহঁতৰ গাৰ বংবোৰো আমাৰ দৰে নহয়— আকাশী ৰঙৰ। চকু দুটা পিতল বৰণীয়া, চুলিবোৰ তামবৰণীয়া। শেষত এনেকুৱা লাগিল যেন সেই উলংগ মানুহ তিনিজন অইন কোনো নহয়— আমাৰ উমা, দশৰথ আৰু ৰাখাল। এইবাৰ সিহঁতে মোৰ মুখৰ ফালে চাই আকৌ ঢেক্‌ঢেকাই হাঁহিলে আৰু ক'লে— 'বৌ, সান্দহৰ লগত খাবলৈ অলপ দৈ-চৈ হ'লে বেয়া নাছিল। পেৰাৰ তলত জুলীয়া মিঠৈ আছে, উলিয়াই লৈ আহক।' নিজৰ ঘৰৰ ভিতৰত আনৰ অতপালি দেখি মোৰ সহ্য নহ'ল। খং উঠিল। খণ্ডতে মই সিহঁতক খেদি গ'লো। খেদাৰ লগে সিহঁতে সান্দহৰ ডুকুলিটো লৈ পলাব খুজিলে। মইও সিহঁতক বাধা দিবলৈ ঢেঁকীঘৰৰ কাষত আওজাই থোৱা অতিৰিক্ত ঢেঁকীথোৰাটো তুলি ল'ব খুজি দেখিলো, হঠাৎ মোৰ বল-শক্তি কমি গৈছে। আনকি মই সেইটো বহু চেষ্টা কৰিও উঠাবই নোৱাৰিলো। তাৰ পাছত মই একো কৰিব নোৱাৰি দশৰথৰ গাত আঁচুৰি দিলো।"

"দশৰথৰ গাত আঁচুৰিলি নে নীলাৰ বাউসীত?"

"মই কিবা ইচ্ছা কৰিয়েই নীলাক আঁচুৰিছোঁ নেকি? টোপনিৰ আখা-মাখাতেই।"

অনিমেষে তাৰ কোঠালৈ সোমাই গ'ল আৰু মলম এটা আনি মাকৰ হাতত দি মলমটো নীলাৰ আঁচোৰ খোৱা ঠাইত মচি দিবলৈ কৈ বিৰক্তিৰে মোৰ ফালে চালে। মইও তাৰ ফালে বিৰক্তি আৰু অৱজ্ঞাৰে চালো। মোৰ দৃষ্টিতেই হয়তো সি মোৰ মনৰ কথা উপলব্ধি কৰিব পাৰিলে।

"পিতা, তোৰ টোপনি অহা নাই নেকি?" —কোমল সুৰত সোধো - নোসোধোকৈ সি মোক সুধিলে।

"টোপনি? তইয়েতো মোৰ টোপনি নহা ব্যৱস্থাটো কৰি থৈছ। ভুঁই ৰুই চহ কৰাৰ দিনত বিছনাত পৰাৰ লগে লগে টোপনি আহিছিল। আজিকালি সুখত থাকিবলৈ লোৱাৰ পাছত টোপনি নহা হ'ল। আচলতে যিদিনাখনৰপৰাই খেতি পথাৰৰপৰা তহঁতে মোক বিদায় কৰি আনিলি, সিদিনাখনৰপৰাই মোৰ মনৰপৰা সুখশান্তি সকলো গুচি গ'ল। মোক সুখত ৰখাৰ নামত হালোৱা গৰুহাল বেচি ভালকৈয়ে টাঙোন এডাল মাৰিলি। হালোৱাহাল মোৰ এক সংগীৰ দৰে, ছাঁটোৰ দৰে আছিল; আনকি মাৰবো। সেই কাৰণেই, সেই হাল বেচা যোৱাৰ দিনৰেপৰা মই যেন দিনে দিনে মৰি গৈ আছো— যেন এটা খালত এটা অকলশৰীয়া মাছহে।"

"এচৰীয়া পানীত মাছ সদায় জীয়াই ৰাখিব নোৱাৰি। জীয়াই ৰাখিবলৈ পানীখিনি সলাই থাকিব লাগে"— বেঁউলাইও মোৰ কথাৰ ওপৰতে ক'লে। মাকৰ কথা শুনি নীলাই খিলখিলাই হাঁহি দিলে। মোৰ তাইৰ ওপৰত খং উঠিল।

সেইকাৰণে দুগুণ খঙেৰে সিহঁত দুয়োৰে ফালে চাই ক'লো— "নিলাজহঁত হাঁহিবলৈ আহিছ? অশিক্ষিত বুলি মোক পেংলাই কৰিছ? তহঁতে নিজকে বৰ পণ্ডিত বুলি ভাবিছ নেকি?" "তোক আমি কিয় ঠাট্টা কৰিম?"— তাই বুৰ্বক সাজিবলৈ তেনেকৈ ক'লে যদিও মই কিন্তু ইমান মূৰ্খ নহয়। আচলতে, আমি দুয়োকো অশিক্ষিত বুলি ভাবি মুখত এনেকুৱা গধুৰ কথা শুনি সিহঁতে সহজ হ'ব নোৱাৰে। কিন্তু সিহঁতে নাজানে যে মইও এসময়ত এজন ক্লাচ নাইনলৈ পঢ়া ল'ৰা আছিলো। তদুপৰি সিহঁতে নাজানে যে মোৰ ভাষা ভাল। সিহঁতে নাজানে, স্কুলৰ আলোচনীত মই কেবাটাও পদ্য আৰু প্ৰবন্ধ লিখিছিলো। মই কিন্তু এচৰীয়া পানীত পচি পচি জীয়াই থকা মাগুৰ বা শিঙি মাছ নহয়— যে সিহঁতে নিজ খুচিমতে এটা এটাকৈ মাৰি-বাছি ধুই-কাটি খাই থাকিব। ৰাতিপুৱা শুই উঠি চাহ খাই ভাত খাই গাহৰিটোৰ দৰে দিনটো পেটফলা খাই বিছনাত পৰি থাকিব। গতিকে মই তাইক দাঁতকৰচি ক'লো— 'অসভ্য ছোৱালী, নিজৰ চৰিত্ৰ শিক; মাৰ-বাপেৰক পেংলাই কৰিব নালাগে। আমি কিন্তু তহঁতৰ ভিতৰৰ চট্ফটাই থকা পোহনীয়া মাছটো নহয়— আৰু যদি তেনেকৈ ভাবিছ, তেনেহ'লে মাৰাত্মক ভুল কৰিছ। তহঁত দুয়ো ৰসাতলে গৈছ; সকলো দেখিও নেদেখাৰ ভাও ধৰি থকা মানে এইটো নহয় যে তহঁতক মই প্ৰশ্ৰয় দিছো। তোৰ বয়স পয়ত্ৰিশ আৰু তাইৰ বয়স সাতাইশ। এই বয়সত জানো মাক-বাপেকৰ শাসন চলে? ঠিকমতে চলিবি, নচলিলে নিজেই নিজৰ মূৰ খাবি— মোৰ তাত কি? মই মানুহটো ভিতৰে ভিতৰে সম্পূৰ্ণ মৰি গৈছো। এনেকৈ মোৰ চকুত ধূলি মাৰি মাৰি অসামাজিক কাম কৰাতকৈ বিয়া কৰাই ল। তহঁত দুয়োৰে য'ত য'ত সম্পৰ্ক হৈছে তাত দুয়োৰে জাত-পাত নিমিলে বুলি জানো। চিন্তা নকৰিবি, মই জাত-পাত সেইবোৰ একো নাচাওঁ, আনকি মাৰৰো নাই। মাত্ৰ অপকৰ্ম কৰি ফুৰাতকৈ সোনকালে ক— মই দুয়োৰে বিয়া পাতি দিওঁ। কিন্তু, মানুহৰ বিদ্ৰূপ-ঠাট্টা-মস্কৰা মই সদায় সহ্য কৰি থাকিব নোৱাৰোঁ। তহঁতৰ এই গোপন সম্পৰ্কৰ কথা কৈ কৈ মানুহে যেতিয়া পেংলাই কৰে— তেতিয়া মই কি উত্তৰ দিওঁ? তহঁতে মোক সুখত ৰখাৰ নামত আগতকৈ বেছি অসুখীহে কৰি তুলিলি। দুঃচিন্তাত থাকোতে থাকোতে মোৰ আয়ুস টুটি আহিছে। অলপ পাছতে ৰাতি পুৱাব। তাৰ পাছত আৰম্ভ হ'ব এটা দিন। সমুখেৰে মানুহবোৰ কামে-কাজে যাব আৰু মই অকৰ্মণ্য এলেহুৱাটোৰ দৰে চকীখনত বহি বাটলৈ চাই চাই হুঁ-হুমুনিয়াহ কাঢ়ি থাকিম। নীলাই তাইৰ বান্ধৱীৰ ঘৰলৈ যাম বুলি দি ক'ত কি কৰি ফুৰিছে মই নজনা নহয়। তইয়ো অফিচলৈ যোৱাৰ নামত এবাৰ সি ওলাই গলি গলিয়েই, তাৰ পাছত ৰাতি নোহোৱালৈকে উভতি নাহ। গতিকে মইও খেতিয়ক মানুহ, খেতিত লাগি থকাই ভাল। খেতিত লাগিলে মোৰো সময়খিনি পাৰ হৈ যাব, লগতে মাৰৰ সময়খিনিও মোৰ লগত ব্যস্ততাৰে পাৰ হৈ যাব। এনেকৈ আৰু নোৱাৰি; দুঃচিন্তা আৰু সংগহীনতাই মোক চব্বিশ ঘণ্টাই খুলি খুলি খায়। মোক মোৰ মতে থাকিবলৈ দে। কাৰণ অন্তৰ এখন মোৰো আছেতো— গতিকে সেই অন্তৰেৰে

মইও কিবা-কিবি বিচাৰোঁ। তইঁত দুয়ো সেই ফঁপজহী কথাবোৰ এৰি পেলা। তই তোৰ অফিচ'টোৰ ভিতৰতহে অফিচাৰ; বাহিৰত অফিচাৰী খটাব কিয় ? তই নিজেহে সেইটো মেজাজত থাক; লোকে তোক কি দৃষ্টিৰে চাই আছে সেইটো এবাৰ ভাবি চাইছনে? তই ঘৰৰ কাৰণে বিশেষ একো কৰা নাই, বা তোৰ দ্বাৰা দেশ, জাতি আৰু সমাজবো বিশেষ একো উপকাৰ নহয় আৰু নহ'বও; যিখিনি হৈছে সেইয়া অপযশহে মাত্ৰ। মানুহে প্ৰশ্ন তুলিছে— তই সেইকেইটা দৰমহা পাই এই প্ৰকাণ্ড ঘৰটো কেনেকৈ বান্ধিলি? গতিকে তোৰ দৰে পুত্ৰ এটাক লৈ মোৰ গৰ্ব বা আনন্দ হ'ব নোৱাৰে— কাৰণ, তই তোৰ লগতে মোকো এটা হিংসাৰ কাৰণ কৰি তুলিছ।..... মই মোৰ মনৰ আশা-আকাংক্ষা সকলো জলাঞ্জলি দিবলগীয়াত পৰিলো। দশৰথ, উমা, ৰাখালহঁতৰ লগত আগতে আজৰি পৰত ওজা-পালিৰ আখৰা কৰিছিলো। ওজা-পালি গাই মোৰ কিমান ভাল লাগে— সেইটো মইহে জানো। তইঁতে মোক কিয় এনেকৈ বন্দী কৰি ৰাখিব বিচাৰিছ? খাই-বৈ পিন্ধি-উৰি আৰামত চকীত বহি থাকিলেই এজন মানুহ সুখী নহ'বও পাৰে। আজি মই সকলো পাইছো অথচ যেন একোৱেই পোৱা নাই। সুখী হৈও অসুখী।

"মোৰ আজি আৰু টোপনি নাহে"— বেউলাই তেনেকৈ কৈয়েই মোৰ ফালে চালে আৰু দীঘল হুমুনিয়াহ কাঢ়িলে। মইও বৰ অস্বস্তিৰে তাইৰ ফালে চালো। কাষৰ চকীখনত অনিমেষে মূৰে-কপালে হাত দি কিবা ভাবিছে। নীলাইও বিছনাত মাকক পিঠি খিৰিকীৰৰে কিবা ভাবি আছে! পৰিবেশ গোমা। মই আকৌ বিছনাত দীঘল দি লেপখন চপাই ললো।

"আমাৰ ঘৰত আগেয়ে সকলোতে অভাৱ আছিল; তথাপিও তাৰ মাজত শান্তি আছিল; এতিয়া আমাৰ অভাৱ নাই কিন্তু অশান্তি সদায় বাঢ়ি গৈয়েই আছে"-- বেউলাই হতাশাৰে ক'লে।

"তইঁতৰ নিচিনা আই-পিতাক লৈ মোৰ আৰু নচলা হৈছে— সেইকাৰণে কোনো কামতে মোৰ উৎসাহ মনে মনে নোহোৱা হৈ যাব ধৰিছে। উমা, দশৰথ বা ৰাখাল খুড়াইঁতৰ ল'ৰা-ছোৱালীৰ দৰে পঢ়াশুনা নকৰি গলগ্ৰহ হৈ যদি ইয়াত থাকিলোহেঁতেন, তাতো শান্তিৰে থাকিব নোৱাৰিলোহেঁতেন। এতিয়া পঢ়াশুনা কৰি যিওবা আই-বোপাইক সুখ-শান্তিত ৰাখিব বিচাৰিলো তাতো কটু সমালোচনা। ভাল হ'লেও সমস্যা, বেয়া হ'লেও সমস্যা। ইমান কষ্ট কৰি পঢ়াশুনা কৰিলো তথাপি তইঁতৰ মুখত এষাৰি ভাল কথা শুনিবলৈ নাপাওঁ। সদায় যদি তইঁতে এনেকুৱাখন কৰি থাক, মই হ'লে ঘৰৰপৰা ওলাই যাম কিন্তু। ছিঃ এনেকুৱাকৈ মানুহ জীয়াই থাকে জানো? ভাবিলো, আই-পিতাই আমাৰ কাৰণে সৰুৰেপৰাই ইমান কষ্ট কৰিলে গতিকে এই বুঢ়াকালটোত তেওঁলোকে অলপ সুখ-শান্তিৰে থাকক। তইঁতে ডেকাকালত এসাজ ভাল কাপোৰ পিন্ধিব নোৱাৰিলি, গতিকে ভাবিলো এসাজ ভাল কাপোৰ পিন্ধাও— আৰু মই পুতেকজন পিন্ধাব পৰাকৈ উপযুক্ত হৈছো যেতিয়া।

পিন্ধালো। কিন্তু পিন্ধাই হ'ল কি? হিতে বিপৰীত। ভাবিলো, আমাৰ ঘৰটো ভগা-চিগা। গতিকে এটা ভাল ঘৰৰ তলত থাকো। কিন্তু ঘৰ বান্ধি জানো সুখত থাকিলো? ওলোটাই তইঁতৰ পৰা কটু কথা শুনিবলগীয়া হ'ল। মানুহৰ বুঢ়া কালটো হ'ল জিৰণিৰ কাল। 'মোৰ দৃষ্টিত এই বয়সত মানুহে জিৰণি লৈ ফুৰি চাকি আনন্দত কটাব লাগিব'-- সজ্জলোকে তাকেইতো কয়। তাৰ পাছতো যদি তই হাল লৈ পথাৰলৈ যাব খোজ যা; মোৰ তাত কোনো আপত্তি নাই। কিন্তু মইও লোকৰ মুখত যাতে বদনাম শুনিব নালাগে সেইটো হ'লে চাবি। মই জানো, তোক যদি এতিয়া হাল লৈ পথাৰলৈ যাবলৈ দিও, মানুহে ক'ব— 'চোৱাহে চোৱা, আমাৰ সদানন্দৰ দুৰৱস্থা চোৱা; পুতেক অনিমেষ হৈছে মস্ত এটা ডাঙৰ অফিচাৰ; গাড়ীত আহে, গাড়ীত যায়— সেইফালে বাপেকটোৱে এই বুঢ়া বয়সতো চহ কৰি খাবলগীয়া হৈছে। পুতেক ডাঙৰ মানুহ হ'লে কি হ'ব? নিজে কিন্তু সুখত আছে, ইফালে বাপেকৰ? বেয়াই লাগে ভাবিলে। হায়ৰে সদানন্দ। তোৰো কপাল-দু কপাল।' এইবোৰ কথা যাতে মই আলিবাটেৰে যাওঁতে শুনিবলগীয়া নহয়। আৰু অহাকালিৰপৰা মই সেই ছোৱালীজনীৰ সংগ এৰি দিম। আৰু নীলা, তোকো মই সাৱধান কৰি দিলো; যদি সেই ল'ৰাজনৰ লগত আৰু কেতিয়াবা ঘূৰি-ফুৰা দেখো কথা কিন্তু বেয়া হৈ যাব।"

"মই যামেই; মই তাৰ লগত বিয়া হ'ম; তোৰ তাত কি হ'ল?"

"কি হ'ল মানে? তোৰ মই ককায়েৰ। ককায়েৰৰ কথা শুনিবই লাগিব।"

"নুশুনো আৰু তোক মই ভয় নকৰোঁ। মই কাকো ভয় নকৰোঁ। তই যিটো ভাল লাগে কৰ; আৰু মইও যিটো ভাল লাগে কৰিম। তই সকলোতে চৰ্দাৰী খটুৱাব নালাগে।"

" এই নীলা, তই চুপ থাকিলিনে নাই?" মাকে অলপ কাঢ়া সুৰত সুধিলে।

"দাদা হ'ল বুলিয়েই মই তাৰ সকলো কথা শুনিমনে? মোৰ দাদাৰ কোনো আদৰ্শ নাই। অৱশ্যে চাকৰি কৰাৰ আগলৈকে তাৰ কিবা এটা আদৰ্শ আছিল। কিন্তু চাকৰি কৰাৰ পাছত সি তাৰ সমস্ত আদৰ্শ পুৰি খাইছে; গতিকে তাক মই এতিয়া ন'মানো।"

"চুপ থাক; মুখে মুখে কথা নকবি; তই বৰ বাঢ়ি গৈছ" মাকে চিঞৰি উঠিল আৰু প্ৰচণ্ড শক্তিৰে তাইৰ গালত চৰ এটা বহুৱাই দিলে। চৰ খাই অলপ সময়ৰ বাবে নীৰৱতা অৱলম্বন কৰিলে আৰু শেষত উচুপি উচুপি তাই কান্দিবলৈ ধৰিলে। তাই তেনেকৈ কন্দা দেখি অনিমেষক বৰ অস্থিৰ হৈ পৰা যেন দেখা গ'ল। তাৰ পাছত তাক এনেকুৱা দেখা গ'ল যেন চিঞৰি চিঞৰি সি কিবা ক'ব। মই ভবাটোৱেই থিক। সি কিবা ক'ব খুজিছে।

"মোৰ লগতে এই ঘৰৰ সকলোকেইটি প্ৰাণীয়েই দুৰ্ভগীয়া। কাৰো ক'তো শান্তি নাই। কপালত চন্দন লেপি দিলেও নালাগে— দুৰ্ভগীয়া মানুহৰ কথা এনেকুৱাই। ইয়াৰ কাৰণ হৈছে আমি সকলো অস্থিৰ আৰু অশান্ত। কোনোৱে কাৰো

অস্তিত্ব স্বীকাৰ নকৰোঁ। গতিকে আমাৰ এনেকুৱা নোহোৱাটোৱেই অস্বাভাৱিক। যি পাইছো তাকে লৈ সন্তুষ্ট হ'ব পৰাটোহে মানুহৰ প্ৰকৃত পৰিচয়। আমিনো কোনে কেইদিন ইয়াত থাকিম? তইঁতে মিছাকৈয়ে ইমান অশান্তি কৰ কিয়? এই পৃথিৱীতনো আছে কিটো? সকলো মায়া। এই মায়া মানেই হৈছে এক প্ৰকাৰ ভূৱা। আমি কি? আমি কোন? কিয় পৃথিৱীলৈ আহিছো? ক'লৈ যাম— এই আটাইবোৰ কথাই হৈছে একো একোটা ৰহস্য। গতিকে পৃথিৱীত থকা দিনকেইটা খাই বৈ সুখ--শান্তিৰে থাকি মৰি যাব লাগে।"

তাৰ চতুৰালিত মোৰ খং উঠি বিদ্ৰূপ কৰি ক'লো— "অ সুখেৰে মৰিব লাগে; কিন্তু সেই বুলি নিজৰ সুখৰ কাৰণে ৰাজহুৱা ধনো আত্মসাৎ কৰি খৰচ কৰিব নালাগে। স্কুলত মইও কোনোবা এটা সংস্কৃত পাঠত পঢ়িছিলো— 'প্ৰাণ গ'লেও তুমি অকৰ্তব্য নকৰিবা।' সেই পাঠ নিশ্চয় তইয়ো পঢ়িছ। আমাক ইমান সুখ লাগে কিয়? তই যিকেইটা দৰমহা পাব, সেইকেইটা পইচাৰে আমি চাৰিওটি প্ৰাণীয়ে খাই বৈ সুখেৰে অনায়াসে কটাই যাব পাৰিলোহেঁতেন- নোৱাৰিলোহেঁতেননে? ডাঙৰ অফিচাৰ বোলাবলৈ সন্ধিয়া সন্ধিয়া চ'কৰপৰা ডাঙৰ-দীঘল মাছটো আনিবলৈ যোৱাটো নকৰিলেও হয়। ৰাখালহঁতে মোক কি বুলি হাঁহে জান— 'কি অফিচাৰ বাবুৰ বাপ; আজিকালি কি মাছ মাৰিবলৈও লাজ পোৱা হ'ল নেকি?' মাত্ৰ লোকক এইখিনি দেখুৱাবলৈহে তোৰ দৰে মেধাৱী ল'ৰা এজনৰ জন্ম হৈছিলনে? মাত্ৰ এইখিনিৰ বাবে তই মেট্ৰিকত প্ৰথম হৈছিলিনে? ছিঃ মোৰ হ'লে লাজ লাগি গৈছে। তই অফিচাৰ হোৱাটোত সমাজৰ একো লাভ হোৱা নাই— মোৰ মতেতো তই এটা বিৰাট সামাজিক ক্ষতি। তই ভুলতো নাভাবিবি যে মই মোৰ ল'ৰাই মোক গাড়ীত তুলি ফুৰিবলৈ নিয়াটো বিচাৰিছো? মই সেইজন বাপেক নহয়। মই কেতিয়াও বিচৰা নাছিলো যে তই মোক এই অট্টালিকাটো সাজি ৰাখ। মই সাধাৰণ চহা মানুহ, চহা হিচাবেই সকলোৰে লগত মিলিজুলি থাকি মৰি যাব খোজো। তোৰপৰা মই একো বিচৰা নাছিলো; মাত্ৰ বিচাৰিলো এটা কথা। সেইটো কি জান? এজন সৎ মানুহ; সমাজৰ মুৰব্বিলিকা মানুহ। আত্মসাৎ কৰা ধনৰ গৌৰবেৰে গৌৰৱান্বিত হ'ব খোজা এজন ল'ৰাৰ বাপেক মই হ'ব নোখোজোঁ— তাতকৈ অপুত্ৰক হোৱাই শ্ৰেয়। অশিক্ষিত মানুহৰ ভণ্ডামি সহ্য হয়, কিন্তু শিক্ষিত লোকৰ ভণ্ডামি সহ্য নহয়। তোক মই নিশ্চয় কোনো দিনেই চোৰ কৰিবলৈ শিকোৱা নাই— নে শিকাইছো? মেট্ৰিকত প্ৰথম হোৱা ল'ৰা এজনে যদি কেৱল ব্যক্তিগত সুখৰ বাবেই বলীয়া হৈ পৰিল তেনেহ'লে আদৰ্শই বা থাকিল ক'ত? সমাজৰেই বা উপকাৰ হ'ব কি? তলৰ ল'ৰা-ছোৱালীবোৰেই বা কাৰ আদৰ্শ ল'ব? সেই কাৰণেই আজি আমাৰ এই দুৰৱস্থা— যা এতিয়া শুই থাকগৈ। মোৰ মনৰ কথা মই প্ৰকাশ কৰিলো— মানি চলিবলৈ চেষ্টা কৰিবি। নহ'লে মই আৰু ঘৰত বেছি দিন নাথাকো— মোৰো এটা সত্তা আছে; মোৰো এটা মন আছে। প্ৰয়োজন হ'লে, আমাৰ খেতিমাটিত গৈ পাম ধৰিমগৈ। খেতি-মাটিৰ

ওচৰত থকা খেৰণিডৰাৰ মাটি ওখ। ঘৰৰ ভেটিৰ বাবে সেইখিনি উপযুক্ত মাটি। প্ৰয়োজন হ'লে সেই খেৰণিকে ভাঙি তাত পঁজাঘৰ এটি সাজি থাকিম। বুঢ়াকালত মোকো মোৰ মনৰ স্বাধীনতা অলপ লাগে। সুখ অলপ লাগে। কিন্তু তই বিচৰা সেই সুখ বা স্বাধীনতা নহয়। সেই সুখত থাকিব নালাগিব কলুষতা। সেই ক্লাচ নাইনতে যি স্কুল এৰিলো তাৰ পাছৰে পৰা বুকুৰ তেজ পানী কৰি বিধৱা মাক লৈ তিনিজনী ভনীক লৈ কঠিয়া পাৰি ভুঁই ৰুই নিজকে নিজে শেষ কৰি দিলো। তাৰ পাছত তিনিজনী ভনীক সেই শ্ৰমৰ পইচাৰে বিয়া দিলো। মাক চালো; নিজে সংসাৰ কৰিলো; তহঁতক শিক্ষিত কৰিলো- কিন্তু তহঁতক মই প্ৰকৃত মানুহ কৰিব নোৱাৰিলো। মোৰ জীৱনৰ চৰম দুখ সেইটোৱেই।"

দুই

বাঁহকুকা চৰাই এহালে সম্মুখৰ বাঁহৰ তল খুচৰি আছিল। এটাই বোধহয় মোৰ ভৰিৰ খোজৰ শব্দ শুনিলে। শুনাৰ লগে লগে অলপ উৰাৰ নিচিনাকৈ জঁপিয়াই জঁপিয়াই বাঁহনিৰ মাজত অদৃশ্য হৈ পৰিল। বাঁহনিৰ তলত আনটো বাঁহকুকাৰ কুঁহ-কুঁহ শব্দ শুনা মাত্ৰেই ওচৰে পাজৰে থকা আটাইবোৰে সমস্বৰে কুঁহ-কুঁহকৈ মাতিলে। মই বাঁহকুকাটোৰ ফালে খোজ ললো; সি জপিয়াই জপিয়াই পাৰ হৈ গ'ল।

সৰুৰেপৰাই কিয় নাজানো, এই চৰাইটোৰ ৰাউচ শুনিলেই মনটো প্ৰথমে ভাল লাগি যায় আৰু তাৰ পাছত সি আপোনা-আপুনি গধুৰ হৈ আহে। বাঁহৰ তলৰপৰা কেনেবাকৈ যদি কোনোবা এটাই কুঁহ-কুঁহ কৰি মাতে লগে লগে বাকীবোৰেও সমস্বৰে মাতিবলৈ ধৰে। এই মাত শুনি যে এসময়ত ইমান আনন্দ লাগিছিল। বিশেষকৈ সেই যে বাৰিষাৰ বতৰত— যেতিয়া মই বল্লম, কচ আৰু হাতত মহলা লৈ জোৰা কাটিবলৈ যাওঁ। সেই ঘনঘোৰ অন্ধকাৰতো মোক সদায় সজাগ কৰি ৰাখিছিল। সেইটো, সেইটো দেখিছো। পকা তামোলৰ ৰঙৰ দৰে ফিচা আৰু পাখি দুখনৰ সৈতে চিকমিক্ ক'লা বাঁহকুকাটো বাঁহৰ আগলিটোৰ ওপৰত। বৰ চালাক চৰাই। টেঙৰো। এসময়ত নদীৰ পাৰৰ সেই হেলনীয়া ঠাইডোখৰত বহুত বাঁহকুকা আছিল। ৰাখাল, উমা, দশৰথ আৰু বলোৰামৰ সৈতে লগ লাগি কম চৰাই মাৰিলোনে? ধৰিবই নোৱাৰি। বাঁহটোৰ মুখখন এনেকৈ বেঁকাকৈ ৰাখিব যাতে মানুহৰ চকুতেই নপৰে।

এই ছাগলীপোৱালীবোৰ বাৰু কাৰ? দেখিলেই ইমান ভাল লাগি যায়। সিহঁতৰ কাণবোৰ যে আৰু। ৰাম-ছাগলীৰ বিধান— সেইকাৰণেই কাণবোৰ হালি

যোৱা ধৰণৰ। চকুবোৰো বৰ শান্ত। অৱশ্যে, এতিয়া যদি তাৰে পোৱালী এটাৰ কাণত থাপ মাৰি ধৰোঁ? আৰু ধৰি নিজৰ বুকুৰ মাজলৈ মুখখন টানি আনি চুমা খাওঁ— ? নাই নোৱাৰি, চোতালত ৰ'দ লাগিব দিয়া লেপখনৰ ওপৰত মাক, জীয়েক আৰু অনিমেষে বহি আছে। সিহঁতো যে আৰু?

বেউলাই হয়তো মোৰ মানসিক অৱস্থাটোক সমৰ্থন কৰি ক'ব— "সেইয়া পিতাৰৰ অৱস্থাতো দেখিছ? গাইজনী আৰু দামুৰিটোৱে হেম্বা হেম্বা কৰি থাকে বুলি থানুৰামৰ হাতত বিক্ৰী কৰি দিলি, এতিয়া চা সেই ছাগলী পোৱালিটো নিজৰ বুকুৰ মাজত লৈ মৰমতে কেনেকুৱাখন কৰিব ধৰিছে।"

গাই-দামুৰিহাল বিক্ৰী কৰাৰ পিছদিনাই মই পোৱালি দুটাৰ সৈতে ছাগলী এটাও কিনি আনিছিলোৱেই। বেলেগৰ ঘৰৰপৰা অনা ছাগলীৰ কথা— মাজে মাজে দৰখত ঝোটপোট্ লাগি ফাঁচ লাগি বেবাবলৈ ধৰে। সেই বেবনি বোলে নীলাৰ সহ্য নহয়— মই নথকা অৱস্থাত এদিন দিলে বিক্ৰী কৰি। কিন্তু সিহঁতে এবাৰো মোৰ মনৰ অৱস্থাটোৰ কথা ভাবি নাচালে— হালোৱা গৰুহাল বিক্ৰী কৰাৰ পাছৰেপৰা মই কিমান নিঃসংগ হৈ পৰিছো। তথাপিও, ছাগলীটোৰ সৈতে পোৱালিহালৰ লগ লাগি দিনটো ব্যস্ততাৰেই পাৰ কৰি দিছিলো। সি আৰু তাই দুয়ো নিজৰ নিজৰ কোঠাত সোমাই কিবা-কিবি পঢ়ি থাকে; মাকে পাকঘৰ লৈ ব্যস্ত; কিন্তু মই কৰো কি? বাৰান্দাত মই বহি আৰুনো বাটৰ মানুহ কিমান চাম? জিৰণি লোৱাৰ নামত মোৰ ওপৰত সিহঁতৰ কিয় ইমান দৌৰাত্ম্য বাঢ়ি গৈছে মই ঠিক বুজি নাপাওঁ। বৰ অসহ্য। এনেকুৱা ল'ৰা-ছোৱালী থকাতকৈ নথকাই ভাল।

মুঠৰ ওপৰত ইয়াত মোৰ একো অস্তিত্বই নাই। মোৰ মতে একো নচলে। যোৱা কাতিমাহৰ্ত ঘৰলৈ সি এটা টিভি আনিছে। আনিবলৈ যোৱাৰ দিনা মোক আৰু বেউলাকো লগত নিছিল। মই পিছে টিভি কিনিবলৈ যাব খোজা নাছিলো— পিছে ভালে-বেয়াই নিজৰেইতো ল'ৰা। গতিকে গ'লো। টিভি যে কিনিব আগৰেপৰা তেনেকুৱা একো কথা নাছিল। হঠাৎ দেখোন অফিচৰপৰা বাৰটামানতে ধহ-মহকৈ ঘৰলৈ আহিল। মাকে সুধিলে— "ইমান সোনকালে কিয় আহিলি?" সি ক'লে— "ওলা, ওলা। সোনকালে ওলা; পিতাকো ওলাবলৈ ক। মই তহঁত দুয়োকে লৈ ৰঙীণ টিভি কিনিবলৈ যাম। চিন্তা নাই, আজিৰপৰা পিতাৰ মনৰপৰা অকলশৰীয়া ভাবটো আঁতৰি যাব। সূৰ্য নুঠাৰ আগেয়ে শেতেলি এৰি গা-পা ধুই টিভিৰ গুৰিত বহি গ'লেই হ'ল। সাতটাৰপৰা নটা পৰ্যন্ত। তাৰপাছত আকৌ দুটাৰপৰা ৰাতি দুটা বজা পৰ্যন্ত।"

আনিলে এটা ৰঙীন টিভি। তাকো মানুহে চায়নে? সেইটো চাই চাই মোৰ এনেকুৱা ভাব হৈ গৈছে যেন আমাৰ দেশখনেই পুৰাপুৰি অসভ্য হৈ গৈছে। ছোৱালীয়ে ল'ৰাৰ কান্ধত উঠে আৰু নিধক ল'ৰাবোৰে ছোৱালীসোপাক হাতত ধৰি



ধৰি গান গাই ফুৰে। পৃথিৱীখনেই কিবা পাগল হৈ গৈছে যেন লাগে। বোধহয় পৃথিৱী ঠিকেই আছে; মইয়ে বলিয়া হৈছো বাবে কথাবোৰ ঠিকমতে বুজিব নোৱাৰা হৈ আছো। মই কিবা পুৰণিকলীয়া মানুহ বাবেই নেকি কথাবোৰ সহজভাৱে ল'ব নোৱাৰো। টিভি চোৱাটোত মোৰ আপত্তি নাই- কিন্তু নিজৰটোৱো ৰাখি চলিব লাগে। আঘোণ মাহৰ পূৰ্ণিমা তিথিত ওচৰৰ ল'ৰাইতে মহখেদা উৎসৱত অহৰি-মহৰি গাবলৈ আহিল। মই বোলো, সিহঁতজাকে টাঙোন-চাঙোন লৈ আহিছে যেতিয়া চোতালত জুম বান্ধি অহৰি-মহৰি গাব। পিছে গাব ক'ত? পোনচাটেই টাঙোন-চাঙোন এৰি টিভিৰ সন্মুখত বহিল। সিহঁতৰ কাৰ্য দেখি প্ৰথমে বৰ বেয়া লাগিল, তাৰপাছত খং উঠিল। গতিকে নিজেই উঠি আহি সিহঁতে বাহিৰত ৰখা টাঙোন এডালকে লৈ মাটিত কোবাই কোবাই গাবলৈ ধৰিলো—

"....অহৰি মহৰি
মহ খেইদ্‌বা যাউ ঝোল;
মহে বোলে মল্লু ঝোল..
টেঁপৰ পুৰা খালু ঝোল...

এনেকৈ যেতিয়া মাটিত কোবাই চাৰিশাৰী মান গালো তেতিয়া টিভিৰ সন্মুখৰপৰা কেইজনমানে সেমেনা-সেমেনিকৈ আহি ক'লে— "আতা। বেয়া নাপাবি; চিত্ৰহাৰ দি আছিলতো। আমাৰ ঘৰত টিভি-চিভি নাই, দূৰৈৰপৰা দেখি সোমাই গ'লো।"

সিহঁতৰ কথা শুনি মোৰ আগতকৈ খং দুগুণ চৰিলহে। সিহঁতৰ কথাৰ যি চল আনকি শিষ্টাচাৰখিনিও পুৰি খালে। গতিকে খঙতে সিহঁতক বাহিৰ কৰি দিলো। তাৰ কাৰণে বাপেকহঁতে মোক বেয়া পাইছে— পাওক। সিহঁতে হেনো মোৰ ঘৰলৈ

আৰু নাহে— নাহে নাই; সেইবুলিয়েই মই সকলোবোৰ কথা মানি ল'ম কিয় ? আৰে, বোপাইহঁত। তহঁতে মহখেদা উৎসৱ গাবলৈ আহিছ— মহখেদা গীত গা। তামোল, নাৰিকল, বুটমাহৰ উপৰিও তহঁতক খুৱাই অলপ ধৰ্ম কৰিম বুলি মটৰষ্টেগুলৈ গৈ মিঠাইও আনি ৰাখিছিলো। স্ফূৰ্ত্তি-তামচা কৰি খুৱাবলৈ অনা খিনি খা— খাই গৃহস্থক আশীৰ্বাদ দি যা। সেইহে মহখেদা উৎসৱ। ইহঁতজাকৰ ক'তোৱেই মনযোগ নাই। ইহঁতজাকৰ কোনো নিয়ম নাই। সিহঁতৰ কথাবোৰ সদায় ওপৰত। নিজৰ মূৰ ইহঁতে নিজে খাব— মোৰ তাত কি ? ভাল কথা ক'লে— সিহঁতে বিজ্ঞালহে ধৰিব— গতিকে আৰু ইহঁতক একো নকওঁ বুলি ভাবিছো।

অৱশ্যে আজি আবেলিটো বেছ ভালদৰেই যাব যেন লাগিছে। যোৱা-কালি বলোৰাম নিজেই আহি তাৰ ধান-উঠা উৎসৱৰ নিমন্ত্ৰণ দি গৈছে। যাবই লাগিব-- নহ'লে সি বেয়া পাব। কিন্তু তাৰ এইবাৰ বৰ সোনকালে ধান উঠিল। আজিনো পুহৰ কেই তাৰিখ ? সোতৰ-ওঠৰ তাৰিখমান হ'ব কিজানি। ঠিকেই আছে, আগেয়ে মোৰ খেতিৰ ধান এনেকুৱা সময়তেই উঠিছিল। প্ৰতি বছৰে ধান কটা শেষ হোৱাৰ দিনাখনৰ এই ধান উঠা উৎসৱটো মোৰ বৰ ভাল লাগে। গোটেই পথাৰখনৰ ধানবোৰ কাটি কাটি শেষ কৰি আনি শেষ তিনি চুপা ধান নাকাটি এটা চুপা আনটো চুপাৰ লগত বান্ধি তাৰ তলত কাঁচিখন সামৰাৰ সেই যে মুহূৰ্তটো ? বেয়াও লাগে ভালো লাগে। ঠিক কেনেকুৱা যে লাগে কোৱাই টান। মোৰ কিন্তু সদায় সেই সময়ত চকুপানী ওলাইছিল। কাঁচি সামৰাৰ সময়ত আয়ে ঘৰৰপৰা কেটলিটোত খাঁটি-সন্তৰ কাপ চাহ, চুঙা-পিঠা, নাৰিকলৰ লাডু পঠিয়াই দিয়ে। তদুপৰি আগলতি কলপাত, বুটমাহ, খনিওৱা নাৰিকল। এই গোটেইবোৰ মিলি যে কি এটা গোন্ধ ওলায়। পথাৰৰ অন্য ধানকটা মানুহবোৰো আহে। সকলোতকৈ মোৰ ভাল লাগিছিল- বলোৰামে সকলো কাম বাদ দি যেতিয়া কান্ধত খোলটো লৈ বিড়ি টানি টানি মোৰ ওচৰত হাজিৰ হয়। ইফালে উমা আৰু দশৰথৰ খুঁটি-তালৰ ঠাটৰ তালে তালে গোৱা ৰাখালৰ দেহ-বিচাৰৰ গীত :

উস্! এইবোৰ কথা মনত পৰিলেই বুকুখন কিবা খৰমৰাই উঠে।

নিজৰতো খেতি-খোলা আজিকালি নায়েই; বেলেগৰ তাত গৈ ধানউঠা উৎসৱত উপস্থিত হলেও ভাল লাগিব। অন্ততঃ দেহবিচাৰৰ গীত দুই-এফাকি শুনাৰ ভাগ্য হ'বও পাৰে।

কিন্তু এই সৰু সৰু ল'ৰাবোৰেনো শান্তিপুৰাৰপৰা তাত কি কৰি আছে? বুজিছো, মাঘৰ বিহু আহিছেতো! সেইকাৰণেই ঢেঁকীয়া আৰু কএৱাৰ জংঘল কাটি কাটি দ'ম কৰি সেইবোৰ ৰ'দত শুকাবলৈ দিছে। সেইবোৰেই শেষত ভেলাপুঁজিৰ জাউৰান হ'ব। আমিও সৰু থাকোতে এইখিনি সময়ত তাকেই কৰি ফুৰিছিলো। মনটোত বৰ উৎসাহ আছিল তেতিয়া। পথাৰৰ নৰা কাটি দ'ম দ'ম আটি বান্ধি মূৰেৰে কঢ়িয়াই আনি আনি ৰ'দত শুকাবলৈ দিছিলো। গধূলি গধূলি গাত তেলাচ

উৰি তাৰ মাজত একোটা ঘুলি সাজি বহিছিলো। সেই দিন এই জীৱনলৈ আৰুনো কেতিয়া আহিব ? নাহে-নাহে-। এইবোৰ কথা ভাবিলেই মনটো কিবা উৰুঙা উৰুঙা লাগে-- পৃথিৱীখন এৰি যাবলৈ ইচ্ছা নাযায়। কিন্তু, এদিন নহয় এদিনতো এই পৃথিৱী এৰিবই লাগিব। ৰ-ক্ষা না-ই-

সৰু সৰু ল'ৰাবোৰে মোক দেখি কোঢ়াল কৰি এইফালে আগবাঢ়ি আহিল। মই জানো সিহঁতে মোৰ ফালে কিয় তেনেকৈ দৌৰা-দৌৰি কৰি আহিব লাগিছে। সিহঁতে মোক কি ক'ব সেইটোৰো জানো। সিহঁতে মোক ক'ব— "আতা, এইবাৰো তই আমাৰ ভেলাপুঁজিটো নৰাৰে জাপি দিব লাগিব।" এই ভেলাপুঁজি জপাৰ ক্ষেত্ৰত মোৰ এটা সুনাম আছে। এই কথা নিশ্চয় সিহঁতৰ বাপেকহঁতে কৈছে— তহঁতে গৈ সদানন্দ আতাৰক ক'বি, সি বৰ ধুনীয়াকৈ জাপিব জানে; দেখাতো সুন্দৰ হয়।"

"আতা; এইবাৰো আমাক...."

মই চমুকৈ হাঁহি এটা মাৰি ক'লো-- "হ'ব যা; সময়ত কৰি দিম।"

তিনি

ধাননি পথাৰৰ মাজত এই খালটো কেতিয়া কোনো খান্দিছিল কোনোৱে নাজানো। মই মোৰ স্বৰ্গগত পিতাকো এই কথাটো সুধিছিলো— কোনোনো ধাননি পথাৰৰ মাজত এই খালটো খান্দিলে? পিতাই প্ৰথমে নাজানো বুলি ক'লে। পিছত আকৌ এবাৰ ধাৰণাৰ সুৰত কৈছিল— "সাতপুৰুষৰ আগৰ খাল সেইটো; বোধহয় আমাৰ পৰিয়ালৰে কোনোবাই কেতিয়াবা বৰ খৰাং বতৰত পথাৰত পানীৰ অভাৱত খান্দি লৈছিল।" কিন্তু আচল কথাটো কোনোৱে ক'ব নোৱাৰে।

এসময়ত কাৱৈ, মাগুৰ, শিঙি, কুছিয়া, তুৰি আৰু সঠলি মাছ তাত ইমান আছিল যে প্ৰতি বছৰে ফাগুণৰ আগেয়ে মই খালটোৰ মাছবোৰ মাছুৱৈৰ হাতত বিক্ৰী কৰি দিছিলো।

সেইকাৰণে আজি ৰাতিপুৱা অনিমেষক ক'লো— "বোপাই, যোৱা দুবছৰে সিঁচা নাই; লোকে চুৰ কৰি কৰি খাই শেষ কৰাতকৈ নিজৰ খালৰ দুই-চাৰিটা কাৱৈ-মাগুৰ আমিও খাওঁ। চ'তৰ মাহ পৰিল; আৰু কেইদিনমান পাছত পানী এটোপাও নাথাকিব। ওপৰৰ বৰপুনি-মেটেকা শুকাই যাব আৰু শেষত মাছবোৰেৰে কণামুচৰি, বগলী আৰু হাড়গিলাৰ ভোজ হ'ব।

খালটো সিঁচাৰ কথা ক'বহে পালো— সি দেখোন ফেটী সাপে ফেট তুলি

ধৰাৰ দৰে স্তব্ধ হৈ মোৰ ফালে চালে। তাৰ পাছত তাৰ চকু দুটা মোৰ ফালে এনেকৈ পকাই দিলে যেন মাছলৈ যোৱাৰ কথা ভুলতেও তাৰ আগত ক'ব নালাগে।

তাৰ চকুৰ পাক দেখি মোৰ খং উঠিল আৰু মনে মনে বৰ অপমান বোধ কৰিলো। নিজৰ চলি হৈ সি মোক এনেকুৱা ব্যৱহাৰ কৰে? বুঢ়া নৌহওতেই সি মোক বুঢ়া কৰে। মাজে মাজে তাৰ দুই-এটা কথা শুনি মোৰ এনে ভাব হয় যেন সি মোক জীয়াই জীয়াই নিহে শ্মশানত পুৰি আহিব।

তাৰ কথাত কেৰেপকে নকৰিলো। খঙতে, মাছলৈ যামেই বুলি বাঁহৰ সিঁচনী, জাকৈ আৰু ডাঙৰ খালৈ এটা উলিয়াই আনিলো। চুৰিয়াখন চুটি কৰি আঠুৰ ওপৰত পেঁচ মাৰি ভালদৰে পিন্ধি ললো। বেউলাই অলপ শুকান মিঠৈৰে সৈতে অলপ চিৰা-সান্দহ আৰু মাটিৰ পাত্ৰ এটাত দৈ গাখীৰ বান্ধি দিলে।

মই যাবলৈ বুলি জাকৈখন কান্ধত উঠাই লৈছোহে মাত্ৰ। অনিমেষে আহি মোক তৰ্জন-গৰ্জন কৰি চোতালৰপৰা জাকৈ, সিঁচনী আৰু খালৈটো দলিয়াই দিলে। তাৰ পাছত দৈ গাখীৰৰ কটাটো আফলিয়াই ভাঙি পেলালে। শুকান মিঠৈ আৰু চিৰা—সান্দহ চোতালত সিঁচৰিত হৈ পৰিল।

উত্তেজনাত মইও কঁপি উঠিলো আৰু ভাবিলো এনেকুৱা ল'ৰা থকাতকৈ নিৰবংশ হৈ থকা ভাল। তেনেকৈ ভাবিলো যদিও পিছমুহূৰ্তত নিজকে নিজে প্ৰবোধ দিলো— সিতো মোৰেই ল'ৰা; নিশ্চয় মই তাক প্ৰকৃত শিক্ষা দিব নোৱাৰিলো; সেইকাৰণেহে তাৰ চিন্তাবোৰ এনেকুৱা হৈ যাব ধৰিছে।

"কৈ দিছো কিন্তু, মোৰ এটা আত্মসন্মান আছে; মই এজন ডাঙৰ অফিচাৰ; অফিচাৰৰ বাপেক হৈ জাকৈ লৈ টলৌ টলৌকৈ ঘূৰি-ফুৰিবলৈ লাজ নালাগে? মাছ খাবৰ ইচ্ছা হ'লে ক'বি— মই অফিচৰ পিয়ন এজনৰ হতুৱাই বুধবৰীয়া নহ'লে সোমবৰীয়া হাটৰপৰা অনাই দিম।"

মোৰ উঠিল খং। সি মোক কি বুলি ভাবিছে? খঙতে মইও ক'লো— "যা যা তোৰ দৰে দেশী-চাহাব বহুতো দেখিছো। তোৰ এই ফঁপজহী ঢং অফিচত আৰু ওপৰৱালা দেশী-চাহাববোৰৰ আগত দেখুৱাবি— সদানন্দৰ ওচৰত নহয়। চাহাবগিৰিৰো এটা সীমা আছে— তই সেই সীমা চেৰাই গৈছ। নিজৰ বাৰীৰ জানটোৰ মাছ কেইটা বা পথাৰৰ খালৰ মাছকেইটা মাৰি খোৱাত লাজ কিহৰ? মইতো সিদিনালৈকে চহা-হালোৱা-হজুৱা মানুহ। আজি হঠাৎ চাহাব হৈ যাও কেনেকৈ? জহন্নামে যোৱা, তইনো মোক এইবোৰ দেখুৱাবলৈকে জীৱন ধৰি আছনে? লাজ নালাগে? আজিকালি তই সমাজৰ আদৰ্শ নহয়। মানুহে তোক হৈ হৈ কৰে। স্কুলত পঢ়ি থকা ল'ৰাবোৰে তোৰ বিষয়ে বেয়াকৈ কয়। মোৰ তেতিয়া মৰি যাবৰ ইচ্ছা হয়। মনত ৰাখিবি, তোৰ সম্মান বৰ্তমান তোৰ সেই অফিচটোৰ ভিতৰতে সীমাবদ্ধ। মোৰ সম্মুখত দম্ভালি দেখুৱালে কি হ'ব? সমাজৰ কাৰণে বিশেষ একো অৱদান তই দিব নোৱাৰিলি। মই সদায় আশা কৰোঁ— সমাজে তোক

লৈ গৰ্ব কৰক। কিন্তু নহ'ল— মোৰ লৰা শেষত গৈ এজন বদনামী অফিচাৰহে হ'ল।"

দুখতে ঘৰবপৰা গুছি আহিছো। মনটো অস্থিৰ আৰু অশান্ত হৈ আছে। অৱশ্যে, ঘৰবপৰা ওলাই আহি জুই একুৰাৰ মাজৰপৰা ওলাই অহা যেন লাগিছে। চ'তৰ শুকান তপত ধূলিমিহলি বতাহবোৰ ঘনাই নাকেৰে সোমাই গৈছে। মনটো শুকান শুকান লাগিছে- একোনাই একোনাই লাগিছে আৰু লগে লগে একমাত্ৰ পুত্ৰক লৈ কৰা কল্পনাৰ ঘৰ ভাঙিচিগি চুৰমাৰ হৈ গৈছে। মই যেন পৃথিৱী আৰু পৃথিৱীৰ সকলো বস্তুকে হেৰুৱাইছো— আনকি গছৰ ছাঁখিনিও। বাটৰ কাষৰ গছবোৰত পাত এটাও নাই— গতিকে তাত ছাঁও নাই।

খেতিৰ মাটিডৰাত যোৱা চাৰিবছৰে চন পৰি থকাত তাত নৰা নাই। সময়ৰ গতিত মোৰ খেতিৰ মাটিৰ অৱস্থা সেন্দুৰ নিজিলিকা বিধৱাৰ উকা কপালৰ দৰে হৈ যাব ধৰিছে। গৰাকী থাকিও গৰাকী নোহোৱা তিৰোতাৰ দৰে।

ইয়াৰপৰা ৰিণিকি ৰিণিকি দেখা পাই— সেইয়া সেইখন। মামাইতৰ গাৱঁলৈ যোৱা মটৰবাছ। শিল দিয়া আলিটোৰে আগৰ দৰেই আজিও ঠেকেচা খাই খাই গৈ আছে বাছখন। এসময়ত তাত উঠিয়েই আইৰ সৈতে মামাইতৰ ঘৰলৈ গৈছিলো। আকৌ যাবপৰাহেঁতেন। কিন্তু গৈয়েই বা হ'ব কি? আতা-আবু নাই। একমাত্ৰ আছিল মোমাইদেউ— তেওঁৰো এদিন সংসাৰৰ প্ৰতি বৈৰাগ্যভাব প্ৰকাশ কৰি দাড়ি-চুলি ৰাখি ঘৰবপৰা সন্ন্যাসী হৈ ওলাই গ'ল। বস্তিটো আছে, ঘৰ নাই। পুখুৰীটো আৰু চাৰিওকাষে নাৰিকল গছৰ শাৰীবোৰ এতিয়াও আছে। সকলো আগৰ দৰে এতিয়াও আছে; কিন্তু মাতষাৰ পাবলৈ তাত কোনো নাই— এই দুখৰ দিনত তালৈ এবাৰ গৈ আহিলেও মনটো ভাল লাগিলহেঁতেন। কিন্তু নাই— হায়! মোৰ ক'তো অকণো শান্তিৰ ঠাই নাই—

চ'ত মাহৰ সূৰ্যটো যিমানেই ওপৰলৈ উঠি যাব ধৰিছে সিমানেই ভোক-পিয়াহ আৰু মনৰ অশান্তি বাঢ়ি যাব ধৰিছে। কাতি মাহৰ পিছৰেপৰা আজিলৈ এটোপাল বৰষুণ নাই। উৰ্বৰ মাটিবোৰ বৰষুণৰ অভাৱত শুকাই কৰকৰীয়া মাৰি এতিয়া চন্‌চনীয়াকৈ ফাটি চিৰাল ফটা দিছে।

বটগছজোপাত দেখোন কুমলীয়া পাত ওলাইছে। ইয়াত এনেকৈ চ'তমহীয়া ৰ'দত বহি থকাতকৈ বটৰ তলত বহাই ভাল।

বটগছজোপাৰ শিপাত বহি বহি আকৌ এবাৰ মোৰ চনপৰা খেতিডৰালৈ চালো। ইয়াৰপৰা মই মাছ মাৰিম বুলি ভবা খালটোৱো দেখি। খালটোৰ কাষে কাষে পাত সৰা লঠঙা লঠঙা কদমগছবোৰৰ শাৰী। ওপৰত কেবাটাও হাড়গিলাই বহি তললৈ চাই আছে। গছৰ তল সম্পূৰ্ণ নিৰ্জন। পথাৰবোৰৰ মাজে মাজে দুই-এটা গৰু-ছাগলীয়ে ঘাঁহ খাই আছে।

বটৰ তল সৰাপাতেৰে ঠাহ খাই আছে। ডেকাকালত এই সৰাপাতবোৰ গোটাই গোটাই এটা ঠেপা কৰিছিলো আৰু হাতৰ বিড়িৰ জুইৰে ঠেপাটো জ্বলাই দিছিলো।

ঠেপাৰপৰা ফিৰফিৰকৈ ওলোৱা ফেঁহুৰ নিচিনা বগা ধোঁৱাবোৰ যেতিয়া আকাশৰ ওপৰলৈ ক্ৰমাৎ উঠি যায় তেতিয়া মোৰ আইলৈ বৰকৈ মনত পৰিছিল। লগে লগে মোৰ চকুৰ পানীও ওলাইছিল।...... শ্মশানত আইক চিতাত উঠাই দিয়াৰ পাছতো ঠিক তেনেকুৱা ফেঁহুৰ দৰে বগা ধোঁৱাবোৰ ওপৰলৈ উঠি গৈছিল। এনে ভাব হৈছিল, যেন মোৰ আইৰ আত্মাটো সেই ধোঁৱাৰ বাটেৰে স্বৰ্গলৈ গুচি গৈছিল। আজি আকৌ মই পাতবোৰ গোটাই ললো আৰু তাৰে ডেকাবয়সত সজা ঠেপাটোৰ দৰে এটা ঠেপা সাজিলো। চোলাৰ জেপৰপৰা চিগাৰেট এটা জ্বলালো আৰু চিগাৰেটৰ ধোঁৱাৰে ঠেপাটো জ্বলাই দিলো। কুণ্ডলী পকাই বটগছজোপাৰ কুঁহি, কোমল পাতবোৰ লৰাই ধোঁৱাবোৰ ক্ৰমাৎ ওপৰলৈ উঠি গ'ল।

হঠাৎ চৰাইৰ পাখিৰ শব্দ শুনি ওপৰলৈ চালো।

ইস! ইস! ওপৰৰ ফেৰেকা ডালটোত যে কপৌৰ বাহ এটা আছিল মই দেখাই নাছিলো। বোধহয় দুয়ো উমনি দি আছিল। তলত জুই আৰু ধোঁৱা দেখি ভয়তে কপৌহালে ধপ্‌ধপাই পাখি কোবাই কোবাই আকাশৰ ফালে উৰি গুচি গ'ল।

পাতবোৰ জ্বলাই অলপ কিবা ভাল লাগিছিল যদিও কপৌহালে হঠাৎ তেনেকৈ বাহটো এৰি যোৱাত মনটো বেয়া লাগিল। নিজকে অলপ অপৰাধী যেনো লাগিল। মনটো গধূৰ হৈ উঠিল। যেন মই শান্ত-সৌম্য ভাবটোকহে জ্বলাই দিলো।

কোণাকাণীয়াকৈ উৰি যোৱা কপৌহালৰ উৰণ চাই চাই দেখিলো এঠাইত অদৃশ্য হৈ পৰিছে। চকু নমাই আনি দেখিলো মনিব পৰা আৰু নোৱাৰাৰ শেষ সীমাত এখন কাঠনি। কাঠনিৰ কাষে কাষে এটা ৰঙা লুংলুঙীয়া বাট। ইমান বয়স হ'ল, ইমান দিন এই বটগছৰ তলত আছো, কিন্তু কোনো দিনেই এই দৃশ্যটো মই চোৱা নাছিলো।

কিয় জানো, দৃশ্যটো চোৱাৰ পাছতেই আগৰ গধূৰ মনটো পাতল পাতল লাগিল। লুঙলুঙীয়া বাটটোৰে শাৰীপাতি আহিব লাগিছে এজাক মহিলা আৰু ছোৱালীৰ জাক। মই একে ধ্যানে সেই ফালে চাই থাকিলো। জাকটোৱে ধীৰ আৰু মন্থৰ গতিৰে আহি আহি পথৰুৱা আলি অতিক্ৰম কৰিলে। মই বহাৰপৰা উঠিলো। মহিলাসকলৰ প্ৰায় কেইজনীকে মই চিনি পাওঁ। মোক দেখি আটাই কেইজনীয়ে মুখৰ ভিতৰত কিবা গুণ-গুণালে আৰু দীঘল দীঘলকৈ ওৰণি টানিলে। মইও পথাৰৰ ফালে মুখ ঘূৰালো। সিহঁতে মোক অতিক্ৰম কৰি শিল দিয়া আলিত উঠিল। দলটোৰ আগে আগে তিনিজনী কুমাৰী ছোৱালীয়ে মূৰত জপা লৈ আহিছে।

বুজিছো। আচল কথাটো মই এতিয়াহে বুজিছো। মূৰত বেতৰ জপা কঢ়িওৱা দেখি অৱশ্যে প্ৰথমেই মই ধাৰণা কৰিছিলো। কাৰণ, ছোৱালীৰ তোলনীয়া নহ'লে তিনিজনী কুমাৰী ছোৱালীয়ে এনেকৈ বেতৰ জপা নকঢ়িয়াই। আমাৰ চুবাটোৰ অশ্বিনীৰ জীয়েকৰ তোলনীবিয়া। যোৱাকালি সন্ধিয়া পৰত অশ্বিনীৰ ঘৈণীয়েক সেই

কাৰণেই বেউলাক মাতিবলৈ আহিছিল। গতিকে ঘৰলৈ এতিয়া যোৱাতকৈ অলপ পলমকৈ যোৱাই ভাল— কাৰণ, বেউলাই নিশ্চয় তোলনী বিয়াগীত গাবলৈ এতিয়া অশ্বিনীৰ ঘৰলৈ গৈছে। অকলে ঘৰখনত সোমাই ভালো নালাগে। কিবা সাং-সিং কৰে মনটো।

ঘৰত এনেয়ে মূৰে-কপালে হাত দি বহি থকাতকৈ এই বুঢ়া আঁহতৰ তলত বহি থকাত বেছি আনন্দ আছে। অন্ততঃ ইয়াৰ তলত বহিলে হেজাৰ বিজাৰ কথা মনলৈ আহে। মনটো চ'তৰ খৰাং বতৰৰ কুঁহি-কোমল পাতবোৰ বতাহত পানীৰ ঢৌৰ দৰে খললাই থকাৰ দৰে লাগিছে। দেখিলেই মনটো কিমান পাতল পাতল লাগি আহে-- এনেকুৱা এজোপা গছৰ তলত থাকিলেনো মোৰ সেই ঘৰ নামৰ জেলখানালৈ কিয় মনত পৰিব? জীৱনৰ বাকী দিনকেইটা যদি এই গছজোপাৰ ওপৰত ঘৰ এটা সাজি থাকিব পাৰিলোহেঁতেন! সঁচাকৈয়ে, মোৰ সেই জহন্নামে যোৱা ঘৰখনত থকাতকৈ ইয়াত থকা বহু বেছি ভাল। অন্ততঃ মোৰ ছোৱালীজনীক অলপ ভাল বুলি ভাবিছিলো। কিন্তু তাই দাদাকতকৈ আৰু এখোপ চৰা।.... তাইক লৈ মই কিমান কল্পনা কৰিছিলো। এই এম-এ পাছ কৰিব— সৎ ল'ৰা এজন বিচাৰি বিয়া দিম। বিয়া বুলি মোৰ ঘৰত দুই-চাৰিজন মানুহৰ সমাগম হ'ব। মইও যে এজন বাপেক আছিলো, মোৰো যে এজনী ছোৱালী আছিল, মইও যে তাইৰ বিয়াখন পাতি দিব পাৰো— অন্ততঃ এইখিনি কাৰণেইতো তাইৰ বিয়াখন সামাজিকভাৱে হ'ব পাৰে। ঠিক আছে— তাইৰ বাৰু হোমৰ জুইকুৰাত বিশ্বাসেই নাই বাবে সামাজিকভাৱে বিয়াখন নাপাতিলো। বিয়া বুলি ৰভাও নিদিলো, মানুহো নিমন্ত্ৰণ নকৰিলো। মাত্ৰ মই, বেউলা, মোৰ ল'ৰাজন আৰু হ'বলগীয়া জোঁৱাইজনৰ লগত চ'ৰা-ঘৰত সকলোৱে মিলি একাপ চাহকে খাই নীলাৰ বিয়া হোৱা বুলি মানি ললো। নাই, আনকি এইখিনিও তাই নকৰিলে— এনেস্থলত মই বাপেক হ'লো বা নহলোৱেই; কাৰ কি আহে বা যায়। কোনো শৃংখলাই নাই ইহঁতৰ। ধিক্ মোৰ জীৱন ধিক্। আৰু এই যে মাকজনী— বেউলা। তাইৰ কথাটো ভাবিলে মোৰ বুকুখন কিবা ভাঙি যোৱা যেন লাগে। বেচেৰীয়ে দহমাহ দহদিন গৰ্ভত ৰাখি ইমান ডাঙৰ দীঘল কৰিলে-- বিদ্যাৱতী কৰি তুলিলে— তাৰ জানো এটা দাম নাই? তাইৰো এটা মন আছে। দৰ-কইনা যোৱাৰ সময়ত তাই হিয়া ভৰাই আশীৰ্বাদ দিলেহেঁতেন। উৰুলি দিলেহেঁতেন। বেছি নালাগে, অন্ততঃ একো নহ'লেও তাই কৈও যাব পাৰিলেহেঁতেন। এইখিনি সৎ সাহসো বাৰু তাই গোটাব নোৱাৰিলেনে? পলাই যাব লাগে কিয়? একপ্ৰকাৰ ই অসভ্যামি। যদিহে মই সিহঁতক বিয়া পাতি নিদিলোহেঁতেন তেতিয়া অৱশ্যে কথাটো বেলেগ আছিল।

ছিঃ এইবোৰ কথা আকৌ মনলৈ আহিল কিয়? নাই, নাই, এইবোৰ কথা মই আৰু নাভাবো বুলি প্ৰতিজ্ঞা কৰিছো যেতিয়া তাৰ পাছত আকৌ কিয়? ল'ৰা-ছোৱালীক লৈ মই আৰু কোনো আশাই নকৰো।

আশাই পৰম দুখ, নিৰাশাই পৰম সুখ বুলি যদি মই ভাবি লওঁ— তেতিয়া? তেতিয়া বৰ্তমানৰ মনৰ দুখ ভালেখিনি আঁতৰি যায়। গতিকে, যি পালো বা যি পাম তাকে লৈ সন্তুষ্ট থাকিম। জীৱনটো যেনেকৈ আছে তেনেকৈ গ্ৰহণ কৰি যাম। জীৱনটো দুখৰেই আৰম্ভ হৈছিল; কেৱল দুখেই মোৰ প্ৰাপ্য— কিন্তু মোৰ ছোৱালীজনীয়ে সেই বিভূতি নামৰ ল'ৰাজনৰ লগত পলাই যাব লগা হ'ল কিয়? বেউলাই তাৰ কাৰণে কেৱল মোকেই দোষাৰোপ কৰি থাকে। ইয়াৰ কাৰণে মোকেই কেৱল দোষ দিয়ে। মাকে কয়— সৰুৰেপৰাই হেনো মৰম চেলাই চেলাই তাইক মই মূৰৰ ওপৰত তুলিছিলো; গতিকে মোৰ সেই মৰমৰ সুবিধাটো তাই ল'লে। প্ৰথমে মই কথাষাৰত অলপো গুৰুত্ব দিয়া নাছিলো। কিন্তু, এতিয়া ভাবিছো, নিশ্চয় মই মোৰ ল'ৰা-ছোৱালীহালক ঠিক যেনেদৰে মানুহ কৰি তুলিব লাগিছিল, তুলিব নোৱাৰিলো। ঠিক নোৱাৰিলো বুলি ক'লে ভুল হ'ব; আচলতে মই নাজানিছিলো— নহ'লে নীলাই আমাৰ সকলোকে বুঢ়াআঙুলি দেখুৱাই গুচি যাব কিয়? নিশ্চয় মোৰ ক'ৰবাত ভুল হৈ গৈছে, যিটো ভুল মোৰ কোনোদিনেই চকুতপৰা নাই বা নপৰিল। মই অৰ্দ্ধশিক্ষিত হোৱা বাবেই এনেকুৱা হ'ল নেকি? এনেকুৱাও হ'ব পাৰে, — পৃথিৱীত যেনেকৈ চলিলে ল'ৰা-ছোৱালীক সৎ কৰি তুলিব পাৰি তেনেকৈ হয়তো মই চলিব নাজানিলো। সেই কাৰণেই মোৰ এই দশা। গতিকে কষ্ট ভোগ কৰিবই লাগিব। তাৰপৰা উদ্ধাৰ পাব নোৱাৰোঁ।

ক'ৰপৰা[illegible]ক কপৌৰ ঝাঁক ভাঁহি আহিছে?

চ'ত মাহৰ দুপৰীয়াৰ এই খৰাঙত ফাঁট মেলা খেতিপথাৰত বা পাত সৰি সৰি নাঙঠ হোৱা কদমগছৰ ওপৰত ক'তো কপৌচৰাই দেখা নাযায়। বোধহয় জুইৰ ভয়ত পলাই যোৱা কপৌহালেই কৰবাত মই নেদেখা স্থানত বহি বহি তেনেকৈ ঝাঁক দিছে।

কপৌৰ ঝাঁক অনুসৰণ কৰি থাকোতে পুনৰ খেতিপথাৰৰ খালটোত চকু পৰিল। খালটোলৈ চালেই কিয় জানো মোৰ কজলা হালোৱা গৰুহাললৈ মনত পৰি থাকে। গৰুহালে যেন ভাগৰত ক্লান্ত হৈ ডিঙি হলাই হলাই খালত পানী খাইছে— মই হ হ কৰি কৈছো— আহ্ কজলা, ইয়াত পানী খাব নালাগে; ঘৰলৈ ব'ল। ঘৰত মাৰে চাউলৰ মলৰ দানা গুলি দিব; পেট ভৰাই সলপ্ সলপ্‌কৈ খাবি।

খালটোৱে কেৱল মোকেই নহয়, ওচৰত থকা দশৰথ, বলোৰাম, উমা আৰু ৰাখালহঁতৰ মাটিত পানী নহ'লেও এই খালৰ পানীয়েই সহায় কৰে। আজিও কৰি আছে নিশ্চয়। ভূঁই ৰোৱাৰ সময়ত পথাৰত পেক্ তুলিবলৈ পানীৰ অভাৱ হ'লেই মোৰ খালটোৰপৰাই সকলোৱেই পানী সিঁচি লৈ যায়। লোৱেৰে বৈ অহা মোৰ খালৰ সিঁচা পানী কল্ কল্ শব্দ কৰি পথাৰবোৰত যেতিয়া সোমাই যায় তেতিয়া যে মোৰ কিমান ভাল লাগিছিল। সেই দিনবোৰ আছিল অভাৱ-অনাটন-অৰ্দ্ধাহাৰৰ। কেতিয়াবা চাউলৰ অভাৱত বাৰীৰ বগালাও সিজাই সিজাই খাইছিলো। তথাপিও

তাৰ মাজত যেন কিবা অকণমান হ'লেও আনন্দ আছিল, প্ৰাণ আছিল— অন্ততঃ বৰ্তমানৰ দিনবোৰৰ দৰে শুকান আৰু লঠঙা নহয়।

গৌজ দিবৰ সময়ত হুলাবাৰিবে কান্ধত দুইভাৰ কঠিয়া লৈ আহো। হাতত জুই থকা ধানখেৰৰ জুমুঠি; চিলিমৰ টিকিৰাৰ সৈতে মলাধপাতৰ চুঙা। লগতে মূৰত বান্ধি আনো আচৰা জালখন। অনিমেষে স্কুলত যোৱাৰ সময়ত ঘটিত এঘটি পানীৰ সৈতে গুড়িসান্দহ, শুকান মিঠৈৰ চপৰা দি যায়। আবেলি নীলাই স্কুলৰপৰা আহি লৈ আহে চাহ। তাৰ পাছত তাইও পথাৰত নামি ধানৰ গৌজ পেলায়। অনিমেষেও নীলাৰ দৰে স্কুলৰপৰা আহি ঘৰত জলপান খাই পথাৰত মোক আলি দিয়া কামত সহায় কৰে।..... সন্ধিয়াৰ আগে আগে নীলাই ঘৰলৈ উভতি যায়। মই আৰু অনিমেষে মিলি আচৰা জালখনেৰে বিলত জাল পেলাও; মাছ উঠে; খালৈত ভৰাওঁ। হঠাৎ মই অনিমেষক কাষত নেদেখি ইফাল সিফাল চাওঁ। ক'লৈ গ'ল সি? তাৰ পাছত দেখো বিলৰ পাৰৰ বাওঁধানৰ মাজত শৰালি হাঁহৰ কণী বিচাৰিছে। হাতত কণী কেইটামান লৈ উৎসাহত মোক কয়— "পিতা, মই শৰালিহাঁহৰ কণী বিচাৰোতে এই কেইটা পালো।"

বৌউলাই সেই কণী তাক আৰু নীলাক সিজাই দিয়ে। জালতপৰা পুঠি, খলিহা, বেচা, চান্দ, তুৰি, দৰিকণাবোৰ ধুই পখালি বাৰীৰপৰা তুলি অনা কেঁচা আদাৰ গছপাত খুন্দাৰে আঞ্জা ৰান্ধি আমাৰ পাতত দিয়ে। তাকেই অমৃত সমান খাওঁ— আৰু এতিয়া? খালটোত মাছেই আছে নে ঘৰিয়ালেই আছে খবৰ ল'বলৈ কোনো নাই। পানীত ডুবি ডুবি শৰালিৰ কণী বিচৰা অনিমেষে আজি কয়— "নালাগে, পানীত ভিজিলে অসুখ হ'ব।" এইবোৰ জানো সহ্য হয়? এই কৃত্ৰিম জীৱন কেনেকৈ সেই অনিমেষৰ ভাল লাগিছে মই বুজি নাপাওঁ। তেনেকুৱা জীৱনৰপৰা অহা সদানন্দৰেই বা আজিৰ এই ফৰ্পজহী জীৱন কেনেকৈ ভাল লাগিব?

সেইহাল বোধহয় অশ্বিনীৰ ম'হ। যুটি দি পথাৰত এৰি দিছে। ভালেই কৰিছে, নহলে ইটোৱে সিটোক এৰি ঘূৰি ফুৰিলে বিচৰাত অসুবিধা হয়। কিন্তু এই শুকান ফাট মেলা পথাৰত ক'তনো এডাল কেঁচা ঘাঁহ বিচাৰি পাব? নাপায়। শুকান নৰাৰ মূৰ চোবোৱাৰ বাহিৰে অইন ৰাস্তা নাই। পশুহালৰ চিনাকী গোন্ধটো মোৰ নাকত লাগিল।

খালৰ পাৰটো যথেষ্ট ওখ। সেইকাৰণেই ইয়াৰপৰা খালটোত পানীয়েই আছে নে কাছুই আছে ধৰা টান। এবাৰ চাই আহিম নেকি? চাই যাব পাৰিলে অৱশ্যে বেয়া নাছিল। কিন্তু সেই হালনো কি? হাড়গিলা দেখোন। মোৰ খালটোৰ ফালৰ পৰা উঠি আহিছে।

এইফালে আহিলোৱেই যেতিয়া এবাৰ খালটোকে চাই যাওছোন—

আগবাঢ়ি আহি খালৰ পাৰত উঠিব খোজাৰ লগে লগে এহাল হাড়গিলা ঠিক মোৰ মূৰৰ ওপৰেৰে সাঁ সাঁ শব্দ কৰি উৰি গুচি গ'ল। সিহঁতৰ বিশাল পাখি চাৰিখনৰ

সাঁ সাঁ শব্দত ভয় খাই চক্ খোৱা মানুহৰ দৰে কেবাখোজো পিছুৱাই আহিলো।

ওপৰলৈ চালো। তাৰ পাছত চকুত সূৰ্যৰ পোহৰ নপৰিবলৈ কপালত হাত দি ডিঙি ওপৰ কৰি চাওঁতে খালত কাৰোবাৰ কথোপকথন শুনি ওখ পাৰটোত উঠিলো। খালৰ ভিতৰলৈ চাই মই স্তম্ভিত হ'লো। গাঁৱৰে উত্তৰ ফালে থকা হাৰু আৰু চাৰু দুয়ো বেলেগ বেলেগ ঘৰৰ হ'লেও সদায় একেলগেই ফুৰে। এজনে খালৰ মেটেকা টানিছে আনজনে দুটা খালৈত একো একোটা পাঁচ আঙুলমান ডাঙৰ কাৰৈমাছ সমানে হিচাব কৰি কৰি ভৰাই গৈছে।

বোধহয়, খালৰ গৰাকী যে আজি হঠাৎ ইয়াত আহি ওলাব ভবাই নাছিল। মই জানো, ইহঁত দুয়োকে একো কৈ লাভ নাই। কৈফিয়ৎ বিচাৰিলেও সিহঁতে তাৰ প্ৰত্যুত্তৰত কি ক'ব মোৰ ভালদৰে জনা আছে। সেই কাৰণেই একো নকৈ অলপ ৰগৰ কৰিম বুলি পাৰতে ঠিয় দি থাকিলো।

প্ৰথমে মোক দেখা পালে চাৰুৱে। তাৰ পাছত হাৰুৱে। দুয়ো মোক দেখি ভূত দেখা দিলে আৰু অলপ সময় স্তব্ধ হৈ একে ধ্যানে তললৈ চাই থাকিল। তাৰ পাছত দুয়ো গুণগুণালে আৰু হঠাৎ দুয়ো এনেকৈ ঢেক্‌ঢেকাই হাঁহিলে যেন যাত্ৰাপাৰ্টিৰ সেনাপতিয়েহে হাতত তৰোৱাল লৈ শত্ৰুপক্ষৰ সেনাপতিক তুচ্ছ-তাচ্ছিল্য কৰিব।

দুয়ো তেনেকৈ ঢেক্‌ঢেকাই হঁহাৰ কাৰণটো মই নজনা নহয়। সিহঁতে ধৰি লৈছে- তেনেকৈ হাঁহিলে মোৰ খঙটো দমি যাব। মই দুয়োৰে ফালে খঙেৰে চালো আৰু কি কোৱা হ'ব তাকেই এবাৰ ভাবি-চিন্তি চালো। কিন্তু মই ক'বৰ সুযোগেই নাপালো। চাৰুৱে ক'লেই-

চাৰু ঃ ভাই সদানন্দ, চিন্তা নকৰিবি; তই আমাৰ লগত মাছলৈ নাহিলি বুলিয়েই যে তোৰ নিজৰ ভাগটো নাপাবি এনে নহয়। ঘৰলৈ যাগৈ; তোৰ পাবলগীয়া ভাগটো আমি ঘৰতেই দি আহিমগৈ। ভাই, এনেকৈ আদান-প্ৰদান নকৰিলেতো চলাই টান। চিন্তা নকৰিবি। আৰু এটা কথাও নহয়— তহঁতৰ ঘৰত বৰ্তমান মাছ মৰা মানুহো নাই; যিওবা এক তই আছিলি শেষত গৈ তইয়ো মাটিয়া-চাহাব হলি। গতিকে, মাছবোৰ হদঙে খাই নোহোৱা কৰাতকৈ যেনিবা তোৰ লগৰ মানুহেই মাৰি খালে— ক্ষতি কি? চিন্তা নকৰিবি, ইয়াৰে আধা তোৰ আধা আমাৰ—

সদানন্দ ঃ নিলাজহঁত, কথা ক'বলৈ আহিছ? চোৰকৈ মাছ মাৰিবলৈ আহি এতিয়া ধৰা পৰি আবোল-তাবোল নবকিলেও হ'ব। আচল কথাটো মই কি নাজানো? দুজন মানুহৰ দুটা খালৈ; পিছে মোৰ খালৈতো বা ক'ত?

হাৰু ঃ আমি দুয়োৰেপৰা এভাগ এভাগ দিলে তোৰ ভাগটোৱেই বেছি শকত হ'ব। চিন্তা নকৰিবি।

সদানন্দ ঃ এইবোৰ ভুৱাজাৰি নকৰিলেও হ'ব। মই কথাটো বুজি পাইছো। 'গোসাঁইঘৰত কোন— কল খোৱা নাই'— হয়নে নহয়?

হাৰু ঃ তইতো মাছ মৰা বাদেই দিলি; আজিকালি তোৰ কথাই বেলেগ ভাই।

আমাৰ খাবনোপোৰাসোপাৰ দৰেতো তই আজিকালি খালে-দোঙে মাছ-কাছ বিচাৰি ফুৰা মানুহ নহয়। লাখটকীয়া পুতেৰ আছে, সন্ধিয়াৰ বজাৰৰপৰা সকলোতকৈ ডাঙৰ চিতল মাছটো চোঁচোৰাই আনি গাড়ীত ভৰাই চোতালত পেলাই দিব। খমখমীয়া নোট, ৰম্‌ৰমীয়া চিতল মাছ। চিতল মাছৰ কলঠী পেৰাতেলত ডুবাই ডুবাই গোছ ভতৰ ওপৰৰ কেৰাহীত মচ্‌মচীয়াকৈ ভাঁজি দিব, সলপ্ সলপ্ কৰি চুহি চুহি খাবি—

সদানন্দ ঃ ঠাট্টা মস্কৰা আৰুনো কিমান কৰ? মইহে জানো, সেই চিতল মাছ কেনেকুৱা লাগে—

হাৰু ঃ বেয়া পালি নেকি?

সদানন্দ ঃ মোক যে সুধিছ, তোৰ হ'লে কেনেকুৱা লাগিলেহেঁতেন? অন্ততঃ খালত নমাৰ আগেয়ে যদি এবাৰ কৈ আহিলিহেঁতেন? মইতো বাধা কৰা মানুহ নহয়। বুজিছো, মই সাধু-সন্ত হোৱা বাবে সকলোৱে সুবিধা ল'ব খোজে আৰু বহুতে তেনেকৈ লৈয়ো আছে।

চাৰু ঃ নহয় অ' ভুল নুবুজিবি, আমি আচলতে মাছ মাৰিম বুলি এইফালে অহা নাছিলো। ইফালে দুয়ো এনেয়ে ঘূৰি ফুৰিছিলো। দেখিলো, তোৰ খালটোত মেটেকা ভৰ্তি হৈ আছে। পানী আছে নে নাই চাবলৈ বুলি একচোপ মেটেকা উঠাই চালো। চাই দেখো কাৰৈ মাছবোৰ মেটেকাত হালিচা গঁঠাৰ দৰে গঁঠা আছে। দেখিছ, আমিতো জাল বোৱাই নাই। কেৱল মেটেকা ডাঙিয়েই দুই খালৈ মাছ পালো— চাই যা, এইযা।

সদানন্দ ঃ মাছ মাৰিব অহা নাছিলি যদি সেই প্ৰকাণ্ড খালৈ দুটা ক'ৰ পৰা আহিল? দে, উত্তৰ দে এতিয়া। এনেয়ে কথা চোবালেই মই কি সিঠাবোৰ খাই থাকিম? ও এতিয়া হলে চুপ-চাপ থাকিলি। বুজিছো; সঁচা কথা কোৱাৰ সাহসেই তহঁতৰ নাই।

চাৰু ঃ সেই কেইটা এনেয়ে লৈ আহিছিলো আৰু! কিনো ডাঙৰ কথা হ'ল?

সদানন্দ ঃ বাৰু সেইখন ঘোকালেঙি জাল নহয় নে?

হাৰু ঃ অ—

সদানন্দ ঃ কাৰ? কোনে আনিছে?

চাৰু ঃ মোৰ। মইয়ে আনিছো।

সদানন্দ ঃ (হাঁহি হাঁহি) এতিয়া তহঁতেই বাৰু কচোন, জালখালৈৰ সৈতে সাজু হৈ আহি মিছা মাতিছ কিয়?

হাৰু ঃ ভাই, ইমান খং কৰ কিয়? লাগে যদি তইয়ো কেইটামান লৈ যা—

সদানন্দ ঃ নালাগে মোক মাছ।

চাৰু ঃ কিয়?

হাৰু ঃ আজিকালি মাছ খাবলৈ একেবাৰে এৰি দিলি নেকি?

সদানন্দ ঃ কিয় এৰিম?

হাৰু ঃ তেনেহ'লে ল মাছ—

সদানন্দ ঃ তহঁতৰ নিজৰ নিজৰ একোটা খাল আছেনে নাই?

চাৰু ঃ হঠাৎ এই প্ৰশ্ন কিয়? আমাৰ খাল নাই বুলি তোক আমি কৈছো নেকি?

হাৰু ঃ মোৰো বাৰীত খাল আছে—

চাৰু ঃ মোৰো আছে—

সদানন্দ ঃ তহঁতৰ খালত যদি মই নোকোৱাকৈ মাছ মাৰিলোহেঁতেন? তেতিয়া? তহঁতৰ মাৰৰ কোবত কিজানি মোৰ পিঠিৰ হাড় জুন-জুনীয়া হৈ গ'লহেঁতেন। চাই থাকিবি মইও মোৰ ল'ৰাজনক লগত লৈ আহি তহঁতৰ খালৰপৰা জালেৰে মাছ মাৰি লৈ যাম— তেতিয়া কি কৰ চাই ল'ম।

চাৰু ঃ (ব্যংগ) আমি ভালহে পাম; নে কি কৱ হাৰু?

হাৰু ঃ (ব্যংগ) এৰা অ'। আমাৰ খালত কোনোবাই যদি তেনেকৈ মাছ মাৰিবলৈ আহে সেইটো একপ্ৰকাৰ সৌভাগ্য বুলি ক'ব লাগিব; কাৰণ, আমাৰ খালত জাল পেলালে মাছ নুঠেই।

সদানন্দ ঃ মাছু নুঠে? কিয় নুঠিব?

হাৰু ঃ উঠিব। কিন্তু মাছ নহয়; বেঙ পোৱালি। অৱশ্যে তেতিয়া এটা কথা হ'ব; যিমান বেঙৰ পোৱালি আছিল সেইবোৰ উঠিলে খালটো চাফা হৈ থাকিব—

চাৰু ঃ তোৰ বাহিৰে আমাৰ দুৱোৰে খালৰ অৱস্থা বেয়া। লোকে ফিচাৰীৰপৰা মাছৰ পোনা আনি খালত পোহে আৰু আমি? দুই-চাৰিটা যি পুঠি-

খলিহা থাকে তাকো জাল মাৰি মাৰি উঠাই খাওঁ। নহ'লে খাবি কি? হাট-বজাৰৰ মাছতো আমি কিনি খাব নোৱাৰোঁ। গতিকে আমাৰ খালৰ মাছ মানে একপ্ৰকাৰ দৰিদ্ৰৰ আগত ধোৱা চাউলৰ নিচিনা। ল ল। বেয়া পাব নেলাগে; তইয়ো মাছ কেইটামানকে ল—

সদানন্দ ঃ কৈছো নহয়, নালাগে। মই আজি দেখা পালো কাৰণেহে। মই যদি দেখা নাপালোহেঁতেন? তইতে মোৰ ঘৰলৈ গৈ কি মাছ দি আহিলিহেঁতেন? আচল কথা হৈছে তইঁতৰ চৰিত্ৰৰ দোষ। কুকুৰৰ নেজ ঘিউৰে মালিচ কৰিলেও চিধা নহয় (হাঁহি, হাঁহি)।

চাৰু ঃ (হাঁহি) হাঁ হাঁ হাঁ—

হাৰু ঃ (হাঁহি) হাঁ হাঁ হাঁ—

সদানন্দ ঃ এনেকৈ মেটেকাবোৰ টানি মৰিছ যে, তাতকৈ জালখনেৰে মাছবোৰ তুলি নলৱ কিয়?

গুচি আহিলো খালৰপৰা। থাকিয়েই বা লাভ কি? পুৰঠ কাৱৈমাছ কেইটা দেখি কেইটামান লৈ অহাৰ ইচ্ছা হৈছিল। কিন্তু আনিলেই সমস্যা নহয়— আকৌ এখন গৃহ-কন্দল। ইয়াৰপৰা মাছ নিয়া বুলি জানিলেই সৰ্বনাশ। যি খালৰ মাছ খাই ডাঙৰ দীঘল হ'ল, এতিয়া খালটো তাৰ ভাষাত হৈছে নৰ্দমা। যিহে বিদ্ৰূপ কৰি ক'ব- - 'নৰ্দমাৰ মাছো মানুহে খাই নে?' নিনিওঁ, ইমান অশান্তি হোৱাতকৈ নিনিয়াই ভাল। এনেকুৱা পুৰঠ কাৱৈমাছ দেখিলে বেউলাই কিন্তু ভাল পালেহেঁতেন। কিন্তু হ'ব কি- - উপায় যে নাই।

সেইজন দেখোন শৰৎ। সি সিফালৰপৰা চাইকেলেৰে আহিল। ওঁ আজি বুধবাৰ। পানীলাউ, হাঁহ, ভীমকল লৈ বোধহয় বুধবৰীয়া হাটৰপৰাই আহিছে। আজিকালি হাঁহৰ মাংস খাবলৈ পাহৰাৰ দৰে হ'ল।

"কি হে সদানন্দ। কি খবৰ? আজি দুদিনমান গধূলি গধূলি চ'কত দেখা নাই দেখোন? নে কিবা অসুখ-বিসুখ? নে খবৰৰ কাগজখন আনিবলৈ যাবলৈ বাদ দিলি?"

"কিয়নো বাদ দিম অ'? যোৱাকালিও গৈছো দেখোন-"

"মই বোলো বাদেই দিলি নেকি? পিছে ইফালৰপৰা যে? কোনফালে গৈছিলি?"

"নাই এনেয়ে। কাম-বনতো নায়েই; গতিকে এনেয়ে ইফাল-সিফাল।"

"মই আকৌ তই পুতেৰ-বোৱাৰীয়েৰক চাবলৈ যোৱা বুলি ভাবিছিলো।"

শৰতৰ এনেকুৱা কথা শুনি মোৰ মূৰ-চুৰ বেয়া লাগি গ'ল। সিনো এইবোৰ কি কথা কয়? খঙত অস্থিৰ হৈ তাৰ হাতত থাপ মাৰি ধৰিলো। সি ভয় খাই গ'ল। মই সুধিলো— "কি ক'লি?"

"কি ক'লো মানে? পুতেৰ আৰু তোৰ হ'বলগীয়া বোৱাৰীয়েৰক চাবলৈ

গৈছিলি নেকি তাকেই সুধিলো। কিয় ? তই ইমান খং দেখুৱাইছ যে ? কিয় ?"

"মুখ চম্ভালি কথা কবি, মই সেইবোৰ একো নাজানো" — উত্তেজিত হৈ মই ক'লো।

"থ থ। তই নাজান বুলি ক'লেই হ'বনে ? ক'লেই মই বিশ্বাস কৰিম নে ?"

"মুখ চম্ভালি কথা ক'বি। তই মুখেৰে কি কৈছ জাননে ? সম্পূৰ্ণ সজ্ঞানে আছতো ?"

"যা যা, ৰঙা চকু দেখুৱাব নালাগে। মোক ৰঙা চকু দেখুওৱাৰ আগেয়ে, নদীৰ পাৰৰ তেঁতেলি গছৰ তলত গাড়ীত বহি থকা এচ-ডি-চিৰ জীয়েকৰ সৈতে বহি তোৰ সেই গুণধৰ পুতেৰেক এবাৰ চাই আহগৈ। মই নিজেই তাত দুয়োকে তেনেকৈ কথা পাতি থকা দেখি আহিছো ?"

"মিছা কথা, অনিমেষে অফিচলৈ গৈছে" —

"অফিচ ? আজিকালি তাৰ অফিচ তেঁতেলিৰ তলত বহে। মই সদায় এইখিনি সময়ত তাইক কাষত বহুৱাই লৈ কথা পাতি চিগাৰেট টানি থকা দেখা পাওঁ—। যদি মোৰ কথা মিছা, তই মোৰ ঘৰলৈ গৈ দুই গালে জোতাৰ কোব বহুৱাই আহিবি— এতিয়া মোক ৰাস্তা এৰি দে, মই যাওঁ। ঘৰত অতিথি আছে।"

চাইকেল চলাই কাড়পাত যোৱাৰ দৰে সি গুচি গ'ল।

শৰতক মই খং কৰি লাভ নাই। সি ইমান মিছা কথা কোৱা লোক নহয়। দুখীয়া হ'লেও অসৎ নহয়। ইমান দিনে সি মোৰ লগত বন্ধুভাৱেই আছে। কথাটো সঁচা নহ'লে তেনেকৈ ক'বলৈ তাৰ সৎ নাই। পৰীক্ষাত প্ৰথম হোৱা খবৰটো পাই সিয়েই প্ৰথমে নিজৰ খৰচেৰে এটোপোলা মিঠাই লৈ চাইকেলত উঠি মোৰ ঘৰ পাইছিলহি। আনকি শৰতে নিজেই অনিমেষৰ মুখত মিঠাই খুৱাই দিছিল। এনেকুৱা এজন লোকে জানো কথাটো সঁচা নহ'লে এনেকৈ ক'ব পাৰে ? অৱশ্যে এটা কথা, ল'ৰা-ছোৱালীৰ মাজত ইজনে-সিজনক ভাল-পোৱা ভাব এটাটো থাকিবই। মিছা ক'লে কি হ'ব; এটা সময়ত মোৰো তেনেকুৱা ভাব এটা মনলৈ আহিছিল; মাত্ৰ অভাৱ-অনাটনে জুৰুলা কৰা বাবেহে সেই চিন্তা তল পৰি গ'ল। শৰতে নিজে দেখোন তেনেকৈয়ে বিয়া কৰাইছে— তেনেস্থলত সি মোক ইমান কটু কথা কয় কিয় ? এইটো এটা স্বাভাৱিক কথা; নোহোৱাটোহে মই অস্বাভাৱিক বুলি ভাবো। শৰতে বাৰু মোৰ ল'ৰাক কিবা বেছি বেয়া অৱস্থাত দেখা পাইছে নেকি ? ভুল হ'ল; কথাটো তাক ভালদৰে আঁতি-গুৰি মাৰি সুধিব লাগিছিল। নে সি বেলেগ কাৰোবাক দেখিছে? কেৱল মোৰ ল'ৰাইতো গাড়ী নচলায়; ফণী মাষ্টৰৰ পুতেকেও গাড়ী কিনিছে। শৰতৰ কথাটোত মোৰ অলপ সন্দেহ আছে; কাৰণ, অনিমেষে আজি চাৰিমাহমান আগেয়ে এদিন ৰাতি এচ-ডি-চিৰ জীয়েক লীনাৰ লগত কোনো সম্পৰ্ক নাৰাখে বুলি প্ৰতিজ্ঞা কৰিছে। অৱশ্যে যদি এই কথা সঁচা তেনেহ'লে সি মোক প্ৰতাৰণা কৰিছে। ইমান মিছা কথা সি ক'বনে ? তাৰনো ইমান ডাঙৰ মিছা কথা এটা ক'বলৈ সাহস হৈছেনে ?

এবাৰ নৈৰ পাৰৰ সেই ভেতেলিজোপাৰ তললৈ গৈ আহিম নেকি?

যদি কথাটো সঁচা। আৰু যদি লীনাক মই দেখো? তেতিয়াতো মোৰ মনটো আৰু বেছি বেয়া লাগিব। ঠিক আছে, সি বাৰু লীনাৰ লগত সম্পৰ্ক গঢ়িছে— গঢ়ক। তাত মোৰ কোনো আপত্তি নাই। মইতো তাক স্পষ্টকৈ কৈয়েই দিছোঁ যে মই জাতি-ধৰ্ম একো নাচাওঁ— মাত্ৰ সি ক'ব লাগে সি বিয়া কেতিয়া কৰাব। মই সকলো ব্যৱস্থা কৰিম। মোৰ দেহত এতিয়াও তাতকৈ বেছি শক্তি আছে। দাঁত এটাও সৰা নাই, চুলি এডালো সৰা নাই, পকা নাই। কিন্তু সি বিয়াও নকৰায়, ইফালে মুখ খুলি একো স্পষ্টকৈ নকয়ও— তেনেস্থলত মানুহৰ ইমান কটু কথা মই বাপেকটো হৈ কেনেকৈ শুনি থাকো? ইয়াৰ এটা হেস্ত-নেস্ত হ'ব লাগে। নাযাওঁ সেইবোৰ চাবলৈ। যেনেকৈ মৰে তেনেকৈ মৰক। ল'ৰা নাবালক গুছি চাবালক হৈছে; এতিয়াও তাক শাসন কৰাৰ বয়স আছেনে? নিজৰ ল'ৰাই যেতিয়া নিজৰ মাক-বাপেকৰ কথা নুশুনে, ঘৰখনৰ সম্মানৰ কথা নাভাবে, তাক বুজাবলৈ যাব কোনে? তাক কিমান বুজাইছো, তথাপিও এইবোৰ কৰি ফুৰে। মাকে অনবৰত চকুৰ পানী টুকিয়েই থাকে। একমাত্ৰ ছোৱালী, তাইও তেনেকৈ গুছি গ'ল; এতিয়া ল'ৰাইয়ো সেইফালে ঢাল লৈছে। ল'ৰা-ছোৱালী হৈ যদি সিহঁতে মাক-বাপেকৰ কথা এবাৰো নাভাবে তাতকৈ দুখৰ কথা আৰু কি আছে? জীৱনটো কিবা ধিক্কাৰ লাগি গৈছে। কিবাকৈ আমি দুয়োৰে প্ৰাণ দুটা ওলাই গ'লেই বাচি গলো।

অ' পাহৰিছিলোৱেই। সেইফালে হৰিচৰণক আজি চুলি কাটিম বুলি যোৱা এসপ্তাহ আগেয়েই কৈ আহিছিলো। দাড়ি-চুলি বৰ দীঘল হৈছে। সি বোধহয় ঘৰৰ আগচোতালত পীৰা পাৰি বহি মোৰ কাৰণে অপেক্ষা কৰি আছে। এসপ্তাহ আগেয়ে খবৰ দিছিলো; পাহৰিবও পাৰে। নাপাহৰে। ছিঃ একেবাৰে দুপৰীয়াই হৈ গ'ল।

যদি হৰিচৰণ ইতিমধ্যে আহিয়েই গৈছে? ইফালে যদি বেউলাই অশ্বিনীৰ ঘৰৰ তোলনি বিয়ালৈ গৈছে? ছিঃ বৰ বেয়া কথাটো হ'ল। মোৰ যে আজি কি হৈ গ'ল? বটৰ তলত বহি ঘৰ-সংসাৰ সকলো পাহৰি গ'লো। ছিঃ।

চাৰি

"........এই মানুহজন এনেকুৱাই; তোমাকনো চুলি কাটিম বুলি কোনদিনা খবৰ দিছিল?"

"হ'ল আজি এসপ্তাহমান"—

"মানুহজনৰ নিজৰে কথাৰ ঠিক নাই। ৰ'দে-বতাহে ঘুৰি ফুৰাটো পুতেকে যিমানেই বেয়া পায়, সিমানেই বেছি কৰে। চাহ এটোপা খাম বুলি সেই পৰৰ পৰা

বাট চালো, তথাপি মানুহজনৰ দেখাদেখি নাই। তেওঁক এৰিনো মই কেনেদৰে চাহ খাওঁ— ?"

চোতালত ভৰি দিয়েই বেউলাৰ কথাষাৰ মই বাহিৰৰপৰা শুনিলো। গাৰ চোলাটো সোলোকাম বুলি ভবাৰ লগে লগে দেখিলো চোতালৰ উত্তৰ ফালে থকা বকুলজোপাৰ তলত হৰিচৰণে আঁঠুত মুৰ গুজি বহি আছে। হৰিচৰণে মোৰ ফালে চালে। তাৰ মুখখন আজি কিবা মৰা মৰা হৈ আছে। তাৰ ফালে চাই সুধিলো— সি বাৰু কেতিয়াবাই আহিলনেকি? সি সৰুকৈ আৰু চমুকৈ ক'লে— "হ'ল অলপ সময়।" কথা শুনি তাৰ যে মনটো কিবা কাৰণত ভাল নহয় সেইটো ধাৰণা হ'ল।

আমাৰ কথা-বতৰা শুনি বেউলা ওলাই আহিল। তাইক দেখি মই সুধিলো— "অশ্বিনীৰ ঘৰলৈ যোৱা নাই নেকি?

"নাই যোৱা"

"কিয়.?"

"এনেয়ে; মন ভাল নহয়।"

তাইৰ মন ভাল নলগাৰ কাৰণটো যে আজি ৰাতিপুৱাৰ ঘটনাটো, বুজিলো। সেয়ে পৰিৱেশটো অলপ পাতল কৰিবলৈ ক'লো— "বৰ ভোক লাগিছে, চাহৰ পানী এটোপা পালে বেয়া নাছিল।"

"অ' এতিয়া ভোক লাগিবতে' য'লৈ গৈছিল; তাত একো নুখুৱালে নেকি?"

"কোনে খুৱাব? পথাৰৰ শু- ান নৰাবোৰে কি চাহ খুৱাব পাৰে নেকি?"

"পথাৰত? পথাৰত আকৌ কিয়? আমাৰনো এতিয়া পথাৰত কি কাম আছে?"

"এনেয়ে, পথাৰ মোৰ ভাল লাগে। মনত পৰিল; গুচি গ'লো।"

বেউলাই মোৰ ফালে কেৰাহিকৈ চালে। কিয় তেনেকৈ চালে নুবুজিলো।

ভাবিলো, চাৰু আৰু হাৰুৱে মাছ ধৰাৰ কথা কওঁ নেকি? কিন্তু, কৈ জানো কিবা লাভ আছে? সেই একঘেয়ামি কথাবোৰ কৈ কৈ কিবা বিৰক্তি লগা হৈছে। ভাল নালাগে এইবোৰ। বাদ দিলো,— নকওঁ। চোলাটো সোলোকাই চোতালৰ ওপৰত মেলি দি বকুলগছৰ ছাঁত বহি থকা হৰিচৰণৰ কাষত পীৰা এখন পাৰি বহিলো। অলপ পাছত বেউলাই দুকাপ চাহৰ সৈতে লাডু-পিঠাও দি গ'ল। ভোকে-পিয়াহে ভাগৰি পৰিছিলো।

চাহ খোৱা শেষ কৰি হৰিচৰণক সুধিলো— "কি ভাই, জীৱন কেনেকুৱা চলিছে?"

"চুলি কাটি জীৱিকা চলোৱা হৰিচৰণইতৰ জীৱন বুলিবলৈ জানো কিবা আছে—? মই হ'লে জীয়াই থকা আৰু মৰাৰ মাজত একো পাৰ্থক্য দেখা নাপাওঁ। মাত্ৰ কলিজাটো চলি আছে কাৰণেহে চলি গৈ আছো; জীৱন বুলিবলৈ মোৰ বিশেষ একো নাই।"

"সেইবোৰ কথা ভাবিলেতো মোৰ নিজকে কিবা পাগল পাগল লাগে।"

"তোৰ মুখত পিছে তেনেকুৱা কথা নুশুৱায়। তোৰ দৰে মানুহটোৱে যদি তেনেকৈ কৈ থাক, আমি তোক চকুত তেল দি কান্দা বুলি ক'ম---। মোৰ কথা শুনিছনে?"

"মইতো বিশেষ একো শুনা নাই"— মই ক'লো।

"আজি তিনিদিনমানৰ আগেয়ে ৰাতি ফাট দিয়া লগে লগে হঠাৎ মোৰ ঘৰটো মিলিটেৰীয়ে বেঢ়ি ধৰিলে। তাৰ পাছত এক প্লাটন মিলিটেৰী দুৱাৰ ভাঙি সোমাই গ'ল। শেষত মোৰ ডাঙৰ ল'ৰাজনৰ লেপৰ মাজৰপৰা এটা মেচিন-গান উলিয়াই আনিলে-"

"আৰে বাপ্‌ৰেবাপ! সৰ্বনাশ, সৰ্বনাশ। তাৰ পাছত? তাৰ পাছত?"

"তাৰ পাছত, গুৰিয়াই লঠিয়াই মিলিটেৰী ভানত উঠাই তাক কোনফালে লৈ গ'ল নাজানো। সিও যে তলে তলে এনে কাম কৰি আছিল মই নাজানো। মই আমাৰ কৰুণা মাষ্টৰক সুধিলো। মাষ্টৰে ক'লে— সি হেনো দেশ স্বাধীন কৰা উগ্ৰপন্থী দল এটাৰ লগত আছিল। কিন্তু আমি সেই উনৈশ সাতচল্লিছতে স্বাধীনতা পোৱা নাছিলো জানো? নতুনকৈ আৰু কি স্বাধীনতা ল'ব বিচাৰে মই হ'লে বুজি -চুজি নাপাওঁ। দেশ স্বাধীন কৰিবলৈ গৈ দেখোন নিজেই ফাটেকত সোমাই থাকিল। কিবা হেনো টাডা নে চাদা আইনত বন্দী কৰি নিছে? মই মাষ্টৰক থানালৈ পঠিয়ালো। থানাই ক'লে— সি জামিনত মুক্তি নাপায়; তাক তিহাৰ জেললৈ চালান দিছে। বৰ বেয়া লাগে ভাই; বৰ বেয়া লাগে। মিলিটেৰীসোপাই তাক ভানত উঠাই নিওতে যেনেকৈ বন্দুকৰ কুন্দাৰে খুন্দুৱাইছিল— সেই দৃশ্য মনত পৰিলে মূৰটো বেৰত আফলিয়াই মৰি যাবলৈ ইচ্ছা হয়। সেই দৃশ্য দেখিও যে মই কেনেকৈ জীয়াই আছো মই নিজেই নাজানো। অসহ্য, অসহ্য। মাকজনীয়ে যোৱা তিনিদিন ধৰি এটোপ পানীও ভিতৰ কৰা নাই। ভাবছোন; সেই চৈধ্য বছৰ বয়সৰপৰাই লোকৰ চুলি কাটি কাটি জীৱন চলালো। সংসাৰ কৰিলো। কোনোমতে অ'ত ত'ত খাটি খুটি বি এ পাছ কৰা ল'ৰাজনক কেৰাণী চাকৰি এটা দিয়াইছিলো— তাকো লৈ গ'ল মিলিটেৰীয়ে। এতিয়া বুঢ়া হৈছো, আগৰ দৰে কষ্ট কৰিবও নোৱাৰা হৈছো— এনেস্থলত মইনো কেনেকৈ সংসাৰ চলাওঁ?"

"চিন্তা নকৰিবি; সি সোনকালে উভতি আহিব। ইমান দিন নাৰাখে—"

"কেতিয়া বা এৰি দিয়ে? সি বাৰু ফিৰি আহিবনে? আশা নাই। এইখিনি সুখ খাবলৈহে বাৰু মই বুঢ়া বয়সলৈ জীয়াই থাকিব লাগেনে? পাঁচজনীয়া এটা পৰিয়াল; জীৱিকাৰ পথ মাত্ৰ এই কেঁচীখন। এনেকুৱা মানসিক অৱস্থাত বাৰু চুলি কাটি কাটি পেট পোহাৰ ধৈৰ্য কিবা আছেনে? কৰিম কি? উপায়? খাব লাগিব, খুৱাব লাগিব।"

"এই কথাটো পিছে মই শুনা নাছিলো। শুনি সঁচাকৈয়ে বৰ দুখ পালো। তই

আমাৰ অনিমেষক কথাটো বাৰু এবাৰ কৈ চাবিছোন। হাতদীঘল মানুহ— তোৰ ল'ৰাক মোকোলাই আনিবও পাৰে। মইও পিছে একেবাৰে শাস্তিত নাই—"

"তোৰ শান্তি নাই বুলি ক'লে আমি নামানো। উপযুক্ত ল'ৰা আছে, সন্মান আছে। ৰুচি অনুযায়ী খাবলৈ পাইছ; গাড়ীত উঠিবলৈ পাইছ। কিন্তু আমাৰ? আমাৰ কি আছে? তোৰ মনৰ অশান্তি, তই নিজে সৃষ্টি কৰা অশান্তি।"

"থ থ ল'ৰা-ছোৱালী। ছোৱালীয়ে কি কি কু-কৰ্ম কৰিলে গমতো পাইছই। এইখন মোৰ ঘৰ নহয়— নৰককুণ্ড। মোৰ আজিকালি কাৰো প্ৰতি কোনো মায়া নাই। সোনকালে প্ৰভুৱে মোক ইয়াৰপৰা লৈ গ'লেই হয়। ইয়াত যেনেকৈ তোৰ লগত বা দশৰথ, উমা, ৰাখাল আৰু বলোৰামৰ লগত দাদা-ভাইৰ দৰে আছিলো তেনেদৰে স্বৰ্গতো যেন একেলগে এই আত্মাবোৰ লগ হৈ থাকিব পাৰো— তাৰ কাৰণেই সদায় মই ভগৱানক খাটিছো।"

"সেইটো কেনেকৈ সম্ভৱ হ'ব? আগেয়ে হোৱা হ'লে হয়তো আমাৰ আত্মাবোৰে গৈ এঠাইত মিলিলেহেঁতেন, কাৰণ তেতিয়া আমি একে মানুহ আছিলো।"

"এতিয়া একে মানুহ নহয় নেকি?"—— মই খঙৰে ক'লো।

"কেনেকৈ হ'ব? মই হৈছো চুলি কাটি ফুৰা মানুহৰ আত্মা আৰু তই হৈছ অফিচাৰৰ বাপেকৰ আত্মা। চলন-ফুৰণত এটা ভদ্ৰলোকী ভদ্ৰলোকী ভাব। মাছ মাৰিবলৈ নাযাৱ, চহ নকৰ, হাল নাবাব, ধান নাকাট। গতিকে, তেনেকুৱাই এটা আত্মাই মোৰ দৰে গৰীবৰ আত্মাৰ লগত মিল কেনেকৈ হ'ব? অৱশ্যে স্বৰ্গত মোৰ আত্মাই উমা, দশৰথ বা ৰাখালহঁতৰ লগ লাগিব পাৰে।"

"এনেধৰণৰ কথা ক'লেই মই বৰ দুখ পাওঁ অ' হৰিচৰণ। তইঁতে আজিলৈ মোক চিনি নাপালি। মোৰ মনটো সঁচাকৈয়ে তই কোৱাৰ দৰেনে? ল'ৰাই ঘৰটো বান্ধিলে বুলিয়েই, মোৰতো তেজ-মঙহৰ পৰিবৰ্তন হোৱা নাই। মইও যে সিদিনালৈকে পথাৰত আছিলো সেই কথাটো অস্বীকাৰ কৰিব নোৱাৰ। মিছাকৈয়ে তইঁতে মোক কিবা এটা মস্ত বুলি ধৰি লৈ নিজে নিজৰ অশান্তি বঢ়াইছ কিয়? এইবোৰ নিজৰ শৰীৰৰ কাৰণেই ভাল নহয়। আত্মা সকলোৰে একেই। দুখীয়াৰো আত্মা বুকুৰ ভিতৰত থাকে; ধনীৰো সেই একে ঠাইতে থাকে। শ্মশানত চিতাত তোলাৰ সময়ত ধনীকো সমাজৰ সমুখত নাঙঠ কৰি লোৱা হয় আৰু তেনেদৰে দুখীয়াজনকো।"

"নহয়, নহয়; তই ভুলকৈ ভাবিছ। ধনীৰ আত্মা সদায় বেলেগ; সিহঁতৰ আত্মা কেতিয়াও আমাৰ লগত একে হ'ব নোৱাৰে।"

তাৰ কথাত মই বিৰক্ত হ'লো। গতিকে মনে মনে থাকিলো। সিও মোৰ চুলিখিনি কাটি শেষ কৰি কেপ দুটা মিহি কৰি কাটিবলৈ শানত খুৰ ধৰাবলৈ ধৰিলে। তাৰ কথা খিনিয়ে মোক অশান্তি দিলে। মই সহ্য কৰিব নোৱাৰি ক'লো— "কিন্তু এটা

কথা নহয় হৰিচৰণ; তই যে নিজক ইমান দুখীয়া বুলি কলি— তই জানো সিমান দুখীয়া? তোৰ দ্বিতীয়জন পুতেৰে দেখোন প্ৰফেচাৰ। তেনেস্থলত, তই মোক ইমানকৈ বুকুত ধৰা কথা কব কিয়? ডাঙৰ পুতেৰে মহকুমা অফিচত চাকৰি কৰে; দ্বিতীয়জনতো প্ৰফেচাৰ। তাৰ পাছত তই তেনেকৈ কিয় কব? গতিকে তইয়ো মোক যেনেকৈ চকুত তেল দি কন্দা বুলি কব, ঠিক তেনেকৈ তোকো যদি মই চকুত তেল দি কন্দা বুলি কওঁ।"

"সেইটোৱেইটো কথা। মোৰ দ্বিতীয়জন ল'ৰা প্ৰফেচাৰ ঠিকেই; কিন্তু সি যিখন কলেজত চাকৰি কৰে সেইখন এখন ভেনচাৰ কলেজ। দৰমহা নাই; মাত্ৰ যাতায়ত আৰু চাহ-পানী এটোপা খাবলৈ কেইটামান টকা দিয়ে। সি নিজেই ইমান দুৰ্ভিক্ষৰ মাজত থাকে যে মাহৰ শেষত চাহখোৱা পইচা ওলোটাই মোকহে খোজে। আনকি গেঞ্জী এটাও সি নিজে কিনি ল'ব নোৱাৰে।"

"কিন্তু কলেজখন আজি নহ'লেবোতো কাইলৈ হ'ব।"

"থ থ, গছত কঠাল ওঁঠত তেল। আহক বাৰিষা কাটক পাত, বৈ যা ভিনিহি খাই যা ভাত নহ'ব নহ'ব। তাৰ কলেজ বিশ বছৰ পাছতো হোৱা টান আছে। মই প্ৰফেচৰৰ বাপেক বুলি ক'বলৈ আৰু শুনিবলৈহে ভাল। আৰু তাক মই তৎক্ষণাৎ কলেজৰ চাকৰি এৰি দিবলৈ কৈছো। আজিকালি কলেজত চাকৰি কৰা আৰু পুলিচ বিভাগত চাকৰি কৰা কথা একেই। যেনেকৈ পুলিচ বিভাগ মানে চোৰ-পুলিচৰ সম্পৰ্ক তেনেকৈ আজিকালি ছাত্ৰবোৰৰ মাজতো চোৰ-পুলিচৰ সম্পৰ্ক। পৰীক্ষাৰ সময়ত বেছিভাগ ছাত্ৰই হেনো চোৰৰ দৰে হৈ পৰে আৰু শিক্ষকসকলো তেনেকৈ ছাত্ৰসকলক ধৰা পুলিচৰ নিচিনা।"

"কিয় কলি ইমান বেয়া কথা? শিক্ষকসকলক তই পুলিচ বুলি কৈছ? শুনিলে বেয়া হ'ব।"

"বেয়া কি হ'ব? মোৰ ল'ৰাজনেইতো কলেজত শিক্ষকতা কৰে। সি নিজেই মোক তেনেকৈ কৈছে। মইতো স্কুললৈকো যোৱা নাই— তেনেস্থলত কলেজৰ কথা কেনেকৈ জানো? সি কৈছে কাৰণেহে তোক ক'ব পাৰিছো। আৰু সি ক'ব লাগে কিয়? মই বাপেকটো হৈ জানো ছাত্ৰৰপৰা যি সন্মান পাব লাগে, সেই সন্মান পোৱা নাই। মুঠৰ ওপৰত আজিকালিৰ শিক্ষক আৰু আমাৰ সময়ৰ শিক্ষক একে নহয়। ছাত্ৰসকলৰ হাতত শিক্ষকসকলৰ প্ৰাণ যিকোনো সময়ত ওলাই যাব পাৰে।"

"কিয়?"

"কিয় মানে? শিক্ষকৰ বাপেকটো হৈ সিদিনাখন মই নিজেই যি সমস্যাৰ সন্মুখীন হৈছিলো, ভাবিলেই ভয় লাগি যায়।"

"এইবোৰ যে হৈছে মইতো গমেই নাপাও। অৱশ্যে মাজে মাজে খবৰৰ কাগজত তেনেকুৱা দুই-এযাৰ কথা নপঢ়া নহয়। কছোন ক, কি হৈছিল?"

"হ'ব আৰু কি? যোৱা বছৰ বি এ পৰীক্ষাৰ সময়ত দলঙৰ সিপাৰৰ

এঘৰৰপৰা চুলি কাটি উভতিছো। দলঙৰ ওপৰতে হঠাৎ দাড়ি-গোঁফে ভোবোকাৰ দৈত্যৰ নিচিনা ল'ৰা এজনে মটৰ চাইকেল ৰখাই বৈ গ'ল। মই উচপ্ খাই উঠিলো।

"তাৰ পাছত?"

"হেৰি, অলপ ৰ'বছোন; আপোনাৰ লগত এটা কথা আছে" বুলি ধমকিৰ সুৰত মোক ৰ'বলৈ ক'লে। মই প্ৰথমে তাৰফালে চালো। সি মটৰ চাইকেলৰ ষ্টাৰ্ট বন্ধ কৰিলে। মই সহজভাবেই তাক সুধিলো— 'বাপু তুমি ক'ৰনো? মইতো তোমাক চিনি পোৱা নাই'। তেনেকৈ কোৱাৰ লগে লগে অলপ কাঢ়া সুৰত মোক ক'লে 'চিনি কিয় পাব লাগে? সকলো মানুহে যে সকলো মানুহক চিনি পাবই তাৰ কোনো যুক্তি নাই-'। তাৰ কথাৰ সুৰ শুনি মই ভয় খাই ওচৰত থিয় দি ৰ'লো। আজিকালিৰ ল'ৰা, ঠিকতো নাই-- ক'ত কেতিয়া কি কৰে? 'শুনক, আপোনাৰ দুই নম্বৰ ল'ৰাজনক সাৱধান কৰি দিব। সি কলেজত সোমোৱাৰ পাছত আমাৰ কেইজনমানৰ বৰ অসুবিধা হৈছে। আমাৰ পিতাইঁতে চান্দা দি কলেজ বনালে আৰু সেই কলেজতে তাৰ ইমান ইয়াৰ্কি। আমাৰ চান্দা, আমাৰ কলেজ আৰু আমাকেই সি নকল কৰিব নিদিয়ে। যোৱা বছৰ বুৰঞ্জীৰ পৰীক্ষাৰ দিনাখন আপোনাৰ ল'ৰাজন মোৰ সন্মুখত নথকা হ'লে মই যোৱাবছৰেই ইউনিভাৰচিটি পাই যাওঁ। আমি কি ইউনিভাৰচিটিত পঢ়িব নালাগে? তইঁতৰ পুতেৰহঁতেহে কেৱল পঢ়িব লাগে? যোৱা বছৰ তেনেকুৱা নহ'লে মই এইবাৰ অনা■সে ইউনিয়ন চেক্ৰেটাৰী হৈ যাঁও। আৰু মই পলিটিকচ্ কৰা ল'ৰা; মোৰ এটা নাম আছে; মোকনো তেনেকৈ পৰীক্ষা হলৰ পৰা বাহিৰ কৰি দিব লাগেনে? কলেজৰ বাকী প্ৰফেচৰ সকলোৱে মোক সন্মান কৰি চলে। এই ফাল্টুটোৱে যে ক'ৰপৰা আহি সোমাল। এইবছৰ মে' মাহত আমাৰ পৰীক্ষা; সেই কাৰণেই কৈছো— পুতেৰক সাৱধান কৰি দিবি। সাৱধান কৰি দিয়াৰ দায়িত্ব তোৰ। নহ'লে, বেছি তেৰি-বেৰি কৰিলে খটম কৰি দিম'—। তেনেকৈ কৈয়েই মটৰ চাইকেল চলাই মোৰ সন্মুখৰপৰা গুচি গ'ল। ল'ৰাজন পেটুৱা। দাড়ি-চুলিৰে জম্ভাসুৰ যেন দেখি? ওখ? পিন্ধা লংপেন্টটো কিবা বাঁহৰ চুঙা যেন দেখি? গংগাটোপ যেনো দেখি?"

"অ, অ'। বুজিছো বুজিছো? সি আমাৰ অনিমেষৰ লগৰে। কিন্তু সি ভাই মাৰ্ঘাট বস্তু। চব্বিশ ঘন্টাই আমাৰ সেই বাৰীৰ পিছফালৰ আলিৰ শিলিখাগছৰ তলত বহি থাকে। ভয় নকৰিবি; সি তোক একো কৰিব নোৱাৰে। এনেয়ে ভয় দেখুৱায়। তই যদি লগে লগে দুই গালে দুই চৰ মাৰি দিলিহেঁতেন— সি শিয়াল পলোৱা দিলেহেঁতেন।"

"ইমান সহজ নহয়। তাৰ লগত আৰু এটা দল আছে। যিদিনাখন সেই ল'ৰাজনক পৰীক্ষা হলৰপৰা উলিয়াই দিছিল, সেইদিনাখন ৰাতি বাৰটামান বজাত এদল ল'ৰাই মোৰ ল'ৰাজনৰ নাম কৈ ঘৰৰ সন্মুখত অতি অশ্লীলভাৱে চিঞৰিছিল। সিহঁতে মদ-ভাং জাতীয় উপৰুৱা বস্তু খাই গৈছিল নেকি?"

"কিয় চিএৱিছিল?"

"সেই নকল কৰা কথা লৈ। ইয়াৰ পাছত যদি মোৰ ল'ৰাই পৰীক্ষা হলত নকল ধৰে তেনেহ'লে তাৰ মৰাশটো নদীত পাম। কেবল সেইয়ে নহয়। আন্ধাৰৰ সুযোগ লৈ ঘৰে-চালে শিলগুটিও মাৰিছে। মইও খণ্ডত হেই বুলি দাখন লৈ খেদা মাৰিলো-- খেদাৰ লগে লগে দৌৰ। দৌৰি ক'ত পলাল বিচাৰিয়েই নাপালো। সেইটো গ'ল-ৰাতিৰ ঘটনা। ৰাতিপুৱাৰ ঘটনা আকৌ অলপ অন্য ধৰণৰ। মই ৰাতিপুৱা ঘৰৰ দুৱাৰ খুলিব খুজিও পৰা নাই; ক'ৰবাত যেন লাগি ধৰিছে। ফাঁকেৰে চাই দেখো— এখন আগলতি কলপাতত গৰুৰ গোবৰ— থুই জঘন্য, জঘন্য"

"থুই চাৰিওফালে ৰসাতল। এইখন সমাজৰপৰা আৰু ক'ত ভাল মানুহ ওলাব? গোটেইখন পচি দুৰ্গন্ধ ওলাইছে—"

"মই যাওঁ"—

ৰ'বি, মই তোক পইচাখিনি আনি দিওঁ—" মই ক'লো। কিন্তু পইচাৰ কথা কোৱাৰ লগে লগে তাৰ মনটো সেমেকি উঠা যেন লাগিল। যেন সি পইচা বিচৰা নাই। বটাত্ত তামোল আছিল। তাৰে এখন মুখত ভৰাই সি লাহে লাহে ক'লে— 'সদানন্দ, তই মোক অলপ উপকাৰ কৰ। পইচাও দে, তাৰে অন্ততঃ নিমখৰ খৰচটো হ'ব। তাৰোপৰি, মোক অলপ কিবা দে। মানে, তোৰ ওচৰত ভিক্ষাকে খুজিলো। মনটো একেবাৰে মৰি গৈছে— পুত্ৰৰ চিন্তাত চুলি-তুলি কাটি দুপইচা ঘটাৰ ইচ্ছা নোহোৱা হৈছে। ইফালে চুলি নাকাটিলেও পৰিয়ালক খুৱাব নোৱাৰো। অন্ততঃ এসপ্তাহমান যোৱাকৈ অলপ চাউল আৰু তৰকাৰি দে— কি কৰিবি, ঘৰত একো নাই। এই বয়সত আকৌ ভিক্ষা।"

"ঠিক আছে, তই যা। সৰু ল'ৰাজনক পঠিয়াই দিবি। তাৰ হাতত মই যি পাৰো পঠিয়াই দিম।"

"হ'ব; তাৰ হাতত দিলেও হ'ব। চিন্তা নকৰিবি, মই তোৰ ধাৰ সুজিম। চিন্তা নকৰিবি।"

"ধাৰ হিচাপে তোক মই একো নিদিও; এনেয়ে দিম বাৰু—"

"যি ইচ্ছা; মই আহিলো"—

তাক বিদায় দি ঘৰৰ ভিতৰলৈ সোমাই যাব খোজোতেই দূৰৈৰ পৰাই কোনোবাই মতা যেন পালো— "দাদা ভালে আছেনে?" মাতটো শুনিয়েই বুজিলো সেইটো নৈৰ সিপাৰৰপৰা অহা মোৰ পেহীৰ ল'ৰা কুসুমৰৰ মাত। পেহী-পেহা ঢুকোৱাৰ বহুবছৰ হ'লেও কুসুমৰে কিন্তু মোৰ লগত এতিয়াও সম্পৰ্ক এৰা নাই। অৱশ্যে সি অহাৰ কাৰণটোৱো মই নজনা নহয়। ঘৰত বছৰেকীয়া হৰিলুট (হৰিলুট) আছে। তাৰ কাৰণে বোলে দুযোৰ নাগাৰা নাম-পাটিকো নাম গাবলৈ নিমন্ত্ৰণ কৰিছে। এই কথাটোকো যোৱাকালিয়েই কোনে জানো চ'কত যাতৰিকাকত আনিবলৈ যাওঁতে কৈছিল। কোনে কৈছিল বাৰু? পাহৰিলো—

"অ দাদা, ভাত-পানী খালেনে নাই?"

"নাই, খামহে এতিয়া। আহ আহ, তই আহিবি বুলি মই ইতিমধ্যে এটা ধাৰণা কৰি আছিলোৱেই—"

"ধাৰণা কৰিছিল? কেনেকৈ?"

"ইস্! তই জানো হল্লুটলৈ মাতিবলৈ অহা নাই? দুযোৰকৈ নাগাৰা নাম-পাৰ্টি মাতিছ বোলে?"

"আপোনাক কোনে ক'লে?"

"শুনিছো। যোৱাকালি চ'কৰ ফালে যাওঁতে কোনে জানো ক'লে? পাহৰিলো। কথাটো সঁচা নিশ্চয়।"

"এনেয়ে ভাবিছো; সময়ত কি হয় জানো?"

"আহ ভিতৰলৈ আহ বহ।"

"বৌ নাই নেকি?"

"আছে যা পাকঘৰত; সোমাই যা—"

কুসুম্বৰে হল্লুটৰ নিমন্ত্ৰণ দি গ'লগৈ। পিছে আজিকালি মোৰ এই নিমন্ত্ৰণ ৰক্ষা কৰি ভাল নালাগে— বিশেষকৈ নীলাই তেনেকৈ ল'ৰাজনৰ লগত পলাই যোৱাৰ পাছত। কেতিয়াবা ক'ৰবাত ঘৰৰ মান ৰক্ষা কৰিবলৈ গ'লেও সেইবোৰত কিন্তু মনটো নাথাকে; বিৰক্ত হৈ অলপ সময় থাকিয়েই তাৰপৰা গুচি আহো। আধাঘন্টামান থাকিলেই যিবোৰ প্ৰশ্নৰ উত্তৰ মই দিবলগীয়া হওঁ, সেই প্ৰশ্নবোৰ বৰ ভাল নালাগে। মই নিজেও কাৰো ব্যক্তিগত কথালৈ চিন্তিত নহওঁ আৰু ঠিক তেনেকৈ, মোৰ কথা লৈ আনে প্ৰশ্ন কৰাটো মই নিবিচাৰো। নাম-প্ৰসংগত অলপ আস্থা থাকিলেও সেইবোৰত কোনো আস্থা নাই। নাম-প্ৰসংগতকৈ পৰচৰ্চাহে বেছি হয়। যেতিয়া কোনোবাই মোক সোধে— "এই, তই গম পাইছনে নাই? অমুক ছোৱালীৰ লগত অমুক ল'ৰাই.......... বুজিছ, এই কলেজখন হোৱাই আমাৰ গাওঁখন একেবাৰে জহান্নামে গ'ল। সিহঁতে ক্লাচ কৰিবলৈ এৰি গছৰ তলে, বাঁহৰ তলে ঘূৰি ফুৰিলে জানো ভাল লাগে?" এই কথাবোৰৰ আলচ মোৰ একেবাৰে কিবা জঘন্য লাগে। আগৰেপৰাই বিয়া-সবাহতো সেই কাৰণে ভোজ ভাত খোৱাৰ সময়ত মই শাৰীৰ একোণত কলপাত লৈ বহিছিলো আৰু একো কথা নকৈছিলো। পথাৰত খাল কাটি পানী সিঁচাৰ সময়তো যি পাৰিছিলো অকলশৰেই কৰিছিলো। কেতিয়াবা কাৰোবাৰ সহায় ল'লেও পিছত আকৌ অশ্লীল ভাবাবে নানা কৰ্কথনা কৰে— যিবোৰ কৰ্কথনা মোৰ একেবাৰেই ভাল নালাগিছিল। বাৰিষা জোৰা কাটিব গ'লেও খণ্ডতে কেতিয়াবা উমা, দশৰথ আৰু বাখালক এৰি অকলশৰেই হাতত জোৰ লৈ মাছ কাটিছিলো। সেইকাৰণেই অকলশৰে থাকিব পাৰিলেই ভাল— শত্ৰুৰ সংখ্যা কমি থাকে। কিন্তু ৰাতিপুৱা মাছ তুলিবলৈ গৈ দেখো চেপাও নাই চহৰাও পাতি থোৱা ঠাইত নাই। মুখ-ঠেকেচা খাই পৰি আছে— ভিতৰৰ মাছবোৰ কোনোবাই

উঠাই লৈ গৈছে। খণ্ডত একো নাই হৈ কেতিয়াবা হাক আৰু চাৰুক সোধো। সিহঁতে নাই নিয়া বুলি কয়। কেতিয়াবা আকৌ ভুলতে মোৰ চেপাৰপৰা মাছ নিয়া বুলি কাৰোবাক জগৰীয়া কৰো। জগৰীয়াই তেতিয়া মোক ওলোটাই সিহঁতক মিছাকৈ জগৰীয়া কৰা বুলি মুখত কেইঘোঁচামান লগাই দিয়ে। ওচৰত থকা সমনীয়া ল'ৰাবোৰে যুঁজ ভাঙি দিয়া দূৰৈত থাকক ওলোটাই সিহঁতেহে 'মাৰ তাক, খটম কৰি দে— সি বেটাই সদায় নিজকে ভালটো হৈ দেখুৱায়— যেন পৃথিবীত সিহে কেৱল ভাল ল'ৰা আছে— বাকীবোৰ বেয়া, অসৎ।' এইবোৰ ঘটনাৰ পৰাই বোধহয় মই লাহে লাহে অকলশৰীয়া হৈ গ'লো। মানুহৰ সংগ ভাল নলগা হ'ল। তেনেকৈ অভ্যাস হৈ হৈ আজি এতিয়া নাম-প্ৰসংগ, বিয়া-সবাহ একোৱেই ভাল নলগা হৈ আহিছে।

মই যে ইয়াত ৰহি কি ভাবিছো? এনেকৈ বহি বহি ভাবি থকা দেখিলে বেউলাই আহি ভোৰভোৰাব— "এই মানুহজনৰ চব্বিশ ঘণ্টাই কেৱল ভাব। ভাবিয়েই থাকে। কিনো হ'ব ভাবি; যাওক, সোনকালে গা-পা ধুই আহকগৈ। ভোক লাগিছে।"

ঠিকেই, সোনকালে গা-পা ধুই ভাত খাব লাগে। লাহে লাহে ভোকটো মুৰৰ ওপৰলৈ উঠি আহিছে।

ভাত-পানী খাই উঠাৰ পাছত তামোল-চালি খালো। বাৰান্দাত আৰামী চকীখন আছিল। ভাবিলো ইয়াতেই বহো। বহাৰ পাছত টোপনি টোপনি ভাব এটা আহিল। টোপনিয়াই থকা দেখি বেউলাই ক'লে— "তেনেকৈ টোপনিয়াই থকাতকৈ ভালদৰে বিছনাত শুই নপৰে কিয়?"

বিছনাত বাগৰ দিলো। বেউলাই বাচন-বৰ্তন ধুই গা-পা ধুলে। তাৰ পাছত, মোৰ শিতানৰ ফালে থকা বিছনাখনত শুলে। কিন্তু এটা শব্দত মোৰ টোপনি ভাঙিল। কিহৰ এই শব্দ? কিবা যেন এক বস্তু ওপৰৰপৰা তললৈ ধুপুচকৈ পৰিছে। এক নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে শব্দটো ভাঁহি আহিছে। শব্দটো ক্ৰমাৎ বেছি হোৱাত অগত্যা বেউলাই বিছনাৰপৰা উঠি গৈ শিতানৰ খিড়িকীখন খুলি বাৰীৰ ফালে চালে।

মইও উঠিলো। দেখিলো, নাৰিকলগছৰ ওপৰত এজন ল'ৰা। ল'ৰাজনৰ গাত সৈনিকৰ পোচাক। হাতত এখন দা। তাৰোপৰি এক উঁৰমান আঁতৰে আঁতৰে কেবাজনো সমবয়সীয়া ল'ৰা। ওপৰৰপৰা এজনে নাৰিকল কাটি পেলাই দিছে আৰু তলত থকা কেইজনৰ ইজনে সিজনৰ হাতলৈ নাৰিকল দলিয়াই দিছে। তেনেকৈ এটা এটাকৈ নাৰিকল সীমাৰ বাহিৰ হৈ গৈছে। মই বাহিৰলৈ ওলাই গৈ নাৰিকলৰ তল পালোগৈ। চোৰ চোৰ বুলি চিঞৰাৰ আগেয়েই সেই ল'ৰাবোৰে বন্দুক টোৱাই ঘেৰি ধৰিলে। মোৰ ভয় লাগিল। বেউলাই চোৰ চোৰ বুলি চিঞৰিলে। মই দেখিলো ঘৰৰ পিছফালৰ জানটোত এখন ডাঙৰ নাও। তাত বহু নাৰিকল বোজাই

কৰা হৈছে। বাকী নাৰিকলবোৰো ওপৰৰ ফালে চাই দেখো পুৰঠ নাৰিকল এটাও নাই। হঠাৎ তাৰে এজন মোৰ ওচৰলৈ আগবাঢ়ি আহিল। মই খঙেৰে ক'লো— "তহঁতে মোক বন্দুক দেখুৱাই নাৰিকল চোৰ কৰিবলগীয়া হৈছেনে? ভালদৰে খুজিলেই মই দিলোহেঁতেন।"

"আভা! আমাক বেয়া নাপাব। আমাৰ কেবাজনো কমৰেডৰ পেটৰ অসুখ। গতিকে আপোনাৰ ঘৰৰপৰা কিছু নাৰিকল লৈ গ'লো। চিন্তা নকৰিব; আমাৰ কমাণ্ডাৰ আহি নিজেই পইচা দি যাব।"

"থ থ তহঁতৰ পইচা। কাপুৰুষহঁত, চোৰ কৰি ধৰা পৰিছতো সেই কাৰণেই তেনেকৈ কৈছ।"

মই তেনেকৈ ক'বলৈহে পালো; তৎক্ষণাৎ তাৰে ভিতৰৰ দা লৈ নাৰিকল পাৰাজনে মোৰ ফালে বন্দুক টোৱালে—. "সাৱধানে কথা ক'ব, নহ'লে খটম কৰি দিম"—

"এহ খটম কৰিবলৈ লাগে কিয়? কেইদিনমান পাছত মনৰ অশান্তিত এনেয়ো মৰিম তেনেয়ো মৰিম। এই নৰককুণ্ডত পচি পচি জীয়াই থকাতকৈ তহঁতৰ হাতত মৰিব পাৰিলেতো ভালেই আছিল। দে মাৰ; মোক মাৰ— এনেয়ো নিজৰ ল'ৰা-ছোৱালীৰ ভণ্ডামি দেখি বিকাৰ লাগি গৈছে।"

সিহঁতে মোৰ কথা শুনি গুচি গ'ল আৰু জানত বৈ থকা নাওত উঠিল। নাওখনে নাৰিকলবোৰ কঢ়িয়াই গুচি গ'ল। মই তাৰপৰা হতাশ হৈ গুচি আহি বাৰান্দাৰ চকীখনত বহিলো আৰু এই উঠি অহা ল'ৰাবোৰৰ বিষয়ে ভাবিলো। কিন্তু সিহঁতে এনেকৈ কিমান দিন চলিব?

এবাৰ আকৌ বাৰীখনলৈ গৈ চাই আহিলো। ক'তো এটাও পুৰঠ নাৰিকল নাই। মনটো বেয়া লাগিল। বহাগৰ বিহুটোৰ বাবে নাৰিকল এটাও নৰ'ল। নিজৰ বাৰীৰ নাৰিকল অথচ নিজে এটাও ব্যৱহাৰ কৰিব নোৱাৰিলো। ছিঃ

ৰাতিপুৱাৰে পৰা ধূলি মিহলি তপত বতাহ ববলৈ ধৰিলে। সন্ধিয়াৰ ফালে বন্ধ হ'ল যদিও পিছদিনা পুৱাৰেপৰা আকৌ আৰম্ভ হ'ল। বৰষুণ এজাকৰ আশাত আশাপালি থকা দশৰথ, উমা, ৰাখাল আৰু বলোৰামহঁতৰ নিচিনা খেতিৰ ওপৰতে নিৰ্ভৰ কৰি চলা চহা মানুহখিনিয়ে দিনকদিনে হতাশ হৈ আহিল। "সেই কাতিৰ আৰম্ভণিতে যে এদিন কেইটোপালমান পৰিছিল, তাৰ পাছত আৰু নাই... ছমাহ হৈ গ'ল তথাপি এটোপাল বৰষুণ নাই"— সিহঁতৰ মুখত এটাই বাক্য। খৰাং বতৰৰ দৰে সিহঁতৰ মনবোৰতো খৰাং নামিছে, গতিকে খিংখিঙীয়া হৈ যাকে য'তে যি পায় তাকেই ক'বলৈ ধৰিলে। মোক লগ পালেই কোনোবাজনে দহটকা কোনোবাজনে বিছ টকা খুজি কয়— 'চিন্তা নকৰিবি; তোৰ ধন অথলে নাযায়।' জেপত থাকিলে দিওঁ। যিদিনা নাপায় সিহঁতৰ মুখবোৰ ছাই বৰণীয়া হৈ যায়। সিহঁতৰ তেনে অৱস্থা দেখিলে, স্বাভাৱিকতে মোৰো মনটো বেয়া লাগে; নিজৰো এসময়ত এনেকুৱা

অৱস্থাই আছিল।

চৰণীয়া পথাৰৰ ঘাঁহবোৰ শুকাই আহিবলৈ ধৰিলে। পুখুৰী, বিল, জলাহৰ পানী শুকাই আহিবলৈ ধৰিলে। নৈবো তলি ওলাল। ঘাঁহৰ অভাৱত গৰু-ম'হৰ পেটবোৰ শুকাই চেপেটা লাগিল। কিছুমান গৰু-ম'হ খৰাঙৰ উৎপাতত বেমাৰ হৈ মৰিল।

ইন্দ্ৰ দেৱতাক আৰাধনা কৰি বৰষুণ হোৱাৰ আশাত, উমা, দশৰথ আৰু বলোৰামহঁতে নিজৰ নিজৰ ঘৰৰ ঢেঁকীশালত থকা ঢেঁকীবোৰ ঢেঁকীঠোৰাৰে সৈতে উঠাই আনিলে। তাৰ পাছত, ইঘৰৰ ঢেঁকী নি সিঘৰৰ বাটচ'ৰাত ফিচাখন তল কৰি ঢেঁকীঠোৰা ওপৰমুৱাকৈ ৰাখি পোনকৈ পুতিলে। সিহঁতৰ ধাৰণা আছিল আগতে এনেকৈ ঢেঁকী পুতিলে বৰষুণ দিয়ে, গতিকে এইবাৰো আহিব।

কিন্তু এইবাৰ তেনেকৈ বৰষুণ নহাত হতাশ হৈ ইজনে সিজনৰ মুখলৈ চাই আকৌ আগৰ দৰেই হতাশ হৈ পৰিল। এনেকৈ আৰু এসপ্তাহমান যোৱাত গাওঁৰ খেতিয়কসকলে হৰিমন্দিৰৰ সভাঘৰত লগ হৈ বৰষুণৰ বাবে ভেকুলী বিয়া ৰাজহুৱাভাৱে পতাৰ সিদ্ধান্ত ল'লে। সিদ্ধান্ত ল'লে যদিও গএঃাৰ কমিটীৰ হাতত পইছা-পাতি নথকাত সমস্যাই দেখা দিলে। দুই-চাৰিজনে গএঃাৰ পুখুৰীৰ মাছবোৰ তুলি বেচি যি পইছা পাব সেই ধনেৰেই ভেকুলী বিয়াখন ধুমধামকৈ পতাৰ বাবে পৰামৰ্শ কৰাত ৰাইজে সিহঁতৰ কথাকে মানি ললে। কিন্তু পুখুৰীৰ মাছবোৰত শহু লগাত পাইকাৰীয়ে সেই মাছ কিনিবলৈ অসন্মত হ'ল। পাইকাৰীয়ে যেতিয়া সেই মাছ নিবলৈ ইচ্ছা নকৰিলে, ৰাইজেও সেই মাছ অভক্ষ্য বুলি ভাবি পুখুৰীৰ ওচৰতে প্ৰকাণ্ড গাত এটা খান্দি পুতি থৈ ঘৰে ঘৰে গুচি গ'ল।

পিছদিনা, ৰাতিপুৱাই কেইজনমান ডেকা ল'ৰাই আহি অনিমেষক বিচাৰিলে। সিহঁতক চ'ৰাঘৰত বহিবলৈ দি মই নিজে বাহিৰৰ বাৰান্দাত বহি থাকিলো। ল'ৰাবোৰে, অনিমেষক ভেকুলী বিয়াখনৰ যাৱতীয় খৰচ বহন কৰিবলৈ ক'লে। সি তাৰ চিনাকী দাম্ভিকতাৰে ক'লে— "দেখিছাই, আজিকালি আমি খেতিৰ ওপৰত নামমাত্ৰও নিৰ্ভৰশীল নহয়; যিসকল মানুহ মাত্ৰ খেতিৰ ওপৰত নিৰ্ভৰশীল তোমালোকে তেওঁলোককহে ধৰা উচিত; মোৰ ওচৰলৈ আহিছা কিয়? আৰু এই ভেকুলী-বিয়া। শব্দ দুটা শুনিলেই মোৰ হাঁহি উঠে, এইবোৰ হৈছে কিছুমান অন্ধবিশ্বাস। জলবায়ুৰ তাৰতম্যতাৰ কাৰণে বতৰ কেতিয়াবা খৰাং হয়— সেইটোনো কি আচৰিত কথা? ধৈৰ্য ধৰা, কিছুদিন পাছত এনেয়ো বৰষুণ দিব। আমি এইবোৰ বাদ দিবৰ হ'ল— এইবোৰৰ কোনো অৰ্থ নাই। ঢুলীয়াৰ খৰচ, ওজাপালিৰ খৰচ, ৰভা টনাৰ খৰচ— কি প্ৰয়োজন এইবোৰৰ? তোমালোক যোৱাগৈ; এইবোৰ কথা পাতিবলৈ মোৰ সময় নাই।"

খঙমুৱা হৈ সিহঁতে চ'ৰাঘৰৰপৰা ওলাই গুচি গ'ল। আনকি যোৱাৰ সময়ত মাত এষাৰ লগাই যাবলৈও সিহঁতে ইচ্ছা প্ৰকাশ নকৰিলে। সি কৰা এই ব্যৱহাৰৰ

শেষ ফলটো কি হ'ব মোৰ জনা আছে। ল'ৰাইতো গাড়ীৰ ভিতৰতে থাকিব— মইহে খোজ কাঢ়ি অহা-যোৱা কৰিম। মোক সেই ল'ৰাবোৰে এতিয়া বাটে-পথে অপমানজনক কথাবোৰ ক'ব— "তোৰ পুতেৰৰ বৰ বেছি দম্ভ হৈছে; বেছি দম্ভ ভাল নহয়। নতুন ধনীৰ মানসিকতা—— ইয়াতকৈ আৰু কি বেছি উন্নত হ'ব?" এইবোৰ কথা মই শুনিবলৈ বৰ টান পাওঁ।......

ঘৰৰ পিছফালে কেইডালমান পানী-লাও আৰু তিনিখনমান ডাঙৰ চাইন কৰি তাতে বগাবলৈ তুলি দিছিলো। যোৱাকালি আবেলি গণোতে সৰু-বৰে প্ৰায় পঞ্চাশটামান লাও দেখিছিলো। ৰাতিপুৱা এনেয়ে সেইফালে চকু ফুৰাওঁতে দেখিলো— লাওৰ পাতবোৰ লেৰেলি গৈছে। তেনেকৈ কিয় লেৰেলি গৈছে চাবলৈ গৈ দেখো গছবোৰ গুৰিতে কটা আছে আৰু গছত লাও এটাও নাই। বেউলাই চোতাল সাৰি আছিল। মই তাইক চিঞৰি মাতিলো— "চোৱাহি, কোনোবাই লাওৰ বিক্‌চান মাৰি গৈছে।" চোতাল সৰা বাঢ়নীতাৰ যেনেকৈ আছিল তেনেকৈ তাতে পেলাই তাই দৌৰি আহিল। লাওগছ কেইজোপাৰ লেৰেলি যোৱা দৃশ্য দেখি তাইৰ মনটো ভঁয় পৰি যোৱাৰ দৰে হ'ল। আনকি মোৰ নিজৰেই চকুপানী ওলাল। নিজৰ গৰু নাই বাবে বাটে বাটে অনিমেষক নেদেখাকৈ খদা এটা লৈ শুকান গোবৰ বিচাৰি আনি আনি গুৰিত দি দি লাও কেইজোপাক ডাঙৰ কৰিলো। আজিখাম কালিখাম কৰি থাকোতে শেষত এইহে ঘটিলনে? অন্ততঃ গৃহস্থৰ বাবেতো এটা লাও এৰি যা। নাই ক'ত থ'ব? আমাৰ সকলো আশাচ্ছেদ কৰি সকলোবোৰ লৈ গুচি গ'ল।

বেউলাই উচুপিলে। তাৰ পাছত কান্দি কান্দি ক'লে— "মই জানো, কোনে এই কাম কৰিছে? সিদিনাখন অহা ল'ৰাকেইজনেই এই কাম কৰিছে।"

"হেৰ, হোৰ তুলিলে শেষত—" মই কলো।

"পোতক তুলিব বুলি মই আগেয়েই জানিছিলো" বেউলাই উচুপি উচুপি ক'লে।

দোকমোকালিতে, বাটৰ আগত মাকৰ তেনে চিঞৰ শুনি কি হ'ল কি হ'ল বুলি অনিমেষ দৌৰি আহিল। মাকে তৎক্ষণাৎ পুতেকৰ ফালে চোঁচা লৈ হাতদাঙি চৰিওৱাৰ ভংগীৰে ক'লে "যা যা তোৰ দৰে ল'ৰাই মোৰ খবৰ নললেও হ'ব; চৰত দাঁত ভাঙি দিম। মাক-বাপেকৰ আগত চৰ্দাৰী দেখুৱাব আহিছে! তোৰ দৰে ল'ৰা এজন থাকিল বা নাথাকিল— কাৰ কি আহে বা যায়? ইফালে তাৰ গুণে নধৰা হৈছে। যা, তৎক্ষণাৎ তই মোৰ ওচৰৰপৰা যা বুলি কৈছো নহয়। তই মোক পিতাৰৰ নিচিনা শান্ত-শিষ্ট হৈ মনে মনে থাকিম বুলি ভাবিছ নেকি?"

"আই. এই ৰাতিপুৱাই তোৰ হৈছে কি?"

"আই! আই! তোৰ দৰে ল'ৰাজনে মোক কোনোদিনেই আই বুলি নামাতিবি। কিহৰ আই? মই তোৰ কোনদিনাৰ আই? কু-পুত্ৰ, কুলাংগাৰ, কুলৰ ভূষণ তৎক্ষণাৎ তই মোৰ কাষৰপৰা....."

মই তাৰ কাষৰপৰা গুছি আহিলো

"হেৰি আপুনিও গুচি গ'ল দেখোন; শুনকচোন শুনক— সময় থাকোতেই কিবা এটা হেস্তনেস্ত কৰা দৰকাৰ— নহ'লে ইয়াতকৈ বেছি কিবা অঘটন ঘটি যাব পাৰে"-

"মোৰ হাতত নো কৰিবলগীয়া কিটো আছে"— আঁতৰৰপৰাই মই চিএঞৰি চিএঞৰি ক'লো।

"মোৰ হাতত কিছু পইচা আছে। সেইখিনিকে দিও, লৈ যাওক। ভালদৰে ঢুলীয়া-চুলীয়া আৰু ওজাপালি-তজাপালি মাতি ভেকুলী-বিয়াখন পাতিবলৈ কওকগৈ। ৰাইজৰ মংগল হয যদি হওক। তেতিয়া আমিও ৰাইজৰ অলপ আশীৰ্বাদ পাম। মনটোৰো ভাল লাগিব। মই বিয়া চাবলৈ যাম। এই নৰককুণ্ডখন উকতি মৰাতকৈ সেইবোৰলৈ গৈ সময় কটোৱাই ভাল। মানুহে সংসাৰ কৰিব লাগে, কিন্তু এনেকুৱা সংসাৰত কেতিয়াও সোমাব নালাগে।"

"ঠিক আছে, পইচা আছে যদি দিয়া, গএঞাৰ হাতত দি আহো।"— মই বেউলাৰ পিনে চাই লাহে লাহে ক'লো।

"কিন্তু, এই ঘৰত হ'লে এই কু-প্ৰথাবোৰ চলিব নোৱাৰে।"

"কিয় নোৱাৰিব? তই সকলোতে চৰ্দাৰী নখটাবি; কথা বেয়া হৈ যাব"— বেউলাই পুনৰ তাৰফালে আঙুলি জোকাৰিলে।

"আজিকালিৰ দিনতো মানুহে এইবোৰ কৰেনে? মোৰ দেখোন কথাষাৰ শুনিলেই লাজ লাগে।"

"ভেকুলী-বিয়া চাবলৈ লাজ লাগে, কিন্তু টি ভিত দেখুওৱা সেই নাঙঠ মতা-সোপা আৰু নাঙঠ ছোৱালীসোপাই যেতিয়া বলিয়াৰ দৰে নাচি ফুৰে তেতিয়া কিয় লাজ নালাগে? কেৱল লাজেই নহয়; সিহঁতৰ সেই অসভ্য আচাৰ-ব্যৱহাৰবোৰ দেখি মোৰ ঘিণ লাগে। ছিঃ ছিঃ সেইবোৰো চোৱা বস্তুনে? সেই বান্দৰ-বান্দৰী সোপাই মুখত পাউদাৰ-স্নো ঘঁহিব, দাঁত মাজিব, কাপোৰ ধুব, চাহ খাব, গাখীৰ খাব- তাকেই আমি নিলাজৰ দৰে চাই থাকো। কিন্তু ভেকুলী-বিয়া চোৱাৰ সময়তনো হঠাৎ ক'ৰপৰা লাজটো ওলাই আহে? আচল কথা হ'ল, সমাজত থাকিলে, সমাজৰ মানুহ হৈ চলিব জানিব লাগে; তেতিয়াহে মানুহটো। তোৰদৰে কিন্তু আমি ইমান ঠেক আৰু নীচ নহয়।"

বেউলাই দিয়া পইচাখিনি মই গএঞাৰ মানুহক দি আহিলো। কথাটোত সিহঁতে আনন্দ পালে। সেই উৎসাহতে সিহঁতৰ কেইজনমানে মোক লগত লৈ ওজাপালি আৰু ঢুলীয়াৰ দল দুটাক বাইনা দি আহিল। যিবিলাকে বিয়ালৈ আহিব তেওঁলোকক খুৱাবলৈ মটৰ ষ্টেশুৰ মধুৰেপাৰীক চিৰা, দৈ আৰু জুলীয়া মিঠৈৰ বাবে বাইনা দি যাতে পনীয়া গাখীৰ নিদিয়ে তাৰবাবেও সাৱধান কৰি দি আহিল।

গএঞাই মোৰ ঘৰতে কইনাঘৰ পাতিব বুলি কৈছিল। পিছে মই হাতযোৰকৈ এই কামটো মোৰ ঘৰত নকৰিবলৈ অনুৰোধ জনোৱাত সিহঁতে দশৰথৰ ঘৰতে কইনাঘৰ

আৰু বলোৰামৰ ঘৰত দৰাঘৰ পাতিবলৈ ঠিক কৰিলে। ৰাইজে নিজেই লাগি-ভাগি দুয়োঘৰতে গঞ্জৰ ঘৰৰ চন্দ্ৰতাপ আঁৰিলে। পদুলিতে কল-পুলি পুতি সোৰ-মালা আমপাত আৰু পাঁজিৰে মৰাপাটৰ আঁহৰ জৰী বান্ধিলে। কিছুমানে বিয়াৰ দৈ-চিৰা আৰু জুলীয়া মিঠৈ খাবলৈ কল-ঠকুৰাৰ দোনা সাজিলে। মনিহাৰী দোকানৰ মালিক পূৰ্ণানন্দই চাৰিপোন থোক-তামোলৰ সৈতে দুইগছি পাণ দি বিয়াত সহায় কৰিছিল। সেই তামোলকে আমাৰ ঘৰৰ বেউলা আৰু বলোৰামৰ বৌৱেকে মিলি কাটি খনিয়াই পাণত চূণ লগালে।

তাৰপাছত ৰাইজে দৰা-কইনা সাজিবলৈ বিলৰ ফালে ভেকুলী বিচাৰি গ'ল। মতা আৰু মাইকী ভেকুলী চিনাক্ত কৰি দুয়োটাৰ ঠেঙত দুডাল এৰাঁ সূতাৰে বান্ধিলে। বাঁহ-বেতৰ ভাল কাম জনা বাঢ়ৈ এজনে বাঁহৰ খাটি বুই বুই দুখন দোলা সাজিলে আৰু সেই দুয়োখন দোলাতে ৰং-বিৰং চিত্ৰ-বিচিত্ৰ কাগজ লগাই ধুনীয়া কৰিলে। গাঁৱৰ বুঢ়ী-মানুহকেইজনীমানে পানী তুলি আনি দৰা-কইনা সজা ভেকুলীদুটাক কলৰ গুৰিত ধুৱালে আৰু সজোৱা দোলা দুখনত উঠাই দিলে। উঠোৱাৰ আগেয়ে মতাটোৰ গাত এঁৰা সূতাৰে লগুণ পিন্ধালে। চন্দনৰ ফোঁট দিলে। এটুকুৰা কাপোৰ কাটি মাইকী ভেকুলীটোক চাদৰ-মেখেলা পিন্ধাই সেন্দুৰ কপালত দিলে। সে[illegible]া ফালিলে। ভৰিত আল্টা দিলে। নামতীসকলে বিয়াগীত গালে। উৰুলি দিলে। ওজাপালিৰ দলটোৱে ইন্দ্ৰদেৱতাক ব্যংগ কৰি কৰি খুহুতীয়া কথা ক'লে। ঢুলীয়াৰ বাজনা বাজিল। ঢোল বজাই বজাই দুয়ো ঘৰৰপৰা দুটা দলে দৰা-কইনাক দোলাত কঢ়িয়াই আনি বৰপুখুৰীৰ পাৰ পালে।

মহিলাসকলে উৰুলি দিলে। ৰাইজে হৰিধ্বনি কৰি ভেকুলীহালৰ সূতা দুডাল চিঙি এৰুৱাই দি বৰপুখুৰীৰ পানীত এৰি দিলে।

ভেকুলীহালে বৰপুখুৰীৰ গভীৰ পানীত লগে লগে অদৃশ্য হৈ পৰিল।

বিয়া শেষহোৱাৰ পাছতেই বেউলাক ঘৰলৈ পঠিয়াই দি ক'লো– "মই এতিয়াই ঘৰলৈ নাযাওঁ; আজি বহুবছৰৰ পাছত বহু মানুহ একেলগে গোট খাইছো। গতিকে এতিয়াই নগৈ দুই-চাৰিষাৰ কথাকে পাতো বুলি ভাবিছো।" তাই হাঁহিলে। মই ক'লো– "চিন্তা নকৰিবা, সন্ধিয়া মটৰ ষ্টেশ্বৰপৰা বাতৰিকাকতখন লৈ ঘৰ ওলামগৈ।"

◆◆

কেইদিনমান ভেকুলীবিয়াৰ নামত ব্যস্তভাৱে কটোৱাৰ পাছত আজি ৰাতিপুৱাৰেপৰা মনটো আগৰ দৰেই কিবা উৰুঙা উৰুঙা লাগিছে। যেন বেউলাৰ বাহিৰে মোৰ আৰু কোনোৱেই নাই। কিন্তু তেওঁৰো আজি ৰাতিপুৱাৰেপৰা কিবা ভাবুক ভাবুক হৈ আছে আৰু মইও ভাবুক হৈ বহি আছো বাৰান্দাৰ আৰামী

চকীখনত। মাজে মাজে ঘৰৰ সন্মুখৰ ফজ্‌লী আমজোপালৈ চকু পৰিছে যদিও কিবা অন্যমনস্ক; অস্থিৰ। চ'তৰ বিহুলৈ আৰু দহদিনমানহে আছে। অ' নহয়, নহয়। তেৰদিন। তেৰদিন পাছতেই বিহু। গুৰগুৰীয়া তলসৰা আমৰ মলবে ঠাইখিনি ভৰ্তি হৈ যাব ধৰিছে। আমৰ মঞ্জৰীৰপৰা ক্ষুদ্ৰ ক্ষুদ্ৰ সৰিপৰা আমৰ মলৰ লগত বোধহয় পিপৰা জাতীয় কিবা কিছুমানো সৰি পৰিছে তাত। কি-বা? অ' সেই কাৰণেই শালিকাযোৰে আমৰ মলৰ মাজত সেইবোৰ খুটিয়াই আছে। মই ভোৰভোৰালো।

"এইবাৰ কিন্তু ধুমুহা বেছিকৈ হ'ব"— বেউলাই কেতিয়া মোৰ পাছফালে থিয় হৈ আছিল ক'ব নোৱাৰো। ঘূৰি চাওঁতেহে দেখিলো। "যি বছৰত আমৰ মল বেছি হয়, সেই বছৰতেই ধুমুহা বেছি হয়— মই সৰুৰেপৰাই কথাটো লক্ষ্য কৰিছো"—

"হ'ব পাৰে;" মই মূৰ দুপিয়ালো আৰু পিছফালে এনেকৈ চালো যেন মোৰ একাপ চাহ খোৱাৰহে ইচ্ছা হৈছে।

"খাব ৰ'ব চাহ; অ' হেৰি নহয়; এটা কথা কোৱাই নাই। কালি বিয়াৰপৰা আহি বাৰীত শাক তুলিবলৈ যাওঁতে পুৰণা খেৰৰ পুঁজিটোৰ কাষতে নাৰিকল দুটা পালো। বোধহয়, সিহঁতে পাৰোতেই কিবাকৈ চিটিকি আহি তাত পৰিছিল। খৰধৰৰ কোবত পাহৰিয়েই গ'ল। শুকান নাৰিকল। কাই গধমা। অনিমেষক ক'লো নাৰিকলৰ বাকলি এৰুৱাবলৈ। সি বাকলি এৰুৱাব দূৰৈৰ কথা বৰঞ্চ দুষাৰ কথাহে শুনালে।"

"কিনো ক'লে?"

"ক'লে বোলে— ভেকুলী-বিয়া খাই গাত বল বান্ধি আহিছো যেতিয়া নিজেই পাৰিম বোলে বাকলি এৰুৱাবলৈ। মইয়ো কম নহয়। তাৰ সন্মুখতে নাৰিকল কাটি চেলাই লাডু বান্ধি পেলালো। কিন্তু যেতিয়া লাডু বনাই বয়ামত সোমাই থলো তেতিয়া নিজেই চাহ বনাই ছয়টা লাডু গহীনত খাই পেলালে।"

"আচ্ছা— তাৰ পাছত?"

"বাদ দিয়ক সেইবোৰ; আপুনিও লাডু খাব নেকি? খায় যদি চাহৰ লগত দিওঁ। অ' আৰু এটা কথা আপোনাক কোৱাই নাই। হে-ৰি সেই যে নাৰিকল নিয়া ল'ৰাবোৰৰ হাতে হাতে আমি বন্দুক দেখিছিলো— সেইবোৰ হেনো বন্দুক নহয়। পুতলা পিষ্টলহে। বজাৰত পোৱা সেই পুতলা পিষ্টলেৰে আমাক ভয় দেখুৱাই অতসোপা নাৰিকল এনেয়ে লৈ গ'ল।"

"কিন্তু সিহঁতৰ গাত দেখোন সৈনিকৰ পোচাক; সেইকাৰণে মই ভয়তে একো নক'লো। অৱশ্যে মোৰ সন্দেহ হৈছিল। আনকি কথাটো মই সিহঁতক সুধিম বুলিয়েই ভাবিছিলো।"

"পোচাক পিন্ধিলেই জানো উগ্ৰপন্থী? কিছুমান ধুৰন্ধৰ ল'ৰাই হেনো আজিকালি এইবোৰকে কৰি ফুৰে। শুনিছো, তাত হেনো দশৰথ আৰু উমাৰ পুতেকো আছে।"

"নজনা-নুশুনাকৈ কথা নকবা। তোমাকনো ক'লে কোনে?"

"কালি বিয়াত। বলোৰামৰ বৌৱেকে কৈছে।"

"আৰু নোৱাৰি বুজিছা, পৃথিৱীত চলা-ফুৰা টান হৈ গৈছে। কোনোমতে ইয়াৰপৰা যাব পাৰিলেই ৰক্ষা।"

"চাহৰ লগত নাৰিকলৰ লাড়ু হ'লেই হ'বনে আৰু কিবা বনাব লাগিব?"

"নালাগে একো; গৰম গৰম চাহ-কাপ হ'লেই হয়।"

কুলি এটাই কুঁ-কুৱালে। মই আমগছ জোপালৈ চালো। ভিতৰত তাই কিবা ভোৰভোৰাই আছিল।

কিবা এটা ভিতৰত হৈছিল নিশ্চয়— "কিনো হ'ল। অনবৰত চিঞৰ-বাখৰ কৰি থকা যে"— মই হাঁহি কলো।

"হ'ব আৰু কি? পাকঘৰত সোমাই চাহৰ কেটলিটোত দুকাপ পানী বহাই দি কাপ-প্লেট ধুব ধৰিছো এনেতে খিড়িকীৰে আহিলেই নহয় সেই নাউচন্দ্ৰৰ ল'ৰা-ছোৱালীহাল।"

"তাৰ পাছত?"

"সিহঁতৰো যে সাহস আৰু"

"কিনো হ'ল?"

"ক'লে— পেহী, আমাৰ কাৰণেৰো চাহ বহাইছ নেকি? নাৰিকল লাড়ুৰো আমাক দিবি নেকি?"

"দিলা নে নাই?"

"চিন্তা কৰিব নালাগে— দিছো ভতিজাহঁতক। আজিকালি পাকঘৰত থিয় দিলেই সিহঁতে খিড়িকীৰ সন্মুখত হাজিৰ হয়।"

"ঠিকেই আছে দিয়া। সৰু ল'ৰা-ছোৱালী। ঘৰৰ অৱস্থা বেয়া। সিহঁতৰো কিবাকিবি খাবলৈ ইচ্ছা যায়। আটাইতকৈ ডাঙৰ কথা, সিহঁতে যে খাবলৈ বিচাৰিছে। আমাৰ অৱস্থাও এদিন সিহঁতৰ নিচিনাই লাও-লোৱা আছিল।"

"খাওক কথা নাই। কিন্তু এইটো যে নিত্যনৈমিত্তিক ঘটনাৰ দৰে হৈ গৈছে। খাবৰ সময়ত তেনেকৈ আহি ওলালে মোৰ খং উঠে। তেতিয়া মোৰ গালি-শপনি পাৰি দিবৰ ইচ্ছা হয়।"

"ধৰি লোৱা সিহঁত হাল আমাৰেই নাতি-নাতিনী। সিহঁতক এৰি জানো আমি অকলে কিবা খাব পাৰিম? নাৰিকলৰ লাড়ু কিন্তু বেছ সোৱাদ হৈছে। পকা-কমলাৰ শুকান বাকলিবোৰ নাৰিকলৰ লাড়ুৰ লগত এনেকৈ দিছা যে ধৰিবই নোৱাৰি। এই কমলাটেঙাৰ বাকলি মিহলাই দিয়া বিদ্যাটো বাৰু ক'ত শিকিলা?"

"ক'তনো শিকিম আৰু, সিদিনাখন টিভিত"—

"যি দেখিছো, টিভিটো তোমাৰ কামত আহিছে। এনেয়ে বেয়া বুলি ক'লে কি হ'ব?"

"এহ! হয় হয়— সেইসোপোকো মানুহে চায়নে? লাজ-আৰ্কেল নোহোৱা এই

ল'ৰাবোৰে ছোৱালীবোৰক হাতত ধৰি হাবিয়ে-জংঘলে লৈ নুফুৰালে নহয়নে?"

"নহয় চাগৈ, সেইকাৰণেই দেখুৱায়"— মই চমুকৈ কৈ চাহত শেষ সোহাটো মাৰিলো। কাপ-প্লেটযোৰ লৈ বেউলাই ভিতৰলৈ গুচি গ'ল। মই আকৌ আমৰ তললৈ চালো। অলপ বেলি পাছত বেউলাই খৰাহি এটা লৈ সম্মুখেৰে বাৰীৰ ফালে গুচি গ'ল।

বাটেদি দুগৰাকী পোহাৰীয়ে মূৰত মাছৰ পোহাৰ লৈ পুবৰ ফালৰ আলিটোত উঠিল। সিহঁতলৈ চাব খোজোতে মোৰ চকুত পৰিল মেঘৰ চপৰাত। কেইমাহো যোৱাৰ পাছত, আকাশত মেঘ জমা হোৱা দেখা পাইছো। সেইকাৰণেই ৰ'দৰ গোমা হৈ আছে। সূৰ্যটো মেঘে ঢাকি ৰাখিছে। এনেতে বাটৰ আগত দেখিলো দশৰথ আৰু উমাক। মই সিহঁতৰ ফালে আগবাঢ়ি গ'লো। জপনাৰ মুখলৈ সিহঁত আহিল। ক'লৈ গৈছিল সুধিলো। ক'লে— হাটখোলালৈ গৈছিল।

"ভেকুলী-বিয়াই কাম দিছে। দেখিছনে নাই, যোৱাকালি বিয়া পাতিলো আজি মেঘ জমিছেই, ঠাণ্ডা বতাহো অলপ বৈ আছে। যি দেখিছো আজি-কালিৰ ভিতৰতে বৰষুণ দিব[illegible]"

মই হাঁহিলো; সিহঁত গুচি গ'ল।

উধাতু খাই বেউলাই মোৰ কাষলৈ দৌৰি আহিল। মই সুধিলো— "কি হ'ল?"

"তাত এহাল কপৌ-চৰাইৰ পোৱালীক মাক-বাপেকে আধাৰ খুৱাই থকা দেখিলো। ধৰিব পাৰিলে বেয়া নাছিল"—

"ক'তনো কপৌ ওলাল?"

"তাত, উৰহীৰ চাইনত"—

"ইস্।"

"সঁচা আকৌ— উৰহী চিণ্ডি থাকোতে বাঁহৰপৰা ওলাই আহি আকৌ ভিতৰ সোমাই যোৱা দেখিছো। উৰিবপৰাও হৈছে চাগৈ।"

"পুতেৰক কোৱাগৈ, এইকাম মোৰ দ্বাৰা নহ'ব। ধৈৰ্যও নাই স্পৃহাও নাই।"

"এহ নোৱাৰো মই ক'বলৈ। এবাৰ কিবা ক'লেই গেৰগেৰাই উঠি সাত আযাৰমান ক'ব। তাৰ দৰে ল'ৰাটোৱে কপৌ বিচাৰি আনি নুখুৱালেই হ'ব। আপুনি থাকোতেই কপালত সেন্দুৰ লৈ পৃথিৱীৰপৰা যাব পাৰিলেই ৰক্ষা। এই পৃথিৱীত সুখ শেষ হৈ গৈছে।"

"কোনো সদানন্দ ঘৰত আছানে নাই? অ' সদানন্দ।"

বাহিৰত কাৰোবাৰ মাত শুনিয়েই বেউলাই লৰালৰিকৈ কাষৰপৰা গুচি গ'ল।

"অ' সদানন্দ।"

"কোন?"

"এহ নকবা আৰু, মইহে। পূৰ্ণানন্দ।"

"অ' পূৰ্ণানন্দ। আহা সোমাই আহা।"

চাৰিআলিৰ চাৰিচ'কত থকা মনিহাৰী দোকানী পূৰ্ণানন্দ আহি মোৰ কাষত বহিলহি। পূৰ্ণানন্দ তেনেকৈ মোৰ ঘৰলৈ নাহে আৰু আহিবলৈ তেনেকৈ কোনো কাৰণো নাই। ব্যস্ত মানুহ। সৰু দোকানখনেই একমাত্ৰ জীৱিকা। গতিকে মোৰ দৰে ঘূৰি-ফুৰিবলৈ তাৰ তেনে অফুৰন্ত সময় নাই। মই বেউলাক উদ্দেশ্য কৰি ক'লো— "হেৰা, কোনোদিনেই মোৰ ঘৰলৈ নাহা মানুহ এজন আহিছে, চাহ একাপ দিবা।" বেউলাইও "হ'ব" বুলি কৈ ৰান্ধনি ঘৰৰ ফালে সোমাই গ'ল।

পূৰ্ণানন্দৰ মুখখন ক'লা পৰি গৈছে। চকু ভিতৰলৈ সোমাই গৈছে। অৱশ্যে ইয়াৰ কাৰণো মই নজনা নহয়। পূৰ্ণানন্দৰ একমাত্ৰ বোৱাৰীয়েকে নিজৰ এহাল ল'ৰা-ছোৱালী এৰি কলেজত পঢ়ি থকা ল'ৰা এজনৰ লগত পুনৰ বিয়া হৈছে।

"সকলোতকৈ বেয়া লাগে বেচেৰা ল'ৰা-ছোৱালীহাললৈ। বেয়াই লাগে। কি যে কৰোঁ—" পূৰ্ণানন্দই দুখেৰে ক'লে।

"ল'ৰাজননো কোন?"

"সেই দলঙৰ সিপাৰৰ গাঁৱখনৰ। তিনি-চাৰিবছৰ ধৰি কলেজৰ কিবা কিবি চেক্ৰেটাৰী হৈ আছিল। ফেল কৰি থাকে, চেক্ৰেটাৰী হৈ থাকে। বয়সেৰে তোমাৰ পুতেৰাৰ সমানেই হ'ব। তাতকৈ বেছি হ'লেও কিজানি কম নহ'ব।"

অনিমেষ এইফালে সোমাই আহিল। তাৰ চকুত আমাৰ প্ৰতি যেন ঘৃণা, অৱজ্ঞা আৰু খং। আমাৰ লগত যেন সি তৰ্ক-যুদ্ধ কৰিব খোজে। মই তাৰ চাল-চলন দেখি চিন্তিত হ'লো— কিজানিবা অপমানিতই হওঁ। মোৰ এটা ধাৰণা সি কিজানি পূৰ্ণানন্দৰ উপস্থিতি ভাল পোৱা নাই। বিশেষকৈ বোৱাৰীয়েক পলাই যোৱা কথা-বতৰাত। মানে এইবোৰ কথা-বতৰা আমাৰ ইয়াত আলচিত হোৱাটোত।

"কাৰ ঘৰৰ বোৱাৰীয়ে কোন ষ্টুডেণ্ট লিডাৰৰ লগত পলাই যায়, সেইবোৰ কথা আমাৰ ইয়াত আকৌ কিয়? আমি কি কৰিব লাগে বা মোৰ পিতাইয়ে কি কৰিব লাগে?"

"তোমাৰ পিতাৰা বৰ্তমান মূৰব্বী মানুহৰ দৰে। তেওঁ কথা ক'লে আজিকালি মানুহে শুনে বাবে আমি তেওঁক মেলকি পাতিছো। তুমিও গাঁৱৰ এজন শিক্ষিত আৰু জ্ঞানী লোক; জ্ঞানী লোকৰ ওচৰলৈ বিপদত পৰিলে মানুহ আহে কিয়? নিশ্চয় কিবা এষাৰ ভাল কথা শুনিম বুলিয়েইতো আহে। মোৰ ঘৰৰ এই কথাটো লৈ মেল বহুৱাইছো। পিতাৰাই যদি মেললৈ নাযায়, তেনেহ'লে মেল চলাব কোনে? আৰু নামঘৰতহে মেল পাতিছো, কাৰো ঘৰৰ মজিয়াত নহয়। তোমালোক শিক্ষিত ল'ৰাবোৰে যদি এই সাধাৰণ কথাতো লাগি নুবা, তেনেহ'লে আমাৰ দৰে গো-মূৰ্খবোৰে চলা-ফুৰা কৰোঁ কেনেকৈ? তুমিওতো এসময়ত কলেজৰ ষ্টুডেণ্ট লিডাৰ আছিলা; তেনে অৱস্থাত ষ্টুডেণ্ট লিডাৰ হৈ যদি বেলেগৰ ঘৰ এখনৰ বোৱাৰী এজনীৰ প্ৰতি এনে অবিচাৰ কৰা সমাজখনতেই বা থাকিল কি বা ষ্টুডেণ্ট লিডাৰৰ

আদৰ্শই বা কি হ'ল? তুমিয়েই মোক কোৱাচোন বোপাই—"

"মই সেইবোৰ একো নাজানো। কিন্তু মোৰ পিতাক মই এইবোৰ মামলা-মোকৰ্দমাত মেলকিগিৰি কৰিব দিব নোৱাৰোঁ। এইবোৰৰ বাবে কোৰ্ট-কাচাৰি আছে; আইন-কানুন আছে। মিছাকৈয়ে এই বুঢ়ামানুহজনক এইবোৰ কামত সুমুৱায় কিয়?"

"বুঢ়া মানুহ? তোমাৰ পিতাৰানো কেনেকৈ বুঢ়া হ'লহে? তেওঁ আমাৰ লগৰে। আমি কি বুঢ়া হৈছো?"

"সেইবোৰ এৰক, মুঠৰ ওপৰত পিতাক মই মেললৈ যাবলৈ নিদিওঁ।"

"এহ হ'ব দিয়া; তোমালোকৰ ঘৰত আৰু কোনোদিনেই ভৰি নিদিওঁ। বিদ্যা-শিক্ষা লৈ টকা-পইচা কৰি নিজকে বৰ ডাঙৰ মানুহটো সাজি লৈ গপতে গংগাটোপটো হৈ পৰিছা। অহংকাৰ হৈছে, নহয়? বাৰু সদানন্দ, তুমি মেললৈ যাব নালাগে— মই আহো—"

পূৰ্ণানন্দ দুখ মনেৰে ওলাই গ'ল। মই বৰ অসহায়ভাৱে ইফালে সিফালে চালো। উঁস্। মোৰ জীৱনৰ শেষচোৱা যে ইমান ভয়ংকৰ আৰু ঘিণ লগা হ'ব কেতিয়াও ভুলতো ভবা নাছিলো। এইবোৰ কি হ'বলৈ ধৰিছে? অথচ, মই চুপ-চাপ সহ্য কৰি গৈছো। শান্তিৰে ক'তো অকণমান বহিব নোৱাৰা হৈছো। লগৰ বন্ধু-বান্ধৱ এজন আহিলে ভালদৰে এষাৰ সুখ-দুখৰ কথা পাতিব নোৱাৰোঁ। গছে ছাঁ নিদিয়া, বতাহে বা নিদিয়া, সূৰ্যই পোহৰ নিদিয়া কি ভয়ংকৰ দিনবোৰ মোৰ জীৱনলৈ এটাৰ পাছত এটাকৈ আহিব লাগিছে! এই পৰিৱেশৰ মাজত মই আৰু থাকিব নোৱাৰা হৈছো। আৰু বা কিমান দিনলৈ এনেকৈ থাকিব লাগিব? হে প্ৰভু, মোক য'ৰপৰা লৈ আহিছিলা তালৈকে লৈ যোৱা— মই চিৰদিনৰ বাবে তালৈ গুচি যাওঁ। মোৰ আৰু পৃথিৱীত থাকি ভাল নলগা হৈছে।

বেউলাই চাহ দুকাপৰ সৈতে বিস্কুট কেইখনমান লৈ আহি আচম্বাৰ দৰে বৈ মোৰ মুখৰ ফালে চালে— "কি হ'লহে? মূৰে-কপালে হাতদি বহি আছে যে? পূৰ্ণানন্দ বাবীৰ ফালে গৈছে নেকি?"

"ক'ত বাবীৰ ফালে যাব? গুচি গ'ল—"

"কিয়? কিবা?"

"ইয়াত কোনো মানুহ এজনো আহিব নোৱাৰা হৈ গ'ল—"

"নালাগে আহিব; কোনোৱে আহিব নালাগে। জৰদগৱ সোপা নাহিলেও চলিব"- অনিমেষে ভিতৰৰপৰা গেৰগেৰাই উঠিল।

"অ' এই কুলাংগাৰটোৱে কিবা কৈছে বোধহয়? এই ল'ৰা-ছোৱালী হালৰ দৌৰাত্ম্যত ঘৰখন একেবাৰে শ্মশান-শালি হৈ গ'ল।"

"মই বোলে মেললৈ যাব নালাগে—"

"কিয় নাযাব? আপুনি যাওকচোন; কোনে কি কৰে মই চাই ল'ম। সিহঁত হালে যদি নিজৰ ইচ্ছামতে চলিব পাৰে, আপুনি নোৱাৰাৰ কাৰণটো কি? জুইৰ ভয়তে উধান পলাব নেকি? উস্! এনে ডাঙৰ অফিচাৰটো হৈছে। মাকে ৰাতিপুৱাই গা-পা ধুই ভাত-পানী বনাই সাজি দিম আৰু আমাৰ বাপাই তাকে তপতে তপতে খাই গাড়ীখন লৈ অফিচলৈ যাম বুলি ওলাই গৈ হাটখোলাৰ ওচৰৰ সেই তেঁতেলিজোপাৰ তলত সেই ফেঁটীসাপডালৰ লগত গৈ বহি থাকিব— আমি যেন একো খবৰেই নাপাওঁ—"

"মোৰ যি ভাল লাগে তাকেই কৰিছো আৰু তইঁতেও যি ভাল লাগে তাকেই কৰি থাক।" ভিতৰৰপৰা সি প্ৰয়োজনতকৈ বেছিকৈ চিঞৰি চিঞৰি ক'লে।

"তোৰ সেইখন মুখ নে কি? তইতো সেইখন মুখেৰেই নিজেই কৈছিলি যে তই আৰু ফেঁটীসাপডালৰ লগ নালাগ। নিজৰ কথাৰ ওজন ৰাখিব লাগে, সকলো কথাৰে এটা সীমা আছে। তোৰ এই অসভ্য আচৰণৰ বাবে আমাৰ দিনক দিনে শত্ৰু বাঢ়ি যাব ধৰিছে। শত্ৰুৱে কোন দিনাখন বাহিৰৰপৰা তলা লগাই পেট্ৰ'ল ঢালি পুৰি মাৰে ঠিক নোহোৱা হৈছে। যোৱাকালি আপুনিও নাই সিও নাই। ভাত-পানী খাই দুপৰীয়া এনেয়ে বিছনাত বাগৰ দি আছো। হঠাৎ বাৰীৰ বাঁহৰ আগলি চাঁচি থকা দেখি চুপ-চাপ গৈ দেখিলো— চাৰি-পাঁচজনমান ল'ৰাই এক চোপ বাঁহ কাটি খাস্তাং কৰি সৰু স[illegible]টুকুৰা কৰি সাত আঠটামান আঁটি কৰি ভাৰবান্ধি লৈ গৈ আছে। বিশ্বাস নহয় যদি চাই আহকগৈ— আগলি আৰু জেংবোৰ এতিয়াও বাঁহৰ তলত পৰি আছে। মইও গ'লো খেদি। কিন্তু খেদিলেই বা হ'ব কি? ভয়ভীত নোহোৱাকৈ যুদ্ধ কৰাৰ মতলবেৰে মোৰ ফালে টেলেকা-টেলেকাকৈ চাই আছে। মাজে মাজে চকু পাৰাক-পিৰিক্ কৰে। সুধিলো— "বদমাছহঁত, ইয়াত কৰিছ কি?" মোৰ কথা শুনি সিহঁতে ভয় কৰিব দূৰৈত থাকক ঢেকঢেকাই হাঁহিবলৈহে ধৰিলে। তাৰ পাছত এজনে ক'লে— "একো নহয় দে, বাঁহকেইডালমান নিলো; তইঁতেও জানো ৰাইজৰ পইচা আত্মসাৎ কৰি হঠাৎ ধনী হৈ যোৱা নাই? আমিও ৰাইজৰেই একোজন যেতিয়া নিলো আৰু বাঁহ কেইডালমান। ঘৰৰ খুটা কেইটা সম্পূৰ্ণ পঁচি গৈছে। বাঁহ কিনিবলৈকে পইচাও নাই।" তাৰ তেনেকুৱা কথা শুনি মোৰ মূৰ-চুৰ কিবা গৰম হৈ গ'ল। ই কয় কি? খণ্ডত চেকনি এডাল লৈ গ'লো খেদি। কিন্তু সি ভয় খাই পলাব দূৰৈৰ কথা ওলোটাই দা-খনলৈ মোকেই খেদি আহি ৰঙাচকু দেখুৱাই বৰ অসভ্য ভাবে চিঞৰিলে— "তিৰি-চিৰি চাবৰ নাই; কিবা খং উঠিব কাটি দিম বাপেকে। আজিকালি তইঁতৰ বৰ অহংকাৰ হৈছে। খেতিৰ মাটিও চন পেলাই থৈ দিয়, অথচ আধিয়াৰক খাবলৈ নিদিয়। তেল ফুটাই দিম বাপেকে। সমাজত থাকিলে সমাজৰ মতে চলিবি; নহ'লে কেতিয়াবা বাহিৰত [illegible] মাৰি পেট্ৰ'ল ঢালি জ্বলাই থৈ যাম।" সেয়াতো সেয়াই, পৰহি গধূলি। আপোনালোক কোনো ঘৰত নাই। ধৰ্মেশ্বৰৰ পুতেকে সিহঁতৰ গাইগৰুজনী নঙলা

খুলি আমাৰ শাকনিবাৰীত সোমাই দি সহ-পতন যি আছিল— সোপাকে খুৱালে। মই খেদি গ'লো। কিন্তু গ'লেই বা কি হ'ব? কোনো কেয়াৰেই নকৰে। ক'লে– "একো নহয় দে, তইঁতৰ পইচাৰ কি আকাল লাগিছে? বজাৰত পাচলি আছে কিনি খাবি। দেখা নাইনে বৰষুণ-চৰষুণ নাই— ঘাঁহ নাই পানী নাই, গৰুজনীৰ পেটটো একেবাৰে চেপেটা লাগি আছে। গাঁইজনীৰ বাবে তইঁতৰ অলপো দুখ নাইনে?" – মানুহৰ দৌৰাত্ম্যও ইমান বাঢ়ি গৈছে। সেই কাৰণেই কৈছো, সমাজৰ লগত মিলি থাক; বিপদে-আপদে সহায়ো পাবি; কিন্তু অনবৰত এনেকৈ থাকিলে কথা বেয়া হৈ যাব।"

বেউলাই কান্দি কান্দি মোৰ কাষৰপৰা গুচি গ'ল। মোৰ মনটো দুক-দুককৈ ভিতৰে ভিতৰে কান্দি উঠিল। অস্বস্তিকৰ পৰিৱেশটো পাহৰিবলৈ বাহিৰলৈ ওলাই আহিলো। অনিমেষে গপ্‌গপাই মোৰ কাষেৰে বিৰক্তি প্ৰকাশ কৰি গাড়ী লৈ ওলাই গ'ল।

বেউলাই বাৰান্দাত বহি উচুপি আছে। ইফাল সিফাল কৰি আহি আহি পুঁজিটোৰ কাষ চাপিলো। খেৰৰ পুঁজিটোৰ ওপৰত কিবা সেউজীয়া ক'লা চামনি এখন পৰিছে। খেৰবোৰ ব্যৱহাৰ নকৰাৰ ফলতেই হয়তো এনেকুৱা হৈছে। বাৰীৰ পিছৰ পুখুৰীটোত বা এতিয়া পানী আছে নে নাই? আছে নিশ্চয়। অইনবাৰ কিন্তু এইখিনি সময়ত নুশুকায়।

অ' পুখুৰীটোত দেখোন এটোপালো পানী নাই। মাত্ৰ বাঁহৰ শুকান পাতবোৰ পৰি আছে। দুই-এটা জোনাইশামুকৰ খোলা অ'ত ত'ত পৰি আছে। আচৰিতভাৱে এইবাৰ শুকাই গৈছে পুখুৰীটো।

এতিয়া, মইও যেন এই পুখুৰীটোৰ দৰেই এটা শুকান পুখুৰী। বাৰিষাত এই পুখুৰী পানীৰে চপ্‌চপীয়া হৈ আছিল। বগা-ৰঙা ভেঁটফুলবোৰ ফুলি শুৱাই ৰাখিছিল-- আকৰ্ষিত কৰি ৰাখিছিল। তেনেকৈ যেন মোৰো জীৱনত এদিন বহাগ-জেঠ পাৰ হৈ আহাৰ-শাওনৰ বৰ্ষা নামিছিল। মইও শুৱনি হৈ পৰিছিলো; চহা সমাজত মই আকৰ্ষণৰ বস্তু হৈ পৰিছিলো। মানুহে কোৱা-কুই কৰিছিল মোৰ কথা। অনিমেষ জন্মিছিল; নীলা জন্মিছিল। মোৰ জীৱনলৈ আশাৰ বাৰিষা আহিছিল। সিহঁত দুয়োৰে বাবে আমি কষ্ট কৰিছিলো। কেতিয়াবা অভাৱ আহিলেও তাক সহজভাৱে লৈছিলো। নীলাই আমাক ঠগি গুচি গ'ল। অনিমেষ ঘৰত আছে কিন্তু তাৰ ব্যৱহাৰত আমি অতিষ্ঠ হৈছো। কষ্ট পাইছো; জীৱন নধৰো নধৰো লাগিছে। নিজকে ধিক্কাৰ দিছো- আমিনো এনে ভণ্ড সন্তানহে জন্ম দিলোনে বুলি নিজৰ গালত নিজে চৰিয়াইছো।

শুকান পুখুৰীৰ দৰে এতিয়া আমাৰ জীৱনটো খৰাং আহিছে। আমি এক

আশাহীন জীৱন লৈ জীয়াই আছো। কিবা কুৎসিৎ কুৎসিৎ লাগিছে পৃথিৱীখন।

কিন্তু এই পুখুৰীটো চ'ত গৈ বহাগ আহিলে আকৌ চপ্‌চপীয়া হৈ আগৰ দৰে মানুহৰ আকৰ্ষণৰ বস্তু হৈ পৰিব। মাছবোৰ গাতৰপৰা ওলাই আহিব। ভেঁট-ফুলবোৰ ফুলি উঠিব। ওচৰৰ কাৰোবাৰ হাঁহ আহি সেই ভেঁটফুলৰ চাৰিকাষে সাঁতুৰিব। কিন্তু আমাৰ জীৱনত বাৰিষা এবাৰহে— আমাৰ আৰু কোনো আশা নাই। হাঁহাকাৰ কৰিলেও উপায়তো নাই— সত্যক স্বীকাৰ কৰি ললেই হ'ল। কিন্তু কথাটো হ'ল বেউলা আৰু মই এই জীৱনত ইমান নিৰাশ হ'লো কিয়? বৰ বেছি লিখা-পঢ়া নাজানিলেও সেই কথাটো কিন্তু মই এতিয়া ভালদৰে উপলব্ধি কৰিব পাৰিছো। এই যে কথাটো বুজি পালো, এইটোৱেই একপ্ৰকাৰ আশা। এইক্ষেত্ৰত পিছে মোৰ জীৱনটো ঠিক এনেয়ে যোৱা বুলি ক'ব নোৱাৰি। সেইকাৰণে পৃথিৱীখন কুৎসিৎ বুলি ক'ব নোৱাৰি। কাৰণ ভালে-বেয়াই মোৰ জীৱনটোৰো এটা সৌন্দৰ্য আছে। দুখ-কষ্ট কৰি ল'ৰা-ছোৱালী তুলিছো; সিহঁতক লিখা-পঢ়া শিকাইছো— এইখিনিয়েই মোৰ জীৱনৰ সৌন্দৰ্য। আৰুনো মোক কি লাগে? ল'ৰা-ছোৱালী প্ৰকৃত মানুহ হৈ নোলাল- তাৰ কাৰণে মই কিয় দায়ী হ'ম? মইতো কেতিয়াও তেনেকুৱা এটা জীৱন ল'বলৈ খোজা নাই। আমি সুখী হ'ব নোৱাৰিলো এই কাৰণেই যে ব্যক্তিগত সুখতকৈয়ে সামূহিক সুখ সদায় ওপৰত। এই কথাটো উমা, দশৰথহঁতৰ লগত থাকি থাকি বুজিব পাৰিছো। সমাজত সুখ সদায় সমানভাৱে আহিব লাগে তেতিয়াহে সুখৰ উপলব্ধি হয়। উমা, দশৰথহঁতে ভালদৰে খাবলৈ নাপায়, সেইকাৰণে সিহঁত অসুখী। সুখী মানুহ অসুখী মানুহৰ লগত থাকি কেতিয়াও সুখী হ'ব নোৱাৰে। সেইকাৰণে মই সুখী হৈও অসুখী।

চকু দুটা জলক-তপক লাগি আছে। যোৱাকালি ৰাতি দেখা সপোনটো বাৰে বাৰে মনলৈ আহিছে...... সপোনত মই এটা অচিনাকি বেগুনীয়া ৰঙৰ ঘৰত শুই আছো। কাষৰ খিড়িকীখন খোলা। সেই খিড়িকীৰ বিমত বহি ডেকা বয়সৰ সেই ফটা গেঞ্জীটো পিন্ধি আছো। মূৰৰ চুলি ঘামত তিতি আছে। পথাৰৰ কামত ব্যস্ত হৈ থকা বাবে দাড়ি খুৰোৱা নাই। পিন্ধি থকা গামোচাখনত বোকাৰ চিটিকনি। তাৰপাছত হাতত পাচান বিন্ধোৱা লৰু এডালেৰে মোৰ কজলা হালোৱাহাল তপিনাত খুঁচি খুঁচি মৈত উঠি গৈ আছো। এনেতে পিছফালে যেন কোনোবাই মোক বিদ্ৰূপ কৰি হাঁহিব ধৰিছে। ইহাৰ লগে লগে মোৰ কজলা গৰুহাল নীলা হৈ গ'ল; মোৰ গাৰ বৰণো কিবা নীলা নীলা হৈ গ'ল। আকৌ হাঁহি। কোনে হাঁহিছে? তাৰপাছত অনুভৱ হ'ল মই নিজে নিজক হাঁহিব ধৰিছো। ......এনেতে হঠাৎ সাৰপাই গলো। সাৰ পোৱাৰ পাছৰপৰা মোৰ আৰু টোপনিয়েই নাহিল। কিছুমান নোহোৱা-নোপোজা দুশ্চিন্তাই মোক আগুৰি ধৰিলে। অইন দিনাতকৈ শুইও উঠিছো সোনকালে। টোপনি ভালদৰে নোহোৱাৰ বাবেই এনেকুৱা লাগি আছে। অলপ শুই

লোৱাই ভাল হ'ব। তাৰপাছত উঠি গা-পা ধুই ভাত খাম।

বাহিৰত কোনোবাই খুড়া খুড়া বুলি মাতি আছে। চ'ৰাঘৰৰ চকী এখনত বহি মই যোৰাকালিৰ বাতৰিখন পঢ়ি আছো। বেউলা নাই; ককায়েকৰ খবৰ ল'বলৈ যোৱাকালিয়েই মাকৰ ঘৰলৈ গৈছে।

"খুড়া, অ' খুড়া"—

এইটো দেখোন খগেনৰ মাত। ই আকৌ হঠাৎ আজি ক'ৰপৰা আহিল? ই আগতে মোৰ ঘৰত থাকি খেতি-বাতিত সহায় কৰিছিল। মোৰ খেতি বন্ধ হোৱাত আন এঘৰত বছৰেকীয়া বন্ধা হৈ আছে। মই তাৰ উপস্থিতিৰ কাৰণ বুজিছো। আজি বহুদিনৰেপৰা অনিমেষে ঘৰৰ সমুখৰ মোৰ গোহালি ঘৰটো, মাকৰ ঢেঁকীশাল আৰু তাঁতশাল থকা খেৰৰ ঘৰ তিনিটা ভাঙি খগেনক নিজৰ ঘৰলৈ নি সিহঁতৰ ঘৰকেইটা ভালদৰে বান্ধি ল'বলৈ কৈ আছে। বেউলা থকা কাৰণে ইমান দিনে কামটো কৰিবপৰা নাছিল। আজি মোমায়েকৰ খবৰ ল'বলৈ যোৱাৰ অনুপস্থিতিত সেইটো কাম সহজ হ'ব বুলি ভাবি বোধহয় খগেনক পঠিয়াই দিছে।

"আপুনি বেয়া পাব নেকি?" খগেনে মোক সুধিলে।

"মোৰ ভালপোৱা-বেয়াপোৱাক জানো মোৰ ল'ৰাই খাতিৰ কৰিছে?"

"আপুনি জানেই, আমি গৰিব মানুহ; ঘৰ তিনিটা উঠাই নিব পাৰিলে অন্ততঃ মা, ভাই-ভনী কেইটাই বৰষুণ দিলে চালপীৰাৰ তলত সোমাই থাকিবলগীয়া নহয়।"

"মোক নুসুধিবি; তোৰ যি খুচি তাকেই কৰ;"

"থিক আছে; তেনেহ'লে মই মোৰ কাম কৰোঁ।"

"যা, তই আৰু মোৰ লগত কথা নাপাতিবি।"

মই জানো, বেউলাই মাকৰ ঘৰৰপৰা আহি ঢেঁকী ঘৰ, তাঁতশাল আৰু গোহালি ঘৰটো নেদেখি হুৱা-দুৱাকৈ কান্দিব। বিশেষকৈ, তাঁতশালখন দেখা নাপালে। কিন্তু নিজৰ ল'ৰাই যদি মাক-বাপেকৰ অন্তৰৰ কথা নুবুজে তেনেহ'লে বুজিব কোনে?

খগেনে নিজৰ দাখন হাতত লৈয়ে আহিছিল। সেইখন কঁকালত খুঁচি চাল কাটিবলৈ তাঁতশাল থকা ঘৰৰ মূধৰ ওপৰলৈকে উঠি গ'ল। চালৰ তমাল কটা দৃশ্য দেখি মোৰ চকুৰ পানী গিৰগিৰকৈ ওলাই আহিল। সেই মৰ্মন্তুদ দৃশ্য চাই থাকিব নোৱাৰি চকুপানী মচি মচি মই গোহালি ঘৰৰ ভিতৰলৈ সোমাই আহিলো। ইচ্ছা গ'ল, মই মোৰ গোহালি ঘৰটো শেষবাৰৰ বাবে এবাৰ চাই লওঁ। .....এসময়ত ইয়াত এহাল কজলা বগৰ হালোৱা গৰু আছিল। সেইখিনিতে এহাল গাই-দামুৰী আছিল। আতে বহি পীৰা এখন পাৰি দুই আঠুৰ মাজত কড়িয়া এটা লৈ বীৰতি গাইজনী দুইছিলো। আৰু আজি সেই গোহালি সম্পূৰ্ণ শূন্য। আনকি, অলপ পাছতে

গোহালি ঘৰটোৱে নিজৰ অস্তিত্ব সম্পূৰ্ণ হেৰুৱাই পেলাব— তেনেকৈ ঢেঁকীটোৱে বা তাঁতশালখনেও।

য'ত ভৰি-তলুৱা স্পৰ্শ হৈ আছে ইয়াতেই সদায় গধূলি পৰত তুঁহ, কেঁচা-গোবৰ আৰু ধানখেৰেৰে মহ-ডাঁহ খেদিবলৈ এটা ডাঙৰ জাগনি সাজিছিলো আৰু স্থায়ী খুটিৰ পঘাৰে গৰু বন্ধা হোৱাৰ লগে লগে সেইটো জ্বলাইছিলো। উমি উমি জ্বলা তুঁহ, কেঁচা-গোবৰ আৰু ধানখেৰৰ সেই সেমেকা সেমেকা গোন্ধ আজিও মোৰ নাকত লাগি আছে।

বেউলাৰ মৰমৰ তাঁতশালখন আজিয়েই শেষ। তাঁতশাল থকা ঘৰটোৰ চালদুখন ক্ৰমাৎ পিচলি আহি মাটি স্পৰ্শ কৰিছে। ......মোৰ মনটো কিবা এক শূন্য শূন্য লাগিছে। সেই শূন্যতাই মোক শেলে বিন্ধা দি বিন্ধিছে। চকুদুটা বাৰিষাৰ পুখুৰীটোৰ দৰে চপ্‌চপীয়া হৈ উঠিছে।

কিবা এক অজ্ঞাত শোকে মোৰ অন্তৰ খুন্দা মাৰি ধৰিলে।

উপন্যাসৰ অন্তিম অৱস্থা বা মোৰ শেষ দশা——

শুইছো যদিও টোপনি অহা নাই। অইন দিনা মোৰ ল'ৰাজন সদায় আমি ভাত খোৱাৰ আগে আগে আহি পায়। আজি বা কি হ'ল— এতিয়াও দেখা দেখি নাই। অপেক্ষা কৰি দুয়ো দুখন বিছনাত বাগৰ দিলো। বেউলাৰ টোপনি আহিছিল নে নাই নাজানো, মোৰ হ'লে অলপ টিলমিলকৈ টোপনি আহিছিল।

অলপ পাছতে গাড়ী ৰোৱাৰ শব্দ শুনিলো, তাৰপাছত পদূলিত সেইখন ষ্টাৰ্ট বন্ধ নোহোৱাকৈ বৈ থকা শুনিলো। বোধ হয়, সি গাড়ী ৰখাই পদূলিৰ জপনাখন খুলিছে। হয়; সেইয়া লোহাৰ গেটখন খোলাৰ শব্দ। গাড়ীখন সোমাই আহিছে। তাৰপাছত আকৌ জপনা বন্ধ হোৱাৰ শব্দ।

বেউলাই লাইটটো জ্বলাই তাৰ কোঠাৰ দুৱাৰটো খুলি চিঞৰি উঠিল—

"এওঁ আৰু কোন? ক'ৰ ছোৱালী? অ' বুজিছো। শেষত তই এইটোহে কৰিলি?"

মই চক খাই উঠি বেউলাৰ কাষ পাই দেখো সেই ছোৱালীজনী। মোৰ হাত-ভৰি কঁপিবলৈ ধৰিলে। মই একো চিন্তা কৰিব নোৱাৰা হৈ কঁপি কঁপি বিছনাত বহিলো।

"চিন্তা কৰিব নালাগে, এওঁ আজিৰপৰা আমাৰ ঘৰতে থাকিব। তোক কাম-কাজত সহায় কৰিব। মানে এওঁ এতিয়া আমাৰ পৰিয়ালৰে এজন বুলি স্বীকাৰ কৰিলেই সকলো সমস্যা শেষ।"

"চিনি-জানি নাপাওঁ। এই ৰাতিখন মই তাইক ঘৰ সোমাবলৈ দিম?"

মই খঙত কঁপিবলৈ ধৰিলো। মোৰ মুখেৰে মাত নোলোৱা হ'ল। তথাপিও

মোৰ কোঠাৰপৰাই চিঞৰিলো— "আমাৰ ঘৰৰ এজনী হ'স মানে— তই বিয়া কৰাইছ নেকি?"

"তাইৰ কপালত সেন্দুৰৰ ফোঁট দেখিছনে নাই? সেন্দুৰৰ ফোঁট দিলেইতো বিয়া হৈ যায়। গতিকে, পূৰ্ণানন্দৰ দোকানৰপৰা সেন্দুৰৰ টেমা এটা কিনি ফোঁট দি আনিছো। বচ, আমাৰ বিয়া হৈ গ'ল।"

"জহান্নামে যোৱা, তোৰ দৰে পাপিষ্ঠ এটাকহে মই সেই কষ্টৰ সংসাৰখনৰপৰা তুলি ললোনে? ধিক মোৰ জীৱন"— বেউলাই ক'লে।

মোৰ বুকুখন হম্‌হম্‌ কৰিবলৈ ধৰিলে। কিন্তু হম্‌হমালে কি হ'ব? একো লাভ নাই। তাতকৈ মই অইন চিন্তা কৰাহে বেছি ভাল হ'ব। মানে এই ঘৰৰপৰা ওলাই অইন এঠাইত থকাৰ চিন্তা। ইয়াত আৰু এক পলো থকা উচিত নহ'ব— কাৰণ, ইয়াত থকা মানে নিজকে নিজে জীয়াই জীয়াই পুৰি মৰা। মই যি বুজিলো, সি তাৰ নিজৰ অস্তিত্বৰ বাহিৰে কাৰো অস্তিত্ব স্বীকাৰ নকৰে।

অৱশ্যে সিযে এনেকুৱা এটা অঘটনেই ঘটাব সেই কথা মই শুনিছিলো। শুনাৰ পাছত মই এদিন তাক ক'লো— "বাপা, তই যি কৰ মই তাতেই মান্তি; কিন্তু তেনেকৈ নহয়। আমি মানুহহে, বান্দৰতো নহয়। মানুহক এটা সামাজিক শৃংখলা লাগে।" কিন্তু নহ'ল। যি খুচি তাকেই সি কৰিলে।

উমা আৰু দশৰথইতে মোক এই কথাটো লৈ ঠাট্টা কৰে; কিন্তু কথাটো মিছা বুলি উৰুৱাই দিলো। কিন্তু আজিতো সেইটোৱেই ঘটিল। মই এতিয়া কি কৰিম? কি হ'ব মোৰ উপায়? সমাজে মোক যে হাঁহিব। এতিয়া ৰাতি বাবে কোনোৱে বাৰু কথাটো গম নাপায়। কিন্তু কাইলে? সমাজেতো মোক একঘৰীয়া কৰিব।

সমাজে একঘৰীয়া কৰিব— মই সেইটো ভাবিবই নোৱাৰো। কাইলৈৰপৰা মোক

কোনোৱে নমতা হ'ব। মই মৰিলেও কোনোৱে খৰি দিবলৈ শ্মশানলৈ নাযাব। কি এটা ভয়ংকৰ অৱস্থা। সকলোৱে মোক চিনি পায়, অথচ কোনোৱে নামাতা হ'ব। তাতে আকৌ এই বয়সত? ইস্। ই মোক ভালদৰেই কামোৰ মাৰি খালে। চাৰিওফালে আঠাই সাগৰ। সাগৰৰ মাজৰ শুকান শিলত বেউলা আৰু মই থিয় হৈ আছো। আমাক কোনে এই বিপদৰপৰা উদ্ধাৰ কৰিব?

মোৰ উত্তেজনা বাঢ়ি যাব ধৰিছে। মগজুৱে একো ভাবিব নোৱাৰা হৈছো। উমা, দশৰথ, ৰাখাল, পূৰ্ণানন্দহঁতৰ মুখবোৰ চকুৰ আগত ভাহি উঠিছে। এদিন যেতিয়া সিহঁতে মোৰ ল'ৰাক প্ৰশংসা কৰিছিল— তেতিয়া গৰ্বত বুকু ফুলি উঠিছিল। আৰু এতিয়া নিন্দা-ভৎৰ্সনা কৰাৰ সময়— কুঁচি-মুচি এটা ঠেক গাঁতৰ ভিতৰলৈ সোমাই যাব লাগিব। সঁচাকৈয়ে এই মুহূৰ্ততে বেউলা আৰু মই যদি দুডাল কেঁচু বা সাপ হৈ গাঁতৰ ভিতৰত সোমাই থাকিব পাৰিলোহেঁতেন!

সমাজৰ সকলোবোৰ নিয়মেই যে মই ভাল পাওঁ সেইটো নহয়। মইও বেছিভাগ নিয়মকে বেয়া পাওঁ। কিন্তু তাৰ মাজতো দুই-এটা শৃংখলা আমাক নালাগিব জানো? নহ'লে, কুকুৰ-মেকুৰীৰ লগত আমাৰ পাৰ্থক্য কি? নীলাক যেনেদৰে বুজাইছিলো, ঠিক তেনেকৈ তাকো বুজাইছো। ......ঠিক আছে, তই সমাজ পাতি বিয়া নকৰাব নালাগে; মইও বাৰু তোৰ কথাত হস্তক্ষেপ নকৰো। কিন্তু মোৰ খুড়া-জেঠাহঁতক এনেয়ে এদিন ঘৰলৈ মাতো। একো খুৱাবও নালাগে তই। তোৰ মিঠাইতো খাম বুলি কোনোৱে আশাপালি থকা নাই। মাত্ৰ বঁটাত কেইখনমান তামোল দি ছোৱালীজনীৰ সৈতে তই আঠু ল। সমাজে তাতেই মান্তি হ'ব। মাত্ৰ এই মানুহখিনিক অৱজ্ঞা কৰিব নালাগে।.... কিমান দিন ক'লো সেই একেখিনি কথাকে। নাই নুশুনিলে। তাৰ মাত্ৰ এটাই কথা— তাৰ যি মন যায় তাকেই কৰিব।

এতিয়া তাক বাধা দিব কোনে? মই? তাক যদি কওঁ— ওলাই যা ইয়াৰপৰা। এবাৰ কৈ চাওঁ নেকি? হয়তো ওলাই যাবও পাৰে।

বেউলাই মোৰ বিছনাৰ কাষত উচুপি উচুপি কান্দিব ধৰিছে। মই তাৰ কোঠাৰ দুৱাৰগৰিয়াত থিয় থৈ চিএৰিলো— "কুলাংগাৰ, তই ওলাই যা মোৰ ঘৰৰপৰা"—

"তোৰ ঘৰ? তোৰ সেই দিনতেই কাউৰী সোমোৱা ঘৰ ক'ত? ক'ত আছে দেখুৱাই দে"—

"কিন্তু মাটিখিনিতো মোৰ—"

"এই মাটিখিনি তোৰো নহয়; পূৰ্বপুৰুষৰ মাটি। ইয়াত সকলোৱে সমান অধিকাৰ। আৰু যদি প্ৰয়োজন আছে, লৈ বা। কিমান লাগে? কেই লাখ? ক'বি, অহাকালি চেক্ কাটি দিম। কিন্তু মোক আমনি কৰি নাথাকিবি। মই মোৰ মতে চলিম। মোক সমাজ নালাগে। মই কোনো সমাজৰ মানুহ নহয়।"

"তোৰ সিদ্ধান্ত এইটোৱেই নেকি?"

"অ' মোৰ সিদ্ধান্ত এইটোৱেই! মই ইয়াতে থাকিম; প্ৰয়োজন হ'লে তহঁত ওলাই যা।"

নিজৰ সন্তানৰ হাতত আৰু কিমান লাঞ্ছিত হ'ম? এইখন আৰু এতিয়া মোৰ ঘৰ হৈ থকা নাই। ইতিমধ্যে মই আৰু বেউলা মৰি গৈছো। মাত্ৰ দেহাটো পেলাবলৈ এটুকুৰা ঠাইৰ প্ৰযোজন। এই মুহূৰ্ত্তে এটা সিদ্ধান্ত লোৱা প্ৰয়োজন। মোৰ সিদ্ধান্ত কি হ'ব? এই মুহূৰ্ত্তে ইয়াৰপৰা ওলাই যোৱাই উত্তম। সিদ্ধান্তটো বৰ কঠোৰ আৰু স্পৰ্শকাতৰ, তথাপি সিদ্ধান্তটো ললো যেতিয়া সিদ্ধান্তই। আত্মসমৰ্পণ কৰাৰ প্ৰশ্ন নুঠে। নহ'লে ৰাতিপুৱা লাজত মুখ দেখুৱাটো সম্ভৱ নহ'ব, অন্ততঃ মই নোৱাৰো। সমাজক পৰিবৰ্ত্তন কৰিব পাৰি, কিন্তু সমাজক এৰিব নোৱাৰি। কাৰণ, মইতো সমাজৰপৰাই আহিছো।

মইতো ওপৰৰপৰা ধুপুচকৈ সৰিপৰা নাই—

সকলোতকৈ উত্তম হ'ব বৰ্তমান দলঙৰ সিপাৰৰ পেহীৰ ল'ৰা কুসুম্বৰৰ ঘৰত ৰাতিটোৰ বাকীখিনি কটোৱাটো। কাইলৈ মোৰ নদীৰ পাৰৰ খেৰণি খিনি কাটি চালৰ বাবে খেৰ উলিয়াম। কিছু খেৰ বিক্ৰী কৰি বাঁহ কিনিম। সেই বাঁহেৰে এটা সৰু চাই জুপুৰি ঘৰ সাজিম আৰু দুমাহ পাছতেই পথাৰত পানী আহিব। পথাৰৰ মাজৰ পুখুৰীটো পানীৰে উপচি পৰিব। মই আকৌ হাল লৈ পথাৰলৈ যাম। খেতি কৰিম। বেউলাই মোক খেতিত সহায় কৰিব পাৰিব। মানসিক অশান্তিত ইয়াত পচি পচি মৰাতকৈ সেই জীৱন বহু বহু উন্নত। খেৰ-কটা, ঘৰ-বন্ধা কামত বলোৱাম, দশৰথইতে তেতিয়া মোক অন্ততঃ সহায় কৰিব। সিহঁতৰ লগত আকৌ জাকে লৈ

মাছলৈ যাম। চহৰা-চেপাঁ পাতি মাছ খাম। পৃথিৱীৰ কুৎসিৎ ভাবটো লাহে লাহে মোৰ মনৰ মাজৰ পৰা আঁতৰি যাব লাগিছে। মই অকণমান আশা দেখিছো। সেই আশাৰেই মই জীয়াই থাকিম।

আজৰিপৰত আকৌ আগৰ দৰে উমা, দশৰথহঁতৰ লগত ওজাপালি আওঁৰাম। অ' বহাগৰ ভঠেলিতো আহিবৰেই হ'ল। এইবাৰ মন-প্ৰাণ ঢালি ওজাপালি গাম। একবাৰে মুক্তকণ্ঠে। মোক আৰু ওজাপালি গোৱাত বাধা দিবলৈ কোনো নাই। জাকৈ বা জাল দলিয়াই দিয়াৰ কলিজা কাৰো নাই। মই কাকো সহ্য নকৰো। ব'লা, বেউলা। পাহৰি যোৱা আমাৰ ইয়াত এখন ঘৰ আছিল। আৰু যদি ভাবিছা আমাৰ ইয়াত ঘৰ আছিল, তেনেহ'লে সেইখন বালিৰে বন্ধা ঘৰ আছিল। ইয়াত সকলো মিছা। আনকি, মোৰ কাৰণে তুমিও মিছা; তেনেকৈ তোমাৰ কাৰণে মই মিছা। ইয়াত কাৰো একো পাবলৈ নাই। কিন্তু যিকেইটা দিন থাকো, অন্ততঃ অকণমান স্বাধীনভাৱে থাকো, অকণমান আশা লৈ থাকো। ব'লা, আমি ইয়াত এক মুহূৰ্তও থকা উচিত নহয়।

বেউলাই আমাৰ দুয়োৰে সাধাৰণ কাপোৰখিনি টোপোলা কৰি লৈছে। মই মোৰ পুত্ৰই আনি দিয়া কোট, জোতা, মোজা সকলো ইয়াতেই এৰি থলো আৰু আগৰ দৰে খালি ভৰিৰে পদূলিলৈ আগুবাই আহিলো— সকলো ত্যাগ কৰিলেও অন্ততঃ মানসিক শান্তিখিনি ত্যাগ কৰিব নোৱাৰো।

আমি আমাৰ ঘৰ এৰিলো। তাৰপাছত জোনাকৰ পোহৰক সাৰথি কৰি নৈৰ পাৰে পাৰে দলঙৰ সিপাৰে থকা পেহীৰ ঘৰলৈ আগবাঢ়িলো....।

◆◆

বিষাদ

বিষাদ

কাৰত কথা পাতিবলৈও এঘৰ মানুহ নাই। মেটেকাৰ ফুল, কণামুচৰি বা বগলীৰ লগততো কথা পাতিব নোৱাৰি— অৱশ্যে কেতিয়াবা সিহঁতৰ বিচৰণশীল মুহূৰ্তবোৰ চাই ভাল লাগে। কিন্তু সেয়াও কিমান সময়? আমনি লাগি যায়।

স্বামীগৃহলৈ যোৱাৰ আগেয়ে দেউতাৰ লগত কথা পাতি আনন্দ পাইছিলো; কিন্তু এতিয়া সেয়াও ভাল নালাগে। আজিকালি তেওঁক কিবা ভণ্ড ভণ্ড লাগে— যেন তেওঁৰ মুখত কেবাখনো জিভা। সিদ্ধান্তত বাৰে বাৰে পিছলিপৰা, কেবাখনো হাত-ভৰিৰ সৈতে সন্দেহ-অবিশ্বাসেৰে ভৰা এজন কেবাখনো মুখৰ মানুহ। মানুহ বুজি তেওঁৰ অভিনয় ভিন ভিন— এই ভালপোৱা দেখুৱাই, এই বেয়া পোৱা। মুখেৰে কয় কিবা এটা, কামত কৰে আন এটা কিবা। সকলোতে বিসংগতি। আগতে কথাবোৰ বৰ বেছি ভবা নাছিলো, এতিয়া ভাবিবলৈ বাধ্য হৈছো।

মাধৱীলতা ফুলৰ সুবাস লৈ পদুলিৰ বাঁহেৰেসজা ধেনুভিৰীয়া ঘেৰটোৰ তলত বহি স্মৃতি ৰোমন্থন কৰিছোঁ। বৰ দুখ লাগিছে, হয়তো দাদালৈ মনত পৰি দেউতাৰো। তাৰ নিৰুদ্দেশৰ পাছত তেওঁ একেবাৰে বিমূঢ় হৈ পৰিছে। দাদাক সুঁৱৰি সুঁৱৰি মায়েও লুকাই লুকাই কান্দে। সেয়া মোৰ সহ্য নহয়। আমাৰ ঘৰলৈ দুখ হয়তো বেছি অসহনীয়ভাবেই এনেকৈ আহি থাকিব— আজিতকৈ হয়তো এশগুণ বেছি। তাকো হাঁহি হেলাৰঙে অতিক্ৰম কৰিব পাৰিবই লাগিব। অন্ততঃ এটা উদাহৰণৰ বাবেই— যিয়েই হয়তো এদিন কাৰোবাৰ কাৰণে এক সাহস বা জীয়াই থকাৰ অৱলম্বন বা প্ৰেৰণাৰ উৎস হ'ব।

এনেকৈ ভাবি ভাবি মোৰ সাহস বাঢ়ি গৈছে, হয়তো আৰু বাঢ়িব। ইয়াৰ বাবে ধৈৰ্য আৰু সহনশীলতাৰ প্ৰয়োজন। মই ইতিমধ্যে যথেষ্ট ধৈৰ্য্যশীলা আৰু সহনশীলা হৈ আহিছো। তথাপিও কোনোবা মুহূৰ্তত বৰ অসহায় অনুভৱ কৰোঁ। দুৰ্বল হৈ পৰো। সেই সময়তে ব্যক্তিগত কথাবোৰ কাৰোবাক ক'বলৈ ইচ্ছা হয়, একেবাৰে মন উজাৰি; কিন্তু কোৱা উচিত নহয় বুলি বুজিব পাৰিছো। ই নিজৰ ভৱিষ্যতৰ বাবেই ক্ষতিকৰ, হানিকৰ। ব্যক্তিগত কথা আনৰ আগত প্ৰকাশ কৰা মানেই ধৰি ল'ব লাগিব

নিজেই নিজৰ অস্তিত্ব বিপন্ন কৰিলো। অথবা স্বজ্ঞানে নিজকে পণ্য কৰিলো। এনে কৰাটো অবাঞ্ছনীয়.... কাৰণ, এদিন হঠাৎ যিদিনা মোৰ মনলৈ আনন্দৰ জোঁৱাৰ আহিব, সিদিনা হয়তো অতীত সোঁৱৰাই দি সিহঁতেই মোক বিদ্রূপ কৰি হাঁহিব পাৰে; তেনে হাঁহি মোৰ বাবে বৰ অসহ্য। তেতিয়া হয়তো আপোনা-আপুনি মনলৈ প্ৰশ্ন আহিব-- মইনো তেওঁক মোৰ একান্ত ব্যক্তিগতখিনি কিয় ক'লো? সেইকথাটো ভাবিযেই হৃদয় দগ্ধ হৈ পৰিব। তেতিয়া কালস্রোতত উটি অহা আনন্দখিনিও উপভোগ কৰাকে নহ'ব। হৰিষত বিষাদ নামিব। তেতিয়া? তাতকৈ সংযম শ্ৰেয়। বাক-সংযম ৰাখি সম্পূৰ্ণ নিৰৱ হৈ থকাই উত্তম। কিন্তু নিৰৱতাই যে দুঃচিন্তা, নৈৰাশ্য আৰু নিঃসংগতাৰ গহ্বৰত ককবকাই ৰাখি থয়। তেতিয়া সমগ্ৰ পৃথিৱীখনেই নিষ্প্ৰাণ নিৰ্জন যেন লাগে.... যেন মই তলসৰা শুকান পাতেৰে নাঙঠহৈপৰা এজোপা বটবৃক্ষহে...... নিজেই নিজৰ অন্তৰ্বাস খুলি খুলি কাৰোবাৰ ওচৰত নিৰাভৰণ হৈ পৰিলো।

এক মিনিটৰ বাবে নিজৰ অজ্ঞাতে ঘৰৰ সন্মুখৰ তৰুৱা কদমজুপি ভাল লগা হৈছিল, কিন্তু তাৰ সুবাসে আকৌ অন্তৰাত্মা গধূৰ কৰি তুলিলে। কেইমুহূৰ্তমান মই মোৰ অস্তিত্ব পাহৰি গৈ যেন তাৰ মাজত সাধাৰণভাবে আশাৰ ৰেঙণি দেখা পালো। মই এনেদৰে সদায় নিঃসংগতা আৰু নৈৰাশ্যৰ গহ্বৰত সোমাই নাথাকো। নিৰুদ্দেশ হোৱা ককাইদেউৰো নিশ্চয় এদিন উভতি আহিবই আহিব। সিদিনাখন হয়তো ঘৰৰ সন্মুখৰ বিশাল মুকলি জলাশয়, প্ৰান্তৰ ভাল লাগি যাব। ইয়াৰপৰা দেখা পোৱা অদূৰৰ চহৰৰ কলঘৰৰ ওপৰেদি মুধচ ফালি যোৱা গগণচুম্বী চিম্‌নিৰ ফেহু-বগা ধোঁৱা, অৰ্কেষ্ট্ৰাৰ সুৰ, জন-অৰণ্যৰ কোলাহল আৰু চৰাইৰ কলৰৱে হাত বাউল দি মাতিব। কিজানি তেতিয়া সুনীলত উৰি থকা শুকুলা মেঘৰ টুকুৰাবোৰ চাই ভাল লাগিব আৰু সেই ভালপোৱাৰ মাজৰ আনন্দখিনিয়েই হয়তো জীয়াই থকাৰ প্ৰেৰণাৰ অমল উৎস হৈ পৰিব.... হয়তো তেতিয়া পৃথিৱীৰ মানুহৰ প্ৰতি মোৰ গভীৰ অনুৰাগ বাঢ়ি যাব।

কিন্তু কেইচেকেণ্ডমান পিছতেই আকৌ কিবা অসাৰ অসাৰ লাগিল। মোৰ বাৰু কিয় এনেকুৱা লাগে? হয়তো মই জীৱনৰ প্ৰকৃত অৰ্থ বুজি পোৱা নাই। জীৱনৰ কিবা যেন এক ধ্ৰুপদী সত্য বা অৰ্থ আছে— মই সেই নিৰাময় সত্তাৰ অনুসন্ধান পোৱা নাই আৰু পাবলৈও যি এক সত্য চিত্তবৃত্তি-মনৰ প্ৰয়োজন সেয়াও যে নাই।

ইয়াত থিয় দিলেই কৰিডোৰেৰে দেউতাই আৰামী চকীত বহি উদাস হৈ থকা দৃশ্যটো দেখি। তেওঁ অনবৰত উদাস হৈ আকাশৰ ফালে চাই থাকে, মাজে মাজে হুমুনিয়াহ এৰে। আগতে কিন্তু তেওঁ এনেকুৱা নাছিল—— মোৰ লগত কথা পাতিছিল, ষ্টেৰিঅ'ত গজল শুনিছিল, সন্ধিয়া মোক ফুৰাবলৈ নিছিল। তাৰ বিপৰীতে আজিকালি সাধাৰণতে মোৰ লগত কথা নকয় ——অত্যন্ত দুই-এটা কথাৰ বাহিৰে।

হয়তো চাকৰিৰপৰা অৱসৰ পোৱাৰ পাছত সকলো মানুহেই এনেকুৱাই হৈ যায় আৰু অতীতৰ সোণালী সময়ৰ স্মৃতি ৰোমন্থন কৰি মনত দুখ পায়।

কিছুদিন আগলৈকে স্মৃতি ৰোমন্থন এটা বিলাসিতা বুলি ভাবিছিলো আৰু এতিয়া নিজেই সেই পথ অনুসৰণ কৰিছো। মই কি দেউতাৰ দৰেই হৈ যাব ধৰিছো? কিন্তু হোৱাটোও জানো আচৰিত কিবা এটা? মইয়েইতো দেউতা— যিহেতু তেওঁৰেই এটা ৰূপ মাত্ৰ মই। একেই ৰক্ত, একেই মাংস— মই পৰিত্ৰাণ পাব নোৱাৰো। কথাবাৰ নিজেই লক্ষ্য কৰিছো— মোৰ প্ৰকাশভংগী ঠিক দেউতাৰ দৰেই। তেনেহ'লে মোকো কোনোবাই ক'ব নেকি— মোৰ মুখত কেৰাখনো জিভা, কওঁ এটা, কৰোঁ অন্য এটা। এই মাত্ৰ ভাল লাগে, এইমাত্ৰ বেয়া লাগে। মইও বাৰু ভণ্ড নেকি?

ভণ্ড হৈ যোৱাটো পৰিতাপৰ বিষয়। ক'ব নোৱাৰি, নিজৰ অজ্ঞাতে হয়তো হৈয়েই গৈছো। যদি হৈ গৈছো তেনেহ'লে তাতকৈ ভয়ংকৰ আৰু বীভৎস একো নাই।

এনে কোন ব্যক্তি আছে, যাৰ লগত দুষাৰ কথা পাতিলে ভিতৰৰ কোলাহল নিজম পৰিব? কেতিয়াবা ভাবো, ঘৰৰপৰা একেবাৰে ওলাই ক'ৰবালৈ গুচি যাওঁ। কিন্তু ৰক্ষণশীল পৰিয়ালত ডাঙৰ দীঘল হোৱা ছোৱালী এজনীয়ে তেনে দুঃসাহস ক'ৰপৰা গোটাব? মোৰ সকলো কথাৰে এটা সীমা আছে, সীমা ভাঙি ওলাই যাব নোৱাৰো। আৰু গৈছিলো বাবেই আজি পৰিত্যক্তা।

সম্মুখৰ, কেঁচা ৰঙামাটিৰ আলিটোৰে কেইটামান নাঙঠ শিশুৱে পানীভোটএবাৰ চিলিমাকৃতিৰ বেগুণীয়া ফুলবোৰ চিঙি চিঙি মালা গাঁঠিছিল। মই সিহঁতলৈ চাই আছিলো। এজনে চিলনি পোৱালি এটাৰ ঠেঙত ৰচি লগাই ইচ্ছামতে এৰি আৰু ইচ্ছামতে চপাই আনিছিল। সি বাকী কেইজনতকৈ বয়সত অলপ ডাঙৰ। ডাঙৰ দীঘল ৰঙা হলৌচোলা এটা পিন্ধি আহিছে, বোধহয় সেই চোলাটো তাৰ নহয়, নহ'লে সি পিন্ধি থকা পেন্টটো দেখা গ'লহেঁতেন।

চিলনি পোৱালিটোক তেনেকৈ কষ্ট দি থকা বাবে বৰ অস্বস্তি অনুভৱ কৰিছিলো। মোৰ খং উঠিছিল আৰু সিহঁতক ওচৰৰপৰা সোনকালে আঁতৰি যাবলৈ অনুৰোধ কৰিলো। ভয়তে সিহঁত সুৰসুৰাই গুচি গ'ল।

পিছদিনা সেই ঠাইতেই সিহঁতক দেখিলো। ৰঙা হলৌচোলা পিন্ধা ল'ৰাজনৰ কান্ধত চিলনি পোৱালিটো। পোৱালিটোৱে কান্ধত বৈ বৈ মোৰ ফালে অসহায়ভাবে চোৱা যেন লাগিল। হয়তো চৰাইটোৱে আকাশৰ ওপৰত উৰিফুৰা মুক্ত বিহঙৰ দৰে হ'ব বিচাৰিছিল।

নাঙঠ হৈ থকা কেইজনে কাষৰ ডোবাটোত কিবা বিচাৰিছিল, হয়তো শেলুক নতুবা পানীশিঙৰা।

চিলনিটোৱে হঠাৎ ধপ্‌ধপাই পাখি কোবাই ওপৰলৈ গুচি গ'ল— কিন্তু ঠেঙত

বান্ধি থকা ৰচিডালৰ মূৰটো ল'ৰাজনৰ আঙুলিত বন্ধা আছিল বাবে ধপ্‌কৈ মাটিত পৰি গ'ল। বেয়া লাগিল। খং উঠি আগবাঢ়ি গৈ তাক মই প্ৰথমে চৰাই পোৱালিটো খুলি দিবলৈ ক'লো। কিন্তু সি মোৰ কথাক কোনো গুৰুত্বই নিদি 'সু' বুলি বিদ্ৰূপেৰে চালে। লজ্জিত হ'লো তাৰ ব্যৱহাৰত, তথাপিও তাক সুধিলো— পোৱালিটোক তেনেকৈ বান্ধি ৰখাৰ অধিকাৰ তাক কোনে দিলে? মোৰ প্ৰশ্নত নাঙঠ ল'ৰাকেইজনেও হাঁহিলে। সিহঁতৰ হাঁহিৰ সুৰত নিজে মৰি যোৱা যেন হ'লো যদিও নিজৰ অস্তিত্ব ৰক্ষাৰ আক্ৰোশত খঙেৰে সুধিলো- "চৰাইটো খুলি দিবি নে নিদিয়?"

'কিয় দিম?' — সি কৈছিল।

'কিয় নিদিবি?' মই সুধিছিলো

'এনেয়ে নিদিও'

'তোক যদি মই ইয়াত বান্ধি ৰাখো, তোৰ মাৰে কি সহ্য কৰিব?'

"মোৰ দেউতাক যে সিদিনাখন সৌ ঘৰটোৰ মানুহজনে ওৰে দিনটো বান্ধি ৰাখিছিল, তেতিয়া জানো আপোনাৰ বেয়া লাগিছিল? আপুনি তেতিয়া ক'ত আছিল? দেউতাক মুকলি কৰি নিদিলে কিয়?"

"তোৰ দেউতাৰেনো কৰে কি?"

"হৰিজন"

"বান্ধি ৰাখিছিল কিয়?"

"বাহিৰত পৰি থকা বাঁহ এটুকুৰা নোকোৱাকৈ ঘৰলৈ নিছিল বাবে।" তাৰ কথাত মই নিৰ্বাক হৈ গ'লো। সৰু প্ৰশ্নটোৱে মোক সম্পূৰ্ণ স্তম্ভিত কৰি ৰাখিলে, আনকি তাৰ পাছত দ্বিতীয় প্ৰশ্নটো কৰাৰ সাহস মোৰ মনত নাছিল। মোৰ ভিতৰত দেখাত সুপ্ত যদিও সদা জাগ্ৰত এই খং, অভিমান, আক্ৰোশ বা প্ৰতিবাদবোৰৰ মাজত থকা কদৰ্য ৰূপটো আজি প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলো আৰু মনে মনে লজ্জিত হ'লো। আচলতে, মোৰ দৰে পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰে একোটা সমস্যা আছে, যিহৰ বিষয়ে মই সম্পূৰ্ণ অজ্ঞ। অজ্ঞতাই মূৰ্খামি। তাৰ পাছত নিজে অনুতপ্ত হ'লো আৰু শেষত, সিহঁতৰ কাষৰপৰা গুচি আহিলো।

◆◆

একোৱেই ভাল নলগা হৈছে, আনকি নিজকো। পিছে, নিজক ভাল নলগাটো এক চিন্তনীয় বিষয়। তেনেকৈ ভাবি লোৱা মানেই যেন কাৰোবাৰ ওচৰত অভিমান প্ৰকাশ –যিহেতু এনেকুৱাবোৰে কিছুমান সাময়িক ঘটনাৰ ওপৰত ভিত্তি কৰে। ইয়াৰ কোনো মূল্য নাই, সকলো যেন আপেক্ষিক। তাতকৈ সেই অভিমান এৰি পৃথিৱীৰ প্ৰতিজন মানুহকে ᐧᐧ ভালপাবলৈ শিকো— তেনেহ'লে ভিতৰৰ কোলাহল, আক্ষেপ, ক্ৰোধ, অভিমান সকলো আঁতৰি যায় যেন লাগে। তেতিয়া আৰু

নিঃসংগতাৰ মাজত নিজকে বুৰাই ৰাখিবলগীয়া নহয়— বৰঞ্চ নিজকে সংশোধন কৰিবলৈহে সুবিধা হয়।

এই দৃষ্টিকোণৰপৰা দেউতাক বেয়ালগাৰ কাৰণটো বুজি উঠিছো, অৰ্থাৎ তেওঁ মোৰ আশা-আকাঙক্ষাৰ প্ৰতি অলপো আগ্ৰহী নহয় বা তেওঁৰ জীৱন-দৰ্শন মোৰপৰা পৃথক বুলি ভাবো বাবেই তেওঁৰ প্ৰতি এনে বিৰূপ মনোভাব। এনে মানসিকতাৰ বাবেই প্ৰতিজন মানুহৰ প্ৰতি মোৰ এটা বদ্ধমূল ধাৰণা হৈছে যে পৃথিৱীখন বেয়া, মাত্ৰ মইহে ভাল। এনে কথা জানো হ'ব পাৰে? তাতকৈ এনেকৈ নাভাবো কিয়— সুন্দৰ পৃথিৱীখনৰ মাজত মই কিম্ভূত-কিমাকাৰ! ওহো, এনেকৈও ভাবিব নোৱাৰি; এনেকৈ ভাবিলেও চিন্তাবোৰ একপক্ষীয় হয়। এনে হ'ব নোৱাৰে। সকলোতকৈ ভাল হ'ব যদি মই এনেকৈ ভাবো— আমি সকলো সুন্দৰ, তেওঁলোক যিমান সুন্দৰ মইও সিমানেই সুন্দৰ।

মানুহক বেয়ালগাৰ কাৰণটো এতিয়াহে লাহে লাহে বুজি উঠিব ধৰিছো। মোৰ আশা-আকাঙক্ষাৰ বিপৰীতে থকা বাবেই তেওঁলোকক বেয়া বুলি বিৰূপ মন্তব্য কৰো। প্ৰতিটো মুহূৰ্ততে মই যেন কিবা এটা বিচাৰিছো— অথচ কি বিচাৰো স্পষ্টভাবে নিজেই ক'ব নোৱাৰো। এই যে এইমাত্ৰ চিলনি পোৱালিটো লৈ খেমালি কৰি থকা কিশোৰকেইজনক খেদি দিব বিচাৰিছিলো, সিহঁতে বাৰু মোৰ কি ক্ষতি কৰিছিল? সিহঁতে সিহঁতৰ মতেই চলা-ফুৰা কৰিছিল— অথচ? তেনেহ'লে সিহঁতৰ উপস্থিতি কিয় বিচৰা নাছিলো? হয়তো সিহঁতে মোৰ নিৰৱতা ভংগ কৰিছিল, সেই কাৰণেই এনেকুৱা ঘটিল। মই বাৰু নিৰৱতাকে সাৰথি কৰি লৈছিলো নেকি? নাই লোৱা, তেনেহ'লে? নহয়, নহয়, নিৰৱতাইহে মোক বুৰাই ৰাখিছিল। সিহঁতক লৈ মোৰ অনুশোচনা আৰম্ভ হ'ল। সিহঁতক বিচাৰ-খোচাৰ কৰি ঘৰলৈ মাতি আনি কিবা-কিবি খাবলৈ দিবৰ ইচ্ছা হ'ল। নাই, সিহঁত আৰু এই প্ৰান্তৰত নাই। ৰিণি ৰিণি কোনোবা প্ৰান্তৰত হোৱা চিলনিটোৰ অসহায় চিঞৰ মই শুনিছলো। ......কিন্তু সিহঁতক আৰু ক'তো দেখা নাপালো।

লাহে লাহে সন্ধিয়া হৈ আহিল।

মেটেকাৰ ফুল অন্ধকাৰত ক্ৰমাৎ বিৱৰ্ণ হৈ আহিল আৰু এক নিৰৱতাই আগুৰি ধৰিলে জলাশয়বোৰক। এজাক সেমেকা গধূৰ বতাহে জলজ উদ্ভিদবোৰৰ ডাল কঁপালে। নলাখন্দা মানুহবোৰ পদূলিৰ কাষেৰে নিৰবে সেইফালে সজা অস্থায়ী তম্বুগৃহলৈ আগুৱাই গ'ল।

পাতল অন্ধকাৰৰ মাজেৰে জোনাকী পৰুৱাৰ দল এটা আমাৰ পদূলিয়েদি নাচি নাচি সোমাই আহিল আৰু অন্ধকাৰ গাঢ় হৈ উঠা বকুলজুপিৰ তলত জ্বলমলাই থাকিলে। জপংকৈ কিবা এটা পানীত পৰাৰ শব্দ হ'ল, বোধহয় সেইটো বেং আছিল। শব্দটোৱে মোৰ মনত এক ভয়ৰ সঞ্চাৰ কৰিলে। গতানুগতিকভাৱে উচপ খাই মই কেবাখোজো পিছুৱাই গ'লো।

মা পাকঘৰতেই আছিল। মইও তাতেই আত্মনিয়োগ কৰিবলৈ চেষ্টা কৰিছিলো। কিন্তু একো কৰিব নোৱাৰিলো। মেজৰ কাষত বহি আঁক-বাঁক কৰি ভাবি-চিন্তি বহি থাকিলো। মই এনেকৈ আমন-জিমন কৰি থকাটো বোধহয় মায়ে বাঞ্ছা কৰা নাছিল; সেয়ে সুধিছিল— মোৰ কি হৈছে। হাঁহি মাৰি সহজ হৈ থকাৰ দৰে ক'লো— "ওহো, একোৱেই হোৱা নাই মা।" তথাপিও মোৰ কথা তেওঁ বিশ্বাস নকৰে। মোৰ ভৱিষ্যত স্পষ্ট নহয়। মানুহে আলোচনা কৰে— মা-দেউতাতো সদায় নাথাকে, তেতিয়া মই কি কৰিম? কি হ'ব মোৰ ভৱিষ্যৎ? মই জানো, মায়ে মোক নেদেখাকৈ চকুলো টোকে বাথৰুমত কান্দে, এইবোৰ বৰ অসহ্য, তাতকৈ স্বামীগৃহত বিধৱা হৈ কটোৱা বেছি ভাল।

.........মোৰ উপস্থিতিয়ে মাৰ ঘৰত এক ভয়ংকৰ নিৰৱতা আনি দিছে। আঁতৰত থকা বান্ধৱীবোৰ কোনো ৰেই এতিয়া মাকৰ ঘৰত নাই। সিহঁতৰ কোনোবা এজনীক লগ পোৱা হ'লেও! আজি সিহঁতৰ মানসিক অৱস্থা বা কেনেকুৱা? নিশ্চয় সিহঁতৰ জীৱনত মোৰ দৰে তেনে কোনো অনিশ্চয়তা নাই! নিঃসংগতা বা নিৰৱতাই বুৰাই ৰখা নাই। ভেকুলীৰ টোৰটোৰণি, সাপৰ মাত, মেটেকাৰ ফুল, উত্তপ্ত জলৰাশিৰ ওপৰেৰে বৈ অহা আৰ্দ্ৰভাবাপন্ন বতাহ— এইবোৰ মোৰ খুব চিনাকি। ইয়াৰ মাজতেই মই ডাঙৰ হৈছো; মোৰ কাৰণে ইয়াত নতুনত্ব একো নাই। যোৱা-নিশা অৱশ্যে বৰ ভাল লাগিছিল। সেইফালে নলা পৰিষ্কাৰ কৰিবলৈ অহা দহ বাৰজনমান শ্ৰমিকৰ কোনোবা এজনে দোতাৰা বজাই কামৰূপী লোকগীত গাইছিল। প্ৰথমে মই কাণ দিয়া নাছিলো। তাৰ পাছত, সুৰটোৱে মোক আপোনা-আপুনি মোহিত কৰিলে। অলপ সময়ৰ বাবে হ'লেও মনটো ভাল লাগিছিল। গীতটোত কোনো একঘেয়ামি নাছিল। প্ৰতিটো ছন্দই ভিন্ন ভিন্ন আৰু বৰ শুৱলা। মোৰ সেই শ্ৰমিকজনৰ গীত শুনিবলৈ বৰ ইচ্ছা গৈছে। আজি ৰাতি যদি সেই একেটা গীতকে গাই সি, মই পৰম আনন্দিত হ'ম। ভাবিছো, শ্ৰমিকজনক ঘৰলৈকে এবাৰ মাতি আনিম। ঘৰত শুনি ভাল লাগিব।

◆◆

বিপৰীত ফালে ডোবা এটা আছে। পৰহি দুপৰীয়া কণামুচৰি কেইটামানে জুপুকা মাৰি বহি আছিল। আজি বা তাত কি হৈছে? কিবা পৰিবৰ্তন? চাবলৈ জ্বপনাখন খুলি ওলাই আহিলো আৰু ডোবাটোৰ কাষত থিয় হৈ বৰপুনিৰে আবৰা দৃশ্য চালো। মাছৰ মুখ এখন দেখা যেন লাগিল— মুখত বৰপুনিৰ পাত কেইটামান লাগি আছিল— হয়তো সেইয়া কাৰো মাছৰ মুখ আছিল।

ঘৰত এতিয়াও দেউতাই একেধ্যানে আৰামী চকীত বহি অদূৰৰ বাঁহনিৰ ফালে চাই আছে। তেওঁৰ কাষেদিয়েই মই পাকঘৰৰ ফালে গুচি আহিছো; অথচ তেওঁ মোৰ ফালে এবাৰো নাচালো। কিয় বা নাচালে? হয়তো মোক লৈ তেওঁ বৰ অসুখী হ'বলৈ

ধৰিছে। যেন মই তেওঁৰ কাৰণে কেবাটন ওজনৰ এটা গধুৰ শিল; সেই শিল তেওঁ আৰু কোনোদিনেই ঘৰৰপৰা নৰাব নোৱাৰে। অথচ এসময়ত তেওঁ মোক কিমান মৰম কৰিছিল! আৰু এতিয়া? মই তেওঁৰ বাবে চকুৰ কুটা দাঁতৰ শূল। মাজে মাজে ভাবো, দেউতা বাৰু হঠাৎ এনেকুৱা হৈ গ'ল কিয়? হয়তো, তেওঁৰ দৃষ্টিত তেওঁ যেন সকলো হেৰুৱালে; জীৱনৰ সকলো আশা যেন ধূলিস্যাৎ হৈ গৈছে। কিন্তু তেতিয়া মই বৰ অনুতপ্ত হওঁ। মই কিয় অম্লানৰ দৰে কুসংগ এটাক জীৱনৰ সংগী কৰি লৈছিলো? একমাত্ৰ এই কথাটোৰ বাবেইতো তেওঁ লজ্জিত। দাদা নিৰুদ্দেশ নহ'লে অথবা মই কুসংগত নপৰাহেঁতেন হয়তো তেওঁ জীৱনৰ বাকী দিনকেইটা অন্ততঃ সৰ্বসাধাৰণৰ দৰে স্বাভাৱিকভাবে কটাব পাৰিলেহেঁতেন!

দুপৰীয়া বিচনাত বাগৰ দিলো। মনটো তেতিয়াও কিবা উকঙা উকঙা লাগিছিল। ইয়াৰপৰাই ৰাতিপুৱা চাবলৈ যোৱা ডোবাটো দেখি। তেতিয়া তাত অজস্ৰ বগা বগলী দেখিছিলো। দৃশ্যটো এতিয়া আকৌ তালৈ গৈ এবাৰ চাই আহিবৰ ইচ্ছা গ'ল।

বগলীৰ জাকটোকে মোৰ বহুদিনৰ চিনাকি বান্ধৱী যেন লাগিছিল। ইমান নিঃসংগতাৰ মাজতো যে হঠাৎ এক সংগী পাই গ'লো তেনেকুৱা ভাবি একেজাপে বিচনাৰপৰা নামিলো আৰু মোৰ সেই পুৰণি ৰঙা ছাতিটো খুলি ঘৰৰপৰা ওলাই আহিলো। মাৰ টোপনি অহা নাছিল বাবে মোৰ ব্যস্ততা দেখি হাঁহি দিছিল। দেউতা আৰামী চকীতে টোপনিত ঢলি পৰিছিল। মায়ে মোক বলিয়া হৈছো নেকি সুধি ৰগৰ কৰি মোৰ পিছে পিছে বাৰান্দালৈ ওলাই আহিল আৰু কৃত্ৰিম কাঁহ কেইটামান মাৰিছিল। তেওঁৰ কাঁহৰ শব্দত মোৰ নিজৰেই হাঁহি উঠি গ'ল। অৱশ্যে ভালো লাগিল, অন্ততঃ মোক লৈ যে তেওঁ অকমান আনন্দ পাইছে।

"ছাতি লৈ ক'লৈ যাব?"

"বগলী চাবলৈ—"

"বগলী?"

"অ' বগলী-"-

মোৰ খোজৰ শব্দত বগলীবোৰ উৰি গুচি গ'ল। ডোবাটো শূন্য শূন্য লাগিল। সেই শূন্যতাই মোৰ বিষণ্ণতা বঢ়াই দিলে। বগলীৰ জাকটো গৈ কদম গছ এজোপাৰ ওপৰত পৰিল। কেইটামানে এডাল লেহুকা ডালত পৰিছিল। ডালটোৰ সৈতে বগলীকেইটা বতাহত উঠানমা কৰি আছিল। মোৰ এনেকুৱা ভাব হৈছিল যেন মা-দেউতা সকলোকে এৰি বগলী হৈ এই জনম পাৰ কৰি গুচি যাম। কিন্তু তেনেকৈ ভবাৰ পাছত নিজৰ এই অস্বাভাৱিক বিলাসিতাপ্ৰৱণ মনটোৰ প্ৰতি হাঁহি উঠিল। অন্ততঃ মইতো সাধুকথাৰ নায়িকা হৈ যোৱা নাই। কিন্তু নিজৰ এই কাব্যিক অনুভূতি প্ৰৱণতাৰ কথা ভাবি ভাবি অকলশৰে হাঁহাৰ বাহিৰে অন্য কোনো পথ নাছিল।

কিন্তু, এনেকৈ আৰু কিমান দিন? ইমান নিঃসংগতাৰ মাজত আৰু থাকিব

নোৱৰা হৈছো। মোকতো কিবা এটা কাম লাগিব। কি কৰোঁ? বৰশী এটা সাজিব পাৰিলে বৰশীকে বালোহেঁতেন। বৰশী কাঁইট বিচাৰি বিচাৰি দোকান চলাথ কৰিলো, কিন্তু ক'তোৱেই দেখোন বিচাৰি নাপাওঁ। কিন্তু হঠাৎ আজি আলিবাটত ঘূৰি ফুৰা ডেৰটকীয়া চলন্ত দোকান এখনত বৰশী কেইটামান পালো।

এতিয়া কিন্তু আবেলিটো ভাল লগা হ'ল। ঘৰৰ কাষৰ ডোবাটোত সদায় আবেলি মই ছাতি এটা কান্ধত লৈ বৰশী বাওঁ; সিফালে মায়ে বাৰান্দাত বহি মোৰ কাৰ্যকলাপ চায়। দেউতাইও সমুখলৈ আৰামী চকীখন উঠাই আনি বহে আৰু এবাৰ মোলৈ কেৰাহিকৈ চাই বিৰক্তিৰে ইটা-ভাঠাৰ সুউচ্চ চিমনিৰ ওপৰেৰে ওলাই থকা ধোঁৱাবোৰলৈ চাই থাকে। হয়তো মাক সোধে— মোৰ ভৱিষ্যত কি হ'ব? দেউতাৰ প্ৰশ্ন শুনি হয়তো মাৰ চকুপতা সেমেকি উঠে; কিন্তু তেওঁৰো অসহায়! বোধহয় তেতিয়া তেওঁ কোনো প্ৰত্যুত্তৰ নিদি নিৰৱে মোলৈ চাই থাকে। সেই সময়ত মোৰ সেইফালে চোৱাৰ ধৈৰ্যই নাথাকে। বৰশীৰ পুঙাটো লৰিছেনে নাই অথবা পুঙাটো মাছে গৰগৰাই পানীৰ তললৈ টানি নিছে নে নাই, চাই থাকোতেই সময়খিনি ব্যস্ততাৰে পাৰ হৈ যায়।

মুনিচুনি বেলিৰ পোহৰত সদায় এহালিছা কাৱৈ মাছ লৈ যেতিয়া মই ঘৰ পাওঁ তেতিয়া মাৰ মুখলৈ চাই মোৰ বৰ ভাল লাগে। দেউতাই কোনো প্ৰকাশ নকৰি কহুৱা বনৰ ওপৰত [illegible]ৰি থকা ৰঙা বটা-চৰাইবোৰলৈ চাই থাকে। তেওঁ সেইফালে চাই চাই কি ভবা-চিন্তা কৰে নাজানো। বোধহয় স্মৃতি ৰোমন্থন, নহ'লে মোৰ ভৱিষ্যত লৈ উৎকণ্ঠিত হৈ থাকে।

মায়ে মোক ভাৰপৰা এধানিমান কাৱৈমাছৰ ছানাটো উলিয়াই দি ক'লে— এইটো জীয়াই থ। মই তাকেই কৰিলো আৰু প্ৰতি ৰাতিপুৱা কাঁচৰ আয়তাকাৰ মাছৰখা পাত্ৰটোৰ পানীখিনি সলাই দিবলৈ ধৰিলো। যেন মোৰ এইটোৱেই কাম।

তাৰ পাছত, হঠাৎ এদিন আকৌ বৰশী বোৱা বন্ধ হৈ গ'ল। মই বৰশী বাই আছিলো। কেইজনমান মস্তান ল'ৰাই ঘনে প্ৰতি মোৰ কাষেদিয়েই সুঁহুৰিয়াই সুঁহুৰিয়াই অহা-যোৱা কৰিবলৈ ধৰিলে। সুঁহুৰিৰ শব্দত মুখ ঘুৰাই চাব খোজোতেই এজনে শিলগুটি এটা ছাতিটোৰ ওপৰলৈ মাৰি পঠিয়ালে আৰু তাৰ পাছতেই মোৰ কাষেৰে এনেকুৱা এটা ভাবেৰে পাৰ হৈ গ'ল যেন সি শিলগুটি মৰা বিষয়টো লৈ একোৱেই নাজানে। খঙত একো নাই হৈ মই তাক 'ইদিয়ত' বুলি গালি পাৰিলো। সিদিনা সিহঁতে কোনো প্ৰত্যুত্তৰ নিদি নিৰৱে গুচি গ'ল। পিছদিনাখন দহ-বাৰজনমান ল'ৰা লগত লৈ মোৰ ছাতিলৈ শিলগুটি মৰা ল'ৰাজনে পিছফালে থিয় হৈ অতি অশ্লীলভাবে সুঁহুৰি বজাবলৈ ধৰিলে। খঙতে মই সিহঁতৰ সন্মুখত সাহসেৰে থিয় হৈ বৰ্বৰৰ দল বুলি গালি পাৰিলো। সিহঁতৰ সহ্য নহ'ল। আটাইকেইজনে আঁতৰৰপৰা ঘৰ বন্ধা ইটা একোটা আনি বৰশী বাই থকা ডোবাটোৰ পানীলৈ দলিয়াই দিলে। পানীৰ চিটিকনি মোৰ মুখত পৰিল। ভয় আৰু আতংকত চিঞৰি দিলো। মায়ে মোৰ

চিএৰ শুনি এইফালে কি হ'ল বুলি দৌৰিব লাগিছে।

'ৰাচকেল' — মই গালি পাৰিলো।

'কাৰ পাৰমিচনত বা বৰশী বোৱা হৈছে? জনা উচিত; এই মাটিখিনি ইতিমধ্যে মোৰ দেউতাই কিনিছে। ইয়াত এতিয়া এটা আঠমহলীয়া হোটেল হ'ব। বেলেগৰ ঠাইত বৰশী বালে অনুমতি ল'ব লাগে'— শিলগুটি দলিওৱা মস্তানাকৃতিৰ ল'ৰাজনে ক'লে।

ক্রমবর্দ্ধমান চহৰখনৰ কদৰ্য আৰু মানৱতাহীন অশৰীৰী অস্তিত্ব মই প্ৰথমবাৰৰ বাবে অনুভৱ কৰি শংকিত হ'লো আৰু ইয়াৰ মাজেৰে নিঃসংগতাৰ আঁৰৰ নৃশংস ৰূপটোৱো আজি যেন হঠাৎ আৱিষ্কাৰ কৰিলো। সকলোতে যেন অবিশ্বাস— সংশয় আৰু সংশয়ৰ ছানি।

আজি মই বুজি পালো— জীৱনৰ কোনো মুহূৰ্তকে চূড়ান্ত বুলি লোৱা উচিত নহয়। দেওলগা অন্তহীন আশাৰপৰা নিজকে মুক্ত কৰি ৰখাটোৱেই জীৱনৰ উদ্দেশ্য। নহ'লে কষ্টৰ পাছত কষ্ট ভুগি থাকিব লাগে।

বৰ হতাশ হৈ গ'লো। ইমান নিঃসংগতা আৰু বিষাদৰ মাজতো কোনোমতে বৰশী বোৱাৰ মাজেৰে জাৰকালিৰ ডাৱৰীয়া বতৰৰ মাজত এজোলোকা ৰ'দৰ দৰে অকমান আনন্দ আৰু ব্যস্ততা উলিয়াই লৈছিলো; আজিৰপৰা সেয়াও শেষ। দুঃচিন্তা আৰু ক্লেশৰ বন্যাই মোক বুৰাই পেলালে। সেই বন্যাত ককবকাই থাকি ভাবিলো— অহাকালি আবেলিটো বাৰু কেনেকৈ পাৰ কৰিম? ইমান অসহ্য, ইমান যন্ত্ৰণাকাতৰ; নিজকে নিজে ধিক্কাৰ দিলো।

মায়ে মোৰ সমস্যা বুজিব পাৰিছিল বাবেই গোটেই সন্ধিয়াটো আস্-ইস্ শব্দৰে ইচাট্-বিচাট্ কৰি ফুৰিছিল। মোতকৈও তেওঁৰ দুঃচিন্তা যে বহু বেছি হৈছিল, মুখৰ অবয়ব দেখিয়েই বুজিব পাৰিছিলো, আনকি শেষত এবাৰ বিৰক্ত হৈ এই ঠাইৰপৰা চিৰদিনৰ বাবে গুচি গৈ ক'ৰবাত থকাৰ কথাও কৈছিল। কিন্তু যাব ক'লৈ?

দেউতাই? বিশেষকৈ এই বয়সত? অৱসৰপ্ৰাপ্ত এজন ৰুগীয়া মানুহ; যিওৱা কান্ধ সমনীয়া পুতেক এজন আছিল সিও দেউতাকৰ কথা নাভাবি-নিচিন্তি বিপ্লৱী হৈ ঘৰৰপৰা অন্তৰ্ধান।

যোৱাৰ সময়ত লিখি থৈ গৈছে— তাক বিচাৰিব নালাগে; স্বইচ্ছাই সি সশস্ত্ৰ বিপ্লৱত যোগ দিছে।

পুলিচক কাগজখনত লিখি থৈ যোৱা কথাখিনি পঢ়ি শুনালে; পুলিচে বাপেকৰপৰা কাগজখন জব্দ কৰিলে। তাৰ পাছত কোনো খবৰ নাই; পুলিচে চেষ্টা কৰি আছে, কিন্তু শূংসূত্ৰ নাই।

দাদা বাৰু কিয় বিপ্লৱী হ'ল? কাৰ ওপৰত এই বিদ্ৰোহ? তাৰ কি হৈছে? কি লাগে তাক? সি আৰু তাৰ লগৰবোৰে সন্ত্ৰাসবাদত বিশ্বাস কৰে— সিহঁতে দেশক স্বাধীন কৰিব খোজে। কেনেকুৱা এই স্বাধীনতা? ইয়াৰ অৰ্থ কি? বৰ্তমান

দেশৰপৰা ফালি গৈ এখন সাৰ্বভৌম সমাজতন্ত্ৰ? কোনে এই দুঃস্বপ্ন তাৰ মগজুত সুমুৱাই দিলে? দেউতাই বা কি ভাবে তেওঁৰ ভাৱলেশহীন মুখাবয়ৱৰপৰা একো বুজা নাযায়; এই বিষয়টো ওলালেই তেওঁ নিৰৱ হয় বা নিৰৱে শুনি থাকে। কোনো মন্তব্য প্ৰকাশ নকৰি নিৰৱে নীলা আকাশৰ ফালে চাই থাকে। তেওঁৰ এই নিৰৱতা মাৰ বাবে বৰ অসহ্য। মায়ে বিচাৰে দেউতাই কিবা এটা কওক। কিমান বছৰৰ আশা-আকাংক্ষাৰ স্থল তেওঁৰ একমাত্ৰ ল'ৰাটোৰ কোনো খবৰ নাই।

পত্ৰ-পুষ্প শোভাহীন সম্মুখৰ খালি ফুলদানিটোলৈ চাই নিৰৱে চকুলো টোকে মায়ে। হয়তো ভাবে, সি থকাহেঁতেন তেওঁ সুখ-স্বাচ্ছন্দ্যৰে ভৰা এক অৱসৰ বিনোদনৰ জীৱন-যাপন কৰিব পাৰিলেহেঁতেন; যেনেকৈ তেওঁলোকৰ বয়সৰ লোকে পুত্ৰ-বোৱাৰী-নাতি-পুতিসহ অৱসৰ বিনোদন কৰিবলৈ মাউণ্টআবু, নাইনিতাল, চিমলা বা মুচৌৰীলৈ যায়।

দেউতাৰ মুখখনৰপৰা এই বিষয়ৰ কোনো প্ৰতিক্ৰিয়া বুজা নাযায়। তেওঁ মনৰ ভিতৰত থকা কোনো কথাই যেন প্ৰকাশ কৰিব নোখোজে।

নয়নতৰা ফুলবোৰৰ জাতিষ্কাৰ বেগুণীয়া ৰংটো সেউজীয়াৰ মাজত জকমকাই আছিল; ওপৰত হালধীয়া পখিলাবোৰে উৰি ফুৰিছিল। দেউতাই আৰামী চকীত বহি সন্ধিয়াৰ পাতল অন্ধকাৰৰ মাজত বোধহয় প্ৰশান্তি বিচাৰিছিল যদিও, আজি প্ৰশান্তিহীন হৈ মোৰ এই বৰশী বোৱা ঘটনাটোক কেবাটাও দিশেৰে চেহ্নন কৰি কৰি এটা গূঢ়াৰ্থ বিচাৰিয়াবলৈ চেষ্টা কৰিছিল। যদিও বাৰে বাৰে বিফল হোৱা যেন লাগে। অৱশ্যে সঠিককৈ কোৱা টান; এই বিষয়ে তেওঁ সম্পূৰ্ণ উদাসীন হৈ থাকি অন্য এক হেৰোৱা স্মৃতি ৰোমন্থন কৰি থাকিবও পাৰে।

মাক মই বৰ দুখী হৈ থকা দেখিছিলো; তেওঁৰ কথা ভাবি মই বিষাদত ভাগি পৰিছিলো।

আমি তিনিও বহি থকা ঘৰৰ সম্মুখৰ বাৰান্দাখন সম্পূৰ্ণ অন্ধকাৰ। নলাখন্দা মানুহবোৰৰ তম্বুৰ ফাঁকেদি খজুৰেখ বেগেৰে উদ্বাস্তু পোহৰবোৰ দিশে দিশে ওলাই আহিছে। কণা বাদুলি এটা ওপৰেৰে উৰি গ'ল। উদ্বাস্তু পোহৰৰ মাজেৰে বাদুলিৰ পাখিৰ একোণ পোহৰ হৈ উঠিল আৰু তাৰ পাছত বাদুলিটো ডাঠ অন্ধকাৰৰ মাজত পুনৰ অদৃশ্য হ'ল।

কোনোৱে বাৰান্দাৰ লাইটটো জ্বলাই দিবলৈ উঠি যোৱা নাছিল। বিৰক্তিৰ মাজত থাকি মোৰো উঠি যোৱা নহ'ল। আজি সন্ধিয়াটো এনেকৈ থকাই যেন এটা স্বতঃসিদ্ধ নীতি— লাইটটো জ্বলাই দিলেই যেন আমাৰ মনবোৰ আকৌ জলাতংক ৰোগত ভোগা ৰোগীৰ দৰে বিকৃত হৈ পৰিব। এই মুহূৰ্তত অন্ধকাৰ আমাৰ কাৰণে যেন এক আশীৰ্বাদ। বেগুণীয়া নয়নতৰাৰ শোভা, হালধীয়া পখিলা জাকৰ বনৰীয়া উৰন্ত দৃশ্য ক'লা কাপোৰেৰে মেৰিয়াই ধৰাৰ দৰে সাঁজবেলাৰ ডাঠ অন্ধকাৰে মেৰিয়াই ধৰিলে। দেউতাই ধ্ৰুৱতৰাটোৰ ফালে চাই আছিল; হয়তো

মায়েও। মই কিন্তু নয়নতৰাৰ জোপোহাবোৰত চকু নিবদ্ধ ৰাখি অন্ধকাৰৰ মাজতো বেগুণীয়া ৰংটো অনুভৱ কৰিব পাৰি নেকি চাইছিলো।

দীঘল হুমুনিয়াহ এটা দেউতাৰ মুখেৰে ওলাই আহিল।

"ইয়াত আৰু একমুহূৰ্তও ৰ'ব নোৱাৰি; মানুহবোৰ পশু হৈ গৈছে; পশুৰ লগত বাস কৰিব নোৱাৰি; তাতকৈ কুকুৰ-মেকুৰীও ভাল। ক'ৰপৰা জ্ঞানো আহিল সেইপাল? সিহঁতে আমাক টকাৰ গৰম দেখুৱায়; দহমহলীয়া বিল্ডিং সজাৰ গৰ্ব দেখুৱায়। এই বিলৰ মাজত ঘৰ এটা সাজি কোনোমতে সাপে-বেঙে জীয়াই আছিলো; তাকো সিহঁতৰ সহ্য নহয়। কাকো বিশ্বাস কৰিব নোৱাৰি, পদে পদে সংশয়। কাৰো লগত বন্ধুত্ব কৰিব নোৱাৰি। সকলো অহংকাৰত পোত গৈছে।"

মাৰ কথাত দেউতা নিৰৱ হ'ল আৰু বহু বেলিৰ মূৰত এটা শব্দ উচ্চাৰণ কৰিলে– "এৰা ঠিকেই কৈছা; মোৰো ইয়াত আৰু এক মুহূৰ্তও থকাৰো ইচ্ছা নাই। কিন্তু এই বয়সত? কেনেকৈ ক'ত কি কৰিবা? কি আছিল, কি হৈ গ'ল? মাত্ৰ পঁচিশ বছৰৰ ভিতৰত ইমান পৰিবৰ্তন?" –দীঘল হুমুনিয়াহ এটা কাঢ়ি তেওঁ ক'লে।

"এৰা, মাত্ৰ পঁচিশ বছৰৰ ভিতৰত। ইমান কম সময়ৰ ভিতৰত এনেকুৱা হৈ যাব বুলি ভবাই নাছিলো" – মায়ে অস্বস্তিৰ সুৰত দেউতাক ক'লে।

"মই জানো ভাবিছিলো?" অনভিজ্ঞ মানুহ এজনৰ দৰে দেউতাই মাৰ ওচৰত স্বীকাৰোক্তি কৰিলে। ...."আমাৰ বুবু যেতিয়া সৰু, তেতিয়াৰ এই ঠাইডোখৰৰ কথা ভাবাচোন। .....ইয়াত, মানে সেইফালে জাকে জাকে বনৰীয়া ৰাজহাঁহ আৰু শৰালি হাঁহে আকাশ ছানি কিচ্‌কিচাই উৰি যোৱা নাছিলনে?"

"চৰাইবোৰে আজিকালি আকাশেৰে উৰি যোৱা বাট সলনি কৰিলে নেকি?" অন্ধকাৰৰ মাজত বহি থকা মায়ে দেউতাক সুধিলে।

"ওহো, নাই কৰা; আমাৰ দৰে মানুহৰ অনাধিকাৰ প্ৰৱেশেহে সিহঁতক খেদি পঠিয়ালে"– দেউতাইও মাক বুজনি দিবলৈ চেষ্টা কৰা দেখা গ'ল।

"নীলা পাহাৰ আৰু হালধীয়া সোণাৰু ফুল অহা বছৰ হয়তো আৰু দেখা নাপাম"– মায়ে হতাশাৰে দেউতাক ক'লে।

"পাবা, কিন্তু য'ৰে ত'ৰেপৰা দেখা পোৱা নাযাব; চাবলৈ হ'লে ক'ৰবাত উঠি ল'ব লাগিব। আগৰ কথা সুকীয়া আছিল; ঘৰৰ বাজ ওলালেই চাৰিওকাষে এই নীলা পৰ্বত-পাহাৰবোৰ চকুত পৰিছিল। লুইতৰ পানী আগতে ইয়াৰপৰাই দেখা গৈছিল– এতিয়া নেদেখা। আজিকালি জানো ৰেল বা জাহাজৰ শব্দ শুনা? থানাৰ সেই বৰকান্দাজৰ শব্দ? দুপৰ ৰাতিৰ সেই একবজা বা দুইবজাৰ সংকেত? কিন্তু আগেয়ে, প্ৰতিটো শব্দই শুনা পাইছিলো। চ'ত-বহাগত নাহৰ ফুলা দেখিছিলো, এতিয়া নেদেখো; গোন্ধো নাপাওঁ। মৌ খাবলৈ মৌ-মাখি, ভোমোৰাবোৰ আহিছিল, এতিয়া ভোমোৰাৰ গুণগুণ শব্দ জানো শুনা? হালধীয়া পাখিৰ সেই ক'লা ভোমোৰাবোৰ। সেইফালে থকা গছবোৰত কতনা চৰাই-চিৰিকতি দেখিছিলো। এতিয়া গছো নাই-

চৰাইৰ কাকলিও নাই।"

"মই মোৰ ল'ৰাটো হেৰুৱালোৱেই; শেষত এতিয়া আনকি গছৰ ছাঁখিনিও হেৰুৱাব লগীয়া হ'ল? এনেকৈ জীৱন ধৰি থকাতকৈ নথকাই ভাল"— ঠোকা-ঠুকি মাতেৰে মায়ে ক'লে।

মাৰ কথা শুনি বিষাদত মোৰ মনটো মোচৰ খাই উঠিল। কান্দোন ওলাই আহিব খুজিছিল; যদিও কান্দোন বন্ধ কৰিলো। কান্দোন অৰ্থহীন যেন লাগিল। মই অলপ সাহসী হ'বলৈ চেষ্টা কৰিলো।

"ধৰিলোৱা, আমাৰ কাৰণে এইটোৱেই বাস্তৱ; বাস্তৱক স্বীকাৰ কৰি ল'লেই হ'ল; যিহেতু আমি এনেভাৱেই চলিব লাগিব। হয়তো চাংহাই, নিউয়ৰ্ক, টকিঅ'ও এসময়ত জলাহ আছিল। তাৰ স্মৃতি যেনেকৈ কালস্ৰোতত জাহ গৈছে আমাৰ কাষৰ এইবোৰেও কালৰ বুকুত আগৰ অস্তিত্ব হেৰুৱাই এক নতুন ৰূপ ল'ব। তুমি যদি ইতিহাস বিচাৰ কৰা তেতিয়া দেখিবা এসময়ত আমাৰ ইয়াত শিয়ালৰ হোৱা শুনা গৈছিল, এতিয়া শুনা নাযায়। ক'লৈ গ'ল সেই শিয়ালৰ হোৱা? পৰিৱৰ্তন হ'বলৈ দিয়া; পৰিৱৰ্তনেহে জগত ধুনীয়া কৰে। তাৰ কাৰণে ইমান দুখ কিহৰ? কি অৰ্থ আছে সেই দুখ-বেদনাৰ? মাত্ৰ খাপ খুৱাবলৈ যত্ন কৰা। ভালেহে হৈছে, এতিয়া কাষত কথা পাতিবলৈ মানুহ এঘৰ পাবা। সময়ে যেতিয়া পৰিৱৰ্তন বিচাৰিছে, তুমি তাক প্ৰতিৰোধ কৰিবা কেনেকৈ?" দেউতাই ইতিবাচকভাৱে কথাটো বুজাবলৈ চেষ্টা কৰিলে।

শুনিছো আমাৰ কাষৰ এই ডোবা, উলুবনি আৰু বিলবোৰ আৰু বিল হৈ নাথাকে। এই আটাইবোৰ ইতিমধ্যে বিক্ৰী হৈ গ'ল। হোটেল, চিনেমা হল আৰু আবাস গৃহ সজাৰ বাবে মানুহবোৰে উঠিপৰি লাগিছে। দিনে-নিশাই মাটি কঢ়িয়াই অনা ট্ৰাকৰ শব্দ যেনেকৈ শুনিবলৈ পাইছো এনেদৰে আৰু কিছুদিন থাকিলেই অ'ত ত'ত মেটেকা ফুলেৰে ঠাহ খাই থকা ক্ষুদ্ৰ জলাশয়, পাহাৰৰ গুৰগুৰীয়া শিলেৰে বান্ধ খোৱা ৰঙা মাটিৰ কেঁচা আলি, বগলী-কণামুচৰিৰে ভৰা পানীভোটএৰাৰে আবৃত পাতল জংগল ক্ৰমাৎ কালৰ বুকুত হেৰাই যাব। তাৰ পাছত হেৰাই যাব মোৰ অতীত। কোনোৱে নাজানিব ইয়াত এদিন মই আছিলো; মোৰ দেউতা আছিল। মই মাৰ আঁচলত ধৰি খোৱামেটেকা ফুলৰ কলি চিঙিছিলো। ৰাতি সেইবোৰেৰে মায়ে বৰ ভাজিছিল; দৰিকণা মাছৰ দৰে আটিল আৰু সোৱাদ। সেই স্বাদ এতিয়াও মোৰ জিভাত লাগি আছে।

ইয়াৰ পাছত, যিবোৰ ঠাই পাহাৰৰ মাটিৰে পোতা হ'ল, সেই ঠাইলৈ বা কোন মানুহ আহে? তেওঁলোক বা কেনে? অহংকাৰী নে নিৰহংকাৰী? তেওঁলোক শান্ত নে ভীৰু নে কাপুৰুষ নে উদণ্ড নে বনৰীয়া ম'হৰ দৰে গোনা স্বভাৱৰ? সাধাৰণভাৱে তেওঁলোকৰ টি ভি বা ষ্টেৰিঅ'ৰ ভলিউম কিমান ডেছিবল চলে? মাজে মাজে এটা হিচাপ কৰি চাওঁ— মোৰ কাণখনে বাৰু কিমান ডেছিবল শব্দ সহ্য কৰিব পাৰিব?

তাতকৈ যদি কেবাগুণো বেছি হৈ যায় তেতিয়া কি কৰিম? উত্তেজিত হ'ম নে শান্ত ধীৰ-স্থিৰ হৈ তথাকথিত ভদ্ৰমহিলা সাজি কৃত্ৰিম হাঁহি মাৰি ক'ম— আহক আমি সকলোৱে শান্তিৰে জীয়াই থাকো। খং কৰিনো হ'বই বা কি? তাতকৈ সকলো বন্ধুভাৱেই কৰিব লাগিব। নহ'লে অযথা শক্তিক্ষয়; মস্তিষ্কৰ আঘাত। কি প্ৰয়োজন, আনৰ বাবে নিজক ইমান আঘাত দিয়াৰ?......অন্ততঃ এদিনতো মোৰ নিজৰ এই মানৱতাবাদী মনটোৰ কথা ভাবি ভাল লাগিব। এইবোৰ এৰাই চলিব নোৱাৰি; জীৱনৰ অবিচ্ছেদ্য অংগ। গতিকে শান্তি আৰু প্ৰীতিৰে এনেদৰেই আগবাঢ়ি যাবই লাগিব। যেনেকৈ সমুখৰ বকুল বা শেৱালিজুপি ফুল পাত ডালৰ সৈতেহে এজোপা সম্পূৰ্ণ ফুল, তেনেকৈ অতীত বৰ্তমান বা ভৱিষ্যত লৈহে সম্পূৰ্ণ এজন মানুহ।

তেনেহ'লে ইমান নিঃসংগতা, নিস্পৃহতা আৰু দুঃচিন্তা কিয়? নিশ্চয় ইয়াৰ কিবা এটা উৎস থাকিবই লাগিব, যাৰ বাবেই মই তাত বুৰ গৈ থাকো। আচলতে মই পাৰ্থিব সকলো বস্তুপুঞ্জ -- এই যে মানুহ, সূৰ্য, চন্দ্ৰ অথবা পৃথিৱী— সকলোকে অৰ্থহীন বা অপ্ৰয়োজনীয় বুলি ভাবো। এইবোৰ নহ'লে জানো কিবা ক্ষতি? মানুহৰ জন্ম অথবা পৃথিৱীৰ অস্তিত্ব সকলোবোৰেই যেন এক বলিয়ালি। সেয়েই, প্ৰতিটো ঘটনা বা কল্পনাই কিবা অৰ্থহীন যেন লাগে— অথচ তাৰ মাজতেই মই কিবা এটা বিচাৰো। কি বিচাৰো? শান্তি, সুখ, সমৃদ্ধি? সকলো অৰ্থহীন বুলি জানিও এক অন্তহীন আশাত বন্দী। কিয় এনেকুৱাবোৰ হয়?

আশাৰনো কি মূল্য আছে? আশা সদায় আশাই। আচলতে এইবোৰ সম্পৰ্কে একো নভবাটোৱেই অতি উত্তম। কিন্তু ভাব যে আহে; ভাবক জানো বাধা দি ৰাখিব পাৰি? ভাব সদায় ভাবেই— এই যে টোপনিৰপৰা উঠিয়েই দেউতাৰ কোঠাত এৰিয়েল লগোৱা প্ৰাচীন ৰেডিঅ'টোৰপৰা ভাঁহি অহা বৰগীতৰ স্বৰধ্বনিয়ে মনটো কিবা এক অজ্ঞাত ভক্তিভাবে ওপচাই ৰাখিছে— সেইটোৱো এটা ভাব। শব্দই ভাবৰ সৃষ্টি কৰিছে; এই ভাবেই এটা আশা। মই মাত্ৰ এটা অৱলম্বনহে, ইচ্ছামতে একো কৰিব নোৱাৰোঁ....যেন শব্দইহে মোৰ মন নিয়ন্ত্ৰণ কৰিছে। ....ইয়াৰপৰা দেখা পোৱা সেই গছজোপাৰ ধোন্দত থকা কাউৰীবোৰে ৰৰষুণ দিলে কি কৰে তাকে মাজে মাজে বাহিৰৰ বাৰান্দাত বহি চাওঁ, তাৰ পাছত একেবাৰে নিৰুৎসাহ অনুভৱ কৰোঁ— কি হ'ব সেইবোৰ চাই; নাচালে বা লোকচান কি? কিন্তু মনটোৱে ভাবো —এনেকৈ কিছুসময় চাওঁচোন। কিন্তু নোৱাৰোঁ। কিবা এক অদৃশ্য শক্তিয়ে অভিলাসিত অদম্য ইচ্ছাকো দমন কৰি ৰাখে।

ৰাতি টেলিভিচনত চোৱা চাৰ্কাচৰ বহুৱা এটাই ধেমেলীয়া কথাৰে ৰৰকৈ হঁহুৱাইছিল; সেই হাঁহিত মইও খুব হাঁহিছিলো আৰু নিজকে তেনেকৈ বহুৱা সাজি দৰ্শকক ৰস দিয়াৰ কথা ভাবিছিলো। তাতেই সমবয়সীয়া ছোৱালী এজনীয়ে গ্ল'ব এটাৰ ভিতৰত সোমাই মটৰ চাইকেল এখনেৰে আশীৰ্বাৰ চক্ৰাকাৰে ঘূৰি আছিল; মোৰো মনে মনে তেনেকুৱাকৈ চাইকেল চলাই মানুহক স্তম্ভিত কৰাৰ এক দুৰ্বাৰ

বাসনা জন্মিছিল। কিন্তু অলপ পাছতেই দুয়োটা বাসনাৰ কথা ভাবি এই অৰ্থহীন উপকৰা বিলাসিতাৰ বাবে নিজৰেই হাঁহি উঠি গ'ল। কিবা বলিয়া বলিয়া যেন ভাব হ'ল। তাৰ পাছত মোৰ বৰ লাজ লাগিল। হাঁহিলো।

দোকমোকালিতে উঠি সম্মুখৰ বিলটোৰ মেটেকা ফুলবোৰ ধূসৰ হৈ উঠা যেন অনুভৱ কৰিলো আৰু তাৰ কাৰণটো ভাবিলো। বাৰিষা শেষ হ'বলৈ আৰম্ভ কৰিছে বাবেই পুৱাৰ শেষৰ ফালে সাধাৰণভাবে কুঁৱলী পৰিবলৈ ধৰিছে। সেই কাৰণেই আমাৰ ঘৰৰ জেওবাৰ সিফালে থকা মেটেকা, পানীভোটএৰাৰ বেগুণীয়া চিলিমাকৃতিৰ ফুলবোৰ ইয়াৰপৰা এতিয়া অস্পষ্ট; কিন্তু যোৱা একপযেকমানৰ আগেয়ে দোকমোকালি সেইবোৰ স্পষ্ট দেখা গৈছিল।

বতাহ এছাটি বৈ গ'ল, মই শেৱালি ফুলৰ সুঘ্ৰাণ পালো; অনুভৱ কৰিলো বতাহ যেন শুকান আৰু পাতল লৈ আহিছে। তাৰ পাছত দেখিলো বিলৰ মাজৰ ওখ ঠাইডোখৰ কহুৱা ফুলৰ ভৰত দোঁ খাই গৈছে। আপোনা-আপুনি শৰৎকালৰ বৰ্ণনা এটালৈ মনত পৰিল। বৰ্ণনাটোৰ চেতনাই দহ চেকেণ্ডমান উৎসাহী কৰি তুলিলে যদিও তাৰ পাছতেই পুনৰ নিৰুৎসাহ আৰু অসাৰ অনুভৱ কৰিলো। সেই উৎসাহৰ কাৰণটো কি হ'ব পাৰে ভাবি চালো? কিন্তু কোনো কাৰণ অনুভৱ নকৰিলো যদিও বেগুণীয়া ফুলবোৰৰ সৌন্দৰ্য ওচৰৰপৰা চাবলৈ মন গ'ল। হাতেৰে স্পৰ্শ কৰিও চালো। অথচ মনত কোনো প্ৰতিক্ৰিয়া নহ'ল। অৱশ্যে চেঁচুক ঠাইডোখৰত কীট বিচাৰি ফুৰা ঔকুলীবোৰ পানীত জপং জপংকৈ পৰাৰ পাছত এক নিৰ্জনতা আৰু নিসংগতা অনুভৱ কৰিলো।

ফুল এটা চিঙি আনিবলৈ মন গৈছিল; কিন্তু থমকি ৰ'লো। কাঁড়শলা সাপ এডালে ফুলটো মেৰিয়াই ধৰি মোলৈ নিস্তব্ধ হৈ চাই থাকিল, মই ভয় খালো। ভয় খোৱাৰ কাৰণটো বিচাৰিলো— অৰ্থাৎ জীৱনটোৰ প্ৰতি মোৰ মায়া অথবা মোহ আছে। তেনেহ'লে আকৌ মাজে মাজে পাৰ্থিব বস্তুবোৰ অসাৰ বুলি ভাবো কিয়? নিশ্চয় অন্তৰত এক মৃত্যুভয় সদাজাগ্ৰত, নহ'লেতো ভয় নাখালোহেঁতেন। কথাষাৰ ভাবি নিজৰ ওচৰত বৰ লাজ পালো আৰু নিজকে ভণ্ড আৰু বিলাসিতাপ্ৰৱণ যেন লাগিল।

আজি আকৌ ফুলৰ সৌন্দৰ্য চাবলৈ ইচ্ছা হ'ল। কিন্তু যোৱাকালিৰ অভিজ্ঞতাই মোক তাৰপৰা বিৰত কৰি ৰাখিলে। তথাপিও মুনিচুনি বেলিৰ পোহৰত ফুলি থকা ফুলৰ সৌন্দৰ্য্য চাবলৈ গ'লো। কিন্তু এনেকুৱা লাগিল সেইবোৰ যেন ফুল নহয়-- কাঁড়শলা সাপৰ দীঘল দীঘল মুখবোৰ লেউ লেউকৈ জিভা মেলি মোৰ কাষলৈ আগবাঢ়ি আহিছে। সেয়া ফুলবোৰৰ মাজত বাজি আছে কাঁড়শলা সাপৰ শব্দ। মোৰ ধাৰণা হ'ল সকলো সুন্দৰেই যেন বিষাক্ত; নজনা-নভবাকৈ সেইবোৰৰ ওচৰ চপাটো উচিত নহয়। দেখাত ফুলবোৰ সজীৱ, গছবোৰো সজীৱ; অথচ সেইবোৰ স্পৰ্শৰ বাহিৰত। ফুল দেখিলেই যে চিঙিবই লাগিব তাৰ কোনো যুক্তি নাই। বোধহয়

সকলো সুন্দৰকেই সদায় এক কুৎসিৎ কদাকাৰ আৰু বীভৎসতাই নিয়ন্ত্ৰণ কৰে। যেনেকৈ মই দেখাত সুন্দৰ যদিও মোৰ ভিতৰত কদৰ্য ৰূপ এটা আছে আৰু সেই কদৰ্য ৰূপটোৰ বাবেই মই আজি এনেকৈয়ে স্বামীগৃহৰপৰা উভতি আহিলোঁ।

এইমাত্ৰ প্ৰথমবাৰৰ বাবে যেন মই নিজক আবিষ্কাৰ কৰিলো। মায়ে কৈছিল— অকণ ক'ৰবাৰলৈ ওলাই যাব পৰা হ'লে? আবেলি মা-দেউতাৰ লগত ওলাই গৈ পাৰ্কত বহিলো।

এই গছজোপাৰ তলত থিয় হৈ মই বৰ ভাল পাওঁ। কিয় ভাল পাওঁ? নিজকে নিজে এবাৰ প্ৰশ্ন কৰি চালো— কাৰণ, ইযাত অলেখ স্মৃতি বিজড়িত হৈ আছে। স্মৃতিবোৰে মোক সদায় আচ্ছন্ন কৰি ৰাখে নেকি? হয়তো স্মৃতি ৰোমন্থন এটা খেয়াল নতুবা নিজেই খেয়ালী মনৰ। সেইবাবেই সময়বোৰ এই ভাল লাগে, এই বেয়া লাগে।

গছজোপাৰ তলত থকা দীঘলীয়া চিৰিলা-চিৰিলি কাঠেৰে সজা বেঞ্চখনকো গছজোপাৰ দৰেই ভাল লাগে। ছাতি টোৰ দৰে কৃষ্ণচূড়া গছজোপাই বেঞ্চখনক আগুৰি ৰাখে— যেন কোনোবা মাতৃৰ কোলাৰ সন্তানহে। মোলৈ বাট চাই চাই প্ৰায়েই দেৱজিতে যেতিয়া তাত ৰৈ থাকে, তেতিয়া তেওঁক বেঞ্চখনৰ দৰে লাগিছিল। জেঠমহীয়া কৃষ্ণচূড়া ফুলজোপা জাতিষ্কাৰ হৈ ফুলি থাকে; কেতিয়াবা তাৰ মাজত কুলিৰ এটা সৰুফুটীয়া মাত। এইখিনি কথা ভাবিলেই এটা অলিখিত কবিতাৰ কেইটামান শাৰীয়ে মোৰ কাণৰ কাষত গুণগুণাই.....কৈশোৰ, যৌৱন মোক ওভোটাই দিয়া। মই আকৌ শুকান সোণাৰু পাতত তেওঁৰ নাম লিখি বতাহক কওঁ .....উৰুৱাই নি তেওঁৰ হাতত দিয়াগৈ। আৰু বতাহক সোধো দিলা নে ঢালি প্ৰিয়তমৰ হাতত মোৰ মনৰ সোণাৰু হালধীয়া সোণৰ নদী। যিদিনাখন আমি ইয়াত প্ৰথম বহিছিলো, সিদিনাখন আছিল গ্ৰীষ্মকালিৰ এক আবেলি। নৈৰ ওপৰেৰে বাগৰি অহা কোমল বতাহ এজাকে তেওঁৰ চুলিবোৰ উৰুৱাইছিল। পিছফালৰ কাছাৰীটো সিদিনা বন্ধ থকাত ঠাইডোখৰ নিষ্প্ৰাণ লাগিছিল। ডেপুটি কমিচনাৰৰ অফিচটোৰ তলৰ ঘাটৰ পৰা নাও এখনে যাত্ৰীলৈ নৈৰ বুকুৰে ক'ৰবালৈ গৈ আছিল। তেওঁ মোক সেই ঠাইখিনিৰ অতীতৰ স্মৃতি গাঁথা শুনাইছিল.....এসময়ত এই পাৰ্কখন এখন খোলা পথাৰ আছিল। বসন্তকালত ইয়াত সোণাৰু আৰু এজাৰ ফুলিছিল। গছৰ তলে তলে ভেণ্ডৰবোৰে নিগনি মৰা দৰৱ বিক্ৰী কৰি ফুৰিছিল। ভেণ্ডৰবোৰৰ কৰ্কশ ছটা মাতৰ সংলাপবোৰ অভিনয় কৰি তেওঁ তাৰ পিছৰ লগৰবোৰে ডাকঘৰৰ মাজৰ সৰু লুঙলুঙীয়া আলিটোৰে সূৰ্যমুখী ফুলৰ শোভা চাই চাই পিছফালে থকা চহৰৰ প্ৰাচীনতম স্কুলখনলৈ গৈছিল আৰু দুপৰীয়া পানীখোৱা ছুটিত প্লাচটিকৰ পুতলা সাপ এডাল লৈ বহি থকা মানুহজনে দেখুৱা যাদু চাবলৈ আহিছিল। মই তেওঁৰ এই ৰ'ৰামতীয়া স্বভাৱৰ কথা শুনি শুনি কেতিয়াবা অকলশৰেও হাঁহি দিছিলো। মায়ে তেতিয়া মোক পগলা হোৱা বুলি কৈছিল। মায়ে তেনেকৈ ক'লে মই আৰু বেছি কৰ

পাইছিলো।

সাপৰ পুতলা লৈ যাদু দেখুৱা মানুহজনে হেনো বনৌষধি বিক্ৰী কৰিছিল। তেওঁ হেনো বনৌষধি কিনি ঘৰত মাক-বাপেকৰ গালি-শপনি খাইছিল।

বহুবছৰ আগেয়ে গীৰ্জাটোৰ কাষত এজন মানুহে একেৰাহে তিনিশ ঘন্টা জোৰা চাইকেল চলাই চহৰৰ মানুহক চমক খুৱাইছিল। এটা তম্বুৰ তলত তেওঁৰ আচবাববোৰ আছিল আৰু সমুখৰ এখন ব্লেক ব'ৰ্ডত মানুহজনৰ নাম, পৰিচয়, জন্ম ইত্যাদি লিখি থোৱা আছিল। এই কথা সদৰি কৰিবলৈ সেই তেৰ দিন অনবৰত লাউদ স্পীকাৰত হিন্দী গান বজাই ৰখা হৈছিল। স্কুলত সেই তেৰদিন ছাত্ৰবোৰৰ মাজত এই কথা লৈ এক উত্তেজনাৰ সৃষ্টি হৈছিল আৰু তাৰ বাবে দলে দলে স্কুলৰ পৰা পলাইছিল। কাষত হেনো ভেণ্ডৰবোৰে নাচপতি বিক্ৰী কৰিবলৈ পোহাৰ মেলিছিল। দেৱজিতে হেনো নাচপতি খাই খাই চাইকেল চলোৱা চাইছিল। এই ঠাইখিনিতে হেনো এবাৰ এখন ডাঙৰ মল্লযুঁজ হৈছিল। পৃথিৱীৰ বিখ্যাত বিখ্যাত মল্লবীৰসকল আহি ইয়াত যুঁজ দি গৈছিল। তেওঁ হেনো মল্লবীৰসকলক দেখা কৰিবলৈ গৈছিল; যাওঁতে এজনে হেনো এটুকুৰা কেঁচা তিয়হ খাবলৈ দিছিল। সেই কথা শুনি মই খিলখিলাই হাঁহিছিলো। কলেজত পঢ়ি থকা সময়ত আমি দুয়ো ঘৰত নজনাকৈ মাজগাওঁ, ৰজাদুৱাৰ আৰু মধ্যমখণ্ডলৈ যাব খোজা ফেৰীৰ ডকত থিয় হৈ দলঙৰ সিপাৰে সূৰ্যাস্ত চাইছিলো। মই দৃশ্য চাই চাই গুণগুণাই আছিলো। তেওঁ মোৰ গুণগুণনি শুনি নিৰৱ হৈ পৰিছিল। দুই-এজনে আমাৰ ফালে চাইছিল। মই লাজতে দোপাত্তাৰে মুখখন ঢাকিবলৈ চেষ্টা কৰা দৃশ্য চাই চাই তেওঁ খিলখিলাই হাঁহিছিল।

নৈৰ পানী ঘনায়মান অন্ধকাৰত বুৰ গৈছিল। অন্ধকাৰত নিমজ্জিত পানীৰ ঢৌবোৰৰ অস্তিত্ব অনুভৱ কৰি মোৰ বৰ ভাল লাগিছিল। তেওঁ আবেগিক হৈ মোৰ ওঁঠ স্পৰ্শ কৰিছিল আৰু তাৰ মাজেৰে স্বৰ্গানুভূতি অনুভৱ কৰিছিলো। তাৰ পাছত, দীঘল দীঘলকৈ নদীৰ ওপৰেৰে বলি থকা পাতল বতাহত উশাহ লৈ দুয়ো অন্ধকাৰত বালিচৰৰ মাজে মাজে ঘূৰি ফুৰিছিলো। কেতিয়াবা তেওঁ মোৰ বুকুত হাত থৈছিল। তেতিয়া মই এক অব্যক্ত সুখানুভূতি অনুভৱ কৰিছিলো। এনেকুৱা বতাহ মোৰ বৰ ভাল লাগে— আনন্দত অধীৰ হৈ তেওঁ কৈছিল।

আঁতৰত জালোৱা এজনে তেতিয়াও বাঁহৰ খুটি এটাৰ ওপৰত উঠি জাল টানি আছিল। গাৰ নোম দেখা-নেদেখা অন্ধকাৰত তেতিয়াও মাছৰ বাকলিৰ ৰূপালী ৰংটো স্পষ্ট দেখা গৈছিল। আমি জলোৱাজনে মাছ মৰা চাবলৈ গৈছিলো। তলত এখন চৈ-দিয়া নাও আছিল। নাওত এজনে দোতাৰা বজাই বজাই কামৰূপীয়া লোকগীত গাই আছিল। সিফালৰ পৰা জোনাকটো পিতলৰ ঘূৰণীয়া থাল এখনৰ দৰে ক্ৰমাৎ আমাৰ মূৰৰ ফালে আহিবলৈ আৰম্ভ কৰিছিল।

ভবা নাছিলো, পুৰুষ এজনে হঠাৎ তেনেকৈ উচুপি উঠিব পাৰে। মই আশ্চৰ্য্য হৈ সুধিলো— 'হঠাৎ কি হ'ল?'



"উচুপি চালো, কেনেকুৱা লাগে— মানে ধেমালি কৰিলো"— তেওঁ হাঁহি হাঁহি ক'লে।

'ধেমালি, কিয়'? মই বিৰক্ত হৈ সুধিলো।

'কৰি চালো'— তেওঁ অতি সহজভাবে কৈ শেষ কৰিলে।

'কিয় কৰিলা?'

"ধেমালিয়ে আমাৰ জীৱনত কিবা মানসিক পৰিবৰ্তন আনিব পাৰে নেকি?"

"মানসিক পৰিবৰ্তন? সি আকৌ কেনেকুৱা?"

'এই যে মোৰ ভাল নালাগে, কোনো কাম কৰি আনন্দ নাপাওঁ, উৎসাহ অনুভৱ নকৰোঁ। সেযেহে সেই নৈৰাশ্য এৰি যাতে অকণমান আশা পাব পাৰো'— দেৱজিতে ক'লে।

"তুমি বিচৰাবোৰ জানো পালা?"

"ওহো নাপালো, আগতকৈ বেছি বেয়াহে লাগিছে। ধেমালি নকৰা হ'লেই ভাল আছিল; হয়তো তেতিয়া সিমান বেয়া নালাগিলহেঁতেন—"

"নিজক আনৰ ওচৰত তুচ্ছ কৰি ভাল পোৱা নেকি?"

"আচলতে নাপাওঁ, কিন্তু মাজে মাজে নিজৰ অজ্ঞাতে এনেকুৱাবোৰ হৈ যায়। এই যে বন্ধ বন্ধ ভাব, ভাল নালাগে—"

"কি কৰিলে বাৰু তোমাৰ ভাল লাগিব পাৰে?"

'নাজানো'-

"দুয়ো কথা পাতি থকাৰ সময়ত কেনেকুৱা লাগিছে?"

'নাজানো'–

"তথাপি?"

"কৈছো নহয়, নাজানো"

"তুমি কিবা এটা পাবলৈ আশা কৰি থাকা আৰু আজিলৈ পোৱা নাই বাবে হঠাৎ ধৈৰ্য হেৰুৱাই এনে বলিয়ালিখন আৰম্ভ কৰা। নহয়নে?"

"হ'বও পাৰে, কিন্তু আজিলৈ ভাবি চোৱা নাই–"

মোৰ দাদাও দেৱজিতৰ দৰে আছিল। সকলোতে আঁকোৰগোজ। নিজে যিটো সত্য বুলি ভাবে সেইটোকেই সকলোৱেই সত্য বুলি মানি ল'ব লাগে। যিসকলে মানি লয়, তেওঁলোক তাৰমতে ভাল আৰু বাকীবোৰ বেয়া বা অসৎ। নিজক ভাল বুলি ভাবি আইনক অসৎ বুলি ভবাটোৱেই ভুল। এনেকুৱা কথা এটা হ'ব নোৱাৰে। মই সম্পূৰ্ণ ভাল হ'ব নোৱাৰোঁ বা তেওঁ সম্পূৰ্ণ বেয়া হ'ব নোৱাৰে। আচলতে আমি সকলোৱে ভাল বা আমি সকলোৱে বেয়া। ভালৰ উপযুক্ত ব্যাখ্যা বা বেয়াৰ উপযুক্ত ব্যাখ্যা কৰা কঠিন। যেনে...... হৰিয়ে কফি হাউচত দেখা পাই মোক নামাতিলে, তাৰ কাৰণে হৰি বেয়া হৈ যাব নোৱাৰে। মই কাৰোবাৰ লগত সন্ধিয়া ইয়াত থিয় হৈ থাকিলো বুলিয়েই বেয়া হৈ নাযাওঁ। .....দাদাৰ লগত সেই কাৰণে মোৰ তৰ্ক-বিতৰ্ক হৈছিল। সি সশস্ত্ৰ বিপ্লৱৰ যোগেদি পৃথিৱীত সকলোৰে কাৰণে সুখ-শান্তি নিৰূপণ কৰিব বিচাৰিছিল আৰু সশস্ত্ৰ বিপ্লৱত বিশ্বাস নকৰা সকলক ভাল নেপাইছিল। অনবৰত কিবা এক ভাবত সি বিভোৰ হৈ থাকে, মাজে মাজে দেখিছিলো ক'ৰবাৰ পৰা ৰিভলভাৰ এটা আনি ফিচ্‌ফিচাই গুলী মাৰে। এদিন মই তাৰ হাতৰ পৰা ৰিভলভাৰটো এৰুৱাই নিছিলো। সি তেতিয়া বলিয়াৰ দৰে একো নাই হৈ মোৰ পৰা জব্দ কৰি নি কপালত ৰিভলভাৰটো থৈ ট্ৰিগাৰ টিপিব খুজিলে– মই চিএঞৰি দিলো। হঠাৎ সি সেইটো চকুৰ পচাৰতে ক'ৰবাত লুকুৱাই থলে। ক'ত থলে নাজানো। মই চিএঞৰিলো। সি মোক সাৱধান কৰি দিছিল– তাৰ হাতত যদি ৰিভলভাৰ থকা বুলি দেউতাক জনাও তেনেহ'লে মোক সি গুলীয়াই মাৰিব। আকৌ এদিন দেখিলো তাৰ এড়ি চাদৰৰ তলত এটা লাইট মেচিন গান; মই কোনো দিনেই মেচিন গান দেখা নাছিলো। মই দেউতাক দাদাৰ হাতত থকা সেই লাইট মেচিন গানটোৰ কথা কৈছিলো। দেউতা উচপ খাই উঠিছিল মোৰ কথা শুনি আৰু তাৰ পাছত এক প্ৰকাৰ বলিয়াৰ দৰে চিএঞৰি চিএঞৰি মাক কৈছিল– হেৰা শুনিছানে নাই, মই কি ল'ৰাক এইবোৰ কৰিবলৈহে বাঙ্গালোৰত ইলেকট্ৰনিক্স পঢ়ুৱাই আনিলো?

আমি দুয়ো একেলগ হৈ সেইটো বিচাৰিলো। দেউতাই পুলিচত খবৰ দিব খুজিছিল। মোৰ কিন্তু দেউতাৰ সেই সিদ্ধান্তত বৰ ভয় লাগিছিল; এনেকুৱা লাগিছিল যেন এই দোষত দুয়োকে গুলীয়াই মৰাটো তাৰ কাৰণে অতি সহজ কথা হৈ গৈছে।

ৰাতি ঘৰলৈ উভতি অহাত দেউতাই তাক কোঠালৈ মাতি পঠিয়ালে। সি কিবা খণ্ডত আছিল বাবে যোৱা নাছিল। তাৰ মনৰ খংটো প্ৰশমিত কৰিবলৈ চাহ একাপ আনি কাষত থলো। হঠাৎ মোৰ ফালে চাই দিছিল আৰু চমুকৈ এযাৰি কথা কৈছিল--'আবদাৰ দেখুৱাইছ?'

মই ভয়ে ভয়ে খিড়িকীৰ কাষত বৈ আছিলো। সি মোৰ ফালে ৱিৰক্তিৰে চালে আৰু ক'লে— বুজিছ ভণ্টি, আজিক চাই কাইলৈৰ সিদ্ধান্ত লোৱাটো বৰ কঠিন; আজিৰ ছবিখন মাত্ৰ আজিৰ বাবেহে; কাইলৈ সি স্মৃতি হৈ যায়।

তাৰ কথাৰ অৰ্থ মই নুবুজিলো, মাত্ৰ হাঁহি দিলো।

সি মোৰ ফালে আকৌ চালে, মই তাৰ ফালে নাচালো। মোৰ তালৈ ভয় লগা হ'ল। সি যেন লাইট মেচিন গানটো লৈ মোৰ ফালে আগুৱাই আহিছে। ভয়ত চিঞৰিব খুজিছিলো, কিন্তু নিচিঞৰিলো, কাৰণ তাৰ প্ৰতিক্ৰিয়া অন্য কিবা হৈ যাব পাৰে। অৱশ্য হৈ তাৰ পৰা ওলাই আহিলো।

দাদাক মই সকলো পৰাই ভয় কৰিছিলো। আমি দুয়ো যেতিয়া হাইস্কুলত পঢ়িছিলো, তেতিয়া বিভিন্ন কথা লৈ সি মোৰ লগত তৰ্ক কৰিছিল। মই তাৰ লগত কোনো দিনেই তৰ্কত জিকিব পৰা নাছিলো; কাৰণ, তাৰ তুলনাত মোৰ জ্ঞান বৰ কম আছিল। বেছিভাগ সময়ে সি লাইব্ৰেৰীত কটাইছিল আৰু তাৰ বাবাই সি যথেষ্ট অধ্যয়নপুষ্ট হৈ উঠিছিল। ৰাজনৈতিক জ্ঞানৰ পৰা ইতিহাস আৰু কলাৰ প্ৰাচ্য-পাশ্চাত্য ধাৰণাবোৰ সি সলসলীয়াকৈ ব্যাখ্যা কৰিছিল, আনকি দেউতাইও তাৰ এই জ্ঞান দেখি স্তম্ভিত হৈছিল। মই বেছিভাগ সময় মাৰ লগত পাকঘৰতেই কটাইছিলো বাবেই তাৰ লগত তৰ্ক কৰি জিকিব নোৱাৰিছিলো। সি কিয় হাতত বন্দুক তুলি লৈছিল সেই বিষয়ে এদিন দেউতাৰ ওচৰত ব্যাখ্যা কৰিছিল।



আটাইবোৰ কথা মনত নাই, কিন্তু দুই এটা কথা মনত আছে "....... শাসনযন্ত্ৰই ইয়াৰ মানুহখিনিক কলটো খাই বাকলিটো দি ভুৰুকাই আছে, বছৰৰ পাছত বছৰ কি এনেদৰেই চলিব ?" ইত্যাদি কিছুমান জ্বলন্ত প্ৰশ্ন সি দেউতাক কৰিছিল। সিদিনাখন ৰাতি দেউতাই আনকি ঘৰৰ পৰাও খণ্ডত ওলাই গৈ কোনোবা বন্ধুৰ ঘৰত কটাই সেই কথাৰ প্ৰতিবাদ কৰিছিল। কিন্তু ৰাতিপুৱা দেউতা আকৌ যেতিয়া ঘৰলৈ উভতি আহিছিল সি আকৌ তৰ্ক আৰম্ভ কৰিছিল। দেউতাই তাক মৰমেৰে মূৰত হাত বুলাই বৰ নম্ৰভাবে কৈছিল- "বোপাই, তোৰ লিখা কবিতাবোৰ বেছ ভাল, সেইয়ে বন্দুক এৰি কবিতাত ধৰ। মোৰ এইবোৰত বিশ্বাস নাই। তাতকৈ তই কবি হ'লেই শান্তি পাম।"

দেউতা, দেউতাৰ মতত অবিচল আৰু দাদা, দাদাৰ মতত অবিচল। সেই ৰাতি সি মোকো প্ৰথম বাৰৰ বাবে সশস্ত্ৰ বিপ্লৱৰ কথা কৈছিল। সেই বিপ্লৱৰ শত্ৰুপক্ষ আৰু মিত্ৰপক্ষ কোন কোন তাকো বুজাই দিছিল। মই এইবোৰৰ ভাবাৰ্থ একো নুবুজা বুলি কোৱাত সি খণ্ডত একো নাই হৈ মোক অপদাৰ্থ যথামূৰ্খ গোমূৰ্খ আদি গালিবোৰ পাৰি পুনৰ বুজাবলৈ চেষ্টা কৰিছিল। মই কোনটো ফৈদৰ লোক, আৰু এই ফৈদৰ শ্ৰেণী-চৰিত্ৰনো কি প্ৰশ্ন কৰিছিল। মইও খণ্ডত তাক স্পষ্টভাবে কৈছিলো— গৰুৰ আগত টোকাৰী বাই শিং জোকাৰি ঘাঁহ খায়। মোৰ ফকৰা শুনি তাৰ সেইবাৰ হাঁহি উঠিল আৰু হাঁহি হাঁহিয়েই ক'লে- তই বা দেউতা এইসকলৰ শ্ৰেণী হৈছে সুবিধাবাদ। তেনে অপবাদ পোৱাৰ পাছত তাৰ ওপৰত অসম্ভৱ খং উঠিছিল আৰু কেবাদিনো ধৰি তাক মতা নাছিলো। কিন্তু সি মোক সুবিধাবাদী চৰিত্ৰৰ বুলি কিয়নো ক'লে তাকেই কেবাদিনো ধৰি ভাবিলো। আত্ম-সমালোচনা কৰাৰ পাছত মই যে সঁচাকৈয়ে সুবিধাবাদী কথাটো লাহে লাহে জ্বলজ্বল-পট্পট্কৈ ওলাই পৰিছিল। তাৰ লগত কথা-বতৰা যিমানেই পাতিবলৈ ধৰিলো সিমানেই মোৰো চিন্তাৰ হঠাৎ উত্তৰণ ঘটিল।....... ক্ৰমাৎ, মোৰ সম্পৰ্কীয় মানুহবোৰৰ সুবিধাবাদী লোলুপ দৃষ্টিবোৰ চকুত পৰিবলৈ ধৰিলে; আৰু সেই কাৰণেই মোৰ তেওঁলোকক বেয়া লগা হ'ল। অবশ্যে নাজানো, সেইটো ভালনে বেয়া ? কিন্তু নিজৰ অজ্ঞাতে প্ৰতিজন মানুহক দাদাৰ সেই ৰাজনৈতিক দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰিবলৈ ধৰিলো। তাৰ লগে লগে মোৰো হঠাৎ লাহে-বিলাস কমি গ'ল; আনকি মই বান্ধৱীবোৰৰ লগত সেই চিৰাচৰিত আলোচনাৰ বাহিৰত থাকিবলৈও আৰম্ভ কৰিলো। তাইহঁতে মোৰ এই পৰিবৰ্তনত আচৰিত হ'ল। সকলোতকৈ বেছি আচৰিত হোৱা দেখিলো মাক। প্ৰথমবাৰৰ বাবে মই মাৰ লগত দুৰ্গাপূজা চাবলৈ আৰু অঞ্জলি ল'বলৈ অপাৰগ হ'লো। মাৰ খং উঠিল আৰু দাদাৰ লগত বেছি কথা-বতৰা পতা বাবেই এনেকুৱা হোৱা বুলি মন্তব্য কৰিলে। দেউতাই কোনো মন্তব্য প্ৰকাশ নকৰি হোঁ-হোঁৱাই হাঁহি দিলে। সেই হাঁহিৰ অৰ্থ আজিও নুবুজিলো। মায়ে তেতিয়া অকলশৰে অঞ্জলি ল'বলৈ নাযাওঁ বুলি ঘৰৰ কোনো এজনকে নামাতি

কোঠাত খিলি লগাই শুই থাকিল। দেউতাই বাৰে বাৰে মোক পূজাৰ থলালৈ লৈ যোৱাৰ বাবে অনুৰোধ কৰিছিল। মই কিন্তু নগ'লো। অগত্যা দেউতাই মাক লৈ পূজাৰ থলালৈ গ'লগৈ। দাদা আৰু মোলৈ নিৰ্মালি আৰু বেলপাতত বলিৰ তেজ আনিছিল। আমি দুয়ো গ্ৰহণ নকৰিলো। শেষত গালি-শপনি পাৰি সিদিনা একো নাখালেও, নাৰান্ধিলেও। খং উঠি দাদাই মা-দেউতাৰ মনত পাপবোধ থকা বাবেই ভগবানৰ দুৱাৰে দুৱাৰে পৰাচিত কৰি ফুৰা বুলি মন্তব্য কৰাত দুয়ো সিদিনা পুনৰ স্তব্ধ হৈছিল। আনকি দুদিন ধৰি আমাৰ ঘৰত ৰন্ধা-বঢ়া কৰা নাছিল। মায়ে পিছফালৰ বাৰান্দাত বহি দুখ মনেৰে অকলশৰে বহি চকুলো টুকিছিল।—

হঠাৎ এদিন দাদাৰ বন্ধু অম্লানক লগ পাই গ'লো। সিও পুনাৰপৰা এম এ পাছ কৰি আহি ঘৰতে কাম-বন নোহোৱাকৈ বহি আছিল।

দাদাৰ নিৰুদ্দেশৰ পাছত মই বৰ অকলশৰীয়া অনুভৱ কৰিছিলো আৰু অম্লানৰ লগত অবাধে চলা-ফুৰা কৰিবলৈ ধৰিলো। আমাৰ এই সম্পৰ্ক তাৰ মাক-দেউতাকে ভাল পোৱা নাছিল বাবেই সি ঘৰৰ পৰা ওলাই আহি ভাড়াঘৰত থাকিবলৈ ল'লে আৰু জীৱিকাৰ বাবে কেইটামান টিউশ্যন বিচাৰি ল'লে। সেই ভাড়াঘৰক কেন্দ্ৰ কৰিয়েই তাৰ এক অস্বাভাৱিক বন্ধুচক্ৰ গঢ়ি উঠিল। তাৰ বন্ধু বিভিন্ন ধৰণৰ— ডাক্তৰ, ইঞ্জিনিয়াৰ, কেৰাণী, ঠিকাদাৰ, মদাহী, জুৱাৰী, চাপ্লাই ইনচ্‌পেক্টৰ, ইনকম টেক্স ইনচ্‌পেক্টৰ আদি। সেই বন্ধুসকলৰ আগমনৰ কোনো ধৰা-বন্ধা নিয়ম নাই— যিকোনো সময়ত আহিব পাৰে, আনকি কেতিয়াবা ৰাতি দুই বজাতো কোনোবাই আহি ঘৰত টুকুৰিয়ায়। প্ৰয়োজন হ'লে সি সেইসকলৰ পৰা পইছা ধাৰলৈও আনে; কিন্তু ঘূৰাই নিদিয়ে আৰু যোৱাৰ পাছত তেওঁলোকৰ প্ৰতিজনকে প্ৰতিক্ৰিয়াশীল বুলি গালিও পাৰে।

কিছুদিন ৰাতিপুৱাতে ওলাই আহি ওৰে দিনটো থাকি অম্লানৰ ভাড়া-ঘৰটো ধুনীয়াকৈ সজাই পৰাই দিছিলো। আনকি মোৰ সাঁচতীয়া পইছাৰে কাপোৰ কিনি তাৰে খিড়িকীৰ পৰ্দা পৰ্যন্ত চিলাই দিছিলো। পাকঘৰটো বৰ লেতেৰা কৰি ৰাখিছিল, তাকো মচি-কাচি পৰিপাটী কৰি তুলিছিলো। মাজে মাজে অ'ত ত'ত ফুলদানি সজাই তুলিছিলো।

অম্লানৰ এই অস্বাভাৱিক জীৱন প্ৰক্ৰিয়াৰ লগত থাকি থাকি মোৰ নিজকে লাহে লাহে অইন ছোৱালীৰ দৰে নলগা হ'ল। আনকি মই সম্পূৰ্ণ আকাংক্ষাহীন হৈ বৰ্তমানকে একান্ত বাস্তৱ বুলি চিন্তা কৰিবলৈ শিকিলো। কেনেকৈ কিয় এনে চিন্তা হ'ল নাজানো; হয়তো অম্লানৰ দৰে যাযাবৰী জীৱন-জিজ্ঞাসাই জীৱনৰ বাবে একমাত্ৰ পথ বুলি গ্ৰহণ কৰা বাবেই নেকি? মোৰ লগৰবোৰে আলোচনাও কৰিছিল— অম্লান কেনেকুৱা ধৰণৰ মানুহ? তেনেকুৱাকৈ থাকে কিয়? মইও হাঁহি হাঁহি সুধিছিলো— "কেনেকুৱা?"

"অনবৰত বোলে খাইয়ে থাকে? ভাবনো বাক কিহৰ ইমান দুখ?" সিহঁতে

সুধিছিল।

সিহঁতৰ কৌতূহলোদ্দীপক প্ৰশ্নটো শুনি মোৰ বৰ হাঁহি উঠিছিল আৰু লগৰ বান্ধৱীবোৰৰ প্ৰশ্নটো মই অম্লানক জনাইছিলো। সিও হো-হোঁৱাই হাঁহি দিছিল আৰু সেই হাঁহি থকা সময়তে তাৰ কেবাজনো ছাত্ৰই হাতত মুগাবৰণীয়া কাগজেৰে মেৰিওৱা নিচাৰ বটল আৰু শুকান মাংসৰ টোপোলা লৈ সোমাই আহিছিল। তাৰ পাছত তাৰ এই ভাড়া-ঘৰটো যেন এটা ঘৰ নহয়— এটা ক্লাবহে। সুৰাৰ লগত সংগীত নহ'লে নজমে বুলি কৈ সিহঁতে নিজেই ষ্টেৰিঅ আনিলে আৰু লগত আনিলে বেথ'ভেন, চাইকভস্কি, ইহুদি মেনুহিন আৰু ষ্টিফেন গ্ৰাফেলিৰ ওৱেষ্টাৰ্ণ ক্লাচিক্স। আবেলি তিনিবজামানৰ পৰা ৰাতি দুপৰলৈকে যেন এওঁলোক এখন অন্য দেশৰ অন্য মানুহ। এদিন তেওঁক মই পুৰাতে গৈ সুধিলো— "তুমি বাৰু কিয় তেনেকৈ থাকা?"

"মোঁৰ কোনো আশা নাই"— অম্লানে মোক ক'লে।

"সঁচানে?"

"ওঁ, একেবাৰে সঁচা; বৰ্তমানক সাৰথি কৰি তাৰ মাজত যি পাইছো তাকেই লৈছো"-

"নহয়, তুমি হতাশ; সেই কাৰণেই তেনেকৈ কৈছা। যিবোৰ মানুহ জীৱনক লৈ বৰ হতাশ, তেওঁলোকেই তেনেকৈ কয়— তেওঁলোকৰ কোনো আশা নাই। যিহেতু আশাৰ পৰাই উদ্ভৱ হৈছে নৈৰাশ্য"—

"সেইটো তোমাৰ নিজৰ বৰীয়াকৈ লোৱা সিদ্ধান্ত"—

"তুমিও তেনেহ'লে জীৱনত এনেকৈ ফাঁকি দিব নোৱাৰা"—

"মোক তুমি পলায়নবাদী বুলি ক'ব খুজিছো নেকি?"

"নহ'লে এজন মানুহৰ জীৱন-জিজ্ঞাসা কিয় এনেকুৱা হ'ব?"

হঠাৎ এজন ল'ৰা সেই সময়তে সোমাই আহিল। চকুবোৰ তিকতিকিয়া কৰা, উখহা; বোধহয় সি ব্ৰাউন-চুগাৰ ধৰি আহিছিল। সি আহিয়েই তেওঁৰ সন্মুখৰ চকীখনত বহি মোৰ ফালে চাই ক'লে— "প্লিজ, ফেনখন অলপ ঘুৰিবলৈ দিয়কনা; মই বৰ আনপ্লিজেণ্ট অনুভৱ কৰিছো"

ফেনখন ঘুৰাই দিলো; সি দীঘল নিঃশ্বাস এটা এৰি ক'লে— 'ধন্যবাদ; আপুনি মোক ৰক্ষা কৰিলে।'

এইবোৰ যেন ইয়াত চিৰাচৰিত ঘটনা। অম্লানে সিহঁতক উপদেশ দিয়ে— "বেয়া লাগিলে ইয়ালৈ আহিবা; মোৰ ইয়াত খাবা। সেইখন মেজ, তাত পঢ়িবা। মোৰ কোনো আপত্তি নাই; এইটো তোমালোকৰে ঘৰ বুলি ধৰি লোৱা। তেনেদৰে কোনো কোনোৱে আহি মাজে মাজে দুই-এৰাতি থাকেও। ফলত, টিউশ্যনি কৰি পোৱা সামান্য টকা কেইটাৰে নচলে; নচলিলে তাৰ ভালে অহাবোৰক ধাৰলৈ পইছা খোজে। অৱশ্যে, তেওঁক পইছা ধাৰলৈ দিয়া মানুহৰ অভাৱ নাই। পইচা ধাৰলৈ

দিয়াবোৰৰ মাজত দুই-এজন তৰুণ বিকৃত মস্তিষ্কৰ ইঞ্জিনিয়াৰ, চিকিৎসকো আছে, যিয়ে হতাশাত ভুগি ভুগি অম্লানৰ তাঁলৈ আশা বিচাৰি আহে। তেতিয়া মোৰ সিহঁতৰ কথা ভাবি দুখ লাগে আৰু আশাৰ অবলম্বন অম্লানলৈ চাই মনে মনে হাঁহি উঠে। সিহঁত গ'লে মই তেওঁৰ কাণৰ কাষত ফুচফুচাই কওঁ—

"তুমি এক ভণ্ড।"

ভণ্ড বুলি ক'লে অম্লানবো দেহত কিবা বিকৃতি ঘটাৰ দৰে ঘটে, তেওঁ তেতিয়া খুউব কান্দে। কান্দোন শুনি সিটো কোঠাত তাছ আৰু ডবাখেলত আৱদ্ধ ল'ৰাবোৰে দৌৰি আহি সোধে— 'চাৰ কি হৈছে?'

তেওঁ কিন্তু কোনো উত্তৰ নিদিয়ে; কান্দি থাকে। এসময়ত হঠাৎ আপোনা-আপুনি কান্দোন বন্ধ হৈ যায়, তেতিয়া ইচাট-বিচাট কৰে আৰু মূৰটো বেৰত আফলিয়াবলৈ ধৰে। আড্ডাবাজ ল'ৰাবোৰে মোৰ ফালে স্তব্ধ হৈ চাই থাকে। বৰ অনুতপ্ত হওঁ তেতিয়া, কিয়নো বাৰু তেনেকৈ কৈছিলো? তাৰ বাবে নিজকে দায়বদ্ধ কৰি দুখ অনুভৱ কৰো- অথচ মই একো কৰিবও নোৱাৰোঁ। হঠাৎ মোক তেওঁ বৰ কাতৰ কণ্ঠেৰে কয়- "নয়নতৰা প্লিজ! ষ্টেৰিঅটো খুলি তাত কিবা এটা বাজিবলৈ দিয়ানা, বৰ অৱশ হৈ গৈছো, ষ্টিফেন গ্ৰাফেলি নহ'লে ইহুদি মেনুহিন।"

আচৰিত, সংগীতে যে তেওঁক কেনেকৈ নিয়ন্ত্ৰণ কৰে, তেওঁ স্বাভাৱিক হ'বলৈ ধৰে। ষ্টেৰিঅত পশ্চিমীয়া বসন্তৰাগ শুনি শুনি মজিয়াৰে চুচৰি চুচৰি আহি তেওঁ মৰফিয়াৰ ভাইল ভাঙি গ্লাচভানত ভৰাই নিজেই সেই ইনজেকচন নিজৰ শৰীৰত লয় আৰু লাহে লাহেগৈ বিছনাত শুই পৰে। তেতিয়া মোৰ তেওঁক শুই থকা তেজপিয়া এডালৰ নিচিনা লাগে।

পিছদিনা তেওঁ আকৌ আগৰ দৰেই হৈ পৰে। মোৰ লগত সেই আবেগিক কথা পাতে; গুণগুণাই।

মৰফিয়া তেওঁৰ কাৰণে এভিয়া এক নিচাৰ বস্তু। মৰফিয়াৰ চেম্পল দিয়া তাৰ কেইজনমান ডাক্তৰী পঢ়ি থকা ল'ৰা আছে। সিহঁতে সেইবোৰ দৰৱৰ কোম্পানীৰ পৰা বিনামূলীয়াকৈ পায়; সেয়ে সিহঁত অম্লানৰ অতি প্ৰিয়। যিদিনাখন সিহঁতে মৰফিয়াৰ চেম্পল ভাইল দিবলৈ আহে, সিদিনাখন হাতত মুগাবৰণীয়া টোপোলাটোত লিভাৰ ভজা লৈ আহি নিচা খাই পিছৰ দেওবাৰটোত মানাহত আউটিং কৰাৰ সিদ্ধান্ত লয়। তাৰ পাছত, প্ৰতি দেওবাৰে অম্লানে সিহঁতৰ লগত নাও লৈ গৈ আউটিং কৰে। হঠাৎ কেতিয়াবা কোনোবা দেওবাৰে কেবাখনো গাড়ী আহি আমাৰ ঘৰৰ সমুখত হৰ্ণ বজায়। মা-দেউতাই এইবোৰত যোৱাটো পছন্দ নকৰিছিল আৰু মই জহান্নামে যোৱা বুলি আক্ষেপ কৰিছিল; তথাপিও মই গৈছিলো। সিহঁতে গাড়ী লৈ তেনেকৈ অহাটোত মই গৰ্বও অনুভৱ কৰোঁ আৰু উল্লাসিতও হৈ পৰো তেতিয়া। মনে মনে কামনা কৰো, আজি যেন অম্লানৰ ভিতৰত থকা মনৰ স্পৃহাবোৰ আগৰ দৰে গুজৰি-গুমৰি উঠক। এক অজান ঠাইত তম্বু টনা হওক। তাত অলপ সময় থকাৰ পাছতেই সি মোক সেই ফটফটীয়া নিজৰাৰ পানী খাবলৈ যোৱাৰ কথা কওক। মই যাম, কাৰণ মই অম্লানৰ বাবেইতো আহিছো। সি মোক নিজৰাৰ পাৰত বহি নিচা খুৱাবলৈ চেষ্টা কৰক। প্ৰথমে হয়তো সেইবোৰ মই প্ৰত্যাখ্যান কৰাটো দেখুৱাম; কিন্তু মইতো জানো লাহে লাহে মোৰ ভিতৰতো নিচাৰ প্ৰতি এক দুৰ্বাৰ আকৰ্ষণ গঢ়ি উঠিছে। সেয়ে তাৰ কথামতেই আজিও আমি দুয়ো সেই নিৰ্জন ঠাই ডোখৰলৈ যাম। সি মোৰ কোলাত মূৰ থৈ ক'ব— মই খুব ধুনীয়া। মোৰ তেতিয়া লাজ লাগিব। কাৰণ মোৰ ৰূপক লৈ কোনোবাই প্ৰশংসা কৰাটো বিচাৰোঁ। এনেকৈ এটা অভ্যাসেই হৈ গ'ল। মায়ে মোৰ এই কাৰ্যক ঘৃণা কৰিবলৈ ল'লে। দেউতাই মোক মাত-বোল কৰিবলৈ এৰি দিলে। তথাপি মোৰ কোনো পৰিবৰ্তন নহ'ল। আনকি এনেকৈ থাকি থাকি সি যৌনলিপ্সাত মত্ত হৈ মোক তম্বুৰ তললৈ বলপূৰ্বকভাৱে টানি লৈ যোৱাটোৱো যেন মোৰ ভাল লগা হ'ল। বলিযাৰ দৰে মোৰ অন্তৰ্বাস খুলি সিও নাঙঠ হৈ পৰে। মই কেতিয়াবা অসহায হৈ চিঞৰো। চিঞৰিলে তাৰ লগৰবোৰে মৰফিয়া ইনজেকচন দি সম্পূৰ্ণ অজ্ঞান কৰি লয় আৰু তাৰ পাছত এজন এজনকৈ..........। প্ৰথমে, মোৰ এইবোৰৰ প্ৰতি ভয় হৈছিল, লাহে লাহে এইবোৰেই দেখোন ভাল লগা হ'ল। মই জানো, সিহঁতে মোক বজাৰৰ পণ্য কৰি পেলাইছিল, তথাপিও মই কিন্তু এৰিব নোৱাৰিলো।

পিছদিনা দোকমোকালিতে আকৌ মোক লৈ ল'ৰাবোৰে অম্লানৰ ঘৰৰ সম্মুখত হৰ্ণ বজায়। তেওঁ তভাতৈয়াকৈ পাম্প দিয়া গাৰু এটা বিচনা চাদৰ এখনেৰে মেৰিয়াই হাতত কিতাপ কেইখনমান লৈ জাপ মাৰি জীপৰ পিছফালে উঠে। চহৰ-গাওঁ এৰি আমি অটব্য হাবিৰ মাজত সোমাওঁ। ষ্টেৰিঅ'ত ফিলাডেলফিয়া অৰ্কেষ্ট্ৰা, ভিয়েনিজ আলজ্ বাজে বা বেথভেনৰ বসন্ত চিম্ফনীত আমিবোৰ উতলা হওঁ, আনন্দিত হওঁ। উল্লাসত মত্ত ভঙুৱা ডেকাবোৰে সুৰা-মগুহ

ড্ৰাগছ খাই নাচে, হাঁহে, টুকুৰা-টুকুৰ গানৰ সুৰ সুঁহৰিয়াই আৰু মই তম্বুৰ তলত বহি উপন্যাস পঢ়ি থকা অম্লানৰ কাষত শুই গুণগুণাই কথা পাতি পাতি সকলো সংযম হেৰুৱাই পেলাওঁ।

আউটিঙৰ ঠাইবোৰ বৰ মনোৰম। ডেকা নিচা-বলিয়াবোৰে হাবিতলীয়া লুংলুঙীয়া বাটবোৰেৰে বাটকুৰি বাই বাই কুকুৰা চৰাইৰ সেঁকা মঙহৰ লগতে খাবলৈ চাউলৰ মলৰ পৰা বনোৱা দেশী কলহৰ নিচা আনে। শৰীৰত বল অহা নিচা। নিচাত মত্ত হৈ মইও হেনো খিলখিলাই হাঁহি হাঁহি অকাৰণতে সকলোকে ধন্যবাদ জনাই ফুৰো— ল'ৰাবোৰে সেইবোৰ কৈ বিদ্ৰূপ কৰি হাঁহে। অৱশ্যে অম্লানৰ সমুখত নহয়; নহ'লে তেওঁ সিহঁতক তেনেকৈ কোৱা বাবে ধমকি দিলেহেঁতেন। তাৰ পিছৰ দেওবাৰৰ আউটিঙত মই কিন্তু সিহঁতৰ লগত বহা নাছিলো। তম্বুৰ ভিতৰতে সোমাই থাকি মইও কিতাপ পঢ়ি কটাইছিলো। কেইজনমানে মাজে মাজে তম্বুৰ ভিতৰলৈ আহি মোৰ ফালে চাই চাই খুব হাঁহিছিল; কিয় হাঁহিছিল নাজানিলো আৰু জানিবলৈ তেনেকুৱা প্ৰয়োজন বোধ কৰা নাছিলো; কাৰণ সিহঁতৰ স্বভাৱেই তেনেকুৱা। ইয়াত আচৰিত হ'বলগীয়া একো নাই।

কেইদিনমান পাছত অম্লানে মোক বিয়া কৰালে। মা-দেউতাৰ মত নাছিল। মই অবাধ্য হৈ বিয়া হ'লো। কেইদিনমান পাছত দুয়ো এদিন মাৰ ঘৰলৈ সেৱা দিবলৈ গ'লো। কিন্তু আমাৰ সেৱা ল'ব দূৰৈৰ কথা, ঘৰতে সোমাবলৈ নিদিলে। ঘৰলৈ উভতি আহি খুব কান্দিলো আৰু জীৱনত প্ৰথমবাৰৰ বাবে নিঃসঙ্গতা অনুভৱ কৰিলো, অনুতপ্তও হ'লো। অম্লানক লৈ কৰা ভৱিষ্যতৰ স্বপ্ন ভংগ হ'বলৈ ধৰিলে। মা-দেউতাৰ বাবে মই এক ঘৃণাৰ পাত্ৰী হ'লো; যেন এটা ভুল কৰিলো। দেউতাই আক্ষেপ কৰিলে— কুসংগত পৰি মই যেন নিজৰ জীৱনটো মধুৰভাৱে সজাই ল'ব নাজানিলো। তেওঁ অন্ততঃ মোৰ পৰা এনে আশা কৰা নাছিল— খবৰ ল'বলৈ যোৱা মানুহবোৰৰ সমুখত তেওঁ আক্ষেপ কৰিলে। মায়ে সম্পূৰ্ণ নিৰৱতা অৱলম্বন কৰিলে।

যোৱাকালি মোৰ এসময়ৰ প্ৰেমিক বন্ধু দেবজিৎ মোৰ খবৰ ল'বলৈ আহিছিল। অম্লানৰ অনুপস্থিতিত সি মাজে মাজে মোৰ তালৈ আহিছিল। মই চাহ বনাই খুৱাওঁ; প্ৰয়োজনত ভাত ৰান্ধিও খুৱাইছো; বহুবাতিলৈ গল্প-গুজৱো কৰিছিলো।

যাবৰ সময়ত মই তাক আগবঢ়াই থবলৈ গ'লো। অন্ধকাৰৰ মাজত মই তাক সুধিলো— সি মোক এতিয়া গ্ৰহণ কৰিব নেকি? সি উত্তৰ দিলে— মই বিধবা আৰু দুশ্চৰিত্ৰা। তাৰ কথাই মোক আহত কৰিলে। অভিমানত তাৰ কাষৰ পৰা উচাট মাৰি গুছি আহিলো; সি কিন্তু নিৰবে গুছি গ'ল। বেজাৰত হৃদয় মোচৰ খাই উঠিল। অন্ধকাৰত নয়নভৰাৰ বেগুণীয়া ফুলবোৰলৈ চাই আত্মসমালোচনা কৰিলো; আত্মসমালোচনাই পাপবোধ আনি দিলে। কোনোবাই যেন ক'লে— মই দুশ্চৰিত্ৰা; শব্দ কেইটাই বৰ কষ্ট দিলে। ওবে ৰাতি টোপনি অহা নাছিল। এনেকুৱা লাগিল যেন অম্লানে দেবজিতৰ লগত থকা আমাৰ সেই অবৈধ বন্ধুত্বৰ কথাও জানিছিল।

অৱশ্যে, এতিয়া আৰু সেইবোৰৰ কোনো মূল্য নাই।

অম্লানৰ স্মৃতিৰ প্ৰতি এতিয়া আৰু মোৰ কোনো আনুগত্য নাই; তাৰ কথা ভাবিবলৈ এৰি দিছো। প্ৰতিটো দোকমোকালিতে এতিয়া কেৱল প্ৰতিটো পাৰ্থিৱ বস্তুপুঞ্জৰ মাজত দেৱজিতৰ অস্তিত্ব অনুভৱ কৰো। এনেকুৱা লাগে— যেন মই দেৱজিতৰ বাবেই একমাত্ৰ এতিয়া জীয়াই আছো। যেন সি এদিন আহি মোক লৈ গুছি যাব। তাৰ মুখখন যেতিয়া কল্পনাত দেখা পাওঁ, তেতিয়া মোৰ মুখৰ পৰা অকাৰণতে গুণগুণনি ওলাই আহে; পৃথিৱীৰ প্ৰতিটো বস্তুপুঞ্জক আকৌ এক সুন্দৰ আৰু বিমল ৰূপত দেখা পাওঁ। আকাশ-বতাহ সকলোতে আনন্দ আৰু স্ফূৰ্তিৰ ফোৰাৰা; দিনবোৰ ৰাতিৰ দৰেই ৰঙীণ আৰু ৰাতিবোৰো যেন দিনৰ দৰেই সেউজীয়া। তেতিয়া আপোনা-আপুনি ঘৰৰ সন্মুখৰ ডালপাতবোৰ, চক্ৰাকৃতিৰ ফুলা কদমজোপালৈ চাই থাকিবৰ মন যায়। তাৰ অবয়ব আৰু পত্ৰপুষ্পৰ সৌগন্ধৰে পৰিপূৰ্ণ ৰূপ অথবা ঘূৰণীয়া হালধীয়া ফুলবোৰৰ ওপৰত বহা টুনী চৰাইবোৰৰ কিচমিচনিয়ে মোৰ মন-প্ৰাণ উদ্বেল কৰি তোলে। কিন্তু হঠাৎ আকৌ অম্লানৰ স্মৃতিবোৰে বিব্ৰত কৰি তোলে। বৰ অসহ্য লাগে তেতিয়া; মনলৈ আকৌ অনুতাপ আহে। আশা-আকাংক্ষাৰ জখলা ডালেৰে উঠি গৈ গৈ মই এক মহাশূন্যতাত বুৰ যাবলৈ ধৰো। পাপবোধে অন্তৰ খুলি খুলি খায়, মই সেই কথা কাকো প্ৰকাশ কৰিব নোৱাৰোঁ। অনুতাপত হৃদয় দগ্ধ হৈ পৰে এক মৰুভূমি। ইচাট-বিচাট কৰি ইফালে ইফালে মৰুদ্যান বিচাৰো; কিন্তু মনৰ ভিতৰত সৃষ্ট পাপবোধ আৰু দুঃচিন্তাৰ উত্তপ্ত স্মৃতিয়ে দাউ-দাউকৈ পুৰিবলৈ ধৰে। পৃথিৱীখন পুনৰ অসাৰ অসাৰ লাগে। তাৰ পাছত আৰু দুনাই সৌন্দৰ্য পিপাসু মনটোৱে খিড়িকীৰ কাষত হংসগামী শুকুলা ডাৱৰবোৰৰ ৰূপ চাবলৈ ব্যাকুল নকৰা হয়। আনকি ঘৰৰ সন্মুখৰ কদম জোপাৰ পত্ৰ-পুষ্প বিকশিত জীৱন্ত ৰূপটোৱো ঠৰঙা ঠৰঙা শুকান বা ৰুক্ষ যেন লাগে। বৃদ্ধ কাছৰ পিঠিৰ ওপৰৰ চলংখনৰ দৰে দেৱজিতৰ মুখশ্ৰী শুকান বিশ্ৰী অথবা ফালি-চিৰি যোৱা এটা চামৰাৰ বাকচৰ দৰে লাগে; নিজক ভগু ভগু লাগে। দেউতাৰ প্ৰতি মোৰ ভক্তিভাব দোঁ খাই পৰে— তাৰ পিছত, জীৱনটোৰ প্ৰতি এক চৰম ঘৃণা আৰু ধিক্কাৰ আহে— কিয় মই অম্লান আৰু দেৱজিতৰ সৈতে ইমান ঘনিষ্ঠ হ'বলৈ লৈছিলো? ভাবি ভাবি দুখৰ পাহাৰখনি নিজেই সাজি লওঁ; এই পাহাৰেই শেষত মনৰ ভিতৰত এটা আঘাত সৃষ্টি কৰি সময়ৰ প্ৰতিটো পল দণ্ড আচ্ছন্ন কৰি ৰাখে। ..মই কিন্তু নিৰুপায়।

সোধো-নোসোধোকৈও মায়ে মোক চমুকৈ সোধে— দেৱজিতে কিবা ক'লে নেকি?

মাৰ সেই প্ৰশ্নটোৰ মাজত আছিল কিবা এটা আশা অৰ্থাৎ মই আজীৱন এনেকৈ থকাটো তেওঁ নিবিচাৰে। মোৰ কিবা এটা হওক। কিন্তু দেৱজিতে মোক

হতাশ কৰি গুছি গ'ল— মাক ইমান হতাশজনক উত্তৰ দিবলৈ মোৰ সুং নগ'ল; সেয়ে নিৰৱে থাকিলো। মায়ে এটা দীঘল হুমুনিয়াহ এৰি চকীত বহি সম্মুখত নতুনকৈ আৰম্ভ কৰা ঘৰবোৰলৈ চালে। কিন্তু সেই হুমুনিয়াহে মোৰ ভিতৰত নিঃসংগ আৰু নির্জনতা বঢ়াই দিলে। কোঠাৰ পৰা দেউতাৰ কাঁহৰ শব্দ ভাঁহি আহিল। লোহা কটাৰ এটা কর্কশ অথচ তাল মান লয় থকা শব্দ শুনি মই ইফালে-সিফালে চালো, ক'ৰ পৰা জানো সেই শব্দটো আহিল?

লোহা কটাৰ শব্দটোৱে শেষত অস্বস্তি বঢ়াই তুলিলে; কি কৰো, কি নকৰো এনেকুৱা এটা ভাব। মই পুনৰ নিজৰ অজ্ঞাতে বিষণ্ণ হৈ পৰিলো। সেই বিষণ্ণতাই মোক অতীতমুখী কৰি তুলিলে। অতীতে মোক আনন্দতকৈ কষ্ট দিয়ে বেছি। কষ্ট মানে অনুতাপ— মই কিয় কুসংগত নিজকে নিমজ্জিত কৰিছিলো?

লোহা কটাৰ শব্দ সম্পূর্ণ বন্ধ হৈ গ'ল। ৰাতিৰ অন্ধকাৰত দূৰৈৰ আঁহতজোপা কিবা এক অদ্ভুত আৰু ভয়ংকৰ যেন লাগিল। ভীত হৈ সেইফালে চাই আছিলো। তেনেতে শুনিলো মেগুলিন বজোৱাৰ শব্দ আৰু লগে লগে তালত বাজিছে কঙোৰ বোল। কোনোবাই 'ইয়েহ' বুলি চিৎকাৰ কৰি উঠিল। সেই শব্দ বোধহয় দূৰৈৰ ক্লাবঘৰটোৰ পৰাই আহিছে। মেগুলিনৰ শব্দৰ তাল মাজে মাজে কাটি যায়। তাল কাটি ল'লেই কোনোবাই এটা বিকৃত চিএৰ মাৰে 'ইয়েহ'। চিৎকাৰ শুনি শুনি মা বিৰক্ত হৈ মোৰ কাষৰ পৰা উঠি গৈ সম্মুখৰ অন্ধকাৰত ডুব যোৱা যাঁহনিত খোজ কাঢ়ে। মই তেনেকৈয়ে বহি থাকিলো। দেউতাই চ'ৰাঘৰৰ হেলনীয়া চকীত বহি নিয়নৰ পোহৰত কিবা পঢ়িছে। মুখত বিৰক্তি, উদ্বেগ আৰু আতংকৰ চাপ স্পষ্ট।

আজিকালি দেউতালৈ মোৰ বৰ ভয় লাগে; নিজে কৰা ভুলবোৰৰ বাবে অনুতপ্ত হৈ তেওঁৰ ওচৰত ক্ষমা খোজাৰ ইচ্ছা হয়।

বৰ্তমান ঘৰখনৰ আমি প্ৰতিজনেই প্ৰতিজনৰ বাবেই যেন এতিয়া একুৰা জুই। সেই জুয়ে আমাৰ সকলোকে দগ্ধ কৰে। দেউতাই ভাবে— তেওঁৰ অনুপস্থিতিত মা আৰু মোৰ কি হ'ব? আমাক কোনে চাব? মায়েও দেউতাৰ দৰে একে সুৰতে ভাবে— তেওঁৰ অনুপস্থিতিত আমাৰ দুয়োৰে অৱস্থা যে কি হ'ব? মই নিজেও ভাবো— তেওঁলোক অবিহনে মোৰ কি হ'ব? ক'লৈ যাম? মোৰ জীৱনৰ নিৰাপত্তা? অৱশ্যে এতিয়া আৰু ইয়াত জীৱনৰ নিৰাপত্তা কাৰোৰেই নাই। সকলোতে আতংকই চানি পেলাইছে। যোৱাকালি সশস্ত্ৰ বিপ্লৱী বাহিনীয়ে এজনক গুলীয়াই মাৰিলে। বহুতেই সেই কাম মোৰ দাদাই কৰা বুলি সন্দেহ কৰে। এই লৈ দেউতাৰ ভিতৰত এক দুঃচিন্তা আৰম্ভ হৈছে।

দোকমোকালিতে তেওঁক মই নিয়ৰে সেমেকা বননিত খালি ভৰিৰে ইফালৰ পৰা সিফাললৈ খোজ কাঢ়ি থকা দেখিছিলো। দুঃচিন্তাত দগ্ধ মনবোৰৰ ভিতৰত জ্বলি থকা জুইকুৰা নুমাবলৈয়ে হয়তো নলা খান্দিবলৈ অহা দিন-হাজিৰা কৰা শ্ৰমিকজনক আমাৰ ঘৰলৈ আহি লোকগীত গাবলৈ মাতিবলৈ গৈছে। মানুহজনে দেউতাৰ নিয়ন্ত্ৰণত সন্মতি জনাই কৈছে তেওঁ হেনো আজি ৰাতি আমাৰ ঘৰলৈ গাবলৈ আহিবই। তেওঁক খুৱাবৰ কাৰণে মায়ে ইতিমধ্যে ৰন্ধা-বঢ়া কৰি উঠিছেই। অৱশ্যে, এনে আয়োজনত মাৰ চখেই সদায় আটাইতকৈ বেছি দেখা যায়। গাবলৈ অহা মানুহজনক পেট ভৰাই এসাজ খুৱাবৰ বাবে মাৰ ৰন্ধা-বঢ়াৰ ব্যস্ততা দেখি দেউতাই মাক বহুদিনৰ মূৰত ৰগৰ কৰি ক'লে- আজি কিন্তু তুমিও গাব লাগিব। মায়ে তৎক্ষণাৎ সৰু ছোৱালী এজনীৰ দৰে লাজ লাজ ভাবত কোঠাৰ পৰা ওলাই নিৰবে পাকঘৰ পালেগৈ। মই মাৰ ফালে চাই হাঁহিলো। মা হঠাৎ কিন্তু ভাবুক হৈ উঠিল। মই তেওঁৰ কাষৰ পৰা অস্বস্তিৰে আঁতৰি গ'লোগৈ।

গান গাবলৈ আহিব খোজা মানুহজন বাৰু নাহিব নেকি— বাহিৰৰ পৰাই মায়ে খিড়িকীৰ কাষত থিয় হৈ দেউতাক সুধিলে। দেউতাইও ভিতৰৰ পৰাই খিড়িকীৰে দেখা পোৱা মাৰ আবক্ষলৈ চাই চমুকৈ ক'লে— আহিব।

"কেতিয়া আহিব, কোৱা নাই নেকি?" মায়ে পুনৰ দেউতাক সুধিলে।

'ওহো, কোৱা নাই; কিন্তু আহিব' —কিতাপৰ পাতত চকু ৰাখিয়েই দেউতাই মাক ক'লে।

হঠাৎ অন্ধকাৰৰ মাজেৰে দাদাৰ নিচিনা কোনোবা এজন ঘৰৰ জপনা খুলি দৌৰি আহি মাৰ কাষেৰে তীব্ৰ বেগেৰে ভিতৰলৈ সোমাই গ'ল। মা চক্ খাই উঠিল যদিও ভিতৰত এক প্ৰাণস্পন্দন আৰম্ভ হ'ল আৰু দাদাৰ নাম চিঞৰি চিঞৰি ভিতৰলৈ সোমাই গ'ল। মাৰ অস্বাভাৱিক চিঞৰত দেউতাইও বলিয়াৰ দৰে ওলাই আহি উত্তেজিত হৈ মাক সুধিলে— 'কি হ'ল?' মই মাৰ পাছ ল'লো। তেওঁ ভয়ত

পিছফালৰ বাৰান্দাত লাইটটো জ্বলাব খোজাতে হাতখনত কোনোবাই থাপ মাৰি ক'লে— জ্বলাব নালাগে মা, পোহৰত সিহঁতে মোক স্পষ্টকৈ দেখিব; পুলিচৰ মানুহে মোৰ পিছা কৰি আছে।

কথাষাৰ শুনিয়েই অন্ধকাৰৰ মাজত ধাৰণা কৰিলো সেইজন দাদাৰ বাহিৰে অন্য কোনো নহয়। কথাটো ভাবি বৰ আনন্দ লাগিল আৰু লগে লগে এক সাহস অনুভৱ কৰিলো।

মই মাৰ কাষত থিয় হ'লো। তেওঁ আকৌ লাইটটো জ্বলাবলৈ চেষ্টা কৰি থমকি ৰ'ল। দাদাই ক'লে— নালাগে মা, মই পলাই আহিছো; সিহঁতে মোক বিচাৰি ফুৰিছে।

কোন সিহঁত?

পুলিচ—

পুলিচ? কিয়?

যোৱাকালি মানুহজনক মইয়ে হত্যা কৰিছিলো; কিন্তু এতিয়াও পলাই যাব পৰা নাই। আজি সন্ধিয়া চেষ্টা কৰিলো, কিন্তু পৰা নাই। চাই থাকিবা পুলিচ ঘৰলৈ আহিবই-

অন্ধকাৰৰ মাজত মায়ে হুকহুকাই কান্দি দিলে। দেউতা উঠি আহিল। কান্দোন তৎক্ষণাৎ বন্ধ কৰিবলৈ দাদাই মাক অনুৰোধ জনালে আৰু নিজৰ কোঠাটোত সোমাল আৰু কিতাপৰ পুৰণি আলমিৰাটোৰ কাষত থিয় হৈ টেবুল লেম্পটো জ্বলাই বিচাৰি বিচাৰি কেইখনমান কিতাপ লৈ 'মা মই আহো' বুলি তৎক্ষণাৎ পিছফালৰ দুৱাৰেৰে দৌৰিবলৈ ধৰিলে। খোলা স্কাইলেটেৰে নিয়নৰপোহৰবোৰ পিছফালৰ বনৰীয়া গছ আৰু পানীভোটএৰা গছৰ ডাল ডাল হৈ থকা জোপোহাবোৰত পৰিছিল বাবে, তাৰ মাজেৰে দাদা পলাই যোৱাৰ পাছত জোপোহাবোৰ দোলকৰ দৰে দুলি থকা দৃশ্য চাই মা শোকত ম্ৰিয়মান হৈ পৰিছিল। দাদা যোৱাৰ ফালে চাই চাই মইও উচুপি উঠিলো। নিয়ন চাকিয়ে উজ্জ্বলাই তোলা গছবোৰ নীলা নীলা দেখা গ'ল। গছবোৰত লাগি থকা পাতবোৰ যেন পাত নহয়— সেইবোৰ সাপৰ জিভা আৰু বেগুণীয়া ফুলবোৰ যেন ফুল নহয়— সেইবোৰ ক'লা ক'লা একোটা কেঁচা। কেঁচা, সাপ আৰু সশস্ত্ৰ বিপ্লৱ মোৰ ভয় লাগে.আৰু সেয়ে সেইফালে চাবলৈ ভয় লগাত চকু দুটা মুদি দিলো।

হঠাৎ বিজুলী প্ৰবাহ বন্ধ হৈ গ'ল। সাপৰ জিভা আৰু ক'লা কেঁচাবোৰ অন্ধকাৰত জীণ গ'ল। জোনাকী পৰুবাবোৰে বতাহত টিমিকি উঠিল টিমিক্ টিমিক্।

আমাৰ ঘৰলৈ লাহে লাহে যেন আৰু এক বিষাদ আহিল। সন্মুখৰ বাৰান্দাত আমি তিনিও নিৰৱে বহিলো। অলপ পাছতেই আকৌ বিজুলী প্ৰবাহিত হোৱাৰ লগে লগে দেখিলো আমাৰ ঘৰৰ চাৰিওফালে সশস্ত্ৰ পুলিচ বাহিনী। চাৰ্চ লাইটৰ পোহৰ ঘৰৰ খিড়িকী আৰু স্কাইলেটেৰে সোমাই আহিছে। আমি ভয়ে ভয়ে বাহিৰৰ

লাইট জ্বলাই দি বাৰান্দাত থিয় দিলো।

পুলিচ ইনচ্‌পেক্টৰ আৰু কেইজনমান সশস্ত্ৰী সোমাই আহিল। "আমি আপোনালোকৰ ঘৰ তালাচ কৰিম"— ইনচ্‌পেক্টৰে ক'লে।

বিৰক্তি প্ৰকাশ কৰি দেউতাই ক'লে— "কৰক, কি কৰিব খোজে।" তেনেকৈ কৈয়েই চকীত বহিল। পুলিচৰ মানুহবোৰে ঘৰৰ ভিতৰত পাত-পাতকৈ সকলো চলাথ কৰি ক'তো একো বিচাৰি নাপাই খঙেৰে দেউতাক সুধিলে— "আপোনাৰ ল'ৰাজন এইমাত্ৰ ইয়ালৈ আহিছিল?"

"ওঁ" বিনাদ্বিধাই দেউতাইও খঙেৰে প্ৰত্যুত্তৰ দিলে।

"এতিয়া ক'লৈ গৈছে?"

"তাৰ লগত আমাৰ কোনো কথা-বতৰা হোৱা নাই; মাত্ৰ দৌৰা-দৌৰিকৈ আহি কোঠাত সোমাই কিবা কিতাপ-পত্ৰ লৈ গৈছে—"

"তথাপি?" ইনচ্‌পেক্টৰে এনেদৰে সুধিলে যেন আমি সকলোৱেই সি ক'ত আছে জানোহে—

ইনচ্‌পেক্টৰৰ প্ৰশ্নত দেউতাই উত্তেজিত নহ'বলৈ চেষ্টা কৰিলে আৰু গহীনভাবে আবেগৰ সুৰত প্ৰশ্নৰ উত্তৰ দিলে— "শুনক, ডাঙৰীয়া! মোক সন্দেহ কৰাটো অৱশ্যে আপোনালোকৰ নীতিৰ ভিতৰতেই পৰে। কিন্তু মোৰ একমাত্ৰ ল'ৰাজনক জানো স্বইচ্ছাই তেনেকুৱা এটা পথলৈ যাবলৈ এৰি দিম? এইবোৰৰ বাবেইনো অতি কষ্ট কৰি তাক বাহিৰত ইলেক্ট্ৰনিক্স পঢ়ুৱাই আনিছিলোনে? ভাবিছিলো, অন্ততঃ বৃদ্ধকালত সুখ দেখা পাম; কিন্তু মোৰ ভাগ্যত সেইবোৰ নঘটিল। আপুনি জানেনে, আমাৰ ঘৰৰ বৰ্তমান ইনকাম মাত্ৰ মোৰ পেনচনৰ পইছা কেইটাহে? গতিকে, এনে অৱস্থাত তাৰ মোৰ বৰ প্ৰয়োজন। আচলতে মই এজন শান্তিপ্ৰিয় মানুহ; মই মানৱীয়তাতহে বিশ্বাস কৰোঁ। প্লিজ, মই আপোনালোকক হাতযোৰ কৰিছোঁ, মোক আৰু প্ৰশ্ন সুধি সুধি বিৰক্ত নকৰিব। তাক যদি বিচাৰি পায়, আপোনালোকে যি ইচ্ছা তাকে কৰকগৈ। আপোনালোকৰ ওচৰত মোৰ কোনো আশা নাই।"

ইন্সপেক্টৰজনে এইবাৰ দেউতাৰ কাষৰ চকীখনত বহিল। দেউতাই যেন আগতকৈ বেছি বিৰক্তি অনুভৱ কৰিলে।

"আপোনাৰ ল'ৰা সশস্ত্ৰ বিপ্লৱী সংগঠন এটাৰ লগত জড়িত?"

"তাৰ কাৰণে জানো মই দায়ী? মইতো তাক তাত সোমাবলৈ উদ্‌গনি দিয়া নাই; নে দিছো বুলি ভাবে?"

ইনচ্‌পেক্টৰজনে অলপ সময় ভাবিলে আৰু আগতকৈ দুগুণ খঙেৰে ক'লে— "সি আমাৰ কেবাজনো পুলিচক গুলীয়াই মাৰিছে।"

"দেশত শান্তি প্ৰতিষ্ঠাৰ বাবেই আপোনালোক আছে, সমাজ আছে, শাসন আছে— আপোনালোকে লগ লাগি বন্ধ কৰক। আৰু মোৰ ওপৰত কিবা সন্দেহ

হৈছে যদি তেনেহ'লে আমাৰ ঘৰতে তাক ধৰিবলৈ কেম্প পাতি বহক। আচলতে মই মোৰ ল'ৰাক ঘূৰাই বিচাৰোঁ। বুঢ়াও হৈ আহিছো, অন্ততঃ মৰাৰ সময়ত মুখত পানী এটোপা দিবলৈ বা খৰি দিবলৈও ল'ৰা এজনৰেই প্ৰয়োজন হয়"–

দেউতাৰ খাৰাংখাচ উত্তৰত পুলিচ ইনচ্‌পেক্টৰজন বোধহয় বিৰক্ত হৈছিল, সেয়ে তেৰোঁ খণ্ডেৰে কাষৰ প্ৰা উচাট মাৰি গুছি গৈছিল।

মোৰ মনটো দাদাৰ উপস্থিতিত যিমান জ্যোতিষ্মান হৈ উঠিছিল, তাৰ অন্তৰ্ধান আৰু সশস্ত্ৰ পুলিচ বাহিনীৰ প্ৰস্থানৰ লগে লগে সিমান বিবৰ্ণ আৰু বিষণ্ণ হৈ উঠিল। মনটো যেন এক দুখৰ ক'লা ঢাকনিয়ে ঢাকি ধৰিলে; বৰ নিঃসঙ্গ অনুভৱ কৰিলো। যেন, মই এক অটব্য হাবিৰ মাজৰ জলাশয়ত বুৰ গৈছো। ভয়, আতংক আৰু নিৰাপত্তাহীনতাই মোক উত্তেজিত কৰি তুলিছে। তাৰ পিছৰ চেতনাত যোৱাকালি সন্ধ্যা আমাৰ ঘৰৰ সম্মুখৰে মোৰ ফালে চাই চাই গৈ থকা সমবয়সীয়া ল'ৰাজনৰ এক বিবৰ্ণ প্ৰতিচ্ছবিখন দোলা খাই উঠিল। এটা বগা চোলাৰে ক'লা লংপেণ্ট পিন্ধা ল'ৰাজনে যোৱা সপ্তাহ ধৰি সদায় আমাৰ ঘৰটোৰ ফালে চাই চাই গৈ আছে। যোৱাকালি মই হালধীয়া ঘাঁহনিত বৈ আছিলো; তাৰ পিছত দেখিলো সি বৈ এবাৰ মোলৈ মৌন হৈ চালে। সি কিবা ক'ব বা সুধিব বুলি মই আগবাঢ়ি গ'লো; কিন্তু সি লাজ লাজ ভাবত, মোলৈ এবাৰ চাই বেগাবেগিকৈ আগৰ ফালে গুছি গ'ল আৰু দুয়োৰ আইতজোপাৰ পাতল অন্ধকাৰৰ মাজত নেদেখা হ'ল।

আজিও তাক দেখা পাম বুলি মই পদূলিত বৈ আছিলো। দেখিলো, ল'ৰাজন আমাৰ ঘৰৰ বিপৰীতফালে নতুনকৈ অস্থায়ীকৈ তৰ্জাৰ বেৰেৰে সজা ঘৰটোৰ পৰা ওলাই আহিছে। কিয় নাজানো, মই আকৌ আগৰ দৰে নিজৰ অজ্ঞাতে আবেগিক হ'বলৈ ধৰিছো। তাক দেখাৰ পৰা অম্লান অথবা দেৱজিতৰ স্মৃতিও পাহৰণিৰ গৰ্ভত জাহ যাবলৈ ধৰিছে। মই অতীতৰ সেই ভুলেৰে গঢ়া সংসাৰৰ কথা পাহৰিবলৈ ধৰিছো। কেৱল অতীতক সুঁৱৰি থাকিলেই মোৰ নচলে; অন্ততঃ ভৱিষ্যতৰ বাবে এটা স্থায়ী সিদ্ধান্ত লাগে। সেয়ে নবাগতৰ লগত মোৰ কথা পাতিবৰ বৰ মন গৈছে; কিন্তু তাৰ লগে লগে সমান্তৰালভাৱে এক পাপবোধ নামি আহে। এই পাপবোধৰ কাৰণ বিশ্লেষণ কৰোঁ, কিন্তু এটা স্থিৰ সিদ্ধান্তত উপনীত হ'ব নোৱাৰোঁ; বোধহয় ই মোৰ ভিতৰত থকা এক সংস্কাৰ। মই সংস্কাৰমুক্ত নহয় আৰু সেইবাবেই ভিতৰত দ্বন্দ্ব।

□□

"এনেকৈ আৰু জীয়াই থাকিব নোৱাৰোঁ, প্ৰফেচাৰ বৰুৱা। দিনে দিনে তিলতিলকৈ যেন ক্ৰমাৎ মৰি যাব ধৰিছোঁ। মাজে মাজে এনেকুৱা লাগে যেন বাতিটো নুপুৱালেই মোৰ কাৰণে মংগল। সাৰ পালেই মই অসহায় হৈ পৰোঁ; কি কৰো, কি নকৰোঁ এনেকুৱা লাগে। বিচনাত বহি আঠুৰাৰ জালৰ মাজেৰে দুৱৰ্ণ গৰ্ভত্ৰাসাদিস চাই থাকো; শৰতত ফুলা এজাৰ ফুলৰ বেঙুনীয়া পৰাগকণা চাই ভাল লাগে। কিন্তু

যেতিয়াই নিজৰ অস্তিত্বৰ কথা ভাবো তেতিয়াই এটা অন্ধকাৰ গাঁতৰ ভিতৰলৈ সোমাই যোৱাৰ প্ৰবল ইচ্ছা হয়। সঁচাকৈয়ে এনেকৈ জানো মানুহ জীয়াই থাকে? এফালে ফুলতে বাৰী হোৱা ছোৱালীজনীৰ হতাশ মুখ আৰু আনফালে সশস্ত্ৰ বিপ্লৱত ব্যস্ত একমাত্ৰ পুত্ৰ সন্তানক লৈ হোৱা আতংক, ভয়, হতাশা আৰু নিৰাপত্তহীনতা। পুলিচে যি কোনো সময়ত আহি মোক ভিন ভিন প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰি তোলে— যেন মইয়ে তাক তেনেকুৱা পথলৈহে যাবলৈ কৈছো। আশাত বন্দী মানুহ মই; তাক লৈ মোৰ বহুতো আশা আছিল— কিন্তু? কাক ক'ম মোৰ অন্তৰৰ কথা, কোনে বাৰু মোৰ প্ৰতি সহানুভূতিশীল হ'বলৈ যাব? কাৰ ইমান সময় আছে? ৰাতি ভালদৰে টোপনি এটা মাৰিব নোৱাৰোঁ। মোৰ অতি প্ৰিয় বস্তুটো হৈছে কিতাপ পঢ়ি ভাল পাওঁ। তাৰ অবলম্বনতেই মই সাধাৰণ শান্তি পাইছিলো; আৰু আজি কালস্ৰোতত, অধ্যয়নৰ মাজৰ আনন্দখিনিও যেন মই হেৰুৱাই পেলালো। যেন, মই সাধাৰণভাবে আজি গছৰ ছাঁখিনিৰ পৰাও বিমুখ। মোৰ আৰু হেৰুৱালৈ একোৱেই বাকী নাই" —দেউতাই তেওঁৰ ল'ৰালিৰ বন্ধুজনৰ আগত হতাশাৰে ভৰা কথাবোৰ কৈ আছিল। মই তাৰ বিপৰীতে থকা কোঠাটোৰ চকীত বহি খিৰিকীৰে পদুলিলৈ চাই আছিলো; কিজানিবা নবাগতই সেইফালে পাৰ হৈ যায়েই? কিজানিবা আমাৰ ঘৰৰ ফালে এবাৰ চাইয়েই?

"তুমি ইমান উত্ৰাৱল হৈছা কিয়? এদিনতো তুমিয়েই মোক বুজাইছিলা— মানুহৰ জীৱনত যিকোনো ঘটনা ঘটিব পাৰে; যিকোনো সমস্যা আহিব পাৰে। আৰু তুমি নিজেই হতাশাৰ কথা কৈছা? আচৰিত যেন লাগিছে কথাটো। ইয়াতকৈ আৰু ডাঙৰ সমস্যা আহিব পাৰে। তুমি সহিষ্ণু হোৱা; ধীৰস্থিৰ আৰু শান্ত হোৱা— তেতিয়াহে ঘৰত থকা বাকীবোৰ প্ৰাণীৰ মনলৈ সাহস আহিব। এদিন তুমি মোক বুজাইছিলা; দুৰ্বল বুলিও হাঁহিছিলা; অথচ আচৰিত কথা এইটোৱেই যে তুমিও আজি মোৰ দৰেই দুৰ্বল হৈ পৰিছা। বেয়া নাপাবা, মই ঠিক তোমাক কথাষাৰ সোঁৱৰাই দিব খোজা নাই। কিন্তু ইয়াতকৈও আৰু বেছি অসহনীয়ভাবে তোমালৈ দুখৰ পাছত দুখ আহিব পাৰে; তাকে লৈ প্ৰতি মুহূৰ্ত ইমান অস্থিৰ হোৱাৰ কোনো কাৰণ নাই। তুমি শান্ত আৰু সহনশীল হোৱা"—

—দেউতাৰ বন্ধু প্ৰফেচৰ বৰুৱাইও সান্ত্বনা আৰু সাহস দিবলৈ চেষ্টা কৰি আবেগিক হৈ উঠিল।

মই তাৰ পৰা উঠি গৈ দুয়োকে দুকাপ চাহ কৰি আনি সন্মুখত থৈ নিৰবে কাষৰ পৰা গুছি আহি ইয়াৰ পৰা দেখা পোৱা এজাৰ ফুলেৰে সুশোভিত পাহাৰৰ চূড়াটোলৈ আকৌ এবাৰ চাবলৈ চেষ্টা কৰিছিলো। সেইফালে চাই চাই এনেকুৱা লাগিল যেন পাহাৰখন পাহাৰ নহয়, সেয়া নবাগতই মোক দিবলৈ অনা এথোপা এজাৰ ফুল।

প্ৰফেচৰ বৰুৱাই কাঁহ এটা মাৰিলে। মই উঠি আহি কিবা এটা অঘটন ঘটিছে

নেকি চালো। দুয়ো সম্পূর্ণ নিৰৱ। সেউতাই তেওঁৰ বন্ধুৰ আক্ৰমণাত্মক উপদেশ শুনি নিৰৱতা অৱলম্বন কৰি হেলনীয়া চকীখনত তেওঁৰ দৃষ্টি ৰাখি এটা দীৰ্ঘনিঃশ্বাস এৰিলে। সিফালৰ জেওৰাৰ কাষৰ সৰু পকীটোলৈ মই চালো; বগা বগলী এটাই তাত পৰি ইফাল-সিফাল চাইছে। মোৰ এবাৰ তাত বহি চাবলৈ মন গ'ল। লাহে লাহে বনৰ ওপৰেৰে খোজ কাঢ়ি গৈ মই বকুলৰ ছাঁত বহিলো। বগলীটো উৰি গুছি গ'ল। দোকমোকালিতে সৰি পৰি থকা বকুল ফুলৰ সুঘ্ৰাণ মোৰ নাকত লাগিল। সেই সুঘ্ৰাণত কিবা এক স্বৰ্গীয় আনন্দ অনুভৱ কৰা যেন পালো, কিন্তু তাৰ পাছতেই হঠাৎ আকৌ অনুতাপ আহিল। অজ্ঞাতে চকুলো ওলাই আহি মোৰ শাড়ীৰে ঢকা উৰুদেশত পৰিল। মই চকুপানীখিনি কোনোৰে নেদেখাকৈ মচি পেলালো। হঠাৎ দেউতাৰ ওচৰলৈ গৈ ক্ষমা খোজাৰ ইচ্ছা হ'ল। তাৰ পাছতেই, হঠাৎ কিয় এনে অপ্ৰাসংগিক খেয়াল মনলৈ আহিল তাকে এবাৰ চকু মুদি ভাবিলো। মাজে মাজে মোৰ কিয় এনেকুৱা হয় নাজানো। এইমাত্ৰ এনেকুৱা লাগিল, নিজৰ ভুলৰ বাবেই যেন জীৱনটো ভালদৰে সজাই লোৱাত ব্যৰ্থ হ'লো। মোকতো সকলোৱেই কৈছিল অম্লানৰ কথা— সি এটা লম্পট, বহুতো কুমাৰীৰ জীৱন সি নষ্ট কৰিছে; বহুতো যুৱকক সি বিপথে নিছে। ড্ৰাগ এডিক্ট হৈ সি নিজেই নাজানে তাৰ জীৱনৰ উদ্দেশ্য কি বা মানুহৰ জীৱনৰ উদ্দেশ্য কি হোৱা উচিত? কেৰাটাও অপৰাধত সি লিপ্ত বাবেই উগ্ৰপন্থীয়ে তাক গুলীয়াই মাৰিলে। বহুতে কয় —তাক হেনো দাদাইয়ে গুলীয়াই মাৰিলে। কিছুমানে আকৌ কয় নিজৰ ভনী জোৱায়েকক নো গুলীয়াই মাৰিবনে? কিন্তু উগ্ৰপন্থীসকলৰ প্ৰচাৰ বিভাগে সিহঁতেই গুলীওৱা বুলি স্পষ্টীকৰণ দিছে। সি হেনো তাৰ এজন শিক্ষকৰ ছোৱালীক পাশৱিক অত্যাচাৰ কৰি এৰি দিছে। এই লৈ দুটা দল হৈছে। এটা দলে উগ্ৰপন্থীসকলৰ প্ৰশংসা কৰিছে আৰু এটা দলে নিন্দা কৰিছে; অন্ততঃ জীৱহত্যাৰ দায়িত্ব সিহঁতক কোনে দিলে? মই নাজানো কোনটো শুদ্ধ? মই সুধিছিলো কোনটো শুদ্ধ পথ? কিন্তু মানুহে উগ্ৰপন্থীসকলৰ সম্পৰ্কে মন্তব্য কৰিবলৈ ভয় কৰে। মাজে মাজে ভাবো, নিজৰ দাদাইনো মোক বিধৱা হ'বলৈ দিবনে? হ'বও পাৰে; সি বৰ খঙাল; তাৰে আজিকালি মোৰ বৰ ভয় লাগে। সি হয়তো তাৰ মানসিক ভাৰসাম্যতা ৰাখিব নোৱাৰিহে অম্লানক কোনোবা ফালৰ পৰা গুলীয়ালে। বিস্মৃতিৰ গৰ্ভৰ পৰা মোৰ সহবাস জীৱনৰ দিনবোৰ মনত পৰিবলৈ ধৰিলে; মই বৰ অসহায় অনুভৱ কৰিলো আৰু বকুল তলৰ ছাঁৰ আনন্দখিনি এৰি বিছনাত শুই পৰিলো। আবেলিটো তেনেকৈয়ে বিছনাত মৰাশ এটাৰ দৰে পৰি থাকিলো।

সন্ধিয়া ভাবিলো, আত্মহত্যাকে কৰোঁ নেকি? কিন্তু তেনে কৰিলেই জানো সমস্যাৰ সমাধান হ'ব নতুবা এই খবৰ পাই অনুতপ্ত হৈ দাদা ঘৰলৈ উভতি আহিব? আৰু আত্মহত্যা মানেইতো স্বাৰ্থপৰতা। মই সদায় কিবা এটা বিচাৰো বা বিচাৰি আছো। বিচৰাটোত বিফল হলো বুলিয়েই জানো সেই পথ অনুসৰণ কৰিব লাগিব?

বোধহয়, আত্মকেন্দ্রিক ব্যক্তিৰ অন্তিম অৱস্থা এনেকুৱাই হয়। মই নিজৰ বাহিৰে আনৰ কথা নাভাবো; আনৰ দুখবোৰ যেন দুখ নহয়হে, মোৰ দুখবোৰহে যেন একমাত্র দুখ। আনৰ প্রয়োজনটো যেন প্রয়োজন নহয়, মোৰ প্রয়োজনটোহে পৃথিবীৰ একমাত্র প্রয়োজন। যিটো সিদ্ধান্ত মই ল'লো সেয়া মোৰ অজ্ঞতাৰেই ফল; কিন্তু মৃত্যুৱে জানো সমস্যা সমাধান কৰে? —নিশ্চয় নকৰে; যিহেতু মৃত্যুৱে একো আদায় কৰিব নোৱাৰি। যদি মই কিবা পাবলৈ সদায় আশা কৰি থাকো, তেনেহ'লে আত্মহত্যা কৰিব নোৱাৰোঁ; কাৰণ, জীয়াই থাকিলেহে ভৱিষ্যতে কিবা এটা পোৱাৰ আশা থাকি যায়। কিন্তু মৃত্যুৱে? আৰু মই সমাজখনকো অস্বীকাৰো কৰিব নোৱাৰো। ইয়াত থাকি সমস্যাৰ সম্মুখীন হৈহে জীৱনৰ প্রকৃত অর্থ বুজা যায়।

এই যে আত্মহত্যা কৰিব ওলাইছো, সেই অধিকাৰ বা মোক কোনে দিলে? অধিকাৰ কেৱল ইচ্ছাপূৰণ কৰাটোকেই নুবুজায়; অধিকাৰ সাব্যস্ত কৰিবলৈ নিজক ইমান নাওঠ কৰিব নোৱাৰি; কি প্রয়োজন ইমান অধিকাৰৰ? মই এনেকৈ জীয়াই থকাটোত অসুবিধা ক'ত? মই যে কেৱল সুখ-স্বাচ্ছন্দ্যই পাব লাগিব তাৰেই বা কি যুক্তি আছে?

ভৰি তলুৱাৰ কাষেদি কেৰেলুৱা এডাল আগবাঢ়ি গ'ল সমান্তৰালভাবে। দূৰৈত মকৰা এটাৰ জঁকা এটা মামৰে ধৰা অচল জাহাজৰ পৰিত্যক্ত লংগৰৰ দৰে পৰি আছে। মোৰ এনে ধাৰণা হ'ল যেন কেৰেলুৱাৰ স্পর্শত মকৰাৰ জঁকাটো জিকাৰ খাই উঠিব; মই ঠিক সেই মুহূর্তটোলৈ বাট চাই আছো। কিন্তু কোনো পৰিবর্তন নঘটিল। মাত্র কেৰেলুৱাডাল নিৰৱে নিঃশব্দে পাৰ হৈ গ'ল। মোৰ এনেকুৱা ভাব হ'ল যেন কেৰেলুৱাডাল মোতকৈ হেজাৰ গুণে সুখী, আনকি নির্জীৱ মকৰাৰ জঁকাটোৱো। মাত্র দুখী মই। মকৰা, কেৰেলুৱা, পখিলা, ফুল, চৰাই সকলোৰে যেন সংগ আছে। মাত্র মইহে নিঃসংগ। মই নিঃসংগতাৰ মহাসাগৰত বুৰ গৈছো। মাজে মাজে মই বকুল, মাধৱীলতা ফুলৰ লগত কথা পাতো; তেতিয়া নিজক এনে লাগে যেন বজাৰত ঘূৰি ফুৰা বলিয়াহে। কোনো কাৰণ নোহোৱাকৈ মোৰ হাঁহি উঠে, কোনো কাৰণ নোহোৱাকৈ চকুপানী ওলায়। হঠাৎ একো ভাল নলগা হয়; আনকি ঘৰত থকাৰো ইচ্ছা নাইকিয়া হয়। লাহে লাহে মই নিজৰ অজ্ঞাতে অশান্ত হৈ পৰো; পাহাৰৰ চূড়াৰ পিছফালে তিকতিকিয়া ৰঙা হৈ বেলিটো ক্রমাৎ মাটিৰ তললৈ বহি যোৱা যেন ভাব হয় আৰু মই ক্রমাৎ উদাস উদাস অনুভৱ কৰো।

পিছদিনা আবেলি বৰ বিৰক্ত হৈ দেউতাই মাৰ ওচৰলৈ আহি ক'লে— "ঘৰখনত আৰু কিমান সোমাই থাকা। ব'লা অলপ ফুৰিয়েই আহোগৈ।"

মইও তাকেই ভাবি আছিলো— মায়ে দেউতাৰ কথাত সম্মতি জনাই ক'লে আৰু অভ্যাসবশতঃ মোলৈ এবাৰ সন্দেহেৰে চালে আৰু সোধো-নোসোধোকৈ সুধিলে— তাইও আমাৰ লগত যাবনে? মোৰ যোৱাৰ ইচ্ছা নাছিল; কিন্তু দেউতাৰ ভর্ৎসনা আৰু অপমানিত হোৱাৰ ভয়তে ক'লো— ব'লা। ফুলতেও মই প্রশ্ন

নকৰিলো— ক'লৈ যাম? দেউতাৰ পছন্দই যেন মোৰো পছন্দ ঠিক তেনেকুৱা ভাব এটাত থাকিলো।



পকীঘাটত থিয় হৈ আমি তিনিও বৰ হতাশ হ'লো। ঘাটত থিয় দিলেই বুজা যায় আমাৰ জীৱনলৈ যে কি এক জাতীয় সংকট নামি আহিব ধৰিছে। ইয়াত যেন কিবা এক সংশয় আছে। পকীঘাট পূৰ্ণ হৈ আছে ভঙা বটলৰ আয়নাৰ টুকুৰা, বাদামৰ বাকলি, কোনো নাৰীৰ ঋতুস্রাৱৰ পৰিত্যক্ত বসন, ফটা কাগজ, মানুহৰ বিষ্ঠা, মৰাসাপৰ জঁকা। কাৰত কেইটামান বোম ভেকোলা। তাত বহি নিঃশ্বাস লোৱাৰ পৰিবেশ নাই। চাই থাকিলে এনেকুৱা লাগে যেন পকীঘাট আৰু আগৰ পকীঘাট নাই —য'ত বহি নৈৰ মুকলি বতাহ ল'ম। ইয়াত এতিয়া সম্পূৰ্ণ নিৰাপত্তাহীন, অসহায় অসহায় ভাব; তাৰোপৰি আবৰি ৰাখিছে নিঃসংগতা আৰু ভয়াবহ নিৰ্জনতা আৰু নৃশংসতাই।

"বলাচোন বলা, সেইফালে যাওঁ; তাত বহি নাওবোৰৰ অহা-যোৱা দৃশ্য চাই থাকিব পাৰিম কিজানি"— তেনেকৈ কৈয়েই দেউতা আগুৱাই গ'ল।

আমি পিছে পিছে আগবাঢ়ি গ'লো।

"মোৰ যেতিয়া বিয়া হোৱা নাছিল, তেতিয়া সদায় আবেলি আবেলি এই পকীঘাটতেই বহি গল্প কিতাপ পঢ়িছিলো; কেৱল মইয়ে নহয় আৰু বহুতো মানুহ"— দেউতাই স্মৃতি ৰোমন্থন কৰি ক'লে।

"তেতিয়াও এনেকুৱাই আছিল নেকি?" মায়ে সুধিলে।

"ওহো, পৰিষ্কাৰ-পৰিচ্ছন্ন; সপ্তাহত পানীৰ গাড়ী আহি পকীঘাট ধুই থৈ

গৈছিল।”

“এতিয়া পিছে এনেকুৱা হ’ল কিয় ?” মায়ে দেউতালৈ চাই প্ৰশ্ন কৰিলে।

“যিহেতু চাৰিওফালে অৱক্ষয়, এই ক্ষেত্ৰত কেৱল পকীঘাট বাদ পৰিব কিয় ? এতিয়া আমাৰ আটাইৰে জীৱন নিৰাপত্তাহীন। আনকি আমাৰ ঘৰবোৰো নিৰাপদ নহয়; যিকোনো মুহূৰ্ততে কোনোবাই ঘৰত জুই লগাই দিব পাৰে নতুবা বোমা বিস্ফোৰণত ভাঙি-চিগি চুৰমাৰ হ’ব পাৰে। এতিয়া আমি ইয়াত থিয় হৈ আছো— পিছফালৰ পৰা কোনোবাই গুলীয়াই থৈ গ’লেও তাক বাধা দিবলৈ কোনো নাই। চাৰিওফালৰ ভয়াবহতাই আমাক আচ্ছন্ন কৰি ৰাখিছে; আমি এতিয়া বৰ অসহায়” উত্তেজিত হৈ দেউতাই নৈৰ ফালে চাই ক’লে।

“মোৰ আজিকালি নিজকে বৰ অকলশৰীয়া অকলশৰীয়া লাগে”— মায়ে চাদৰৰ আঁচল টানি-টুনি দেউতাৰ ফালে চাই ক’লে।

“এয়া আৰম্ভণিহে, কিছুদিন পাছত দেখিবা আমি প্ৰতিজনেই প্ৰতিজনৰ শত্ৰু হৈ পৰিম। শত্ৰু বাঢ়ি গৈ গৈ আমি শেষত মিত্ৰহীন হৈ পৰিম যেনেই লাগিছে”

আমি আগৰ দৰেই হতাশ হ’লো। এৰাহি চানাচুড়ভজাৰে কেইখনমান সোতোৰা-মোতোৰা কাগজ। ভঙা বটল। চাৰিওফালে ডাঠ শেলুৰৈ গজিছে; তাৰ কাষেদিয়েই ফটা ফাঁটটোৰ মাজেৰে ওলাই আহিছে এজোপা আঁহত গছ। গছডাল সাপ এডালে মেৰিয়াই ধৰি ভয় লগাকৈ আমাৰ ফালে চাই আছে।

“দেখিছানে জিভাখন কেনেকৈ লেউ-লেউৱাই আছে? নাযাবা নাযাবা, সেইফালে নাযাবা; ব’লা আমি ইয়াৰ পৰা উভতি যাওঁ। পকীঘাটত বহি মন জুৰ কৰাৰ আশা এৰি দিলো”— দেউতাই আক্ষেপ কৰিলে।

“একেবাৰে ফণা তুলি ৰৈ আছে”— মায়ে চিৎকাৰ কৰি উঠিল।

ইস। শান্তিৰ বাবে যিওবা অকণমান ঠাই আছিল, শেষত সেয়াও যে এনেকুৱা হ’ব মই কোনোদিনে ভবা নাছিলো।

মই সাপৰ মুখখনলৈ এবাৰ চালো আৰু তাৰ পাছতেই হঠাৎ মনলৈ আহিল সিদিনাখন ৰাতিৰ অন্ধকাৰত ঘৰৰ পিছফালেৰে দাদা পলাই যোৱা বাটটোত দেখা পোৱা সাপৰ জিভাৰ দৰে পানীভোটএৰাৰ গছৰ পাতবোৰ! দোলকৰ দৰে এন্ধাৰত দুলি আছিল গছবোৰ।

ওচৰত নুনীয়া এজনে আমাৰ ফালে চাই চাই পাকৰীজোপাৰ তলত বহি কিবা খান্দি আছিল। দেউতাই তাৰ কাষত অলপ সময় ৰ’ল আৰু সোধো-নোসোধোকৈ সুধিলে— “আজিকালি পকীঘাটত মানুহ বহিবলৈ এৰিলে নেকি অ’?”

‘না বাবু না; একদম নবহে; যোৱা বছৰ হি দিগে বোমা ফুটাৰ পিছৰ মহিনাৰ পৰা আদমি-উদ্‌মি একদম নবহে। তবে কোই এক দফে ৰাত ৰাত খটাৰনাক চোকৰালোগ ইহা আঁকে দাৰু পিতা হেই; হাল্লা ভী খুব কৰে; মাৰ-পিট দাংগা-হাংগামী ভী”—

নাওখন আহি পাৰত ৰ’লহি। পাৰত টোৱে-টোৱে খুন্দা লাগি মৃদু শব্দ এটা

হ'ল। কেইজনমান যাত্ৰী নামি আহি নাৱৰীয়া দুজনৰ কাষ পালে।

"মাহীৰ ঘৰলৈ যাবা নেকি?" —দেউতাই মাক সুধিলে।

"কিয়?"

"নাই মানে, নৈৰ পাৰলৈ ফুৰিবলৈ আহি আমি যিটো পালো, তাৰ পাছত ইয়াত জানো বৈ থাকিব পাৰি; তাতকৈ তোমাৰ মাহীয়েৰাৰ ঘৰলৈ যাঁব পাৰি দেখোন— অকণমান গ'লেই, সেইটো"—

"নাই, মানুহৰ ঘৰলৈ যাবলৈ মোৰ ভাল নালাগে"—

"কিন্তু তুমিও এজনী মানুহ— বলাচোন, সেইফালে বহুদিন যোৱা নাই"—

"তাৰ পাছত যে মই ওৰে ৰাতি নিদ্ৰাহীন হৈ থাকিব লাগিব, এবাৰ ভাবি চাইছানে?"

"কিমাননো ভাবিম, ভাবি ভাবি ইতিমধ্যে প্ৰায় মৰিয়েই গৈছো। মস্তিষ্ক যেন দুঃচিন্তাত বিকল হৈ যাব"—

"বেয়া লাগিব গৈ"—

"কাৰণ?"

"মুহাঁটিয়ে সুধিব— তাৰ খবৰ কিবা পালানে? সিনো সেইবোৰলৈ যাবই বা লাগে কিয়? তাকনো কি তপত ভাতৰ ধোঁৱাই খালে?"

"তুমি আগেয়েই এইবোৰ মনেৰে সাজি লৈছা যাবেই এনেকুৱা; কিবা যদি সোধে তাৰ উত্তৰ নিদিলেই হ'ল। যিটো প্ৰশ্নৰ উত্তৰ আমি নিজেই নাজানো, সেই প্ৰশ্নৰ উত্তৰ আমি বা দিম কেনেকৈ?" কিন্তু, ওলাই আহিলো যেতিয়া যাবা ক'লৈ? ক'ৰবালৈতো যাব লাগিব।"

"আলিবাটতে ঘূৰি ফুৰোঁ"—

"সমাজখন যিমানেই বেয়া নহওক কিয়, আমি তাক এৰাই চলিব নোৱাৰোঁ। সন্দেহ, দুঃচিন্তা, চকুলো, সমালোচনা আৰু ভয় বা আতংক আমাৰ সম্পদ। এইবোৰৰ সন্মুখীন হোৱাৰ ভয়ত কাৰোবাৰ ঘৰলৈ নোযোৱা মানেই তুমি বা মই আমি সকলো একো একোটা নিৰ্জন দ্বীপ হৈ যাব ধৰিছোঁ। দুখ আৰু কিমান কৰিবা? আৰু অপযশ? সিও এদিন আমাৰ লগতেই যাব। বলা, তেওঁলোকৰ তাৰ পৰাই অকণমান ফুৰি আহোঁগৈ— নহ'লে মই বলিয়া হৈ যাম"—

"মই কিন্তু নাযাওঁ, তোমালোক যোৱাগৈ; মই বিক্সা এখন ধৰি ঘৰলৈকে উভতি যাওঁগৈ"— মইও স্পষ্টভাবে ব্যক্তিগত সিদ্ধান্তটো জনাই মাৰ নিৰ্দোষী নিৰ্দোষী লগা কোমল মুখখনলৈ চালো। মায়েও বেঙাৰ দৰে হাঁহি এটা মাৰি মোৰ ফালে চাই হাঁহি মাৰিলে।

"কিয় নাযাব?" কৰ্তৃত্বৰ সুৰত দেউতাই সুধিলে।

"এনেয়ে", স্পষ্টকৈ মই ক'লো।

"ও নাযাবিতো, নিজৰ গুণ-গৰিমাৰ কথা ওলাই পৰিব বুলি ভয় খাইছ?"— তেওঁ উত্তেজিত হৈ মোৰ ফালে চাই চকু স্থিৰ কৰিলে।

মায়ে নিৰবে ওপৰৰ কদম ফুলৰ বৃত্তবোৰলৈ চাই থাকিল আৰু আঙুলিয়াই সৰু ছোৱালী এজনীৰ দৰে ক'লে "দেখিছা, সৌৱা কদম ফুল ফুলিছে; কি চমৎকাৰ গোন্ধ!"

দেউতাক আগতকৈ হতাশ হোৱা যেন দেখা গ'ল। সন্ধিয়া হৈ আহিছিল। নাৱৰীয়াবোৰে এখন এখনকৈ পাৰত নাও বান্ধিবলৈ আৰম্ভ কৰিছিল। কুকুৰ কেইটামানে পাল পাতি দেও দি দি বালিচৰত কিবা বিচাৰিছিল। দুজন আদহীয়া মানুহে নাৱৰ টিঙত বহি অদূৰৰ দলঙৰ সিপাৰৰ সূৰ্যাস্তৰ পাছত অন্ধকাৰ হৈ অহা পশ্চিম আকাশৰ ফালে চাই কিবা ভাবিছিল।

"আমি দেখোন ওপৰৰ পৰাই সূৰ্যাস্ত চাব পাৰো"— মায়ে শান্ত শীতল সুৰেৰে দেউতাক ক'লে।

"সূৰ্যাস্ত? সূৰ্যাস্ত হ'বলৈ এতিয়াও বাকী আছে বুলি ভাবিছা নেকি? দেখা নাইনে গাৰ নোম পৰ্যন্ত নেদেখা হৈ আহিছে"— ব্যংগ-বিদ্রূপ মিহলি ভাষাৰে দেউতাই মাৰ ফালে চাই কষ্টকৰ হাঁহি এটা মাৰিলে।

"নহয়, মানে মই কিবা এটা চিন্তা কৰি আছিলো"— লাজকুৰীয়া হাঁহি এটা মাৰি মায়ে ক'লে।

"বাৰু ব'লা, সৌ পাহাৰখনলৈকে আমি উঠি যাওঁ; তাৰ পৰা চহৰখনৰ ৰাতিৰ দৃশ্য চাই ভাল লাগিব।"

অন্ধকাৰ হৈ আহিছিল। মোৰ সমবয়সীয়া ছোৱালী এজনীয়ে ল'ৰা এজনৰ লগত কথা পাতিছিল। বোধহয় সিহঁতৰ কথাবোৰ বৰ আবেগিক আছিল। সেই কাৰণেই অন্ধকাৰৰ সুযোগত ল'ৰাজনে ছোৱালীজনীক দ্বিধাহীনভাবে নিজৰ দুবাহুৰে আঁকোৱালি লৈ কপালত চুমা এটা খালে। মায়ে যান্ত্ৰিকভাবে এনেকৈ মুখটো ঘূৰাই দিলে যেন তেওঁ দেখাই নাই। দেউতাইও সেই ফালে নাচাবলৈ পিছফালে মুখ ঘূৰাই দিলে আৰু সম্পূৰ্ণ মন্তব্যহীন হৈ থাকিল। দৃশ্যটো দেখাৰ পাছত মই বৰ অসহায় হৈ পৰিলো। অম্লানলৈ মনত পৰিল— শেৰত আনকি দেবজিতলৈও।

আমি লাহে লাহে নৈৰ কাষৰ পাহাৰখনৰ ওপৰ পালোগৈ আৰু পোৱাৰ পাছত তাৰ পৰা নিয়ন চাকিৰ আলোকে গৰকা চহৰৰ নৈশপ্ৰান্তৰ চাই তিনিও অবাক হৈ গ'লো। সেইফালে চাই চাই মই আজি বৰ নিঃসংগ অনুভব কৰিলো।

হঠাৎ দেউতাই উত্তেজিত হৈ দাদাৰ নাম কাঢ়িলে। তেওঁৰ মুখত দাদাৰ নাম শুনি বলিয়াৰ দৰে মা দেউতাৰ কাষ চাপি গ'ল আৰু সুধিলে— 'ক'ত? তুমি তাক ক'ত দেখিলা?'

"সেই টিলাটোৰ কাষৰ সেই লুংলুঙীয়া বাটটোৰে এইমাত্ৰ উঠি গৈছে। হাতত এটা টোপোলাও আছিল।" মইও দৌৰা-দৌৰিকৈ দুয়োৰে কাষলৈ আহি ইফালে-সিফালে চালো। কিন্তু ক'তো একো দেখা নাপালো। মাত্ৰ লুংলুঙীয়া বাটটোৰ মাজতে মাটিলৈ আগবাঢ়ি অহা কৃষ্ণচূড়াৰ ডাল এটা লৰি থকা দেখিলো।

বোধহয় সেই ডালটোৰ তলেদিয়েই সি লৰমাৰি গুছি গ'ল।

"সি বোধহয় বাহিৰ হৈ যাব পৰা নাই"— মায়ে চমুকৈ মন্তব্য কৰিলে। দেউতাইও মাৰ মুখৰ ফালে চাই অস্ফুট শব্দেৰে ক'লে— 'হ'ব পাৰে।'

সুতীব্ৰ বেগেৰে পুলিচৰ জীপকেইখন বিদ্যুৎ বেগেৰে বন্দুক টোৱাই দৌৰা দৌৰিকৈ আগবাঢ়ি গ'ল। অলপ সময়ৰ পাছতে পাহাৰৰ সিপাৰে শুনিলো যেন কাৰোবাৰ মাজত গুলিয়াগুলী চলিছে।

"এৰা, তৎক্ষণাৎ ইয়াৰ পৰা পলাব লাগে, ইয়াত আৰু কাৰো জীৱনৰ নিৰাপত্তা নাই। বলা, তৎক্ষণাৎ; গুলী আমাৰ গাত লাগিবও পাৰে।"

প্ৰাণৰ সংশয় দেখি আমি পাহাৰৰ পৰা তৎক্ষণাৎ নামি আহিলো।

এই ঠাইখিনি অন্ধকাৰ। অন্ধকাৰৰ মাজত অলেখ জোনাকীৰ জিলমিল দেখিলো। আমি সেই জিলমিলনি ভাঙি তাৰ মাজেদি খোজ কাঢ়ি আহি থাকিলো। এই বাটেদিয়েই আমি পাহাৰৰ ওপৰলৈ উঠি গৈছিলো আৰু একেটা বাটেৰে উভতি আহিলো। মনতে কথাষাৰ ভাবি অকণমান বিষাদ অনুভৱ কৰিলো। যাওঁতে জোনাকী পৰুবোৰ পোহৰ অস্তিত্বহীন আৰু নিষ্প্ৰভ আছিল আৰু এতিয়া অন্ধকাৰত তাৰ অস্তিত্ব প্ৰকাশিত হৈছে।

"এই ফালেদি পুলিচৰ গাড়ী কেইখনমান যোৱা দেখিছিল নেকি?" দহ-বাৰজনমান মানুহৰ সমদল এটা ওচৰত খপকৈ বৈ গ'ল আৰু দেউতাক কথাষাৰ সুধিলে।

"নাই, দেখা নাই"— অতি ধীৰ-স্থিৰ হৈ বিনম্ৰভাবে দেউতাই তেওঁলোকক কৈয়েই আগৰফালে আগবাঢ়ি যাব খুজিলে। দেউতাই দেখিও কিয় নেদেখা বুলি ক'লে মোৰ মনৰ ভিতৰত এটা প্ৰশ্ন উদয় হ'ল। কিন্তু সুধিবলৈ দ্বিধাবোধ কৰিলো।

"কিন্তু এজন মানুহে ক'লে— তেওঁ হেনো এইফালে যোৱা দেখিছে"— সমদলটোৰ মাজৰ পৰা এজনে ক'লে—

"যাবও পাৰে, হয়তো মই লক্ষ্য কৰা নাই; কিন্তু কিয়?"

"কিয় মানে? আপুনি নাজানে নেকি?"

"মই সঁচাকৈয়ে একো নাজানো"— দেউতাই আগতকৈও বেছি বিনম্ৰভাবে ক'লে।

"সশস্ত্ৰ উগ্ৰপন্থী এজনে চহৰৰ ব্যবসায়ী এজনক গুলীয়াই এইফালে পলাইছে।"

"হ'বও পাৰে, মই হয়তো লক্ষ্য কৰা নাই"— উদাসীনভাবে দেউতাই তেওঁলোকক ক'লে। মানুহ কেইজন আমাৰ কাষৰপৰা আঁতৰি গ'ল। এনেতে দেখিলো পুনৰ বিপৰীতফালৰ পৰা এদল আমাৰ ফাললৈ দৌৰি আহিব লাগিছে। যুৱকৰ দলটো আগৰ দৰেই খপকৈ আমাৰ সন্মুখত ৰ'ল আৰু আগৰ দৰেই তেওঁলোকে সুধিলে— "এইফালেদি কেইজনমান মানুহ একেলগে দৌৰি যোৱা দেখিছে নেকি?" দেউতাই মূৰ জোকাৰিলে- 'হয়, যোৱা দেখিছো।' তাৰ পাছত

দেখিলো অলেখ মানুহ এইফালে দৌৰিছে। আলিবাট ক্ৰমাৎ জনাকীৰ্ণ হৈ আহিছে।

"ব'লা আমি সোনকালে ঘৰ পাব লাগিব"— দেউতাই মাৰ ফালে চালে। মায়েও মূৰ জোকাৰিলে— "এৰা, মইও ভাবিছো।"

দোকমোকালিতে বাহিৰৰ বাগিছাত থিয় হৈ ফুলদানিত সজাবলৈ ফুল চিঙি আছিলো। সূৰুয উঠাৰ লগে লগে দেখিলো, দেউতাই খিড়িকীৰ দাঁতিত বহি দূৰলৈ চাই কিবা ভাবি আছে। তেওঁৰ বিষণ্ণতাৰে ভৰা মুখখন দেখি মোৰ ভয় লাগিল। মনত থকা দিনৰে পৰা আজিলৈ ইমান হতাশাৰ মুখ মই দেখা নাই। বহুদিন ধৰি তেওঁ দাড়িও কাটিবলৈ এৰি দিছে। তিনিদিনমানৰ ভিতৰতে তেওঁৰ বয়স যেন দহবছৰ বাঢ়ি গ'ল। ঘৰৰ মূৰব্বীজনৰ অৱস্থা দেখি বৰ হতাশ হৈ পৰিলো। তাৰ পাছত আৰু ফুল চিঙি ফুলদানিটো সজাবলৈ মন নগ'ল। ফুলদানিৰ ওপৰৰ লেৰেলি-মৰহি যোৱা ফুলবোৰৰ ভৱিষ্যতৰ দৰেই যেন আজি আমাৰ ভৱিষ্যতো কালৰ গতিত মৰহি যাবলৈ আৰম্ভ কৰিছে। ভৱিষ্যত বুলিবলৈ এইখন ঘৰৰ কোনো প্ৰাণীৰেই একো নাই।

এক অসহায় আৰু নিৰাপত্তাহীনতাৰ দুঃচিন্তাই মনক জুমুৰি দি ধৰিলে। হাতত থকা ফুলৰ কৰণিটো লৈ বকুল তলৰ পৰ্কীত এক ধ্যানে বহি নিৰ্জন আলিবাটটোলৈ চাই থাকিলো।

এক অব্যক্ত দুঃচিন্তাই মোক জুমুৰি দি ধৰিলে। কি কৰোঁ, কি নকৰো এনেকুৱা লাগিল। মূৰটোৰ ভিতৰত যেন একুৰা জুইহে দপদপাই জ্বলিছে। বতাহ এছাটি মূৰৰ ওপৰেৰে পাৰ হৈ গ'ল। বতাহজাকে মোক যোৱাৰাতিৰ লোকগীতৰ সুৰটো আৰু তাৰ অন্তৰ্বৰ্ত্তী কথাখিনি ছাটৃকৈ মনত পেলাই দিলে। মই সুৰটো স্মৰণ কৰি মনৰ ভিতৰতে গুণগুণাবলৈ ধৰিলো—

..........শোকে তাপে পুৰি মাৰা
কিনো সংসাৰে জন্মালা প্ৰভু
কণমানো নাই অ' সুখ হে
অ' কণমানো নাই সুখ.........
.....অ পাৰ কৰা ৰঘুনাথ
ই সংসাৰ সিপাৰ-

ভিতৰলৈ উঠি গ'লো। ৰেকৰ্ড প্লেয়াৰটো খুলিলো আৰু পুৰণি লোকগীতৰ ৰেকৰ্ড এখন বিচাৰি আনি তাত বাজিবলৈ দি ভলিউমটো অলপ কমাই দিলো। লোকগীতৰ ছন্দ আৰু সুৰে আমাৰ ঘৰৰ পৰিবেশ আৰু বেছি গহীন আৰু প্ৰাচীন কৰি তুলিলে। বাজনা শুনি মায়ে আহি মোৰ কাষত বহিলহি। দেখিলো, মাৰ পিছে পিছে দেউতাইও মোৰ কোঠাৰ বিচনাখনতে বহিছে।

গোমা পৰিবেশটো হঠাৎ সলনি হৈ যোৱা যাবে মই অলপ প্ৰশান্তি অনুভৱ কৰিলো। দেউতাৰ বিষণ্ণতাৰে ভৰা মুখাবয়বলৈ জ্যোতি নামি আহিল। সেই পৰিবৰ্তন অনুভৱ কৰি মনটো বিমল হৈ উঠিল আৰু সেই বিমল আনন্দৰ

অনুপ্ৰেৰণাত ৰান্ধনি ঘৰত সোমাই কেতিয়া যে মই চাহ তিনিকাপ বনাই আনি মা-দেউতাৰ সমুখত একো কাপ থৈ নিজৰ কাপটো' পিবলৈ ধৰিলো ধৰিবই নোৱাৰিলো। লোকগীতৰ সুৰে আমাৰ তিনিওৰে দুঃচিন্তানলে পোৰা অন্তৰ-মন সাধাৰণভাৱে হ'লেও প্ৰশমিত কৰি ৰাখিলে।

কিন্তু, ৰেৰ্কড শেষ হোৱাৰ পাছতেই দেউতা আকৌ আগৰ দৰে গহীন হৈ পৰিল। দেউতাক দেখিযেই হয়তো মাও নিৰৱ হ'ল। মুখমণ্ডলত দেখিলো আকৌ আগৰ দৰেই সেই একে বিৰক্তি, হতাশা। যেন পৃথিৱীত তেওঁৰ নিচিনা দুখী মানুহ আৰু নাই, আৰু নোলাবও। নিঃশব্দে তেওঁ তাৰ পাছত উঠি গৈ নিজৰ শোৱনি কোঠা পালেগৈ। আকৌ আগৰ দৰেই খিড়িকীমুখত বহিল চাগৈ। নাজানো, ইয়াৰ পৰা ধৰিব নোৱাৰি।

মাক তাতেই এৰি মইও বাহিৰলৈ ওলাই আহিলো। হেমন্তৰ শেষৰ ৰ'দজাক বকুল গছজুপিৰ ওপৰেদি ফালি আহি আমাৰ ঘৰৰ সন্মুখৰ বাৰান্দাত পৰিছিলহি। বাৰান্দাৰ জালিকটা কাঠৰ চানেকিবোৰৰ ছাঁবোৰো বাগৰি আহি বাৰান্দাত পৰিছিল।

এইখিনিত বহিলে তেওঁক ভালকৈ দেখি। সেয়া তেওঁ আগৰ দৰেই খিড়িকীৰে আলিবাটলৈ উদাস মনে চাই আছে। গালে-মুখে শৰৎ কালৰ উষ্ণ কোমল গেন্ধাইফুলৰ দৰে ৰঙীণ ৰ'দজাক। মই জানো, তেওঁ সন্মুখৰ ঘাঁহনিডৰাৰ পৰা দেও দি দি উৰি গুছি যোৱা অকলশৰীয়া বগলীটোলৈ চাই কিবা ভাবিছে।

নিৰৱে বাৰান্দাত বহি জালিকটা কাঠৰ ছাঁবোৰলৈ চাই চাই যোৱাৰাতিৰ দাদাৰ স্মৃতি ৰোমন্থন কৰি নিজকে অলপ সাহসী আৰু আত্মনিৰ্ভৰশীল হ'বলৈ মনে মনে এটা সিদ্ধান্ত ল'লো। কিন্তু মনৰ প্ৰশান্তি ঘূৰাই আনিবলৈ গৈহে বাৰে বাৰে বিফল হ'লো।

মা আহিল আৰু কাষেৰে পাৰ হৈ পিছফালে গুছি গ'ল। তাৰ পাছত আকৌ এবাৰ দাদাৰ কথা ভাবিলো। তাৰ পাছৰ কথা মনলৈ আহিলেই আমাৰ ইয়াত এতিয়া এক জাতীয় সংকট চলি থকা যেন লাগে। আচলতে, দাদাৰ চিন্তাত বিভ্ৰান্তি ঘটিছে নে

সি সুস্থভাবে পৰিচালিত হৈছে সেয়া এতিয়া সহজে ধৰা টান হৈ আহিছে। তাৰ মস্তিষ্ক বিকৃত, স্থুল নে ৰুচিসম্মত? সি দূৰদৰ্শী নে অদূৰদৰ্শী? সি জাতি উদ্ধাৰ কৰিব নে ধ্বংস কৰিব? নে মই অসুস্থ বাবেই এনে দুঃচিন্তাত ভুগিছো? মোৰ চিন্তা স্বাভাৱিক নে অস্বাভাৱিক?

সন্মুখৰ জলাশয়বোৰ প্ৰখৰ ৰ'দৰ উত্তাপে পুৰিবলৈ ধৰিছে। পানীভোটএৰাগছৰ পাত আৰু চিলিমাকৃতিৰ ফুল-পাত লেৰেলিবলৈ ধৰিছে। বেগুণীয়া ফুলবোৰে যেন নিজৰ অস্তিত্ব হেৰুৱাবলৈ আৰম্ভ কৰিছে। বায়ুমণ্ডল ক্ৰমাৎ পাতল হ'বলৈ ধৰিছে। ইয়াৰ পৰা দেখা পোৱা দূৰৈৰ আঁহত, খেজুৰ, কদমকেইজোপা নাচি থকা যেন লাগিল। বায়ুমণ্ডল তাত বেছি পাতল হৈছিল; সেইবাবেই মই গছবোৰে পানীৰ মাজত নাচি-বাগি থকা যেন দেখিলো।

মইও লাহে লাহে ধৈৰ্যহীনতা আৰু আস্থাহীনতাত ভুগিবলৈ ধৰিছো। একো ভাল নলগা হৈ আহিছে। মই মোক কিয় ভাল পোৱা উচিত— এবাৰ ভাবি চালো। নহয়, মই মোৰ বাবে নহ'লেও অন্ততঃ মা আৰু দেউতাৰ বাবেইতো নিজে নিজক নিজৰ ভিতৰত জীয়াই ৰাখিবই লাগিব।

হঠাৎ, পুলিচৰ গাড়ী এখন পদূলিত বৈ যোৱা দেখি চক্‌খোৱা মানুহৰ দৰে মই উঠি বহিলো। তাৰ পাছত দেখিলো, জপনা খুলি ইনচ্‌পেক্টৰ দুজন সোমাই আহিছে। আন এখন খোলা জীপ; তাৰ পিছফালে ট্ৰলীত কিবা এটা আনিছে। মই যিটো আশংকা কৰিছিলো সেইটোৱেই হৈছে। ট্ৰলিৰ পৰা ষ্ট্ৰেচাৰেৰে বগা কাপোৰেৰে মেৰিওৱা এটা মৃতদেহ দুজন কনষ্টেবলে ধীৰে ধীৰে নমাই আনি আমাৰ ঘৰৰ ফালে সোমাই আহিছে।

মই ঠিকেই অনুভৱ কৰিছিলো। হয়তো এদিন কোনোবাই আৰু এক অসহনীয় খবৰ আমাৰ ঘৰলৈ দিবলৈ আহিব।

ইয়াৰ পাছতেই বিষাদৰ এক অব্যক্ত কাৰুণ্য আমাৰ ঘৰৰ প্ৰতিটো আচবাব, ফুল, গছ, লতিকালৈ নামি আহিব। মায়ে দাদাৰ শ'টোৰ কাষত বহি ইনাই বিনাই কান্দিব। ধীৰ স্থিৰ দেউতাই হয়তো নিজকে নিজে ক'ব— মই জানিছিলো তাৰ শেষ দশা এনেকুৱাই হ'ব। মায়ে দেউতাৰ কথা নুশুনি বাউচি জুৰিব। দেউতাই তেতিয়া হয়তো মাক বুজাবলৈ চেষ্টা কৰিব— ধৈৰ্য ধৰা, মানুহে তেওঁলোকৰ জীৱনৰ সকলো ঘটনা অতি স্বাভাৱিকভাবে ল'ব লাগে। যিসকলে নোৱাৰে তেওঁলোক সংসাৰত দুখী আৰু যিসকলে পাৰিছে তেওঁলোক সকলো অশান্তিৰ পৰা মুক্ত। সি এদিন আমাৰেই ল'ৰা আছিল। যেনেকৈ সি উপজিছিল তেনেকৈয়ে সি নিজৰ মতত অবিচল হৈ গুছি গ'ল। মনত ৰাখিবা, সি তেনেকৈয়ে সুখী হ'ব খুজিছিল।

মই বৰ অসহায় অনুভৱ কৰিছো; যেন কোনোবাই মোৰ বুকুত এপাত শেলহে বহুৱাই দিছে.......

●●

পার্টী

পাৰ্টী

উঠ—

ক'লৈ?

অমৰেন্দ্ৰৰ ঘৰত আজি আমাৰ লগৰ সকলো লগা-লগি হ'ব। মানে ধৰ, এটা ভাল পাৰ্টী হ'ব আৰু।

কিবা ভাল খবৰ আছে নেকি?

ওঁ। তাৰ প্ৰমোছন। আৰু এক ঢাপ ওপৰত উঠিছে—

সেইটো এটা আশাৰ কথা। অন্ততঃ আমাৰ বন্ধু এজনে জীৱনত কিবা এটা পালে। বোধয়, সেই কাৰণেই পাৰ্টী— ?

আৰু কি? সি নিজেই এটা হুইস্কীৰ পিপা। পিঁপাই তাৰ আটাইতকৈ প্ৰিয় বস্তুটো সকলোকে এটা জোখত খুৱাব। গতিকে এটা 'বিশেষ হুইস্কী-পাৰ্টী।' যাবই লাগিব। আচলতে কি খাওঁ সেইটো বৰ ডাঙৰ কথা নহয়— লগা-লগি হোৱাটোহে আচল কথা। সকলোৱেই উপস্থিত থাকিব— আনকি সংঘমিত্ৰা বা মল্লিকাও। শুনিছো আজিকালি সংঘমিত্ৰাই বেছ ভাল কবিতাও লেখে। ৰজিতা খোৱাকৈ সংঘমিত্ৰা আৰু মল্লিকাৰ কবিতা আবৃত্তি। তাৰ লগে লগে থাকিব অমৰেন্দ্ৰৰ দোতাৰা বাদন। পৰমেশে বজাব সুঁতলী। সুঁতলী দেখিছ? বাঃ কি সুন্দৰ শব্দ। শুনিছো, আমাৰ ৰজাৰ দিনত সুঁতলীৰ শব্দক বৰ আদৰ কৰিছিল— এতিয়া ফ্ৰেৰিওনেটে শেষ কৰি দিলে। বাঃ কি সুন্দৰ শব্দ। মানে এক প্ৰকাৰ মাটিৰ গোন্ধৰ লগত ৰজিতা খোৱাকৈ অমৰেন্দ্ৰই হুইস্কী-পাৰ্টীৰ আয়োজন কৰিছে। সি যেনে তেনে তোক লৈ যোৱাৰ কথা কৈছে। তই মোৰ লগত এতিয়াই যাব লাগে। বুজা নাই, —অলপ অলপ নিচা, অলপ অলপ কবিতা আৰু গান-বাজনা—তই যাবই লাগিব—

বে-ৰসিক এজনক স্কুটাৰৰ পিছফালে উঠাই লৈ গৈ কি কৰিবি? মই কি বুজি পাওঁ— কবিতা-চবিতা? কি বুজো সাহিত্য? বাপ-কালত নাই গাই, চালনী লৈ খীৰাবলৈ যায়। হুঁ? মোক এৰি দে। তদুপৰি তোৰ স্কুটাৰত? মৰি গ'লেও তোৰ স্কুটাৰত নুঠো। ভয় লাগে। চলাবলৈ গৈ নিজেই পাহৰি যাব যে তই স্কুটাৰতেই আছ

নে হেলিকপ্তাৰতে আছ?

সেইবোৰ এৰ। আগতে পিছফালে উঠ।

মই নাযাওঁ। তই যাগে-- মোৰ মনটো কিবা এটা ভাল লগা নাই। অস্থিৰ হৈ আছো।

তেনেহ'লে গছৰ তলত বহি ইয়াত কি কৰি আছ?

ইমান ব্যস্তভাৱে মানুহবোৰ গাড়ী-মটৰেৰে ক'লৈ কি কাৰণত অহা-যোৱা কৰিব ধৰিছে তাকেই ভাবিছো? চাচোন চা, ট্ৰেফিক কেনেকৈ জাম হৈ গৈছে। দেখিছ সেইজন মানুহক? মাৰুতিৰ ওপৰেৰে জঁপিয়াই পাৰ হৈ গ'ল?

চহৰত এইটোৱেই নিয়ম-- বল বল উঠ উঠ—

নাই, মই নাযাওঁ-

কি হ'ল, একেবাৰে ভাবুক হৈ পৰিলি যে—

মইতো এজন ভাবুকেই—

কিনো ভাবিবলগীয়াটো আছে। দুদিনৰ বাবে পৃথিৱীলৈ আহিছ, স্ফূৰ্তি-তামচা কৰি কটাই দিব লাগে—

সেইটো তোৰ কথা

তেনেহ'লে তোৰ কথানো কি?

ভাবিছো—

কি ভাবিছ?

এই গাঁতটোৰ কথা। এই সৰু অকমানি মাৰ্বল-গুটি এটা সোমাথ পৰা গাঁতটোৱেদি যদি মইও সোমাই যাব পাৰিলোহেঁতেন।

গৈ কি কৰিবি?

আৰু কেতিয়াও ওপৰলৈ ঘূৰি নাহিলোহেঁতেন।

যি দেখিছো, তই আৰু মানুহৰ মাজত নাই—

ঠিক কৈছ, পৃথিৱীখনক মোৰ বৰ ভয় লগা হৈছে। মাজে মাজে মোৰ এনেকুৱা ভাব হয় যেন মই কুচিমুচি গৈ চালপীৰাৰ তলত লুকাই থাকিম—

তোৰ মানসিকতা বাৰু কিয় এনেকুৱা হৈছে? পলাবলৈ বিচাৰিছ কিয়?

পৃথিৱীত এতিয়া অস্তিত্বৰ প্ৰতিযোগিতা চলিছে। যিটোক মই আটাইতকৈ ভয় কৰো—

কিয়? পৃথিৱীৰতো সেইটোৱেই নিয়ম। জন্মিব লাগে, নিজৰ অস্তিত্ব লৈ সজাগ থাকিব লাগে আৰু শেষত অস্তিত্বহীন হৈ মৰি যাব লাগে—

তেনে প্ৰতিযোগিতাত নামিবলৈ মই বৰ টান পাওঁ—। এই ধৰ, তই পৰীক্ষা দিছ, অথচ বাৰে বাৰে ফেইল কৰিছ। চাকৰিৰ কাৰণে ইন্টাৰভিউ দিছ, তাতো ফেইল কৰিছ। তই ফেইল কৰিছ মানে তোৰ মা-দেউতাৰৰ জীৱনো চিৰদিনৰ বাবে ফেইল হৈ গৈছে। হা-হুমুনিয়াহ কাঢ়ি কাঢ়ি বাৰান্দাৰ চকীত বহি বিচনীৰে বিচি-বিচি আবেলি

আবেলি তোকেই উদ্দেশ্য কৰি কৈ থাকিব অথচ তোক যেন একো কোৱাই নাই "অমুকৰ ল'ৰাই.........আৰু মোৰ জনক চোৱা......হুইস্কী পাটি খাই খাই গোলাপৰ বিছনাত শুই পৰিছে।" এইবোৰ মোৰ বাবে বৰ অসহ্য। কেৱল তাতেই জানো সীমাবদ্ধ? পৰীক্ষাৰ ফেইল নামটোৰ বাবে তোৰ বন্ধুবোৰে ক্ৰমাৎ তোক এৰাই চলিব। পৰিয়ালৰ মানুহে তোক নমস্তা হ'ব। সংঘমিত্ৰাই নমতা হ'ব, আনকি নামাতিব মল্লিকাইও। তাৰ পিছত মানুহে তোক লেই-লেই চেই-চেই কৰিব। শেষত দেখিবি বাটৰ ঢেকুৰা কুকুৰেও তোক বাট এৰি নিদিয়া হৈছে। মানে তই প্ৰতিযোগিতাৰ বৃত্তৰ মাজত বন্দী যেন এন্দুৰবহে দৌৰ..... লক্ষ্যহীন। ইফালৰ পৰা সিফাললৈ কেৱল দৌৰি আছ। দৌৰি দৌৰি শেষত কুকুৰ-মেকুৰীৰ দৰে মৰি গৈছ।

মই ঠিক বুজা নাই, তই কি ক'ব খুজিছ? তইতো পৰীক্ষাত পাছ কৰিছ। চাকৰিৰ ইণ্টাৰভিউত পাছ কৰি চাকৰি পাইছ— তাৰ পাছত আকৌ কি ফেইলৰ কথা ক'ব খুজিছ— ঠিক বুজা নাই।

নহয়। জীৱনৰ পৰীক্ষা। জীৱনৰ ইণ্টাৰভিউত ফেইল কৰিছো—

তইতো জানই। মই চাধা-চিধা ল'ৰা। ইমান কঠিন কথাৰ উত্তৰ মই উলিয়াব নোৱাৰো—

কিয় নোৱাৰিবি। এদিন এই কথাৰ উত্তৰ নিজেই নিজৰ ওচৰত পাই যাবি।

আজি অন্ততঃ ইমান গধুৰ গধুৰ কথা নুশুনাবি। মনটোক অলপ স্ফূৰ্তিত ৰাখচোন। তোৰ কেৱল এইবোৰেই কথা নেকি? জীৱন, পৰীক্ষা— ধুৰ এইবোৰনো কথানে? আহিছে মানুহ গৈছে মানুহ— জন্মিছে, মৰিছে। এইবোৰনো গম্ভীৰভাবে উপলব্ধি কৰা কথানে? উঠ উঠ— সোনকালে অমৰেন্দ্ৰৰ ঘৰ পাব লাগে।

তই যাগৈ, মোক এৰি দে—

কিয়?

মই নিজকে বৰ অসুখী অনুভৱ কৰিছো।

আৰু আমাক বৰ সুখী যেন অনুভৱ হৈছে নেকি?

মোৰতো তেনেকুৱাই ধাৰণা হয়। যাৰ লগত ইমানদিনে কটালো সিহঁতে মোক এৰাই চলিব খোজে। এই ধৰ অমৰেন্দ্ৰৰ কথাকে। সিতো মোক মুখেৰে এবাৰ অন্ততঃ ক'ব পাৰিলেহেঁতেন। ৰাতিপুৱা লগ পাইছো — ক'তা মোকতো একো কোৱা নাই। কি ঠিক তই কিজানি নিজেহে মোক লগত ল'বলৈ ওলাইছ, সি কিজানি একো কোৱাই নাই।

তই বৰ সৰু সৰু কথাত লাগ—

টোপাল টোপাল পানীবোৰৰেইতো মহাসাগৰখন সৃষ্টি হৈছে। মল্লিকা বা সংঘমিত্ৰা দুয়োকে মই আলিত দেখা পাওঁ, অথচ কোনো দিনেই মোৰ ফালে চাই সৌজন্যতাৰ হাঁহিখিনিও মাৰিব নোখোজে। দুয়োজনীৰ লগত মই কথা পাতিব বিচাৰো— অথচ তাইহঁতে নিবিচাৰে। তাইহঁতক বৰ ব্যস্ত দেখো— নাজানো তাইহঁত

কি লৈ ব্যস্ত? হয়তো মই মোৰ ব্যস্ততাহীন জীৱনৰ দৃষ্টিৰে চাইছো বাবেই ভুলকৈ দেখিছো নেকি? হ'বও পাৰে, কাৰণ মোৰ সেই ক্ষুদ্ৰ অফিচটোৰ দৰেইতো সকলোৰে অফিচৰ ব্যস্ততা একে নহয় যে দিনটোত এখন চিঠি টাইপ কৰি টেবুলত মূৰ গুজি শুই থাকিম। অৱশ্যে অমৰেন্দ্ৰৰ কথাটো সুকীয়া। সমুখত দহটা ফোন। ইটোৰ পাছত সিটোকৈ ফোন। কেতিয়াবা আনকি দুই তিনিটা ফোন একেলগে হাতত লৈও কথা পাতে— মানে মোৰ দৰে সাধাৰ , টাইপিষ্ট এজনৰ বাবে সেইটো এটা ভাবিব নোৱৰা কথা। আলিৰে গৈ থকাৰ সময়ত গাড়ীখন ৰখাই এটা কথা নাপাতে— মাত্ৰ এটা সাধাৰণ হাত-বাউল। তাতকৈ বেছি নহয়। ইয়াকো বন্ধুত্ব বুলি কয় নেকি? তাৰ কাৰণে মই দুখ নকৰো— কৰিও লাভ নাই। এতিয়া আৰু আমাৰ সেই আগৰ বন্ধুত্ব নাই আৰু নতুনকৈ একো হোৱাৰো আশা নাই। সময়ৰ সোঁতে আমাৰ সকলোকে ক'ৰবালৈ চিটিকাই পঠিয়ালে। কেতিয়াবা ইচ্ছা হয় তইঁতলৈ চিঠি লেখি মই মোৰ বৰ্তমানৰ মানসিক অৱস্থাটো প্ৰকাশ কৰিম— কিন্তু কি লাভ এইবোৰৰ? মোৰ কথা ভাবিবলৈ কাৰ সময় আছে? আৰু ভাবিলেই বা, কি হ'ব ভাবি? মোৰ যি শিক্ষা, তাতকৈ এই ব্যৱস্থাত টাইপিষ্টেই যথেষ্ট। তদুপৰি চিঠিখন? সেইখন পঢ়ি পঢ়ি যদি তইঁতে হাঁহ? তেনেহ'লেতো বৰ লজ্জাজনক কথা। তাতকৈ মৰি যোৱাই ভাল। সিদ্ধান্তটো লোৱাৰ পিছত আকৌ নিসঃঙ্গ অনুভৱ কৰো। মোৰ এতিয়া আৰু কোনো বন্ধু নাই। শুভকাংক্ষী নাই। আনন্দ নাই, উৎসাহ নাই। মই যেন সকলোবোৰ হেৰুৱাইছো। হেৰুৱাইছো আনকি আত্মবিশ্বাস। আত্মবিশ্বাস হেৰুৱাৰ কথা ভাবিলে এনেকুৱা লাগে যেন গেজেপনি হাবিখনত সোমাই ওলাই যাবলৈ বাট বিচাৰি পোৱা নাই।

আবেলিটো সম্পূৰ্ণ মাটি কৰি দিলি। ছিঃ তোক লগ নোপোৱা হলেই ভাল আছিল। অথবা তোক দেখিও নেদেখাৰ ভাও ধৰি গুচি গ'লেও ইমান সময়ে মই অমৰেন্দ্ৰৰ ঘৰ পালোহেঁতেন।

মইতো তাকেই কৈছো। তই সোনকালে মোক এৰ—

কিন্তু বেলেগৰ কথা ভাবি বা আনৰ লগত নিজৰ জীৱন নিৰ্বাহৰ তুলনা কৰি মনটোক কষ্ট দিয়াৰ কাৰণ কি মই ঠিক বুজিব পৰা নাই।

সেই কাৰণেই আমি মানুহ। তুলনা কৰাটো মানুহৰ স্বভাৱগত প্ৰবৃত্তি।

প্ৰবৃত্তি ত্যাগ কৰিব লাগে। বুজা নাই— এতিয়া আমাৰ বয়স হৈছে। হৈছেনে নাই? হৈছে। তেনেহ'লে? তেনেকৈ বয়স হ'ল আমাৰ মনটোৰো। বিশ বছৰ বয়সত আমাৰ মনটো কুঁহিপাতৰ দৰে কোমল হৈ আছিল। মন আছিল উলাহৰে ভৰা—— যেন কাইলৈ কিবা এটা হ'ব, কিবা এটা হ'ব। কিন্তু হ'বলগীয়াই বা আছিল কিটো? মাত্ৰ এটা স্বপ্ন। এটা কল্পনা— এটা আশা। এতিয়া আমাৰ বয়স সকলোৰে ত্ৰিশ চেৰাই গ'ল। যি গতিৰে কোমল বাঁহডাল তললৈ উভতি নোচোৱাকৈ উঠি

গৈছিল এতিয়া বাঁহডালৰ আগলিটো একে বিপৰীত গতিত তললৈ নামিব লাগিছে— অৰ্থাৎ আমি মৃত্যুৰ দুৱাৰডলিলৈ আগুৱাই গৈ আছো। কল্পনা সময়-বালিত পোত গ'ল। অমৰেন্দ্ৰৰ বাহিৰে আমাৰ কাৰো বিশেষ একো উন্নতি হোৱা নাই। মোৰ দেউতাই কেইটামান ভাড়াঘৰ সাজি থৈ গৈছে বাবে দন্ত মাৰি খাই আছো। সেই কাৰণেই লাহে লাহে আমাৰ মনৰ কুঁহি কোমল ৰং উঠি যাবলৈ ধৰিছে। যেনেকৈ বাঁহডাল পূৰঠ হোৱাৰ পাছত সেউজীয়া শুকাই যায়। পঁচিশ বছৰলৈকে আমি কোনোৱে নিচা খাবলৈ যোৱা নাছিলো— কাৰণ তেতিয়া ইজনে সিজনক লগ পোৱাটোৱেই আচল নিচাতকৈ বেছি কাঢ়া আছিল। এদিন মাত্ৰ ইজনে সিজনক লগ নোপোৱাটো সাংঘাতিক কিবা এক অঘটনৰ দৰে আছিল। দিনটো আমি এই চুকটোত বহি আছিলো, আমি ক'বই পৰা নাছিলো সময়বোৰ কেনেদৰে পাৰ হৈ গৈছিল। অমৰেন্দ্ৰই তাৰ বিভিন্ন প্ৰেমিকাসকলৰ কথা কৈছিল, আমি তাৰ সেই প্ৰেম কাহিনীবোৰ ইমান মন দি শুনিছিলো যে সিমানখিনি ক্লাচটো মন দিয়া নাছিলো। অৱশ্যে আমাৰ এই আটাইকেইজনৰে বুদ্ধি-বৃত্তিবোৰ ভাল আছিল বাবে মাষ্টাৰ ডিগ্ৰী লোৱাত একো অসুবিধা নহ'ল। কিন্তু আমাৰ জীৱনৰ পৰীক্ষাত সেই সৰ্বোত্তম ডিগ্ৰীয়ে কোনো কাম নকৰাত জীৱনলৈ হতাশা নামি আহিছে। মা-দেউতাই আমাক দোষ দিবও নোৱাৰে- কাৰণ আমি পৰীক্ষাবোৰত তেওঁলোকে বিচৰামতেই ব্ৰিল্লান্ট কৰিছো। সেইকাৰণেই আজি আৰু মনত সেই উত্তেজনা নাই। সেই কাৰণে এতিয়া আৰু কাৰো প্ৰেম কাহিনী শুনাৰ ইচ্ছাও নাই আৰু শুনিলেও হাঁহি উঠে। আজিকালি ইজনে সিজনক লগ নাপালেও যেন একো বেয়া নাপাওঁ বা লগ পোৱাৰ কোনো ইচ্ছাও নাই। লগ পালেও দুই এষাৰ কথা পতাৰ পাছতে বেয়া লাগি আহে। অৰ্থাৎ বিশ বছৰ বয়সত আমাৰ মনবোৰ আছিল চাবোনৰ ফেনৰ পৰা সৃষ্টি হোৱা বলবোৰৰ

দৰে বজ্ৰাহত ওপঙি ফুৰা স্বভাৱৰ। তেতিয়া জীৱনটো বা পৃথিৱীক বুজা নাছিলো। যি মুহূৰ্তৰ পৰাই আমি আমাৰ জীৱনটোক বুজিবলৈ শিকিলো সমান্তৰালভাৱে বুজিবলৈ ধৰিলো পৃথিৱীখনক। তেতিয়াই আমাৰ মনত সৃষ্টি হ'ল— ভয়, শংকা। বাঢ়ি গ'ল উৎকণ্ঠা- কি হ'ব, কি হ'ব আমাৰ ভৱিষ্যত? আমি জানো আমাৰ হ'বলৈও একো নাই— গতিকে হৈ গ'লো নিচাসক্ত। ঠিক নিচা নহয়— নিচাটো মাধ্যম মাত্ৰ। নহ'লে, এই বয়সত আৰু ইজনে সিজনৰ লগত বন্ধুত্ব ৰাখি চলাটো সম্ভৱ নহয়। ব'ল এতিয়া, আৰু ৰ'ব নোৱাৰি।

মোক তইঁতৰ সংগৰ পৰা বাদ দে। মই কাৰো শ্ৰুতলিপি ল'ব নোৱাৰো। মোক নিজৰ মতে চলিব দে। মই ভেড়াৰ পালৰ লগত যোৱা ভেড়া নহয়। মোৰ এটা বিবেক আছে, এটা সুকীয়া সত্তা আছে। নিজৰ সত্তাক আনৰ ওচৰত বিক্ৰী কৰি কৰি আৰু কিমাননো নাঙঠ হৈ যাম? তোৰ ইচ্ছা আছে যাগে—

পৃথিৱীত তোৰ আৰু কোনো কাম নাই। ইতিমধ্যেই তই মৰি গৈছ। অৰ্থাৎ মনটো মৰি গৈছে। উৎসাহ নাই, উদ্দীপনা নাই— নিৰস কাঠ এটুকুৰাৰ দৰে শুকান আৰু কঠুৱা হৈ গৈছ—

ঠিকেই কৈছ, মই আনন্দ ল'ব নাজানো। তথাপিও এনেকৈ কিছুদিন থকাটোত আপত্তি কি? অন্য নহ'লেও অভিজ্ঞতাখিনি অন্ততঃ থাকি যাব।

যদি এনেকৈ থকাটো এক প্ৰকাৰ অভিজ্ঞতা বুলি লব, তেনেহ'লে আমাৰ আজিৰ এই হুইস্কি পাৰ্টীত বহি সংগ দিয়াটোত জানো তোৰ কাৰণে অভিজ্ঞতা বা আবিষ্কাৰ নাথাকিব? এটা নতুন আবিষ্কাৰ— ইয়াৰ মাজেৰে তোৰ পৰা কিছু অভিজ্ঞতা মই ল'ম আৰু মোৰ পৰা কিছু অভিজ্ঞতা তই ল'বি। কথাবোৰ একপক্ষীয়ভাবে লোৱাতকৈ সামূহিকভাবে লোৱাটো বেছি ভাল হ'ব নেকি? এই যে তই-মই কথা পাতিছো, তাৰ লগে লগে অভিজ্ঞতাবোৰ বীলত সূতা ভৰোৱাৰ দৰে আমাৰ মগজুত সঞ্চিত হৈ গৈ থাকিব।

নিশ্চয় সঞ্চয় হৈ থাকিব, কিন্তু কেনে ধৰণৰ সঞ্চয়? কেনেধৰণৰ অভিজ্ঞতা? যি অভিজ্ঞতাই আমাক একো আনন্দ নিদিয়ে সেইবোৰ আকৌ কেনেকৈ গ্ৰহণ কৰি গৈ থাকো? কেইযাৰমান অশ্লীল কথা-বতৰা— তাতকৈ আৰু কি বেছি আছে তাত? খুব বেছি, দুই এজনে দুবাৰ কোনোবা বিদেশী মানুহৰ সস্তীয়া জীৱনৰ উপলব্ধিৰ উদ্ধৃতি দি ক'ব— "আমি আচলতে এনেকুৱা হ'ব লাগিছিল।" হঠাৎ হয়তো তইঁতৰ প্ৰতিজনে মোক উপদেশ দিবি— মই যুগৰ লগত কেনেকৈ খোজ মিলাই চলিব লাগে। কেনেকুৱা লংপেন্ট, কেনেকুৱা জোতা, কেনেকুৱা চাৰ্ট, কেনেকুৱা ট্ৰাউজাৰ, কেনেকুৱা চুলিৰকাট, কেনেকুৱা মোচ— থাৰ্ডক্লাচ। অন্তঃসাৰশূন্য তইঁতৰ কথা। কোনো যৌক্তিক জ্ঞান নাই, আলোচনা নাই। সেই উপদেশ শুনাতকৈ গছৰ তলত বহি সৰাপাতৰ ফালে চাই থাকিলেও নিজৰ ভিতৰতে আপোনা-আপুনি এটা অনুভূতিশীল মন গঢ়ি উঠে। তইঁতৰ উপদেশ মতে চলিবলৈ যোৱা মানে নিজে

নিজক ফপহ কৰি তোলা— যেন এটা নীলা পিয়াল। নোৱাৰো মই এইবোৰ শুনিব। যদি সঁচাকৈয়ে তাত কবিতা পাঠ হয় বা কবিতাৰ আবৃত্তি হয়, যাব পাৰো। কবিতা বুজি নাপালেও অনুভূতিশীল মন এটা নিজৰ ভিতৰত আছে। মনত আছে যোৱামাহৰ কবিতা আবৃত্তিৰ অনুষ্ঠান? তইঁতে বহুতেই নাজান— কি হ'ল শেষত। ধীকৰে কবিতা আবৃত্তি কৰিব বুলি কোৱাত মই উঠি বহিলো। কিন্তু ধীক নাই। ফুলফুল— কলে গ'ল সি? গৈ গৈ দেখো গছ এডালৰ ডালত ধৰি থিয় হৈ আছে। লক্ষ্য কৰি দেখিলো ধীকৰে একান্তমনে থিয় হৈ গছৰ পাতৰ ফাঁকেৰে জোনাক চাইছে। আমি তাৰ ওচৰত থিয় দি থকাটো জানিছিলনে নাই নাজানো, নে ইচ্ছাকৃতভাবেই নেদেখাৰ ভাও জুৰি আছিল তাকে নজানো। কিন্তু সি সম্পূর্ণ নীৰৱ। পাতৰ মাজেৰে ফালি ফালি জোনটো গৈ আছে পশ্চিমলৈ। ৰাতি বাৰ-বাজি গৈছে। চৌদিশ নীৰৱ। জিলী এটাই ঝি ঝি কৈ আছে। আমি মাতিলো— “ধীক, বল তোৰ সময় হৈছে।” সি জোকাহি মাৰি আমাক ক'লে— ‘চুপ কথা নকবি। মই চাই আছো।’ আমি সুধিলো- “কি চাইছ?” সি ক'লে- ‘এটা জীয়া কবিতা।’ ধীকৰ কবিতা নুশুনিলো সঁচা, তথাপিও খুব বেয়া নালাগিল, অন্ততঃ গছৰ পাতেৰে ফালি অহা জোনাকখিনিতো দেখিলো। এটা দুর্লভ দৃশ্য— বিশেষকৈ আমাৰ এই চহৰখনত। — কিন্তু মই জানো, অমলেন্দ্ৰৰ তাত যিটো সমাগম হ'ব তাত সেইখিনি আনন্দ গ্ৰহণ কৰাৰ সুবিধাও নাই। এটা তিক্ততা লৈ উভতিব লাগিব। প্ৰথম কথা, সি মোক লগ পাইও একো কোৱা নাই। দ্বিতীয়, মই এজন সাধাৰণ টাইপিষ্ট, বাকীবোৰ অফিচাৰ। যদি গৈ পোৱাৰ লগে লগে সোধে— তোক আকৌ কোনে মাতিলে ইয়ালৈ?

নোসোধে নহয়, মই আছো—

সুধিবওটো পাৰে—

মই তোক কথা দিলো, কিবা হ'লে মই আছো। যদি তোক কিবা কয়, তেনেহ'লে ময়ো তাত নাথাকো।

তথাপিও সেই বৈঠকত মোৰ বিশ্বাস নাই। মই জানো, তাত দোতাৰা বজোৱাও ন'হব, সুতলী বজোৱাও নহ'ব, আনকি নহ'ব কবিতাৰ আবৃত্তি। এইবোৰত লাগে এখন সনাতন সমাজ। আমাৰ যিখন সমাজ তাত বহিব, তাত থাকিব হিংসা। হিংসা-প্ৰতিহিংসাই সেই সমাজৰ শেষ কথা। কোনোবাই নিচা নাখায়, তাক হয়তো বলপূৰ্বক নিচা খুৱাই দি ৰং চাবলৈ চেষ্টা কৰিব। কোনোবাই কাৰোবাৰ চুলিকোঁছাত হয়তো জ্বলি থকা অঙঠা এটা সুমুৱাই দিব। নিচাৰ জ্বালাতেই হওক বা জ্বালাৰ অভিনয় মাজেৰেই হওক কোনোবাই হয়তো সমুখত জ্বলি থকা জুইকুৰাৰ পৰা খৰি এডাল লৈ সেই জ্বলি থকা খৰিডালেৰে কাৰোবাৰ পিঠিত কোবাব— এইখনেইতো উদীয়মান শিক্ষিত সভ্য সনাতন সমাজ। সিদিনাখনৰ কথা তোৰ নিশ্চয় মনত আছে?

কোনদিনাৰ কথা?

নিউ ইয়েৰচ্ ডেৰ ৰাতিৰ কথা। আমি চাৰিওজনে হাতত নিচা লৈ বহি আছিলো। তই মোৰ কাষতে আছিলি। ইমান সোনোকালে কথাবোৰ পাহৰি গলি নে? সেই [illegible]ত হাতত কিবা এখন সাহিত্য আলোচনী লৈ উপস্থিত হ'ল নিকুঞ্জ। কথা নাই বৰ্তা নাই, সেই সাহিত্য আলোচনীখন ঢুৰণীয়াকে মেৰিয়াই ফণীৰ মুখলৈ সুমুৱাই দি হেঁচি হেঁচি কি কৈছিল— "গাহৰি, তই আকৌ কেতিয়াৰ পৰা সাহিত্য সমালোচনা কৰিবলৈ শিকিলি? সমালোচনা কৰিবলৈ হ'লে সমালোচকৰ গুণ থাকিবও লাগে।" তেতিয়া ফণীয়ে আমাৰ কাষৰ পৰা উঠি আহি কি কৰিলে-মনত আছে?

আছে; জ্বলি থকা [illegible]বাই এডাল লৈ কোবাবলৈ ধৰিলে—

তোৰ এইবোৰ সহ্য হয় [illegible]? [illegible] হ'লে নহয়। জ্বলা বাঁহৰ জুইৰে যদি তাক পুৰি মাৰিলহেঁতেন? তেতিয়া?

এইবোৰো একো একোটা অভি[illegible]—

এইবোৰ আকৌ কেনে অভি[illegible]?

অভিজ্ঞতাৰ কোনো শ্ৰেণী [illegible] অভিজ্ঞতা অভিজ্ঞতাই—

উহতৰ মানসিক [illegible] হৈছে। ভাল আৰু বেয়াৰ মাজৰ পাৰ্থক্য ধৰিব নোৱৰা হৈ যাব ধৰি[illegible]। মানুহে শৰীৰৰ পুতিক গঢ় দি লব পাৰে, কিন্তু [illegible] তাক পুনৰ নিৰ্মাণ কৰি লোৱাত ভুল হব [illegible]লি সৃষ্টি হয়?

সেইবোৰ [illegible] কথা সুনিছিল—

কিয়?

তই আগতে তাইৰ লগত বহি কাফেত ঘণ্টাৰ পিচত ঘণ্টা আড্ডা মাৰিছিলি, এতিয়া পিছে?

কি এতিয়া পিছে?

দেখিলেও নেদেখাৰ ভাও ধৰ কিয়?

প্ৰথম যেতিয়া মই ইউনিৰ্ভাচিটিত লগ পাইছিলো তেতিয়া অৱশ্যে মোৰ তাইক ভালেই লাগিছিল। লাহে লাহে কথা-বতৰা পাতি গম পালো তাই এজনী ভৰিৰ তলৰ মাটি নোহোৱা ছোৱালী।

আৰু তোৰ হ'বলা আছে?

আছে কাৰণেইটো কৈছো —

সাৱধানে কথা ক'বি। আজিকালি তাই মোৰ ঘৰলৈও আহে। আমাৰ মাজত এটা বুজাপৰা হৈছে—

হ'ব পাৰে। সেইটোনো কি ডাঙৰ কথা। এসময়ত মোৰ লগতো হৈছিল। কিন্তু তাইৰ মাজত নম্ৰতাখিনিৰ বাহিৰে একোৱেই নাই—

আৰু ঠিক একেদৰে তোৰ মাজতো উত্তেজনাখিনিৰ বাহিৰে একো নাই। তই মৰিছ তোৰ এই উত্তেজিত ৰূপটোৰ বাবে। সকলো কথাতে ইমান উত্তেজিত হোৱাৰ কাৰণ কি? মানুহ হ'ব লাগে ধীৰ-স্থীৰ, শান্ত-সৌম্য। সময়ত তীখাতকৈও কঠিন আৰু সময়ত বাঙৰ দৰে কোমল। নজনাকৈয়ে তইযে নিজৰে ক্ষতি কৰি আছ গম পাইছনে? তোৰ এই অকঁৰা খংটোৱে দৈনিক গড় হিচাপত কমেও তিনিজন শত্ৰু বঢ়াই গৈছে। এবছৰত কিমান দিন? তাক তিনিৰে পূৰণ কৰ। এবছৰত কিমান শত্ৰু বাঢ়িল? ঠিক এনেকৈ যদি বছৰত ইমান সংখ্যক শত্ৰু বাঢ়ি যায়, তই আৰু তেতিয়া মানুহৰ শাৰীত নাথাকিবি। দৰাচলতে তোক সকলোৱে ভালেই পায়, কিন্তু তোৰ এই অকঁৰা খংটোৱে তোক গিলি পেলালে।

কিন্তু মোৰ খং উঠে কিয়?

নিশ্চয়, তই বিচৰা ধৰণে হোৱা নাই বাবে-

অ, মোৰটো সেইটোৱেই কথা-

কিন্তু মানুহে বিচৰা ধৰণে যদি সংসাৰখন পালেহেঁতেন, তেনেহ'লে এই পৃথিৱীৰ কি মূল্য আছে? সেই কাৰণে প্ৰতিজন ব্যক্তিৰ বাবে পৃথিৱীখন এটা কৌতুহল। কৌতুহল থকা বাবেই জীৱন-যুদ্ধত সকলোৱে যুঁজি যুঁজি হাৰি যায়। আজিলৈ কেনোৱেই পৃথিৱীত জানো জিকিছে? ওহো নাই, কোনোৱে জিকা নাই-সকলোৱে হাৰ মানি গুচি গৈছে।

কিন্তু ব্যক্তি হিচাপে তোৰ-মোৰ সকলোৰে এটা দায়িত্ব আছে। অমৰেন্দ্ৰই যাৰু সিদিনাখন সি খাই থকা গিলাচটোৰ মদখিনি মোৰ মুখত মাৰি দিব লাগে কিয়?

নিচাত হৈ যায় আৰু কেতিয়াবা। কেতিয়াবা তোলো হ'ব পাৰে। -

কেতিয়াও নহয়। মই যেতিয়া নিচা কৰো তেতিয়া নিজৰ ব্যক্তি সত্তা ৰাখি

লো। মোৰ কাৰণে আত্মসন্মানটো ডাঙৰ কথা। মই কিন্তু সেই কথা মনত ৰাখিছো মাৰু আমৰণ সেই অপমান নাপাহৰো —

অমৰেন্দ্ৰই ইচ্ছাকৃতভাবে কেতিয়াও তেনে কৰা নাই —

কৰিছে, তাৰ মানসিকতাই তেনেকুৱা। সি যিটো অফিচত চাকৰি কৰে সি তাৰ চ। গতিকে আমি যেতিয়া নিচাত বহো সি তেতিয়া আমাক তাৰ তলতীয়া কৰ্মচাৰী লি ভাবে। আমিতো তাৰ কৰ্মচাৰী নহয়, আমি তাৰ বন্ধু —

হেইয়া, অনবৰত তই বিপ্লব কৰিব খুজিলে কেনেকৈ হ'ব?

নন্‌চেঞ্চ। তই মোৰ মূৰ গৰম নকৰিবি— তই তোৰ ফালে যা, মই নিজৰ ফালে াছো—

উৰা, ইমান খঙনে? মই তোক কথাটোহে কৈছো—

তই মোক বুজাব নালাগে। ভাল-বেয়া বিচাৰ কৰাৰ বুদ্ধিকণ মোৰ শেষ হৈ যাবা নাই। বয়স হ'ল বুজিছ। এই খেমালিবোৰ এৰিব পাৰিলে নিজৰ কাৰণেই মঙ্গল। নুহে ব্যক্তি হিচাপে উৎকৰ্ষ সাধন কৰিব পাৰিলেহে সমষ্টি পুষ্ট হ'ব।

ঠিকেই কৈছ। কিন্তু তোক মই কাতৰ অনুৰোধ কৰিছো— ভৱিষ্যতে অন্ততঃ ।ঙটো দমাবলৈ চেষ্টা কৰিবি। তোৰ এই অতিপাত খঙে এদিন এনেকুৱা এটা ইপদত পেলাব যে তই আৰু বিপদমুক্ত হোৱাই টান হ'ব।

মই কোৱা নাই যে মই ভাল, সৎ। আচলতে কোনো মানুহেই সমালোচনা মুক্ত নহয়। সৎ আৰু অসৎ দুয়োটা মিলিহে ব্যক্তি। কোনো মানুহ সম্পূৰ্ণ সৎ বা সম্পূৰ্ণ অসৎ হ'ব নোৱাৰে। কিন্তু তাৰ মাজতো কিছুমান কথা আছে— যিবোৰ কথাৰ পৰা মই আঁতৰি থাকো। মোৰ অসহ্য, মল্লিকাই মোক ইমান ফ্লাৰ্ট কৰিব নালাগিছিল।

যেনেকৈ মল্লিকাই তোক ফ্লাৰ্ট কৰা বুলি ক'লি, মল্লিকাইও তাইক তই ফ্লাৰ্ট কৰা বুলি কৈছে। গতিকে চাব লাগিব বিচাৰ কৰি কোনে কাক ফ্লাৰ্ট কৰিলে? "তাইৰ মাজত নগ্নতাখিনিৰ বাহিৰে একোৱেই নাই"— বুলি কৈ দিলেই নহ'ব। প্ৰমাণ কৰি দেখুৱাব লাগিব।

আৰে, যা যা—

যা যা বুলি ক'লেই হ'ব নেকি? নগ্নতাও একপ্ৰকাৰ সৌন্দৰ্য। সি সুন্দৰৰে প্ৰতীক মাত্ৰ। কিন্তু খঙৰ কি সৌন্দৰ্য আছে? উত্তেজনাত কি সৌন্দৰ্য আছে? কদৰ্য ৰূপ। কদৰ্য সদায় কদৰ্য। তাত সুন্দৰৰ প্ৰকাশ নাই। সেই কাৰণেই মল্লিকা তোতকৈ বেছি ওপৰত। তোৰ মুখত এফালে সংগীত আনফালে জুই।

সেই কাৰণেই জুইৰে খেলা কৰিব নালাগে। জুইয়ে ভস্ম কৰিব পাৰে বুলি আগেয়ে জানিব লাগে।

কিন্তু, মল্লিকা আমাৰ ক্লাছ ফ্ৰেইণ্ড। আৰু মল্লিকাৰ লগৰ নিবেদিতাও।

নহয় বুলি কৈছে কোনে?

তাইৰ মানসিক অৱস্থাটো কেতিয়াবা কোনোবাই বুজিবলৈ চেষ্টা কৰিছেনে?

ঠিক একেদৰেই তাইও মোৰ মানসিক অৱস্থাটো বুজিবলৈ চেষ্টা কৰিছেনে?

তাই আমাৰ সংগ বিচাৰি আহে বুলিয়েই আমি জানো সুবিধা ল'ব লাগে?

মই ঠিক বুজা নাই। মোৰ জীৱনত মই কোনো দিনেই কোনো নাৰীৰ প্ৰতি সন্মান ব্যাঘাতজনক কাম কৰা নাই –

তই নকৰিলে কি হ'ব। কৰোতাই কৰিছে নহয়। অৱশ্যে এইটো এটা অন্য ধৰণৰ কথা। বিটোৰ বিষয়ে তই এইমাত্ৰ কৈছ্ই যে আমাক মানুহ হিচাপে চলা-ফুৰা কৰিবলৈ প্ৰয়োজন এখন সনাতন সমাজ– যিটোৰ অভাৱেই বৰ্তমান আটাইতকৈ বেছি। যদিও তোৰ কথাটোত মই মন দিয়া নাছিলো, এতিয়া ভাবিছো– হিংসা আৰু প্ৰতিহিংসাই আমাৰ সমাজৰ শেষ কথা।

মানে কিবা অঘটন ঘটিছে নেকি?

পাঁচদিনমান আগেয়ে নিখিলেশে তাৰ ঘৰলৈ আমাক মাতিলে। দেওবাৰ— তাতে বৰষুণ, আৰ। বহি ভাল লাগিছিল অৱশ্যে। সনাতনো আহি ওলাইছিল সিদিনা হঠাৎ ক'ৰবাৰ পৰা। সি আগৰে পৰাই নিচা নকৰে বাবে গ'লগৈ। নিখিলেশে ছাতি এটা বৈঠকাক গাড়ীত তুলি থৈ আহিছিল। তেতিয়ালৈকে মল্লিকা অহা নাছিল। সনাতনক আগবঢ়াই থৈ অহাৰ পাছতেই ছাতি এটা লগাই সোমাই আহিল মল্লিকা আৰু পিছে পিছে নিবেদিতাও। নিবেদিতাৰ লগত নিখিলেশে অলপ আবেগিক সম্পৰ্ক থকা বুলি ভাবে। সেইটো ভাবে নিখিলেশে বোধহয়। নাজানো, কথাটো বৰ পৰিষ্কাৰ নহয়–

কেনেকৈ জানিলি?

তাকেইতো ক'ব খুজিছো তোক। নিখিলেশে গেছ ডভৰ ওপৰত থকা কেবাহিৰ পৰা ভজা ফুলকবি এটুকুৰা লৈ আবেগিকভাবে নিজে নিবেদিতাক খুৱাই দিব খুজিলে। তাই তেনেকৈ তাৰ হাতৰ বস্তু খাবলৈ অস্বীকাৰ কৰিলে। কৰিবই দেচোন, সকলোৰে এটা আত্মসন্মান আছে—

তাৰ পাছত কি হ'ল বাৰু?

নিখিলেশে আকৌ তাইৰ পিঠিত ধৰি ফুলকবি খুৱাই দিব খুজিলে। তাই খঙেৰে ক'লে— দিয়া মোৰ হাতত দিয়া, মই নিজেই খাম; মই কি কেঁচুৱা ছোৱালী? নিখিলেশে ক'লে— নহয়, মই নিজেই তোমাৰ মুখত সুমাই দিম; তুমি চোবাই গিলি খাবা।

তেতিয়া?

নিখিলেশে তাৰ কথাটোতে ধৰি থাকিল। সি হেনো যেনে-তেনে খুৱাই দিবই দিব। খুৱাই দিব খোজোতে নিবেদিতাই চীৎকাৰ কৰি উঠিল— বুজিছা, তোমাক মই কোনোবাদিনা চেণ্ডলেৰে কোবাই দিম। তথাপিও সি নিজৰতো এৰি নিদি পুনৰ তাইক ফুলকবি টুকুৰা মুখত সুমাই দিবলৈ চেষ্টা কৰিলে। তাই আকৌ প্ৰতিবাদ কৰিলে। তাই হাতেৰে পুনৰ বাধা দিলে। এইবাৰ নিখিলেশে টুকুৰাটো থিৰিকিৰে দলিয়াই দি বিকৃতভাবে কান্দি কান্দি ক'লে— বুজিছ, মোৰ জীৱনটো এক বিৰাট অনিশ্চয়তাৰ মাজেৰে গৈ আছে। তইঁতে নিশ্চয় দেখিছ, মই জীৱনত এইজনীৰ পৰা কিবা পাম বুলি ভাবিছ নেকি?

তেতিয়া?

নিবেদিতাই চীৎকাৰ কৰি উঠিল— কাপুৰুষ। যদি সাহস আছে মোৰ ঘৰলৈ গৈ কথাটো নাপাতা কিয়? মোৰ মা আছে, দেউতা আছে, ভাই-ভনী আছে। কেৱল ৰেডিমেড বস্তু এটা খাই থাকিব বিচৰা। নীচ, পাষণ্ড।

সেই কাৰণেইতো মই কৈছো যে মই অমৰেন্দ্ৰৰ ঘৰলৈ পাটী খাবলৈ নাযাওঁ। যি আনন্দৰ সন্ধানত আমি গৈ উপস্থিত হওঁ, সেই একে বিপৰীত গতিত নিৰাশ আৰু নিৰানন্দ হৈ উভতি আহো। সেই কাৰণেই মই বৰ হতাশ। ক'তোৱেই অকণমান আনন্দ নাই, তৃপ্তি নাই, সুখ-শান্তি একোৱেই নাই। এনেকৈনো জীয়াই থাকিব পাৰিনে?

মধ্যবিত্তৰ জীৱন এনেকুৱা—

কিহৰ মধ্যবিত্ত-চধ্যবিত্ত আছে? মোৰ মতে মধ্যবিত্ত বুলি কোনো এটা শ্ৰেণী নাই, যেনেকৈ মাণৱ-বৰণীয়া বুলি এটা ৰং নাই। অতীজতে মাছৰ কোনো শ্ৰেণী নাছিল তেনেকৈ নাছিল মানুহবো। এতিয়া, মাছবো শ্ৰেণী বিভাজন কৰিছো আৰু মানুহবো শ্ৰেণী বিভাজন কৰিছো আমিয়েই। এইবোৰ শ্ৰেণী কেৱল নিজৰ সুবিধাৰ বাবে। মানুহবো কোনো শ্ৰেণী নাই, মানুহৰ শ্ৰেণী এটাই— কেৱল মানুহ আৰু তেওঁলোকৰ বুদ্ধি-বিচাৰ আছে। কিন্তু সময়ৰ গতিত মানুহে বিচাৰ বুদ্ধি সকলো পুৰি

খাইছে—

খং উঠিবৰ সময়তো মানুহে নিজৰ বুদ্ধি নিজে পুৰি খায়। খঙত বিচাৰ-বুদ্ধি লোপ পায়। সেই কাৰণেই তই খঙটো কমাবলৈ চেষ্টা কৰ—

মোৰ খং কি এনেয়ে উঠে? নিশ্চয় তাৰ এটা প্ৰয়োজনীয় কাৰণ আছে। মোৰ দৃষ্টিত উপযুক্ত কাৰণত খং উঠাটো ভাল। দুৰ্নীতি বা অন্যায়ৰ বিৰুদ্ধে যদি তই প্ৰতিবাদেই নকৰিলি তেনেহ'লে তই মানুহ হৈ থকাটো উচিতেই নহয়। অৱশ্যে মোৰ খং উঠিলে আচল বিষয়টো তল পৰি যায়। সেইটো অৱশ্যে ভাল নহয়—

মইতো তাকেই ক'বলৈ বিচাৰিছো— খঙটো হৈছে এবিধ আবেগ। আবেগক প্ৰতিৰোধ কৰিব পৰাৰ ক্ষমতাও কিন্তু খঙাল ব্যক্তিজনৰ থকাৰ প্ৰয়োজন আছে। তদুপৰি আৰু এটা কথা, বেলেগক খং কৰাৰ আগেয়ে নিজৰ স্থিতিও চাই ল'ব লাগে। সিদিনাখন দিনটো আমি ঘুৰিয়েই ফুৰিলো— ফুৰি ফুৰি তিনিবাৰ হোটেলত বহিলো। তিনিওবাৰ হোটেলৰ বিল তই নিজেই দিলি অথচ তইয়ে আমাৰ ওচৰত অপ্ৰিয় হলি। শেষৰবাৰ হোটেল প্লাজাত বহি চাহ-মিঠাই খাই যেতিয়া বিল পৰিশোধ কৰিবলৈ লাগিলি তেতিয়া মানি-বেগ খুলি স্তম্ভিত হৈ আমাৰ ফালে চাই থাকিলি। আমি সুধিলো— কি হৈছে? তই কলি— বেগত ভালেখিনি পইছা নাই। প্ৰকাশ-ভংগীত তোৰ এনেকুৱা এটা ধাৰণা ফুটি উঠিল যেন তোৰ জেপৰ পৰা বেগটো উলিয়াই তাৰে পইছা নিজ পকেটত সুমুৱাই লৈ পুনৰ সেইটো তোৰ পকেটত আমিহে সুমুৱাই থৈছো? তই নিৰ্লজভাবে সুধিয়েই পেলালি। আমি নিনিয়া বুলি ক'লো। নিয়া নাই বুলি কোৱাৰ পাছতো, কথা নাই বক্তব্য নাই, নিখিলেশ আৰু মোক অসভ্য ভাষাৰে গালি পাৰিবলৈ ধৰিলি। চোৰ সাব্যস্ত কৰিলি। তথাপিও মই কিন্তু উত্তেজিত হোৱা নাই। তই কিন্তু উত্তেজিত হৈ টিএন-বাখৰ কৰিবলৈ ধৰিছ। মানুহবোৰে তোৰ ফালে চাই হাঁহিব ধৰিছে। মই অশেষ ধৈৰ্য ধৰি, লাজ-মান সকলো পাহৰি জেপৰ পৰা কাগজ এখন উলিয়াই ললো। তিনিওবাৰৰ চাহ খোৱাৰ হিচাপটো যোগ কৰিলো। তিনিওটাৰ যোগফল যেতিয়া চকুৰ আগত দেখিলি তেতিয়া তোৰ উত্তেজনা নাই— পৃথিৱীৰ পানীৰ দৰে স্থিৰ হৈ পৰিছ আৰু লাহে লাহে হাত যোৰ কৰি তোৰ সেই ভুলৰ বাবে আমাৰ দুয়োৰে ওচৰত ক্ষমা খুজিছ— হয়নে?

সেইটো নিশ্চয় মোৰ ইচ্ছাকৃত নাছিল—

ইচ্ছাকৃত নাছিল, অথচ ঘটি গ'ল—

তাৰ কাৰণে মই দুঃখিত আৰু সেইবাবে—

তই লাজ পোৱা উচিত—

তথাপিও যে পুনৰাবৃত্তি নহ'ব বুলি ক'ব নোৱাৰো— কাৰণ, কেনেকৈ হঠাৎ খঙটো উঠি যায় ক'ব নোৱাৰো—

নোৱাৰিলে কেনেকৈ হ'ব, চেষ্টা কৰিব লাগিব-

চেষ্টা কৰো, অথচ—

ঠিক আছে; সেইবোৰ বাৰু এৰিলো। এতিয়া ব'ল—

কলৈ?

অমৰেন্দ্ৰৰ তালৈ— ভাল লাগিব। এসময়ৰ আমি ভাল বন্ধু। সময়ৰ সোঁতে হয়তো আমাক সম্পূৰ্ণ যান্ত্ৰিক আৰু কৃত্ৰিম কৰি পেলাইছে; তথাপিও আমি কিছু বছৰ আগৰ মুহূৰ্তবোৰ পাহৰি যোৱাটো জানো উচিত হ'ব?

কোনে কৈছে— মই পাহৰি গৈছো বুলি?

আস। ইমান উত্তেজিত হৈছ কিয়?

নাই হোৱা উত্তেজিত—

তেনেহ'লে ব'ল; যাওঁ অমৰেন্দ্ৰৰ তালৈ—

নাযাওঁ—

তোৰ বাৰু অমৰেন্দ্ৰৰ ওপৰত হিংসা হৈছে নেকি?

হঠাৎ তই মোক কেনেকৈ ইমান নীচ হৈ যোৱা বুলি ভাবিব পাৰিছ, মই ঠিক বুজি নাপাওঁ—

নহয়, যিহেতু তই অমৰেন্দ্ৰৰ তালৈ যাব খোজা নাই—

সেই বুলিয়েই তই মোক—

নাই নাই; কথাটো সহজভাবে ললেই হ'ল—

মোৰ কেতিয়াও তাৰ ওপৰত হিংসা জন্মা নাই। যদি মোৰ কথা-বতৰাত তেনে কোনো ভাব প্ৰকাশ পাইছে, তাৰ বাবে দুঃখিত।

নাই, তই বেয়া নাপাবি—

এক ফালেদি তাৰ সেই উন্নতিত মই গৰ্বহে অনুভৱ কৰো। এটা কোম্পানীৰ সি এজন আঞ্চলিক বচ। ধেমালি কথা? অন্য নহ'লেও, কেতিয়াবা তাৰ ওচৰলৈ গৈ সমুখত বহিলে অন্ততঃ একাপ ভাল চাহতো খাবলৈ পাওঁ। এই মৰুভূমিৰ নিচিনা প্ৰাণহীন চহৰখনত কোনে তোক একাপ ভাল চাহ খুৱাব? সিদিনাখন তাৰ তালৈ গৈছিলো। মোক বহুৱাইছে, সুন্দৰকৈ টিপ্‌চেৰে চাহ একাপ খুৱাইছে। চাহ আৰু টিপ্‌চ, তাৰ সোৱাদ আৰু গোন্ধ এতিয়াও নাকত লাগি আছে—

তেনেহ'লে আজি নাযাব কিয়?

আত্মসন্মান, যিহেতু সি মোক নিজ মুখেৰে কোৱা নাই।

মই কিন্তু তেনেকুৱাকৈ ওযন্দ পাতি থকা লঁৰা নহয়, মই নামাতিলেও যাওঁ—

সেইটো তোৰ কথা— বিভিন্ন মন— ভিন্ন ভিন্ন চিন্তা—

তই একেবাৰে দাৰ্শনিকৰ দৰে কথা পাতিছ— যি দেখিছো তই দাৰ্শনিকৰ দৰেই হৈ যাবি নেকি?

হৈছে, আৰু পেংলাই কৰিব নালাগে— মোৰ নিজৰে মানসিক অপুষ্টি আছে, তেনেস্থলত আনক পুষ্টিকৰ খাদ্যৰ সন্ধেদ দিম কেনেকৈ?

তেনেকুৱা এটা কথা হ'ব নোৱাৰে, মই কিন্তু তেনে কথা বিশ্বাস নকৰো। নিজৰ

অভাৱ আছে বাবেইতো এদিন সেই অভাৱ কি আছিল ওলাই পৰিব— যিহেতু দৰ্শন মানেইতো সত্যৰ স্বৰূপ উপলব্ধি। সত্যৰ অন্বেষণেই দৰ্শন নহয় জানো?

কেনেকৈ জানিম? মইতো দৰ্শন পঢ়া নাই—

আমি কোন? ক'ৰ পৰা আহিছো, ক'লৈ যাম? মানুহ শ্ৰেষ্ঠ জীৱ। মানুহৰ বুদ্ধি-বৃত্তি আছে, কিন্তু জন্তুৰ বুদ্ধি-বৃত্তি নাই— এইবোৰবেই আলোচনা দৰ্শনত নহয় জানো?

নাজানো, নজনা বিষয়ে কেনেকৈ ক'ম?

বুজিছো, তই মোৰ কথাত অলপো গুৰুত্ব দিয়া নাই। কি ভাবিছ?

নাই, মই অন্য কথা এটা ভাবিছো— মানে ভাবিয়েই আছো।

কি ভাবিছ?

মোৰ মনটোত দ্বন্দ্ব চলি আছে— মানে মানসিক দ্বন্দ্ব। কোনটো সত্য কোনটো মিছা ধৰিব নোৱাৰা হৈ গৈ আছো—

দ্বন্দ্ব মানেইতো শুভ-বুদ্ধিৰ উদয়। দ্বন্দ্বৰ ফলত মানুহৰ স্বৰূপ সলনি হয়। দ্বন্দ্বৰ পৰাই সংঘাত। সংঘাতে আনি দিয়ে সুন্দৰ—

মোৰ মাজত দৰাচলতে এক পশুবৃত্তি আছে— সেই কথাটো মোৰা কেইদিনমান ধৰি অনুভৱ কৰিব ধৰিছো— এই পশুবৃত্তিৰ পৰাই বোধহয় মনত এক আক্ৰোশ উৎপত্তি হ'বলৈ ধৰিছে—

মানুহৰ মাজত পশুবৃত্তি আছে। পশুবৃত্তি আৰু নিজৰ বুদ্ধি-বৃত্তিৰ লগত সদায় এক দ্বন্দ্ব চলি থাকে আৰু এটাই আনটোক দমন কৰাৰ চেষ্টাত থাকে। ইয়াৰ ফলতে মানুহৰ চৰিত্ৰৰ বিভিন্নতা— সেই কাৰণেই তই, মই, অমৰেন্দ্ৰ, মল্লিকা বা নিবেদিতা সকলো বেলেগ বেলেগ-

তথাপিও, তাৰ পিছত মোৰ নিজকে আকৌ তইঁতৰ পৰা পৃথক যেন লাগে। তই, অমৰেন্দ্ৰ, মল্লিকা, নিবেদিতা বা নিকুঞ্জ এই সকলো কেইজনৰ মাজত যেন এক পাৰস্পৰিক বুজা-বুজি আছে- যিটোৰ পৰা মই সম্পূৰ্ণ বঞ্চিত। সেই কাৰণেই মই নিজকে বৰ অসহায় আৰু নিঃসংগ যেন অনুভৱ কৰো—

তোৰ পৰ্যবেক্ষণত যদি তেনেকুৱা কিবা এটা ধৰা পৰিছে মই নাজানো। অৱশ্যে মই কোনো দিনেই নিজক এঠাইত ৰাখি বাকীবোৰক পৰ্যবেক্ষণ কৰি চোৱা নাই-

তইঁতৰ লগত কিয় মই সম্পূৰ্ণকৈ মিলি যাব নোৱাৰো?

তোৰ আৰু আমাৰ মাজত ইমান পাৰ্থক্য কিয় আহি পৰা বুলি ভাব?

নাজানো, অৱশ্যে জানিব পৰা হ'লে ভালে আছিল—

যিজনে সদায় নিজৰ অস্তিত্ব লৈ জীয়াই থাকিব বিচাৰে, শেষত সেইজনেই তেনেকুৱা হোৱা দেখো—

মিছা কথা, মই বিশ্বাস নকৰো—

নকৰিলেও কিন্তু সঁচা। অস্তিত্ববাদীসকলে ব্যক্তিবিশেষৰ অস্তিত্বক প্ৰাধান্য দিয়ে। ইয়াত ব্যক্তি তই নিজেই। সেই কাৰণেই তই তোৰ অস্তিত্বৰ কথা ভাবোতে অজ্ঞাতভাবে অমৰেন্দ্ৰৰ চকীখনৰ কথাও ভাব আৰু মনে মনে এক হতাশাত ভুগিবলৈ আৰম্ভ কৰ। হতাশাই নিঃসংগতাৰ সৃষ্টি কৰে— তাৰ পাছত মনৰ মাজত এক শূন্যতাৰ সৃষ্টি হয়। যেতিয়াই কোনোবাই বুজি পায় যে তাৰ চৌদিশে এক মহাশূন্যতাই বিৰাজ কৰি আছে তেতিয়াই স্বাভাৱিকতে সেইজনৰ মনত এক ভয়ৰ সঞ্চাৰ হয়। দায়িত্ব পালনৰ গধুৰ বোজা, মৃত্যুৰ লগে লগে পৃথিৱীত সি অস্তিত্বহীন হৈ যাব ইত্যাদি ভয়েই সকলোতকৈ বেছি সোনকালে মনলৈ আহে। সেই ভয়ে ব্যক্তিজনৰ মনত সৃষ্টি কৰে এক অবলম্বনহীনতাৰ-

কিন্তু আহে কিয়?

কৈছোয়েই দেখোন, যেতিয়া মানুহে ভাবে- মই স্বাধীন, মই কাৰো নিয়ন্ত্ৰণত নাই- তেতিয়া স্বাভাৱিকতে নিজৰ জীৱনৰ গধুৰ দায়িত্ব নিজে ল'বলগীয়া হয়। ইফালে মানুহজনে নিজৰ সম্পূৰ্ণ দায়িত্ব ল'ব খুজিলেও ল'ব নোৱাৰে। কাৰণ এনে এটা মুহূৰ্ত আহে যে আনৰ সহায় ল'বলৈ বাধ্য। এই বাধ্যতাই ভয়ৰ সঞ্চাৰ কৰে। ভয়ে জন্ম দিয়ে নিঃসঙ্গতাৰ, অবলম্বনহীনতাৰ-

এই ভয় বাৰু আঁতৰাব নোৱাৰি নেকি?

পাৰি, নিজৰ অস্তিত্ব বাদ দিব লাগিব।

কেনেকুৱা অস্তিত্ব?

মই স্বাধীন, মই কাৰো মতে নচলো, মই কাৰো দাস নহয়, মোৰ বস্তু মই কিয় আনক দিম? মোৰ পদূলিত মই কিয় আনক সোমাবলৈ দিম? মই শোৱাৰ সময়ত আনে অসুবিধা দিব কিয়? — এইবোৰেই অস্তিত্ব। এইবোৰ এৰিব লাগিব।

সেই কাৰণেই আমাৰ চহৰখনত হঠাৎ কুকুৰৰ সংখ্যা বাঢ়ি যাবলৈ ধৰিছে

নেকি ? হয়তো এসময়ত গোটেই চহৰখন কুকুৰময় হৈ পৰিব। কুকুৰ মানে চেকুৰা কুকুৰ নহয়- অলপ চহাৰ টাইপৰ কুকুৰ—

তইতো এইটো সম্পূৰ্ণ নতুন কথা ক'লি— যিটো কথা মই কোনো দিনেই ভবা নাই—

মানুহবোৰ উচ্চ-শিক্ষিত, অজস্ৰ টকা-পইচা আছে, খোৱা-লোৱাৰ সমস্যা নাই। প্ৰয়োজন হলে একেলগে দহখন গাড়ী বজাৰৰ পৰা কিনিব পাৰে। তেওঁৰ দেখাত সকলো আছে, কিন্তু ভিতৰে ভিতৰে সুখ-শান্তি একো নাই। তেওঁৰ অস্তিত্ব যে কোনোৱে স্বীকাৰ নকৰে সেই কথাটোও পৰিস্কাৰভাৱে বুজি পায়। তেওঁৰ সেই ঐশ্বৰ্য-সম্পত্তিৰ অতল বৈভৱ মৃত্যুৰ লগে লগে যে হেৰাই যাব— এনেকুৱাবোৰ ভবাৰ পাছত স্বাভাৱিকতে মনলৈ বিষাদ, ক্ষোভ, হতাশা, নিঃসঙ্গতা আহিবলৈ ধৰে তেতিয়াই তেওঁৰ মনলৈ আহে মানসিক সংকট— ঠিক মানসিক সংকট নহয়— অস্তিত্বৰ সংকট। আৰু তেতিয়াই নিজৰ বিবেক, মনুষ্যত্ব নিজৰ অজ্ঞাতে হেৰুৱাই পেলাই দাম্ভিক হৈ পৰে। সেই দাম্ভিকতাৰ বাবে তেওঁ চাৰি-পাঁচটা কুকুৰ পুহিবলৈ ধৰে। আচলতে চোৰৰ ভয়ত কুকুৰ নোপোহে— পোহে মাত্ৰ মনৰ পৰা ভয়, বিষাদ আৰু নিঃসঙ্গতা আঁতৰাবলৈহে। লাহে লাহে তেওঁ কুকুৰকেইটাৰ লগত এনেকৈ থাকিবলৈ লয় যেন ওচৰ-চুবুৰীয়া কোনো নাই। কুকুৰৰ ভুকভুকনিত ওচৰ-চুবুৰীয়াই তেওঁৰ ওচৰত আপত্তি দৰ্শাই, কিন্তু তেওঁ তেওঁৰ মনত উদয় হোৱা দাম্ভিকতাৰ বাবে পাহৰি যায় ওচৰ-চুবুৰীয়াৰ অস্তিত্ব। তেওঁ নিজৰ অজ্ঞাতে নিজৰ আগৰ ব্যক্তিত্ব হেৰুৱাই পেলায়। তেওঁৰ দৃষ্টিত কথাবোৰ এনেকৈ ধৰা দিয়ে যেন ওচৰত কোনো মানুহ নাই, চাৰিওফালে আছে, সেই শূণ্যৰ মাজে মাজে তেওঁৰ চেতনা আছে। তেওঁৰ ধাৰণাত আহি থিতাপি লয়— মইহে মই, বাকীবোৰ গৌণ।

তেতিয়া ওচৰ-চুবুৰীয়াৰ প্ৰতি তেওঁৰ ধাৰণা কেনেকুৱা হয় বুলি ভাব ?

তইঁতবো স্বাধীনতা আছে। ইচ্ছা আছে যদি তইঁতেও এনেকৈ চল। মই কিন্তু এনেকৈয়ে চলিম। মাত্র মোৰ স্বাধীনতাত তইঁতে হস্তক্ষেপ নকৰিবি আৰু হস্তক্ষেপ কৰিলে কিন্তু কুকুৰ লগাই দিম। তইঁতে যেনেকৈ কাৰো দাস নহয়, তেনেকৈ ময়ো কাৰো দাস নহয়। আৰু মোৰ লগত তইঁতৰ কাৰো সম্বন্ধ নাই—

তাৰমানে এইসকল মানুহে নিজৰ মনুষ্যত্ব ক্ৰমাৎ নিজৰ ওচৰতে হেৰুৱাই পেলাই?

থৈ দে মনুষ্যত্ব-ফনুষ্যত্ব। মনুষ্যত্বতকৈ আগত থাকে অস্তিত্ব। ফলত তেওঁ যি খুচি তাকেই কৰিবলৈ লয়। চলাই থকা গাড়ীখনো আলিবাটেৰে খোজকাঢ়ি গৈ থকা মানুহবোৰৰ ওপৰেৰে চলাই যাব খোজে। এইবিধো এবিধ বেমাৰ। তেওঁলোকে এনেকৈয়ে নিজৰ অস্তিত্বৰ প্ৰতি সজাগ থাকি আজীৱন এনেকৈ কটাই মনুষ্যত্ব হেৰুৱাই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে গুচি যায়।

আৰু যিসকল মানুহ মানসিকভাৱে দুৰ্বল?

তেওঁলোকে কোনো ৰাজনৈতিক পাৰ্টিত বা ক্লাবত যোগ দি মই ভাবটো এৰি আমাৰ ভাব লয়। যেনে— আমাৰ ক্লাব, আমাৰ পাৰ্টি কৰি বিভিন্ন নেতৃত্বৰ ওচৰ চাপে-

যিসকলে নেতৃত্ব দিয়ে?

তেওঁলোক সবল মনৰ মানুহ— সেই কাৰণেই লক্ষ লক্ষ কোটি কোটি মানুহক নেতৃত্ব দিয়ে। নেতৃত্ব সবল নহলে দুৰ্বল মানুহবোৰে এখন পতাকাৰ তলত থিয় হ'ব কিয়? তেওঁ যেতিয়ালৈকে অভয় দি থাকিব পাৰে তেতিয়ালৈকে তেওঁৰ নেতৃত্ব, নহলে খহি পৰিব-

নেতৃত্ব দিয়া মানুহজনে নিজা অস্তিত্ব লৈ সজাগ থাকেনে নাথাকে?

নিশ্চয় সজাগ, নহলে দেখোন খেলাই খতম্—

হাঁ— হাঁ— হাঁ— হাঁ—

হাঁ—হাঁ—হাঁ—হাঁ—

হাঁ— -হাঁ— হাঁ— হাঁ—

হাঁহিছ কিয়?

তই কিয় হাঁহিছ?

নাই এনেয়ে — মানে অস্তিত্ব বস্তুটো কেনেকুৱা এটা সাংঘাতিক বস্তু—

দেখা নাযায়, অথচ আছে— অস্তিত্ব। আৰে, সেইজন জানো আমাৰ হিতেন নহয়?

হয়, হিতেনেই।

তেনেহলে আমাক নামাতে কিয়?

বিয়া কৰাইছে নহয়—

বিয়া কৰালে মাতিব নাপায় নেকি? কিমান দিন হ'ল বিয়া কৰোৱাৰ?

চাৰি বছৰমান হ'ল। পাছ কৰিয়েই চাকৰিত সোমাইছে, তাৰ পিছতেই বিয়া

পাতিছে।

পিছে সংসাৰ? ল'ৰা-ছোৱালী—?

সি সেইবোৰ কেতিয়াও ভৱা নাই আৰু কেতিয়াও নাভাবে। বিয়া মানে সি বুজি পায় লিভিং টুগেদাৰ, ন চাইল্ড—

লিভিং টুগেদাৰ? সি কেতিয়াৰ পৰা আমেৰিকান হৈ গ'ল?

কেৱল আমেৰিকানে কিয়? ইণ্ডিয়াতো আজিকালি এই টো আহি গৈছে।

আহিবই। মেট্ৰপলিটান চহৰত থকাৰ সমস্যা, খোৱাৰ সমস্যা, প্ৰতিষ্ঠাৰ সমস্যা আৰু ক'ত হেজাৰ সমস্যা আছে। আমাৰ চহৰতো এই সমস্যা আহি গৈছে। এনে কিছুমান পৰিয়াল আছে যাৰ অকণমান মাটি আছিল, সেইখিনি পূৰ্বপুৰুষানুক্ৰমে ভগাওঁতে ভগাওঁতে শেষ হৈ গৈছে। ইফালে নতুনকৈ মাটি কিনিবলৈও পইছা নাই। কিছুমানৰ আকৌ পইছা আছে, মাটি নাই। বাহিৰৰ পৰা অহা মানুহে মাটিবোৰ ইতিমধ্যে বেছি দাম দি কিনি থৈছে। মাটিৰ মালিকেও বেছি পইছা পাই ভবিষ্যত পাহৰি গৈছে। পাহৰি গৈছে তেওঁৰ ল'ৰা-ছোৱালীৰ কি হ'ব? খেতিৰ মাটিবোৰ প্ৰব্ৰজনকাৰীসকলে আমাৰ গাঁৱৰ সাধাৰণ খেতিয়কৰ পৰা ছলে-বলে-কৌশলে কিনি নিজৰ নামত লিখি ল'ব ধৰিছে। ফলত ভাৰসাম্য নোহোৱা হৈছে। হিতেনৰো সেয়ে হৈছে। সেই কাৰণেই সি সন্তানৰ কথা ভৱা নাই। তাৰ থাকিবৰ ঘৰ নাই, উত্তৰাধিকাৰী সূত্ৰেও একো নাই। সৰু ঘৰ এটাত ককায়েক পাঁচজনৰ এগালমান ল'ৰা-ছোৱালীৰ সৈতে থাকে। মাটি কিনিবৰো পইছা নাই। বাবাওৰ চালি এখনৰ তলত কোনোমতে জন্তু-জানোৱাৰে থকা দি আছে—

বুঢ়া হলে কোনে চাব?

সন্তান থাকিলেও যে বুঢ়াকালত ল'ৰা-ছোৱালীয়ে বাপেকক চাবই তাৰো আশা লাহে লাহে সমাজৰ পৰা শেষ হৈ যাব ধৰিছে। মই নাভাবো যে আমাৰ দিনত আমি বুঢ়া হ'লে ল'ৰা-ছোৱালীয়ে আমাক চাব— গতিকে বুঢ়াকালটো শান্তিত কটাব পৰাকৈ ওল্ড দেজ হাউচ নিৰ্মাণ হ'ব। আমি, মানে তই-মই-অমৰেন্দ্ৰ এইবোৰে বুঢ়াকালত একেলগে ওল্ড ডেজ হাউচত লগ হ'ম। বঢ়িয়া লাগিব। জমিব তামাম। আমি তেতিয়া আমাৰ সোণালী দিনবোৰৰ কথা ভাবিম—

মানে তই তেতিয়া মল্লিকাৰ কথা ভাবিবি—

এই থাৰ্ডক্লাছ কথাবোৰ কিয় কৈ থাক?

থাৰ্ডক্লাছ নে ফাৰ্ষ্টক্লাছ সেইবোৰ মইহে জানো। বাৰু সেইবোৰ এৰিলো। তোক মনত দুখ নিদিওঁ—

দুখ দিবলগীয়া বা আছেই কিটো?

হিতেনৰ কথাখিনিয়ে কিন্তু মোৰ গাত ধৰিছে। তাৰ সমস্যাটো কিন্তু চিন্তা কৰিবলগীয়া। কথাবাৰ যদিও আমি উৰাই দিব খুজিছো কিন্তু সিমান সহজ নহয়। তেনেকৈ কোৱাৰ কিন্তু অধিকাৰ নাই—

কিয় ?

এইটো এক প্ৰকাৰ অমানৱীয়তা। তেনেকৈ ভাবি লোৱাৰ অধিকাৰ তাক কোনে দিলে ?

তোক এইখিনি কথা কোৱাৰ অধিকাৰ তেনেহ'লে কোনে দিলে ? কথাটো একেই। যি উৎপত্তি স্থলৰ পৰা তই বাক্-স্বাধীনতা পাইছ, একে উৎপত্তি স্থলৰ পৰাই হিতেনেও নিজাকৈ স্বাধীনতা পাইছে—

তথাপিও ই এক অমানৱীয়তা—

পৃথিৱীত মানৱীয়তা হেৰাই যাবলৈ ধৰিছে। যদি মানৱীয়তা আছে তেনেহ'লে ক, তইঁতৰ যে ইমানবোৰ ভাড়াঘৰ আছে তাতেই আনি তাক থাকিবলৈ দিওঁ। ক, দিবি ?

ধেৎতেৰি। তই যে কি কথাবোৰ কৰ ? সেয়াতো মোৰ ঘৰ নহয়; দেউতাৰহে—

আৰু দেউতাৰে কি যাওঁতে লগত লৈ যাব ? তইয়ে এই সম্পত্তিৰ মালিক। অন্য নহ'লেও হিতেনক কিছুদিনৰ বাবে থাকিবলৈ দে। সুস্থ সবল বাতাৱৰণত থাকিলে কিজানি তাৰ মনৰ পৰিবৰ্তন হয়েই—

ধেৎ, মই কেনেকৈ...

কেনেকৈ নহয়, তই পাৰ; কিন্তু নকৰ বা তোৰ ভিতৰখন ইমান মহান হ'ব নোৱাৰে। কেৱল তোৰেই নহয়, শতকৰা নিৰানব্বৈই জনৰেই। গতিকে ক, মানৱীয়তানো ক'ত আছে ? এজন সু-নাগৰিক হ'বলৈ হিতেনে পৃথিৱীত জন্মি কিবা পৰিবেশ পালে জানো ? নাপালে। ভৱিষ্যত সি এতিয়াই পৰিষ্কাৰকৈ দেখা পাইছে। সেই কাৰণেই তাৰ ভিতৰত এটা ভয় সোমাইছে। তাৰতো জীৱনটো এনেকৈ গ'লেই, তাৰ পাছত তাৰ বা ল'ৰা-ছোৱালীৰ কি হ'ব ? এটা বিৰাট অনিশ্চয়তা। অনিশ্চয়তাৰ মাজেৰে সি তাৰ উত্তৰ-পুৰুষক যাবলৈ দিব বিচৰা নাই।

অৱশ্যে, মোৰ মতে সি ভালেই কৰিছে নেকি ? ল'ৰা-ছোৱালী জন্মিলে সিহঁতে ভালদৰে খোৱা-লোৱা থকাৰ উপৰিও মাক-বাপেকৰ মৰম-স্নেহ পাব লাগে। নহ'লে কুকুৰ-মেকুৰীৰ দৰে থাকি মৰি যোৱাৰ কি অৰ্থ থাকিব পাৰে ? আমাৰ ঘৰৰ ওচৰত অকণমানি ল'ৰা এটা আছে। ল'ৰাৰ মাক-বাপেক উভয়ে চাকৰি কৰে বাবে তাক ওচৰৰে বনকৰা মানুহ এজনীৰ ঘৰত এৰি থৈ যায়। ইফালে বনকৰা মানুহ গৰাকীয়েও স্কুলত আয়াৰ কাম কৰে। তাইৰ এজনী পাঁচবছৰীয়া সৰু ছোৱালীও আছে। তাই নিজৰ ছোৱালীজনীক ঘৰত থকা বেমাৰী গিৰিয়েকক গতাই থৈ ল'ৰাজনক লৈ স্কুললৈ আয়াগিৰী কৰিবলৈ যায় আৰু স্কুল ছুটীৰ পাছত পুনৰ ল'ৰাজনক ঘৰলৈ লৈ আহে। ল'ৰাজনক খুৱাবৰ বাবে মাক-বাপেকে খোৱা বস্তু, গাখীৰ দি থৈ যায়। কিন্তু মানুহগৰাকী বৰ গৰীব হোৱা বাবে নিজৰ ছোৱালীজনীয়ে ল'ৰাজনে পোৱা ধৰণে খাবলৈ নাপায় ফলত, তাই ল'ৰাজনৰ মাক-বাপেকে তাক খুৱাবলৈ দিয়া আটাইখিনি বস্তু মনে মনে খাই পেলায়। ছোৱালী-জনীক মাকে

কোবাই — কোবালেই বা হ'ব কি? তাইবো তেনেকুৱা ভাল বস্তু খাবলৈ ইচ্ছা যায়। মই হোৱা হ'লেও একেই কৰিলোহেঁতেন। ইফালে, বনকৰা মানুহজনীৰ গিৰিয়েকৰ টি-বি। গতিকে তাই কেতিয়াবা ল'ৰাজনক দি যোৱা সিজোৱা কণী দুটাৰ সৈতে গাখীৰখিনি গিৰিয়েকক খাবলৈ দিয়ে। বেচেৰা ল'ৰাজন। দিনটো শুকাই-খীণাই ভোকত কলমটিয়াই থাকে। এনেকৈ ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ পৰা কিবা লাভ হ'বনে? গতিকে হিতেনৰ সিদ্ধান্তটো তৎক্ষণাৎ উৰাই দিব নোৱাৰি। তাৰ এই সিদ্ধান্তটো এটা সাধাৰণ সিদ্ধান্ত হ'লেও ই আমাৰ দেশৰ এটা সাম্প্ৰতিক সামাজিক প্ৰতিফলন মাত্ৰ।

হিতেনৰ ঘৈণীয়েকেও কাম কৰে নেকি?

সাধাৰণ কাম এটা কৰে, নহ'লে যে চলিবই নোৱাৰে। খাওঁ বুলি বস্তু এটা খাব নোৱাৰে, লওঁ বুলি বস্তু এটা ল'ব নোৱাৰে।

তথাপিও হিতেনে এটা ভুল বাটেৰে গৈ আছে। সি সংসাৰ কি বুজাই নাই। সংসাৰ নকৰিলেও হ'লহেঁতেন—

কিয়? তাৰ এটা নিজস্বতা আছে। সি তাৰ মতে চলিছে। তই-মই তাত ক'বৰ কোন?

কিন্তু সি নিশ্চয় এটা যন্ত্ৰ নহয়। আহিছে, খাইছে, শুইছে, অফিচলৈ গৈছে, যন্ত্ৰবৎ চলি গৈছে সঁচা— কিন্তু কিমান দিন? কিমান দিন এই একঘেয়ামি। সহজ কথাত হিতেনৰ এই কাৰবাৰটো, মানে Living together টো হৈছে আজিকালিৰ যান্ত্ৰিকতাবাদ। সি নিশ্চয় যন্ত্ৰ নহয়। আমি হৈছো একপ্ৰকাৰ প্ৰবৃত্তিৰ দাস। প্ৰবৃত্তিৰ দাসত্বৰ পৰা কোনোৱে সহজে সাৰি যাব নোৱাৰে। অৱশ্যে দৃঢ়তা থাকিলে হয়তো নামমাত্ৰ বা কিছুদিনলৈ সি দমি থাকিব। প্ৰবৃত্তিৰ ফলত বাসনা জাগে। ফলত, কোলাত বহুৱাই কেঁচুৱা নিচুকোৱাৰো একপ্ৰকাৰ বাসনা এটা সময়ত মানুহৰ জাগে। বিয়া-চিয়া এই জাতীয় যিবোৰ নিয়ম আমাৰ ঘৰে-বাহিৰে আছে তাৰ দ্বাৰা কেৱল এহাল দম্পতিয়ে যৌন-বাসনা চৰিতাৰ্থ কৰাতেই কথাটো একেবাৰে চাফা হৈ নাযায়। সিহঁত দুয়োৰে মাজত বুজা-বুজি, সমানুভূতি থাকে। সমানুভূতিহে— সহানুভূতি নহয়। সেই কাৰণে মই কওঁ— কেৱল মাত্ৰ দাম্পত্য প্ৰেমেৰেই সংসাৰৰ পদুম ফুল বা গোলাপ ফুল নুফুলে।

সেইটো তই বিয়া নকৰোৱাকৈ কেনেকৈ জানিলি?

তই মাজে মাজে এনেকুৱা এটা প্ৰশ্ন কৰ যেন মই সৰু ল'ৰাহে। আৰে ভাই, আমাৰ বয়স হৈ গ'ল। এইটো কি ডাঙৰ বুজিবলগীয়া কথা? মানুহৰ ভিতৰত সন্তান তুলি-তালি ডাঙৰ-দীঘল কৰাৰ হাবিয়াস থাকে। সন্তানৰ মাজেদি নিজৰ আশা পূৰণ কৰাৰ ইচ্ছা থাকে। সন্তানৰ মাজেৰে মানুহে নিজক বিচাৰে। বাৎসল্য-প্ৰেম অবিহনে সংসাৰ মৰুভূমি।

বাঃ তই দেখোন সংসাৰ লাইনত একেবাৰে পকি আছ—

কেৱল পকাই নহয়। লাৰি দেখোন, জো-জোঁৱাই সৰি পৰিম। সকলো সমস্যাক দমন কৰিও মানুহে শিশুৰ হাঁহি বিচাৰে। হিতেনক তাৰ এই বলিয়ালিবোৰ বন্ধ কৰিবলৈ কবি। মই কোৱা বুলিয়েই কবি। চাওঁ সি মোক কি কৰে? Living together ৰ জৰিয়তে মানুহে পৰিপূৰ্ণ তৃপ্তি পাব নোৱাৰে—

তই বিয়া-চিয়া নকৰাব নেকি?

সেইটো তোক কিয়?

জনাত অসুবিধা কি? তই যদি হিতেনক উপদেশ দিব পাৰ, মই কি তোক কিবা-কিবি উপদেশ দিব নোৱাৰো নেকি?

মই বিয়া নকৰাও— হ'লতো?

এতিয়া বাৰু গৰমতে চলি গলি কিন্তু, বুঢ়াকালত কি কৰিবি?

"ওল্ড ডেজ্ হোম"ত সোমায়। তাতেই বুঢ়াকালটো কটাই মৰি যাম

কিন্তু তাতো অশান্তি আছে, বিষাদ আছে।

কিয়?

'ওল্ড ডেজ হোম'ত যিবোৰ মানুহ থাকিব সেইবোৰতো সকলো বুঢ়া-বুঢ়ী। মৃত্যুৰ বাবে সাজু হোৱা হতাশ মানুহবোৰ। যিবোৰ মানুহে আৰু কেতিয়াও দেখা নাপাব ৰঙীণ পখিলা—

বাৰ্দ্ধক্য মানেই বিষাদ নহয় বা অসুন্দৰ নহয়। তেনেকৈ শৈশৱ মানেই কেৱল আনন্দ নহয়। যৌৱন মানেই মদমত্ত হাতীৰ দৰে উন্মাদনা নহয় বা যৌৱন মানেই কেৱল ৰঙীণ সোণালী সপোন নহয়। সকলোৰে এটা সুকীয়া অস্তিত্ব, সুকীয়া বৈশিষ্ট্য আছে। যেনেকৈ ৰাতিপুৱা মানেই কেৱল আনন্দ আৰু ৰাতি মানেই বিষাদ নহয়। ৰাতিপুৱা, দুপৰীয়া, বিয়লি, সন্ধ্যাৰ প্ৰতিটো মুহূৰ্তই সুন্দৰ। কাৰণ, প্ৰতিটোৰেই একোটা সুকীয়া সুকীয়া স্তৰ আছে। এটা স্তৰত দিনটো আৰম্ভ হয় আৰু এটা স্তৰত দিনটো সমাপ্ত হয়। তেনেকৈয়ে তোৰ-মোৰ-আমাৰ সকলোৰে জীৱন কেইটামান স্তৰত গাঁথা আছে আৰু প্ৰতিটোৰে এটা নিজস্বতা আছে। ফুল ফুলি তাত বীজ হয়। শুকান বীজত বুঢ়া হোৱা গছজোপাই এৰি থৈ যায় নিজৰ অস্তিত্ব, নিজৰ বৈশিষ্ট্য, নিজৰ চৰিত্ৰ। তেনেকৈ বুঢ়াসকলেও ল'ৰা-ছোৱালীৰ মাজেৰে পৃথিৱীত সদায় থাকি যাব। কোনো মানুহেই সেই কাৰণেই মৰি নাযায়। সেই কাৰণে মোৰ খোলোচা কথাটো হ'ল— বুঢ়া মানেই মৃত্যু নহয়। বাৰ্দ্ধক্য মাত্ৰ এটা স্তৰ। নতুনকৈ কুঁহিপাত ওলোৱাৰ আগে আগে গছৰ বুঢ়া পাতবোৰ সৰি পৰে, দেখাত গছডাল শুকান, ৰুক্ষ আৰু উলঙ্গ হ'লেও তাৰ মাজত প্ৰাণ থাকে। তেনেদৰে বুঢ়াকালটোৱে প্ৰাণ ৰাখি যায় নতুন প্ৰজন্মৰ হাতত। হতাশ নহবি, পৃথিৱীখন ভালদৰে চাবলৈ শিক— ঐ, মই কি কৈছো শুনিছ নে নাই? মানুহ মৰি যায়, কিন্তু মনুষ্যত্ব থাকি যায়-

শুনিছো—

কি ভাবিছ?

নাই, কিনো ভাবিম আৰু—

তথাপি?

মই কিন্তু তোৰ এটা কথা মানি নোৱাৰিলো—

কিয়? কি কথা?

কথাটো বৰ একো সাংঘাতিকো নহয়, মানে ধৰ, তইতো জানই মই এটা ৰাজনৈতিক পাৰ্টিৰ লগত জড়িত—

অ' জানো; লগতে এইটোৱো জানো যে মানুহৰ অস্তিত্ব সম্পৰ্কে কোৱা কথাখিনিয়ে তোক অলপ আঘাত কৰিব। নিশ্চয় ইতিমধ্যেই কৰিছে। বোধহয়, তই ভিতৰে ভিতৰে কথাবাৰ ভাবি উত্তেজিত হৈ পৰিছ? কিন্তু উত্তেজিত হোৱাৰ কোনো কাৰণ নাই।

কিয়? মোৰ কিন্তু খঙ উঠি আছে—

উঠিব নালাগে। যিহেতু মোৰ কথাটোৱেই শেষ কথা নহয়। পৃথিৱীত কোনো কথাই শেষ কথা নহয়। মাত্ৰ মই মোৰ ধাৰণা এটাৰ কথাহে কৈছো—

সেই বুলিয়েই কিন্তু আমাৰ দৰে পাৰ্টিৰ কৰ্মীবোৰক তই দুৰ্বল বুলি ক'ব নোৱাৰ।

শাৰীৰিকভাৱে দুৰ্বল নহ'লেও তেওঁলোকৰ আত্মবিশ্বাস নিশ্চয় যিজনে নেতৃত্ব দিব তেওঁতকৈ অলপ হ'লেও কম।

কিয় কম হ'ব?

প্ৰশ্ন কৰাৰ আগেয়ে ভাবি চা কি প্ৰশ্ন কৰিছ? দাবা খেলাৰ সময়ত 'চেক' দিয়াৰ আগেয়ে ভাবি চাব লাগে নিজৰ গুটিটো কিমান সুৰক্ষিত হৈ আছে?

ইমান ঘূৰাব-পকাব কিয় লাগে, চাফা কথা কৈ নিদিয় কিয়?

মই দুৰ্বল বুলি কৈছিলো, সেই কাৰণেই খং উঠিছিল নহয় জানো?

ওঁ—

যিজনে এটা পাৰ্টিৰ নেতৃত্ব দিব তেওঁ নিজ খুচিমতে যিকোনো কাম স্বাধীনভাৱে কৰিব পাৰে; কিন্তু কৰ্মীবোৰৰ সেই সমানুপাতত কোনো স্বাধীনতাই নাই। সেই কাৰণেই মই কৰ্মীসকলক দুৰ্বল বুলি কৈছো যিহেতু তেওঁলোকৰ দুয়োখন হাত বন্ধা, আনকি মুখখনো চিলোৱা। তোৰ ব্যক্তিগত স্বাধীন ইচ্ছাৰ সু-প্ৰয়োগ কৰি পাৰ্টিৰ বেনাৰত থাকি কোনো সৎকাম কৰিবলৈ গৈ দেখিবি সেই নেতৃত্বই কোনো বাধা দিছে।

মই ব্যক্তিগত সকলো স্বাৰ্থক বলি দিছো—

বলি? বলিদান? কেনে বলিদান? কিমান দুৰ্বলৈ—

মই দলবদ্ধ ঐক্যমতত্তহে বিশ্বাস কৰো—

কিন্তু দলটোত যি দৰ্শনক অৱলম্বন কৰি দলবদ্ধ ঐক্যৰ কথা কৰ, তাৰ পৰা এক চুলিমানো লৰ-চৰ কৰিব নোৱাৰ—

তাকেইতো কয়— দলবদ্ধ ঐক্য—

কিন্তু তইঁতৰ যিজন নেতা, তেওঁৰ ব্যক্তি-স্বাধীনতা কিন্তু সদায় ওপৰত থাকে। কৰ্মীসকলৰ তেওঁৰ ওপৰত দৃঢ় বিশ্বাস আছে বাবেই সেই সুযোগতে যি মন যায় তাকেই কৰি সুন্দৰভাৱে নেতৃত্ব দি যায়। ইফালে এচামে সেই নেতাজনৰ কথাবোৰ ভাল নাপায়। ভিতৰত হেজাৰটো দ্বন্দ্ব আহিছে। তথাপিও এই নেতাৰ নেতৃত্ব আখৰে আখৰে মানি চলিব লাগে। তেতিয়াই কৰ্মীসকলৰ মাজত আহি পৰে সংঘাত, অস্তিত্বৰ সংকট। সেই মুহূৰ্ততে কৰ্মীবোৰ দুৰ্বল হৈ পৰে।

সেইটো বেয়া নেকি?

মই নাজানো কোনটো ভাল? কিন্তু ক'তো ব্যক্তি-স্বাধীনতা খৰ্ব হ'ব নালাগে— তাৰ ফলত প্ৰতিভাৰ সু-প্ৰয়োগ নহয়, বিকাশ নহয়।

স্বাধীনতা মানে তই কেনে স্বাধীনতাৰ কথা কৈছ? ৰাতি ৰিভলভাৰ দেখুৱাই কাৰোবাৰ ঘৰত অনধিকাৰ প্ৰৱেশ কৰি মুখত ক'লা কাপোৰ পিন্ধি টকা-পইচা সা-সম্পত্তি লুটি লৈ অহাৰ দৰে স্বাধীনতাৰ কথা কৈছ নেকি? নে আলিবাটেৰে গৈ থকা ছোৱালী এজনীক নিজ খুচি মতে বলাৎকাৰ কৰি ক'ৰবালৈ লৈ যোৱাৰ দৰে কোনো স্বাধীনতা?

ভদ্ৰলোকৰ দৰে কথা কবি। মই শালীনতা হেৰুওৱা নাই। মই আগেয়ে কৈছো— সৎ কামৰ স্বাধীনতা। তই দিয়া উদাহৰণ দুটাৰ কোনোটোৱেই সৎ উদাহৰণ নহয়— কথা ক'লে ভাবি-চিন্তি ক'ব লাগে।

ইমান গৰম হৈ যাব লাগিছে বা কিয়? মই যুক্তিৰ খাতিৰতহে কথাষাৰ কৈছো।

মই গৰম হোৱা নাই, তই নিজেই দেখোন ইমান গৰম হৈ থাক—

গৰমতো হমেই। উত্তেজিত হোৱাকৈ কথাবোৰ কৰ কিয়? তদুপৰি কুকুৰ পোহাৰ সম্পৰ্কত যিবাৰ কথা কলি সেই কথাষাৰকো মই সহ্য কৰিব পৰা নাই।

নোৱাৰিবিয়েই, গা চাগে বেয়াকৈ জ্বলি গৈছে—

যাবই। নিজৰ অস্তিত্ব যেতিয়া সমাজত হেৰাই যাব খোজে তেতিয়া নিজস্ব বজাই ৰাখিবলৈ আৰু নিজৰ দাম্ভিকতা বা প্ৰভুত্ব দেখুৱাবলৈহে মানুহে কুকুৰ পোহে- - এই কথাষাৰ মই কিন্তু মানি ল'ব নোৱাৰিলো। মোৰো এটা কুকুৰ আছে, পোহনীয়া কুকুৰ আছে, তাক মই মৰম কৰো—

সেইটোনো কি ডাঙৰ কথা। আমাৰ ঘৰতো দুই-তিনিটা কুকুৰ আছে—

পোহনীয়া আৰু বৰ মৰমৰ। তথাপিও যে মই তেনেকৈ কৈছো— কিয় কৈছো? নিশ্চয় কিবা এটা কাৰণ আছে।

কি কাৰণ তাত থাকিব পাৰে? কাৰোবাৰ ওপৰত তোৰ কিবা ব্যক্তিগত আক্ৰোশ আছে। সেই আক্ৰোশ তোৰ কথাৰ দ্বাৰা প্ৰতিফলিত হৈছে—

কোনো আক্ৰোশ নাই। মাত্ৰ উপলব্ধি—

মাৰ গুলী উপলব্ধি-চুপলব্ধি। কথা কোৱাৰ আগতে ভাবি চাব লাগে তাৰ প্ৰতিক্ৰিয়া কি হ'ব পাৰে?

এইটো কথা নিৰ্ভৰ কৰিব কোনে কেনেকৈ কথাবোৰ লয়? আৰু ঠিক তেনেদৰে নিৰ্ভৰ কৰিব কোনে কি অৰ্থত বা কি উদ্দেশ্যত কুকুৰ পোহে। তই নিশ্চয় তোৰ কুকুৰটো গেটৰ সমুখত এৰি থৈ নিদিয়? বা তোৰ ঘৰলৈ মানুহ গ'লে কামুৰিবলৈ বা ডিঙিলৈকে জঁপিয়াবলৈ তোৰ কুকুৰটোক এৰি নিদিয়? বা তোৰ কুকুৰে চৌব্ৰিশ ঘণ্টাই হাউ-হাউকৈ ভুকি ভুকি চুবুৰীয়াৰ মানসিক শান্তি ভংগ নকৰে? যদি কৰে, তেতিয়া কেৱল নিজৰ অস্তিত্ব আনে উপলব্ধি কৰাৰ বাবে সেইটো উদ্দেশ্যপ্ৰণোদিতভাবে তেনেকৈ ৰাখি থৈছ। কাৰণ তোৰ কুকুৰে চুবুৰীয়াৰ মানসিক শান্তি ভংগ কৰাৰ অধিকাৰ নাই। তই বেয়া নাপাবি, এই চহৰখনত থকা বেছিভাগ ধনী লোকৰেই এটা বেমাৰ আৰম্ভ হৈছে। সেইটো একপ্ৰকাৰ মানসিক বেমাৰেই। এই বিকাৰগ্ৰস্ত মানুহেই চুবুৰীয়াক শান্তিত থাকিবলৈ নিদিয়ে— হয়নে নহয়? ফাঁকি নিদিব—

হাঁ - হাঁ - হাঁ - বৰ হৰ্ষৱালি তই।

হাঁ - হাঁ - হাঁ -

এতিয়া এইবোৰ এৰ; লাহে লাহে সন্ধিয়া হৈ আহিছে। সেইকালে কিজানি অমৰেন্দ্ৰৰ ঘৰত ব্যস্ততা আহি গৈছে—

বেলি পৰাৰ আগে আগে তই যাগৈ

আৰু তই?

নাযাওঁ। জানই, মই মোৰ কথাৰ লৰক-ফৰক নকৰো — পিছলা-পিছলি নীতিত মই নাই—

সঁচাকৈয়ে নাযাব?

ওঁহো নাযাওঁ—

তেনেহ'লে তই ইয়াত কি কৰিবি?

চাই থাকিম—

কি চাই থাকিবি?

প্ৰথমে ইয়াৰ পৰা চাম— নদীৰ বুকুলৈ বহি যোৱা সূৰ্যাস্ত। তাৰ পাছত চাম বাহলৈ উভতি অহা চৰাইৰ জাক। নাৱৰীয়াসকলে নাওখজা দৃশ্য। জাহাজ এখন

দৃশ্য। শুনিম জাহাজৰ উকি। চাবলৈ ক'ত বস্তু আছে— গছত সেউজীয়া পাত আছে, ডালে ডালে চৰাইৰ মাত আছে; সমুখত সেয়া জকমককৈ ফুল ফুলি আছে। অলপ পাছত জোনাক ওলাব। নদীৰ পানীত ৰূপালী জোনাক চিক্-মিকাই থাকিব। কাইলৈ ৰাতিপুৱা আকৌ ৰ'দ ওলাব। তইঁতৰ হুইস্কিৰ বটল এইবোৰতকৈ কেতিয়াও ওপৰত নহয়। ইয়াত থিয় হৈ থাকি যি আনন্দ মই পাম, সেই আনন্দ তাত নাই। তাত ফুল নুফুলে, জোনাক নোলায়, ৰ'দৰ পোহৰো নপৰে—

□□